● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



যেতিয়া সকলো আপোনাৰ বিপৰীত দিশে যোৱা যেন লাগে, তেতিয়া মনত পেলাব— বিমানখনে বতাহৰ বিপৰীত দিশেহে উৰা মাৰে।

হেনৰি ফৰ্ড
*আমেৰিকাৰ উদ্যোগপতি*

www.dainikagradoot.in
৭ মোদীৰ শাসনত মন্দাৱস্থা ডাকসেৱাত
১৫ খেলো ইণ্ডিয়াত অসমৰ প্ৰথমটো স্বৰ্ণ জয়
৪ প্ৰশ্ন অনেক, উত্তৰ এটাই

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৩৭তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ২৩ জেঠ ১৪২৯ ভাস্কৰাব্দ ৭ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 7 June 2022 মূল্য ঃ ৯.০০ টকা

■ এপিডিচিএলে প্ৰতি ইউনিট বিদ্যুৎ কিনিব লাগিব ৩.৯৮ টকাত ■ কাৰ চক্ৰান্তত ব্যক্তিগত প্ৰতিষ্ঠানক দায়িত্ব প্ৰদান? ■ প্ৰকল্পৰ বাবে জেকছনক ভূমি প্ৰস্তুত কৰি দিছিল এপিডিচিএলে

# সৌৰশক্তি প্ৰকল্পক লৈ দিছপুৰত অসন্তুষ্টি

৭০ মেগাৱাট লক্ষ্য হ'লেও সম্প্ৰতি ৪০ মেগাৱাট উৎপাদন ■ ২৫ বছৰলৈ কিনিব চৰকাৰে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৬ জুন ঃ** ৰাজ্য চৰকাৰে যোৱা পহিলা জুনত আড়ম্বৰপূৰ্ণভাৱে শিৱসাগৰ জিলাৰ আমগুৰিত সৌৰশক্তিৰে বিদ্যুৎ উৎপাদনৰ অসমৰ সৰ্ববৃহৎ প্ৰকল্পটো উদ্বোধন কৰে। অসম চুক্তিৰ ফচল এই প্ৰকল্পটোৰ জৰিয়তে দৈনিক ৭০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্য লোৱা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ উন্নয়নৰ প্ৰতীকৰূপে অভিহিত কৰি প্ৰকল্পটো উদ্বোধন কৰিলেও শক্তি বিভাগৰ সিদ্ধান্তক লৈ সন্তুষ্ট নহয়। একেদৰে অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেডেও (এপিডিচিএল) প্ৰকল্পটোক লৈ অসন্তুষ্ট। কাৰণ প্ৰকল্পটোৰ কোনো কৰ্তৃত্বই এপিডিচিএলৰ নাই। ৰাজ্যৰ শক্তি বিভাগেও প্ৰকল্পটোৰ ওপৰত নিজৰ কৰ্তৃত্ব জাহিৰ কৰিব নোৱাৰে। যি ৭০ মেগাৱাট বিদ্যুৎ প্ৰকল্পটোৰ জৰিয়তে উৎপাদনৰ লক্ষ্য লোৱা হৈছে সেয়া এপিডিচিএলে ক্ৰয় কৰিবহে লাগিব। কাৰণ প্ৰকল্পটো এনেদৰে স্থাপন কৰা হৈছে যে মূল সম্পত্তি নিজৰ হ'লেও শক্তি বিভাগে উৎপাদিত বিদ্যুৎ বিনামূলীয়াকৈ লাভ নকৰে। ন্যূনতম ২৫ বছৰলৈ প্ৰতি ইউনিট বিদ্যুৎ ৩.৯৮ টকাকৈ এপিডিচিএলে ক্ৰয় কৰিব লাগিব। অথচ অসম চুক্তিৰ ফচল হিচাপে অসমৰ সম্পদ ব্যৱহাৰ কৰি প্ৰকল্পটো স্থাপন কৰা হৈছে। ফলস্বৰূপে *১০ পৃষ্ঠাত চাওক*

## প্ৰতিষ্ঠান ধ্বংস-সমাজ ধ্বংস (১)

■ **সঞ্জীৱ সভাপণ্ডিত**



অসমত যোৱা দুবছৰৰ ভিতৰত (২০২০-২২) প্ৰায় ২৫০ মেগাৱাট পৰিমাণৰ বিজুলী শক্তি অপৰম্পৰাগত আৰু পুনৰুজ্জীৱিত কৰিব পৰা (Non Conventional & Renewal Energy Source) উৎসৰ পৰা উৎপাদন কৰা হৈছে। এই গোটেইখিনিয়ে সৌৰশক্তিৰ দ্বাৰা উৎপাদিত। সকলোখিনি উৎপাদন কৰিছে অসমৰ বাহিৰৰ মানুহে। অসম চৰকাৰে মাটি দিছে, *১০ পৃষ্ঠাত চাওক*




*আৰক্ষীৰ দ্বাৰা 'এনকাউণ্টাৰ' হত্যা বন্ধৰ দাবীত চিপিএমৰ প্ৰতিবাদ, মহানগৰীত সোমবাৰে।*

■ দিল্লী যাত্ৰা বাতিল মুখ্যমন্ত্ৰীৰ ঃ দিছপুৰৰ পৰাই কেন্দ্ৰীয় নেতৃত্বৰে নতুন মন্ত্ৰীৰ সন্দৰ্ভত যোগাযোগ ■ জনজাতিক গুৰুত্ব নিদিলে পৰিণাম ভুগিব দলে ঃ বিধায়ক ৰমাকান্তৰ সকীয়নি

## সম্প্ৰসাৰণক লৈ ঘনে ঘনে সলনি দৃশ্যপট



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৬ জুন ঃ** দিন চমু চাপি অহাৰ লগে লগে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মন্ত্ৰীসভাৰ প্ৰথম সম্প্ৰসাৰণক লৈও চৰ্চা তুংগত উঠিছে। সমান্তৰালভাৱে একাংশ বিধায়কে এই সম্প্ৰসাৰণতে নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ নিজা নিজা কৌশলেৰে মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণৰ চেষ্টা চলাইছে। মুখ্যমন্ত্ৰীয়ে ইতিপূৰ্বে কৰা ঘোষণা অনুসৰি অহা আঠ জুনত নতুন মন্ত্ৰীৰ নাম ৰাজহুৱা কৰিব। তাৰ বাবে দলৰ শীৰ্ষ নেতৃত্বৰ অনুমোদন ল'বলৈ আজি দিল্লীলৈ যোৱাৰ কথা মুখ্যমন্ত্ৰীয়ে সদৰী কৰিছিল যদিও শেষ মুহূৰ্তত এই যাত্ৰা বাতিল হয়। কাইলৈ সন্ধিয়া পৰ্যন্ত মুখ্যমন্ত্ৰীৰ কাৰ্যসূচী নিৰ্ধাৰিত হৈ থকাত তেওঁৰ দিল্লী যাত্ৰাৰ সম্ভাৱনা মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সূত্ৰই নাকচ কৰে। যাত্ৰা বাতিল কৰি ফোন আৰু ই-মেইলৰ জৰিয়তে নতুন *১০ পৃষ্ঠাত চাওক*

■ জটিলতা বঢ়াত এটা পদ পূৰণেৰে সামৰিব পাৰে এইবাৰৰ সম্প্ৰসাৰণ ■ লোকসভা নিৰ্বাচনৰ অংকৰে সংস্থাপনৰ অংক ■ বিজেপিৰ জ্যেষ্ঠ নেতাক মন্ত্ৰিত্ব দিয়াৰ দাবীও জোৰদাৰ

## বাৰানসী বিস্ফোৰণত দোষী সাব্যস্ত ৱলিউল্লা খানক ফাঁচিৰ ৰায়

কে'বাজনো অভিযুক্ত এতিয়াও সন্ধানহীন হৈ ৰ'ল



■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৬ জুন ঃ** উত্তৰপ্ৰদেশৰ বাৰানসীত সংঘটিত বোমা বিস্ফোৰণৰ ঘটনাত দোষী সাব্যস্ত ৱলিউল্লা খানক ফাঁচিৰ ৰায় দিলে আদালতে। আজি গাজিয়াবাদ জিলা ন্যায়ালয়ে দোষী সাব্যস্ত হোৱা খানৰ শাস্তিৰ ৰায় দিয়ে। যোৱা শনিবাৰে *১০ পৃষ্ঠাত চাওক*

ভূমিস্খলনত আন দুই শ্ৰমিক আহত ■ মাটিৰ দ'ম খান্দি উলিয়ালে মৃতদেহ ■ এনএছপিচি কৰ্তৃপক্ষৰ দ্বাৰা তথ্য গোপন কৰাৰ অভিযোগ

## নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত নিৰ্মীয়মান সুৰংগ খহি শ্ৰমিকৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ/ধেমাজি, ৬ জুন ঃ** পুনৰ এক শিহৰণকাৰী ঘটনা সংঘটিত হ'ল এনএইছপিচিৰ দ্বাৰা নিৰ্মীয়মান গেৰুকামুখৰ নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত। জলবিদ্যুৎ প্ৰকল্পৰ দুই নম্বৰ সুৰংগত কাম কৰি থকা অৱস্থাতে আজি মাটি খহি চেপা খাই থিতাতে মৃত্যু হয় এজন শ্ৰমিকৰ। লগতে গুৰুতৰভাৱে আহত হয় আন দুজন শ্ৰমিক।

উল্লেখ্য যে এনএইছপিচিৰ অধীনৰ ঠিকাদাৰী সংস্থা পেটেল ইঞ্জিনীয়াৰিঙৰ একাংশ শ্ৰমিকে আজি লিফ্টত উঠি সুৰংগৰ ভিতৰত ৱেল্ডিং কৰি আছিল। সেই সময়তে সুৰংগৰ ওপৰ ভাগৰ পৰা বিপুল পৰিমাণৰ মাটি খহি পৰে। মাটিৰ দ'মে কেবাজনো *১০ পৃষ্ঠাত চাওক*

■ হজৰত মহম্মদক লৈ বিজেপিৰ দুই নেতাৰ অসন্মানজনক মন্তব্যত ক্ষোভৰ জুই উপ-সাগৰীয় দেশত ■ ৰাষ্ট্ৰদূতক তলব তিনি দেশৰ

## আঁতৰাই পেলালে ভাৰতীয় সামগ্ৰী, বাণিজ্য ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৬ জুন ঃ** হজৰত মহম্মদ সম্পৰ্কে বিজেপিৰ দুই পদবীধাৰীৰ অসন্মানজনক মন্তব্যই উপ-সাগৰীয় দেশসমূহত সৃষ্টি কৰা ক্ষোভৰ জুই নুমুৱাবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছে ভাৰত চৰকাৰে। ইয়াৰ সমান্তৰালভাৱে দেশত অব্যাহত আছে এই মন্তব্যৰ বিৰোধী শিবিৰৰ প্ৰতিক্ৰিয়া। বিজেপিৰ মুখপাত্ৰ নূপুৰ শৰ্মাক দলে নিলম্বিত কৰাৰ লগতে আন এজন নেতা নবীন জিন্দালক এই বিতৰ্কিত মন্তব্যৰ বাবে দলে ইতিমধ্যে বহিষ্কাৰ কৰিছে। এই দুই নেতাৰ বিতৰ্কিত মন্তব্যৰ বাবে কাটাৰ, চৌদি আৰব, ওমান, সংযুক্ত আৰব আমিৰশ্বাহী আৰু ইৰানত ভাৰতৰ কূটনৈতিক সম্পৰ্কৰ অৱনতি ঘটিছে। এই দেশসমূহে এনে মন্তব্য মানহানিকৰ বুলি অভিহিত কৰি ভাৰত চৰকাৰৰ পৰা ক্ষমা মাৰ্জনা দাবী কৰাৰ পাছত বৈদেশিক মন্ত্ৰণালয়ে পৰিস্থিতি চম্ভালিবলৈ তৎপৰ হৈছে। *১০ পৃষ্ঠাত চাওক*

কাটাৰত ভ্ৰমণৰত উপ-ৰাষ্ট্ৰপতি নাইডুৰ নৈশভোজ বাতিলক লৈও তুমুল চৰ্চা

## ওৰাঙত ভূমি বিবাদক কেন্দ্ৰ কৰি নিশা গুলিচালনা

হস্তনিৰ্মিত বন্দুকৰ গুলিয়ে ভেদিলে বুকু আৰু হাত




**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ৬ জুন ঃ** কালি মাজনিশা ১-৩০ বজাত ওদালগুৰি জিলাৰ ওৰাং আৰক্ষী থানাৰ অন্তৰ্গত দেৰ পুখুৰীত ভূমি বিবাদক কেন্দ্ৰ কৰি এক গুলিচালনাৰ ঘটনা সংঘটিত হয়। অঞ্চলটোৰ জামালুদ্দিন নামৰ লোকজনে নিশা শুই থকা অৱস্থাত একেখন গাঁৱৰে মইনুল হকে ঘৰৰ খিৰিকীৰে জামালুদ্দিনক উদ্দেশ্যি গুলিচালনা কৰে। লগে লগে অভিযুক্তই পলায়ন কৰে যদিও জামালুদ্দিনে তেওঁক চিনাক্ত *ছয় পৃষ্ঠাত চাওক*

স্বয়ম্ভু বৈদেশিক সচিব পাভেলৰ নিৰ্দেশতে চলিল আক্ৰমণ

## দাবী কৰা ধন আদায় নিদিয়া বাবেই ব্যৱসায়ীক গুলীয়ালে কেএলঅ'ৱে

■ আৰক্ষীৰ জিম্মালৈ মডেলসহ ছজন




**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৬ জুন ঃ** যোৱা চাৰি জুনৰ নিশা কোকৰাঝাৰৰ চেৰফাংগুৰিৰ নাৰাবাৰীত সুনীল মণ্ডল নামৰ ক্ষুদ্ৰ ধান ব্যৱসায়ীক দাবী কৰা ধন আদায় নিদিয়াৰ বাবে কমতাপুৰ লিবাৰেচন অৰ্গেনাইজেচন (কে এল অ')এ গুলীয়াই আহত কৰা ঘটনাৰ লগত জড়িতৰ অভিযোগত গ্ৰেপ্তাৰ কৰা এগৰাকী মহিলাসহ ছজনক আজি দুদিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰা হয়। ধৃতসকল হ'ল নৱনীতা বৰ্মন বোথ্ৰা, বিকাশ বোথ্ৰা ওৰফে বিকি, নিৰ্মল দাস, মৃদুল ৰায়, গৌৰ চন্দ্ৰ ৰায় আৰু উত্তম ৰায়। আৰক্ষীৰ তদন্তত পোহৰলৈ আহিছে যে ব্যৱসায়ী মণ্ডলক সম্প্ৰতি ম্যানমাৰত থকা কেএলঅ'ৰ স্বয়ম্ভু বৈদেশিক সচিব পাৰ্থপ্ৰতিম বৰ্মন ওৰফে বাপ্পা ওৰফে পাভেলে ফোনযোগে *ছয় পৃষ্ঠাত চাওক*

## মহানগৰীত জ্যেষ্ঠ নাগৰিকৰ এটিএমৰ দ্বাৰা লুটি নিলে ডেৰ লাখ টকা

১০ মিনিটতে একাউণ্ট খালী ঃ ব্যৰ্থ হ'ল আৰক্ষী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৬ জুন ঃ** ৰাজ্যত অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে এটিএম ব্যৱহাৰৰ জৰিয়তে প্ৰৱঞ্চনাৰে ধন হৰলুকিৰ ঘটনা। বিশেষকৈ এই সেৱা ব্যৱহাৰত পাকৈত নোহোৱা এচাম লোকক সহায়ৰ হাত *১০ পৃষ্ঠাত চাওক*

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ৩১° | ২৫° |
| ডিব্ৰুগড় | ২৯° | ২৪° |
| দিল্লী | ৪৩° | ৩১° |
| কলকাতা | ৩৬° | ২৯° |
| মুম্বাই | ৩২° | ২৯° |
| চেন্নাই | ৩৬° | ২৮° |
| বাংগালুৰু | ২৯° | ২১° |
| শ্বিলং | ২২° | ১৮° |

৬ জুন, ২০২২

অসমীয়াৰ পৰা ধন লুট কৰি গ্ৰেপ্তাৰ হ'ল ছয়

## মেঘালয় সীমান্তৰ মালাং শালবাৰীত চেপা উত্তেজনা

**অগ্ৰদূত বাৰ্তা**

**বকো, ৬ জুন ঃ** সীমা সমস্যাক কেন্দ্ৰ কৰি অসম-মেঘালয় সীমান্তৱৰ্তী মালাং শালবাৰীত আজিও চেপা উত্তেজনাই বিৰাজ কৰি আছে। স্বয়ং মুখ্যমন্ত্ৰীৰ সিদ্ধান্তকো মানিব খোজা নাই অসমত বসবাস কৰা একাংশ অসম-বিদ্বেষীয়ে। *ছয় পৃষ্ঠাত চাওক*

মুখ্যমন্ত্ৰী-আৰক্ষীক প্ৰত্যাহ্বান ■ দুৰ্নীতিৰ চৰ্চা তল পেলাবলৈহে ভুৱা অভিযোগ উত্থাপন

## সন্ত্ৰাসবাদী কাৰ্যকলাপৰ যদি প্ৰমাণ আছে, ৰাজহুৱা কৰক ঃ পিএফআই

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৬ জুন ঃ** গৰুখুঁটি-বটদ্ৰৱা কাণ্ডৰ লগতে ৰাজ্যত জেহাদী কাৰ্যকলাপত পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়া (পিএফআই) জড়িত থকাৰ সন্দেহ তথা তথ্যৰ ভিত্তিত সংগঠনটোক নিষিদ্ধ কৰিবলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ক অৱগত কৰা হৈছে বুলি শেহতীয়াকৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰাৰ পাছতে ইয়াৰ তথ্য-প্ৰমাণ ৰাজহুৱা কৰিবলৈ প্ৰত্যাহ্বান জনাইছে সংগঠনটোৱে। মুখ্যমন্ত্ৰীৰ মন্তব্যৰ পাছতে কালি অসম আৰক্ষীৰ (বিশেষ শাখা) অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান হীৰেন নাথে শেহতীয়াকৈ আৰক্ষীৰ জালত পৰা *১০ পৃষ্ঠাত চাওক*

প্ৰবীণ বড়োৰ বিপিএফ ত্যাগত প্ৰতিক্ৰিয়া

## মেল্লা প্ৰবীণ বড়ো থাকে, চিনি নাপাও! মহিলাৰী

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ/বৰমা/শালবাৰী, ৬ জুন ঃ** বিপিএফৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক প্ৰবীণ বড়োৱে আজি দলত্যাগ কৰে। বৰমাৰ নিজ বাসগৃহত তেওঁ আজি এই ঘোষণা কৰি সাংবাদিকক কয়, 'বিপিএফত এতিয়া প্ৰাসংগিকতা নাই প্ৰবীণ বড়োৰ। ২০০৯ৰ পৰা বিপিএফৰ স'তে মই জড়িত আছিলো। বিপিএফৰ সাধাৰণ সম্পাদক পদত থাকি মই দলৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিছিলো। আজি দলৰ সভাপতি হাগ্ৰামা মহিলাৰীলৈ পদত্যাগপত্ৰ প্ৰেৰণ কৰো। পদত্যাগ পত্ৰত ব্যক্তিগত কাৰণত দল ত্যাগ কৰা বুলি মই প্ৰকাশ কৰিছো।' পিছে ব্যক্তিগত কাৰণত পদত্যাগ কৰা বুলি কোৱাৰ *ছয় পৃষ্ঠাত চাওক*

## পিপিই কিট কেলেংকাৰিৰ অভিযোগত লতাশিল থানাত গোচৰ ৰুজু আপৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৬ জুন ঃ** ক'ভিডৰ সময়ত ৰাজ্যত পিপিই কিট যোগানৰ নামত কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ তুলি আজি আম আদমী পাৰ্টি (আপ)য়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি কে'বাজনৰ বিৰুদ্ধে মহানগৰীৰ লতাশিল আৰক্ষী থানাত গোচৰ তৰে। ড° শৰ্মাৰ লগতে গোচৰ তৰা আনসকল হ'ল মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মা, ব্যৱসায়ী ঘনশ্যাম ধনুকা আৰু ৰাজীৱ বৰা। তদুপৰি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ ঠিকা প্ৰদানৰ লগত জড়িত বিষয়াসকলকো গোচৰটোত সাঙুৰি লোৱা হৈছে। আপৰ নেতা-কৰ্মীসকলে কেলেংকাৰিৰ অভিযোগত সমদল কৰি গৈ দাখিল কৰা এজাহাৰত উল্লেখ কৰা অনুসৰি বিগত *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*বতাহত টকা উৰিব বুলি সপোনতহে দেখিব আৰু নিৰ্বাচনী প্ৰচাৰতহে ভাবিব পাৰি!*

জীৱিকাৰ শেষ সম্বলৰ পৰাও বিতাৰিত নকৰিব ■ চৰকাৰলৈ আহ্বান পদপথৰ ব্যৱসায়ীৰ

## পদপথৰ ব্যৱসায়ীক উচ্ছেদ নকৰিবলৈ দাবী



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৬ জুন ঃ** উপাৰ্জনৰ স্থায়ী পথ নাপালে বহুতেই চহৰ-নগৰৰ পদপথকেই জীৱিকাৰ সম্বলৰূপে ব্যৱহাৰ কৰে। গুৱাহাটী মহানগৰীত ২০ হেজাৰৰো অধিক পৰিয়ালে এনে পন্থাৰে জীৱন নিৰ্বাহ কৰি আহিছে। এখন সৰু টেবুল নাইবা ঠেলাত পুৱাৰে পৰা কঠোৰ পৰিশ্ৰমেৰে দৈনিক জীৱন সংগ্ৰাম অব্যাহত ৰাখি পৰিয়াল পোহপাল দিয়া এইসকল লোকৰ জীৱিকাৰ শেষ সম্বলকণো গুৱাহাটী পৌৰ নিগমে নিঃশেষ কৰিবলৈ উঠি পৰি লাগিছে বুলি অভিযোগ উত্থাপন কৰিছে পথ ব্যৱসায়ী সংস্থা, অসমে। গুৱাহাটী পৌৰ নিগমৰ নৱনিৰ্বাচিত মেয়ৰ মৃগেন *ছয় পৃষ্ঠাত চাওক*

■ অন্তিম দিনৰ নিৰ্বাচনী প্ৰচাৰত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল

## স্থায়ী শান্তি-প্ৰগতিৰ বাবেই কাৰ্বি ৰাইজে বিজেপিক সমৰ্থন দিছে



**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/খেৰণি, ৬ জুন ঃ** কাৰ্বি আংলঙত অহা আঠ জুনত সম্পন্ন হ'বলগীয়া পৰিষদীয় নিৰ্বাচনী প্ৰচাৰৰ আজি অন্ত পৰিল। প্ৰচাৰৰ সামৰণিৰ প্ৰাকক্ষণত বিজেপি প্ৰাৰ্থী পৱন কুমাৰ আৰু ৰীণা তেৰাংপীৰ হৈ খেৰণিৰ মাইলুত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিৰ্বাচনী প্ৰচাৰ চলায়। স্থায়ী শান্তি আৰু সৰ্বাংগীন প্ৰগতিৰ স্বাৰ্থত কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক বিপুল ভোটত জয় কৰাবলৈ তেওঁ আহ্বান জনায়। পশ্চিম কাৰ্বি আংলঙৰ মাইলু বজাৰত অনুষ্ঠিত এই প্ৰচাৰ অভিযানত ৰাইজৰ ব্যাপক সঁহাৰি প্ৰত্যক্ষ কৰি অভিভূত হোৱা বুলি কয় সোণোৱালে। তেওঁ কয়, 'কাৰ্বি আংলং অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। পৰ্যটনৰ অপাৰ সম্ভাৱনাময় এই পবিত্ৰ ভূমিত সৰ্বাংগীন উন্নয়ন আৰু স্থায়ী শান্তি সুনিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰে সবল পদক্ষেপ লৈছে।' প্ৰধানমন্ত্ৰীৰ মোদীৰ নেতৃত্বত বিগত বছৰ ধৰি উত্তৰ-পূৰ্বাঞ্চলত সূচনা হোৱা উন্নয়নৰ নৱজাগৰণৰ জোৱাৰে কাৰ্বি *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৭ জুন, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি

## মেৰাপানীত গৰু সৰবৰাহ কৰা তিনি বাহনসহ ২৮ টা গৰু জব্দ ঃ ধৃত পাঁচ



**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ৬ জুন ঃ** গোলাঘাট জিলাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী মেৰাপানীত অব্যাহত আছে গোধনৰ অবৈধ সৰবৰাহ। আৰক্ষীৰ চকুত ধূলি দি একাংশ গো-সৰবৰাহকাৰীয়ে নিতৌ ট্ৰাকযোগে চুবুৰীয়া নাগালেণ্ডলৈ বিকল্প পথেৰে গোধনৰ সৰবৰাহ কৰি আহিছে। আজি মেৰাপানীৰ গমাৰি গুৰিৰ পৰা অবৈধভাৱে সৰবৰাহ কৰা ২৮ টা গৰুসহ তিনিখন বাহন জব্দ কৰিবলৈ সক্ষম হৈছে। মেৰাপানী আৰক্ষীয়ে এ এছ-০৫ এছ-২৫২৩, এ এছ-০২ বি চি-৮৩৭৫, এ এছ-০৩ চি চি-০৬৪২ নম্বৰৰ তিনিখন বলেৰ' পিকআপ ভানত ২৮টা গৰু বোজাই কৰি নগালেণ্ডৰ ছয় পৃষ্ঠাত চাওক

## নলবাৰীৰ বাসুদেৱ দেৱালয়ত চুৰি

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ৬ জুন ঃ** নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত বাসুদেৱ দেৱালয়ত যোৱা নিশা চুৰি হোৱা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। উল্লেখ্য যে জিলাখনৰ ভিতৰতে এখন ঐতিহাসিক দেৱালয় হিচাপে পৰিচিত দেৱালয়খন চহৰৰ পাৰ্শ্বৱৰ্তী বালিকৰিয়াত অৱস্থিত। এই দেৱালয়খনৰ মন্দিৰত থকা প্ৰণামী বাকচটো ভাঙি ভিতৰত থকা ধনখিনি কোনো দুৰ্বৃত্তই চুৰ কৰি নিয়ে। উল্লেখ্য যে চোৰে প্ৰণামী বাকচটো ভাঙি নোটখিনি নিয়াৰ বিপৰীতে মুদ্ৰাসমূহ এৰি থৈ যায়। বাসুদেৱ দেৱালয় পৰিচালনা সমিতিৰ সম্পাদক হৰিহৰ শৰ্মাই জনোৱা মতে ইতিমধ্যে চি চি কেমেৰাত চোৰটো প্ৰৱেশ কৰি প্ৰণামী বাকচটো ভঙাৰ তথ্য উদ্ধাৰ হৈছে। পৰিচালনা সমিতিয়ে ঘটনা সন্দৰ্ভত নলবাৰী সদৰ থানাত এখন এজাহাৰ দাখিল কৰিছে।

## আনলা সদস্যৰ আত্মসমৰ্পণ, জিলা সেনাধ্যক্ষৰ বক্তব্যত প্ৰতিক্ৰিয়া



**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ৬ জুন ঃ** গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ সৰুপানী পঞ্চায়তৰ জ্যোতি পথাৰ গাঁৱৰ তৰুণ নায়ক ওৰফে গুৰুল নায়ক (৩৭) নামৰ এজন আনলা সদস্যই যোৱা এক জুনত ডিব্ৰুগড় আৰক্ষীৰ ওচৰত কৰা আত্মসমৰ্পণৰ সময়ত সদস্যজনে এটা পইণ্ট ২২ পিষ্টল আৰু কে'বাজাই সজীৱ গুলি জমা দিয়ে। আত্মসমৰ্পণকাৰী আনলা সদস্যজনে 'দৈনিক অগ্ৰদূত'ক জনোৱা মতে তেওঁ ২০০৭তে আনলাত যোগদান কৰে আৰু কাৰ্বি আংলং জিলাৰ সিংহাসন পাহাৰত কুকি উগ্ৰপন্থীৰ সহযোগত অস্ত্ৰৰ প্ৰশিক্ষণ গ্ৰহণৰ অন্তত আনলাৰ সাংগঠনিক কাম-কাজ অব্যাহত ৰাখে। ২০১২ত সংগঠনৰ মুখ্য সেনাধ্যক্ষ পিটৰ দাঙৰ নেতৃত্বত শতাধিক সদস্যই যুদ্ধ ছয় পৃষ্ঠাত চাওক

এটা জুপুৰিত বাস কৰিছে অসুস্থ প্ৰবীণ অগপ নেতাজনে

## পাহৰণিৰ গৰ্ভত একালৰ অগপ নেতা মিত্ৰদেৱ শৰ্মা



**বিশেষ সংবাদদাতা**
**নগাঁও, ৬ জুন ঃ** অগপৰ জন্মলগ্নৰে পৰা দলটোৰ এজন নিষ্ঠাবান কৰ্মী হিচাপে সেৱা আগবঢ়াই অহা প্ৰবীণ অগপ নেতাই জীৱনৰ বিয়লি বেলাত দুখ আৰু দাৰিদ্ৰতাৰ ভৰত কুঁজা হ'বলগীয়া হৈছে। আজি তেওঁ নিজৰ ঘৰখন চলাবলৈকে অসমৰ্থ। জুপুৰি সদৃশ এটা ঘৰত বৃদ্ধা পত্নীৰ স'তে জীৱন কটাইছে। এই প্ৰবীণ অগপ নেতাজনৰ নাম মিত্ৰদেৱ শৰ্মা। ছাত্ৰাৱস্থাতেই ৰাজনীতিত ভৰি দিয়া শৰ্মা বৰ্তমান নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত টিলা-বৰবাৰী গাঁৱৰ বাসিন্দা। শৰ্মাই অগপত আৰম্ভণিৰে পৰা নিষ্ঠা আৰু সততাৰে কাম কৰি ছয় পৃষ্ঠাত চাওক

## আদিবাসীক ধ্বংস কৰা মূল লোকজনেই প্ৰদীপ নাগ

**অগ্ৰদূত বাৰ্তা**
**টংলা, ৬ জুন ঃ** 'আদিবাসীক ধ্বংস কৰাৰ মূল লোকজন প্ৰদীপ নাগ। তেওঁ মানসিক ভাৰসাম্য হেৰুৱাই কেতিয়াবা ৩৫ টা জাতি-উপজাতিক লৈ সংগঠন চলাব বিচাৰে, কেতিয়াবা আকৌ ওড়িয়া-কুৰ্মী বুলি তুচ্ছ-তাচ্ছিল্য কৰে।' এই অভিযোগ ওদালগুৰি জিলা আছাৰ। উল্লেখ্য যে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি প্ৰদীপ নাগ আৰু আছা কৰ্মী, বুদ্ধিজীৱীৰ মাজত এতিয়া চলিছে তীব্ৰ বাকযুদ্ধ। সদৌ ওদালগুৰি জিলা আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি টিংকু ওৰাং স্বাক্ষৰিত আৰু প্ৰচাৰ সম্পাদক অস্কাৰ বাৰলাৰ দ্বাৰা প্ৰচাৰিত এক বিবৃতিৰ জৰিয়তে কয় যে যোৱা ২০ মাৰ্চত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ যুটীয়া সভাৰ উদ্যোগত চাৰিজনীয়া পৰিচালনা মণ্ডলী ক্ৰমে আকিলা পুৰ্তি, প্ৰভাত দাস পানিকা, আগষ্টুচ তিগ্ৰা আৰু জুয়েল কুজুৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হৈছিল। সভাত উভয় পক্ষৰ সিদ্ধান্তমৰ্মে কিছুমান ছয় পৃষ্ঠাত চাওক

## ফলাফলৰ প্ৰাক্ক্ষণত হাহাকাৰ পৰিয়ালৰ

তামুলপুৰত সন্ধানহীন হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ৬ জুন ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত উলুবাৰী গাঁৱৰ পৰা যোৱা দুই জুনৰ পৰা সন্ধানহীন হৈ আছে এজন উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ ছাত্ৰ। নিৰুদিষ্ট ছাত্ৰজন উলুবাৰী গাঁৱৰ মণ্টু তালুকদাৰ আৰু জিতামণি তালুকদাৰৰ একমাত্ৰ পুত্ৰ হিমাংশু তালুকদাৰ (১৬)। পৰিয়ালৰ সূত্ৰই জনোৱা মতে, যোৱা দুই জুনৰ দিনা এগৰাকী আত্মীয় মৃত্যুত নিৰুদিষ্ট ছাত্ৰ হিমাংশুৰ পিতৃ-মাতৃয়ে খবৰ কৰিবলৈ যায়। আনহাতে, সেইদিনাই বিয়লি হিমাংশুৱে তামুলপুৰ জিলা সদৰৰ এটা কম্পিউটাৰ কেন্দ্ৰত কম্পিউটাৰ শিকিবলৈ ওলাই গৈছিল। ইপিনে, আত্মীয়ৰ মৃত্যুৰ খবৰ লৈ সন্ধিয়া ঘৰলৈ আহি হিমাংশুৰ পিতৃ-মাতৃয়ে পুত্ৰক ঘৰত নেদেখি চিন্তিত হৈ পৰে। প্ৰতিকুল বতৰৰ বাবে হিমাংশু কোনো বন্ধুৰ ঘৰত থকা বুলি সম্ভাব্য সকলো স্থানতে পিতৃ-মাতৃ ছয় পৃষ্ঠাত চাওক

মৃত ছফিকুল ইছলামৰ বাসগৃহত বুলড'জাৰ চলোৱাটো এক নাভূত-নাশ্ৰুত ঘটনা ঃ ড° জানা

# বটদ্ৰৱাৰ ঘটনা সন্দৰ্ভত গণ অভিৱৰ্তন



**বিশেষ সংবাদদাতা**
**নগাঁও, ৬ জুন ঃ** 'বিজেপি নেতৃত্বাধীন চৰকাৰে এটা নিৰ্দিষ্ট এজেণ্ডা লৈ কাম-কাজ আৰম্ভ কৰিছে। সেইটো হ'ল যে ভাৰতবৰ্ষক হিন্দু ৰাষ্ট্ৰ কৰা। তাৰ বাবে তেওঁলোক হিন্দু-মুছলমানৰ নাম লৈ বিভেদৰ ৰাজনীতি কৰি আছে।' এই মন্তব্য বিশিষ্ট সাহিত্যিক, বুদ্ধিজীৱী ড° জ্যোতিৰ্ময় জানাৰ। আজি নগাঁও সাহিত্য সভা ভৱনত বটদ্ৰৱাত সংঘটিত মানৱ অধিকাৰ উলংঘন সম্পৰ্কত অনুষ্ঠিত এখন গণ অভিৱৰ্তনত এইদৰে মন্তব্য কৰি ড° জানাই আৰু কয়, 'বটদ্ৰৱা অঞ্চলত দীৰ্ঘদিন ধৰি আৰক্ষীৰ সন্ত্ৰাস চলি আহিছে। বিশেষকৈ অঞ্চলটোৰ মাছ বেপাৰীসকলৰ ওপৰত আৰক্ষীৰ নিৰ্যাতন চলি আহিছে।' বটদ্ৰৱা আৰক্ষী থানা জ্বলোৱা ঘটনাক তেওঁ তীব্ৰ ভাষাৰে নিন্দা কৰি কয়, 'পৰ্যাপ্ত আৰক্ষী বাহিনীৰ লোক থকা সত্ত্বেও কেনেকৈ বটদ্ৰৱা আৰক্ষী থানা জ্বলিবলৈ পালে সেয়া এক আশ্চৰ্য আৰু ৰহস্যৰ বিষয়। ছফিকুল ইছলাম নামৰ এজন মাছ বেপাৰী আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা ঘটনাক কেন্দ্ৰ কৰি বটদ্ৰৱা আৰক্ষী থানা ছয় পৃষ্ঠাত চাওক

কোকলাবাৰীত নিৰ্বাচনী প্ৰচাৰ সভাত কাৰ্যবাহী সদস্য দে

## বিপিএফৰ তিনি বিধায়ক ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ/শালবাৰী, ৬ জুন ঃ** 'বিপিএফৰ তিনি বিধায়ক ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ।' বিপিএফৰ তিনি বিধায়কক এনেদৰে আখ্যা দিলে প্ৰমোদ বড়োৰ নেতৃত্বাধীন বিটিচি পৰিষদৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেই। কোকলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী মণ্টু বড়োৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই আজি অন্তিমদিনা চিমলাত বিপিএফৰ তিনি বিধায়কক এনেদৰে তীৰ্যক মন্তব্য কৰে । উল্লেখ্য যে বিপিএফৰ বিধায়ক দুৰ্গা দাস বড়োৱে ৰাজ্য চৰকাৰৰ মন্ত্ৰী সভাত বিপিএফৰ এগৰাকী বিধায়কে স্থান পাব বুলি কৰা মন্তব্যৰ প্ৰত্যুত্তৰত বিটিচিৰ কাৰ্যবাহী সদস্যজনে কয় যে বিজেপি মিত্ৰদলসমূহৰ পৰা কোনে মন্ত্ৰিত্ব পাব তাৰেই কোনো নিশ্চয়তা নাই। তেনেস্থলত বিপিএফৰ পৰা মন্ত্ৰিত্ব পোৱাটো সুদুৰপৰাহত। তেনে ধৰণৰ কথা কৈ লাভ নাই। দুৰ্গা দাস বড়োক এগৰাকী দল বাগৰা ৰাজনৈতিক নেতা বুলিও কটাক্ষ কৰে বিজেপি নেতাজনে । তেনে নেতাৰ কথাৰ কোনো মুল্য নাই বুলিও কটাক্ষ কৰে। তেওঁ কয় যে বিপিএফৰ তিনিজন বিধায়ক এতিয়া ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ। দলটোৰ কোনো নীতি-আদৰ্শ নাই বাবে প্ৰবীণ বড়োৰ দৰে বুদ্ধিজীৱী ৰাজনৈতিক নেতাসকলে দলত্যাগ কৰিবলৈ বাধ্য হৈছে ।

## মৰাণত বৃহৎ পৰিমাণৰ গাঞ্জাসহ মহিলাক আটক

**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ৬ জুন ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষীয়ে আজি অভিযান চলাই বৃহৎ পৰিমাণৰ গাঞ্জাসহ আটক কৰিছে এগৰাকী মহিলাক। আৰক্ষীয়ে জানিবলৈ দিয়া অনুসৰি মৰাণৰ খুমটাই ষ্টাফ লাইনৰ পৰা অভিযান চলাই শকুন্তলা অধ্যাপক নামৰ মহিলাগৰাকীৰ পৰা দুই কেজি ১০৪ গ্ৰাম গাঞ্জা আৰক্ষীয়ে জব্দ কৰে। ইতিমধ্য এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে মৰাণহাট আৰক্ষীয়ে।

## জালাহত প্ৰায় ৪০ লাখ টকাৰ সামগ্ৰী জুইত ভস্মীভূত



**অগ্ৰদূত বাৰ্তা**
**জালাহ/মুছলপুৰ, শালবাৰী, ৬ জুন ঃ** বাগ্‌সা জিলাৰ জালাহ ৰাজহ চক্ৰৰ অন্তৰ্গত জালাহঘাটত আজি পুৱা গুদামৰে স'তে এখন দোকান অগ্নিকাণ্ডত সম্পূৰ্ণৰূপে ভস্মীভূত হয়। দোকানখনৰ স্বত্বাধিকাৰী পৰমানন্দ দাসে সদৰী কৰা মতে, পুৱা ৭-২০ মান বজাত চুবুৰীয়া দিগন্ত দাস (দিগু)-এ দোকানৰ পৰা ধোঁৱা ওলোৱা বুলি চিঞৰি চিঞৰি কয়। তেতিয়া তেওঁ দোকানৰ পিছফালৰ দৰ্জা খুলি চোৱাত গোটেই দোকানখন জুইয়ে ছয় পৃষ্ঠাত চাওক

## আম আদমী পাৰ্টিত যোগদান নকৰে অখিলে

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৬ জুন ঃ** ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে 'আম আদমী পাৰ্টি'ত যোগদান কৰিব বুলি প্ৰচাৰ হোৱা বাতৰি সম্পূৰ্ণ মিছা। ইতিমধ্যে সামাজিক মাধ্যমত এই বাতৰি বিয়পি পৰাৰ লগতে বহু ৰাজনৈতিক নেতাই এনে যোগদানৰ সন্দৰ্ভত সামাজিক মাধ্যমত মতামত প্ৰদান কৰিছিল। কিন্তু আজি শিৱসাগৰত সংবাদ মহলৰ আগত এনে প্ৰচাৰ ভিত্তিহীন বুলি ঘোষণা কৰে অখিল ছয় পৃষ্ঠাত চাওক

## আলফাৰ যোগাযোগকাৰী আটক

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৬ জুন ঃ** শিৱসাগৰ আৰক্ষীৰ জালত আলফাৰ যোগাযোগকাৰী। ডিমৌৰ পৰা শিৱসাগৰ আৰক্ষীয়ে ৰঞ্জিত বৰগোহাঁই নামৰ এজন লোকক যোৱা নিশা আলফাৰ লগত সম্পৰ্ক ৰখাৰ অভিযোগত আটক কৰে। বৰগোহাঁইৰ আলফাৰ স'তে যোগাযোগ থকাৰ লগতে আলফাৰ লগত বিভিন্ন সম্পৰ্ক ৰক্ষা কৰাৰ তথ্য লাভ কৰিছে শিৱসাগৰ আৰক্ষীয়ে। উল্লেখ্য যে ৰঞ্জিত বৰগোহাঁই বিজেপিৰ থাওৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক কুশল দুৱৰীৰ আস্থাভাজন বুলিও আৰক্ষীৰ তৰফৰ পৰা জানিব পৰা গৈছে।

## শিৱসাগৰৰ মৌপিয়া গাঁৱত ২৩ যোৰা বুঢ়া বিয়া ঃ ৬৭ বছৰীয়া ককাও বহিল বিয়াত

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৬ জুন ঃ** শিৱসাগৰৰ মৌপিয়া গাঁৱত একেলগে অনুষ্ঠিত ২৩ যোৰা বুঢ়া বিয়াই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। বিয়াৰ বাবে সজাই-পৰাই তোলা হয় গাঁৱৰ ৰাজহুৱা নাট্য মন্দিৰ। জাক জাক আয়তীয়ে উৰুলি দি পৰিৱেশ মুখৰ কৰি তোলে। যোৱা নিশা ৰাজপথত ২৩ যোৰা দৰা-কইনাৰ লগতে নাচি-বাগি অহা বহুসংখ্যক লোকক দেখা যায়। এই দৰা-কইনাৰ মাজত ৬৭ বছৰীয়া এজন ককাও ছোৱালী নিবলৈ আহে। যিসকল যুৱকে এসময়ত অৰ্থৰ অভাৱত বা প্ৰেম কৰি ছোৱালী পলুৱাই আনিছিল তেওঁলোকক সামাজিক ৰীতি-নীতিৰে উদ্ধাৰ কৰিব বাবে চাৰি-পাঁচ বছৰৰ মূৰে মূৰে গাঁওখনত বুঢ়া বিয়াৰ আয়োজন কৰা হয়। উল্লেখ্য যে এই বিয়াৰ সম্পূৰ্ণ আয়োজন কৰে শিৱসাগৰ প্ৰতিষ্ঠিত ব্যৱসায়ী ৰফিকুল হাজৰিকাই।

## যোৰহাটত পি এম কিষাণ সন্মান নিধি আঁচনিৰ পৰ্যালোচনা কৃষিমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ৬ জুন ঃ** যোৰহাট জিলাৰ আবৰ্ত ভৱনৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত আজি কৃষিমন্ত্ৰী অতুল বৰাই প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি (পি এম কিষাণ সন্মান নিধি) আঁচনিৰ কাম-কাজৰ অগ্ৰগতি আৰু শেহতীয়া স্থিতি সন্দৰ্ভত জিলা প্ৰশাসন আৰু বিভাগীয় বিষয়াসকলৰ লগত পৰ্যালোচনা কৰে। জিলাখনত এই আঁচনিত নামভৰ্তি হ'বলৈ বাকী থকা কৃষকসকলৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সংশ্লিষ্ট বিষয়াক আহ্বান জনোৱাৰ লগতে মন্ত্ৰীজনে গাঁও পঞ্চায়ত আৰু কৃষিৰ উন্নয়নৰ স'তে জড়িত সমাজসেৱী অনুষ্ঠানসমূহৰ সহযোগত এই বিষয়ত সজাগতা বৃদ্ধি কৰিবলৈ আহ্বান জনায়। ইয়াৰ উপৰি পি এম কিষাণ সন্মান নিধি আঁচনিৰ ক্ষেত্ৰত বৈদ্যুতিন (কম্পিউতাৰ) কাম-কাজখিনি শীঘ্ৰে ত্বৰান্বিত কৰিবৰ বাবে প্ৰয়োজনত ঠিকাভিত্তিক কৰ্মচাৰী নিয়োগ কৰিবলৈও ছয় পৃষ্ঠাত চাওক

সময়ৰ সোঁতত হেৰাই গ'ল বিদ্যুতৰ চমকনি

## ৯০ৰ দশকৰ প্ৰখ্যাত ফটোগ্ৰাফাৰ-সাংবাদিক বিদ্যুৎমণি কলিতাৰ অকাল বিয়োগ



**বিশেষ সংবাদদাতা /অগ্ৰদূত বাৰ্তা**
**নগাঁও/ ধিং, ৬ জুন ঃ** অকালতে জীৱন নাটৰ সামৰণি পেলালে প্ৰতিভাধৰ ফটোগ্ৰাফাৰ বিদ্যুৎমণি কলিতাই। ৯০ৰ দশকৰ এজন প্ৰখ্যাত ফটোগ্ৰাফাৰ, 'অসমীয়া প্ৰতিদিন' কাকতৰ ধিঙৰ স্থানীয় সংবাদদাতা বিদ্যুৎমণি কলিতা (৪৭)ৰ যোৱা নিশা ধিং আঠগাঁৱৰ নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। তেওঁ সুদীৰ্ঘ দিন ধৰি এক জটিল ৰোগত ৰোগাক্ৰান্ত হৈ আছিল। অতি পৰিতাপৰ বিষয় যে দৰিদ্ৰতাৰ বাবেই তেওঁ প্ৰয়োজনীয় চিকিৎসা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাছিল। বিদ্যুৎমণিৰ অকাল বিয়োগৰ বাতৰি বিয়পি পৰাৰ লগে লগেই বহু গুণমুগ্ধ আৰু ধিং প্ৰেছ ক্লাবৰ প্ৰতিনিধিয়ে বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধা নিবেদন কৰে। স্মৰ্তব্য যে বিদ্যুৎমণিয়ে সাংবাদিকতাৰ ছয় পৃষ্ঠাত চাওক

## গোসাঁইগাঁৱত চাওতাল ছাত্ৰ সন্থাৰ উদ্যোগত সাংস্কৃতিক প্ৰতিবাদী সমদল



**অগ্ৰদূত বাৰ্তা**
**গোসাঁইগাঁও/শ্ৰীৰামপুৰ, ৬ জুন ঃ** সুদীৰ্ঘ দিন ধৰি অসমত বসবাস কৰি অহা চাওতাল জনগোষ্ঠীৰ বিভিন্ন দাবী পূৰণৰ সমৰ্থনত সদৌ চাওতাল ছাত্ৰ সন্থা (এছু)-এ আজি গোসাঁইগাঁৱত এক বিশাল সাংস্কৃতিক প্ৰতিবাদী সমদল উলিয়ায়। এছুৰ গোসাঁইগাঁও জিলা সমিতিৰ উদ্যোগত সদৰ চহৰৰ উত্তৰপাৰাস্থিত নৰ্থ-ইষ্ট গেটৰে বাছ টাৰ্মিনাছৰ পৰা উলিওৱা প্ৰতিবাদী সমদলটোত জনগোষ্ঠীটোৰ বহু সহস্ৰাধিক যুৱক-যুৱতী, পুৰুষ-মহিলাই শিৰত সৰু সৰু বৃক্ষৰ ডাল, হাতে হাতে জনগোষ্ঠীয় বিভিন্ন বাদ্যযন্ত্ৰ, দৈনন্দিন জীৱনত ব্যৱহৃত সামগ্ৰী লৈ অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। প্ৰতিবাদকাৰী সকলে 'চাওতালসকলক চাহ জনগোষ্ঠী হিচাপে জাতিগত প্ৰমাণপত্ৰ দিয়াসকল হুচিয়াৰ, চাওতালক চাহ জনগোষ্ঠীত অন্তৰ্ভুক্ত কৰা অসম চৰকাৰ হায় হায়, চাওতালসকলৰ ওপৰত ৰাজনীতি কৰা বন্ধ কৰক, চাওতালসকলৰ ছয় পৃষ্ঠাত চাওক

ৰাজ্যৰ লগতে বহিঃৰাজ্যতো পেলাইছিল প্ৰৱঞ্চনাৰ জাল

## তেজপুৰত নকল আৰক্ষী-ব্যৱসায়ী গ্ৰেপ্তাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৬ জুন ঃ** তেজপুৰৰ মহাভৈৰৱ আৰক্ষী চকীৰ অন্তৰ্গত ভিতৰসুঁতি আৰু হাৰিগাঁৱৰ পৰা আৰক্ষীয়ে যোৱা নিশা দুই প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে ইয়াৰ ভিতৰত এজনে নিজকে আৰক্ষী বিষয়া বুলি বিভিন্নজনৰ পৰা ভয় আৰু ভাবুকিৰে ধন সংগ্ৰহ কৰা আৰু আনজনে নিজকে প্ৰতিষ্ঠিত ব্যৱসায়ী বুলি পৰিচয় দি ৰাজ্যৰ লগতে ছয় পৃষ্ঠাত চাওক

## শিৱসাগৰ নগৰত পুনৰ জুৱাৰী আটক ঃ নগদ ধন জব্দ

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৬ জুন ঃ** শিৱসাগৰ নগৰৰ পৰা পুনৰ জুৱাৰী আটক। শিৱসাগৰ নগৰৰ অ'এনজিচিৰ সমীপৰ পৰা জুৱা খেলি থকা অৱস্থাত চাৰিজন লোকক আটক কৰে আৰক্ষীয়ে। দুজন জুৱাস্থলীৰ পৰা পলায়ন কৰে। শিৱসাগৰ জিলাৰ আৰক্ষী উপ- অধীক্ষক ডেইজি গগৈৰ নেতৃত্বত আটক কৰা জুৱাৰীকেইজন হৈছে নগৰৰ বিজি ৰোডৰ সুভাষ দাস, লক্ষীমপুৰ ফুকন নগৰৰ অনুপম ফুকন, সোণাৰী ৰঙাপথাৰৰ বিকাশ বৰগোহাঁই আৰু ডিমৌ নিতাই পুখুৰীৰ মিত্ৰজিল টায়ে। জুৱাস্থলীৰ পৰা আৰক্ষীয়ে ২৭২৯০ টকা নগদ ধন আৰু দুজাপ টাচ কাৰ্ড জব্দ কৰে। গেম্বলিং এণ্ড বেটিং আইনৰ আধাৰত আৰক্ষীয়ে জুৱাৰীকেইজন বিৰুদ্ধে গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

জুইত জাহ গ'ল কে'বা লাখ টকা মূল্যৰ সম্পত্তি ঃ দুজন আহত

## কৃষ্ণাইৰ বেতবাৰীত বিধ্বংসী অগ্নিকাণ্ড



**অগ্ৰদূত বাৰ্তা**
**কৃষ্ণাই, ৬ জুন ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত বেতবাৰী গাঁৱত আজি পুৱা সংঘটিত হয় এক বিধ্বংসী অগ্নিকাণ্ড। অগ্নিকাণ্ডত জাহ যায় প্ৰায় ১২ লাখ টকা মূল্যৰ সা-সম্পত্তি। তথ্য অনুসৰি, বেতবাৰী নিবাসী আতোৱাৰ ৰহমানৰ গৃহত আজি পুৱা প্ৰায় ৭-৩০ বজাত বিদ্যুতৰ চট চাৰ্কিটৰ ফলত সংঘটিত হয় এই ভয়ংকৰ অগ্নিকাণ্ড। মুহূৰ্ততে দাউ দাউকৈ জ্বলি উঠা জুয়ে ৰবৰৰ ব্যৱসায় কৰা ৰহমানৰ ঘৰত মজুত কৰি ৰখা কে'বালাখ টকা মূল্যৰ ৰবৰৰ লগতে ঘৰৰ সকলো সা-সম্পত্তি, নথি-পত্ৰ পুৰি ভস্মীভূত কৰে। ইপিনে, ঘটনাৰ খবৰ পায়ে কৃষ্ণাই আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী ছয় পৃষ্ঠাত চাওক

## নাম গোৱাটো কেৱল ধৰ্ম সাধনা নহয়, ই সাংস্কৃতিক চেতনাবোধো জগাই তোলে

শ্ৰীশ্ৰীশংকৰদেৱ কীৰ্তনঘৰৰ মহাৰজত জয়ন্তীৰ আই-মাতৃ সমাৰোহ ঃ ১১ গৰাকী বিশিষ্টা মহিলাক সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ৬ জুন ঃ** 'নামঘৰ আদিত নাম গোৱাতো কেৱল ধৰ্ম সাধনাৰ পথ নহয় । ই সাংস্কৃতিক চেতনাবোধ জগাই তোলে। আমাৰ জীৱন যাপন পৰিশীলিত হ'লে আমাৰ নতুন প্ৰজন্মৱো সেই পৰিশীলিত পথকে অনুসৰণ কৰিব।' মৰিয়নিৰ অন্যতম পুৰণি ধৰ্মীয়নুষ্ঠান, বুঢ়া নামঘৰৰূপে জনাজাত শ্ৰীশ্ৰীশংকৰদেৱ কীৰ্তনঘৰৰ মহাৰজত জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচীৰ অংশৰূপে আজি অনুষ্ঠিত আই-মাতৃ সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি এইদৰে কয় যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা ড° বীণাপাণি দেৱীয়ে। তেওঁ কয়, 'মহাপুৰুষ শংকৰদেৱে পুৰুষৰ লগতে মহিলাকো সমানে আগবাঢ়ি যোৱাতো বিচাৰিছিল । নাৰীয়ে পুৰুষৰ সমানেই কাম কৰিব পাৰে বুলি গুৰুত্ব দিছিল। শংকৰদেৱৰ দিনৰ পৰাই নাৰীসকলক আগবঢ়াই অনাৰ বাবেই হয়তো আজি মহিলাই কৰিব নোৱাৰা কাম একো নাই।' আনহাতে, গুৰুজনাই কৰ্মযোগ বা জ্ঞানযোগতকৈ ভক্তিযোগক ভগৱান সাধনাৰ উৎকৃষ্ট পথ হিচাপে উল্লেখ কৰি গৈছে বুলি মন্তব্য কৰে ড° দেৱীয়ে। তেওঁ কয় যে গুৰুজনাই সেয়েহে নাম ল'বলৈ কৈছে। দিহানামো এক কীৰ্তন পদ্ধতি, যি নামৰ মাজেদি ভগৱান সাধনা কৰা হয় আৰু ভগৱান প্ৰাপ্তিৰ বিভিন্ন পথও দেখুওৱা হয়। চিনামৰা মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা দীপশিখা দত্তই পৌৰোহিত্য কৰা সভাত সন্মানিত অতিথি হিচাপে অংশগ্ৰহণ কৰি মৰিয়নি পৌৰসভাৰ পৌৰপতি বিশ্বপ্ৰভা শইকীয়ায়ো সভাত ছয় পৃষ্ঠাত চাওক

অগ্ৰদূত

# ম্যানমাৰৰ অস্থিৰতা আৰু 'এক্ট ইষ্ট' নীতিৰ ভৱিষ্যৎ

লেখকঃ অৰুণ সাহনী আৰু জয়দীপ শইকীয়া

অনুবাদকঃ পল্লৱ ভট্টাচাৰ্য



**২০২১ৰ** পহিলা ফেব্ৰুৱাৰীত সামৰিক অধিগ্ৰহণৰ পাছত ম্যানমাৰৰ পৰিস্থিতিৰ ওপৰত চকু ফুৰালে অধঃপতনৰ দিশে অগ্ৰসৰ হোৱা এখন দেশৰ ছবি মনলৈ আহে। বিভিন্ন জনগোষ্ঠীয় যুযুৎসু গোটৰ সমৰ্থনত, পিপ'লছ ডিফেন্স ফ'ৰ্চ (গণ সুৰক্ষা বাহিনী) শক্তিশালী হোৱাৰ নিৰ্ভৰযোগ্য প্ৰতিবেদন মজুত আছে। শেহতীয়াকৈ ভাৰত-ম্যানমাৰ সীমান্ত ভ্ৰমণৰ সময়ত আমাৰ লেখকদ্বয়ৰ এজনে দেশখনত স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ কোনো লক্ষণ পৰিলক্ষিত হোৱা নেদেখিলে। চৰকাৰ পৰিবৰ্তনৰ বাবে চলোৱা চক্ৰান্তমূলক অভিযান আৰু ইয়াৰ পাছৰ পৰিৱেশে, ২০১৪ৰ পৰা অধিক গতিশীল আৰু ফলাফলমুখী হৈ পৰা ভাৰতৰ পূব দিশৰ কাৰ্যক্ৰমণিকা (এক্ট ইষ্ট) নীতিত বিৰূপ প্ৰভাৱ বিস্তাৰ কৰিছে। ম্যানমাৰত বৰ্তমানৰ অনিশ্চিত পৰিৱেশৰ বাবে অতি সম্ভাৱনাময় এক্ট ইষ্ট নীতি স্থবিৰ হৈ পৰিছে। ইয়াৰ ফলত দক্ষিণ-পূব এছিয়াৰ সজীৱ অৰ্থনীতি নতুন দিল্লীৰ আগ্ৰাসী পদক্ষেপ সত্বেও উত্তৰ-পূবৰ উন্নয়ন স্থবিৰ হৈ পৰিছে।

নতুন দিল্লীয়ে এইক্ষেত্ৰত সংঘটিত কৰা অসংখ্য ভুলৰ বিষয়ে চিন্তা কৰাটো সময়ৰ জৰুৰী আহ্বানৰূপে বিবেচিত হৈছে যদিও বাস্তৱতাই এনে এক অভিলাষী নীতি যাতে ভৱিষ্যতে নীতি নিৰ্ধাৰকসকলৰ জড়তাৰ বাবে ক্ষতিগ্ৰস্ত নহয় চৰকাৰে এইক্ষেত্ৰত এক দিক্ নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব লাগে। চৰকাৰৰ এই নীতি জড়তাৰ দুৰ্বলতাই ধাৰাবাহিকভাৱে উত্তৰ-পূবৰ উন্নয়নৰ ক্ষেত্ৰত দুৰ্ভাগ্যজনক হেঙাৰৰ সৃষ্টি কৰিছে আৰু ফলস্বৰূপে অঞ্চলটোত ভাৰত বিৰোধী মনোভাৱৰ পুনৰ উত্থানৰ ইংগিত দৃশ্যমান হৈছে। ম্যানমাৰৰ ছাগাইং ডিভিজন আৰু চিন ৰাজ্যৰ পৰা কাৰ্যকলাপ অব্যাহত ৰখা বিদ্ৰোহী গোটসমূহৰ মাজত যেন এক পূৰ্ণাংগ অনুশীলন আৰম্ভ হৈছে। তিনিটাকৈ পৰ্যায়ত একপক্ষীয় যুদ্ধবিৰতি ঘোষণা কৰা আৰু শান্তি প্ৰক্ৰিয়াত গুৰুত্ব আৰোপ কৰা সংযুক্ত মুক্তি বাহিনী অসম হঠাতে যুদ্ধংদেহী হৈ পৰিছে আৰু মে'ত সংগঠনে দুজন সন্দেহযুক্ত সদস্যক অসম আৰক্ষীৰ চোৰাংচোৱা হিচাপে চিহ্নিত কৰি মৃত্যুদণ্ডেৰে দণ্ডিত কৰাটো দেশৰ লগতে উত্তৰ-পূবৰ বাবে শুভলক্ষণ নহয়। ইয়াৰ ফলস্বৰূপে ভৱিষ্যতে শান্তিৰ পদক্ষেপৰ বাবে কেন্দ্ৰৰ প্ৰস্তাৱ বাধাগ্ৰস্ত হোৱাৰ আশংকা নুই কৰিব নোৱাৰি। লগতে এই উগ্ৰপন্থী গোটসমূহক চীনৰ চোৰাংচোৱাই হস্তক্ষেপ কৰি সমৰ্থন কৰাৰ বাতৰিও উদ্বেগজনক আৰু ভাৰতে এই ক্ষেত্ৰত সক্ৰিয়ভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি দেশৰ অগ্ৰণী সুৰক্ষা বিশেষজ্ঞসকলে দাবী জনাইছে।

এই পটভূমিতেই এক্ট ইষ্ট নীতিৰ অগ্ৰগতিৰ লগতে উত্তৰ-পূবক নিয়ন্ত্ৰণ কৰা নিৰাপত্তা নীতি দুয়োটাকে এক নতুন দৃষ্টিভংগীৰে চোৱাটো প্ৰয়োজন হৈ পৰিছে। এনে এক প্ৰেক্ষাপটত তলত দিয়া কথাখিনি গুৰুত্ব সহকাৰে চৰকাৰে বিবেচনা কৰাটো বাঞ্ছনীয়।

প্ৰথমতে, শ্বেখ হাছিনাৰ অধীনৰ বাংলাদেশৰ স'তে অনুকূল দ্বিপাক্ষিক সম্পৰ্কই দক্ষিণ-পূব এছিয়াৰ স'তে বাণিজ্য আৰু বাণিজ্যৰ লগত জড়িত কাৰ্যকলাপ সম্প্ৰসাৰিত কৰাৰ বাবে স্থল-সাগৰীয় সংযোগৰ নতুন অক্ষ মুকলি কৰাৰ সুযোগ অতি শীঘ্ৰে গ্ৰহণ কৰাটো বাঞ্ছনীয়। অসম, মেঘালয়, মিজোৰাম, ত্ৰিপুৰাৰ পৰা বাংলাদেশৰ মংগলা আৰু চট্টগ্ৰামৰ সাগৰীয় বন্দৰলৈ অসংখ্য স্থলপথ উন্নীত কৰাৰ প্ৰয়োজন আছে। উত্তৰ-পূবৰ পৰা মূল ভূমি সংযোগসমূহ হ'ল— আগৰতলা হৈ আখাউৰা, ডাউকী (মেঘালয়) হৈ তামাবিল, অসমৰ সুতাৰকান্দি, আৰু শ্ৰীমন্তপুৰ (ত্ৰিপুৰা) হৈ বিবীৰ বজাৰ। তদুপৰি ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ সমভাগী নদী সংযোগৰ সুবিধা গ্ৰহণৰ বাবে আভ্যন্তৰীণ জল পৰিবহণ (আই ডব্লিউ টি)ক ব্যৱহাৰ কৰাৰ অতিকৈ প্ৰয়োজনীয় হৈ পৰিছে। এইবোৰ পূৰ্বতে চট্টগ্ৰাম বন্দৰৰ পৰা ত্ৰিপৰাৰ পালটানা বিদ্যুৎ কেন্দ্ৰৰ বাবে বৃহৎ যন্ত্ৰপাতি কঢ়িওৱাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ বাহিৰেও মেৰামতি-ৰক্ষণাবেক্ষণৰ বাবে অসমৰ মাজেৰে গধুৰ তৰাং পানীত চলোৱা চেপেটা তলিৰ ডাঙৰ নাও (বাৰ্জ) আৰু জাহাজৰ যাতায়াতৰ বাবে, বাংলাদেশৰ মাজেৰে কলকাতাৰ জাহাজ নিৰ্মাণ কাৰখানালৈ লৈ যোৱাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। ক'ভিড মহামাৰী আৰু ৰাছিয়া-ইউক্ৰেইন সংঘাতে বৰ্তমানৰ যোগান শৃংখল সংযোগক আৰু অধিক ব্যাঘাত জন্মাইছে আৰু ইয়াৰ ফলত অগ্ৰাধিকাৰৰ ভিত্তিত দক্ষিণ-পূব এছিয়া আৰু সুদূৰ পূবৰ ৰাষ্ট্ৰসমূহৰ স'তে সতেজ বাণিজ্যিক সংযোগ গঢ়ি তোলাৰ সম্ভাৱনীয়তা প্ৰকট হৈছে।

দ্বিতীয়তে, ম্যানমাৰৰ 'হত্যাৰ পথাৰ' সদৃশ জলাশয়ৰ মাজেৰে দক্ষিণ-পূব এছিয়ালৈ যোৱাৰ ভূমিদ্বাৰ, অদূৰ ভৱিষ্যতে মুকলি হোৱাৰ সম্ভাৱনা থকা যেন নালাগে। কিন্তু ম্যানমাৰলৈ যাতে শান্তি আৰু সুস্থিৰতা অতি সোনকালে ঘূৰি আহে তাৰ বাবে আমাৰ পদক্ষেপসমূহত কোনো ধৰণৰ তৰলতা সৃষ্টি কৰা উচিত নহয়। ইয়াৰ বাবে ম্যানমাৰৰ যুদ্ধংদেহী গোটসমূহৰ স'তে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক উভয় দিশতে অবিৰতভাৱে জড়িত হোৱাৰ প্ৰয়োজন আছে।

তৃতীয়তে, যুদ্ধকালীন তৎপৰতাৰে উপযুক্ত আন্তঃগাঁথনি যেনে কণ্টেইনাৰ ডিপো, শীতল ভঁৰালৰ সুবিধা আৰু নিৰৱচ্ছিন্ন ঘাইপথ গঢ়ি তুলিব লাগিব। বাংলাদেশৰ সাগৰীয় বন্দৰসমূহলৈ সহজে প্ৰৱেশৰ বাবে গুৱাহাটীৰ দৰে উত্তৰ-পূবৰ ৰেল/ৰ'ডহেডলৈ ভাৰতীয় নিৰ্মিত সামগ্ৰী কঢ়িয়াই নিব লাগিব।

চতুৰ্থতে, গৃহ, বৈদেশিক পৰিক্ৰমা, উদ্যোগ, পথ-নদী পৰিবহণ আদি সকলো জটিল মন্ত্ৰালয়ক অতিক্ৰম কৰি ভাৰতৰ এক্ট ইষ্ট নীতিক সমৰ্থন কৰা প্ৰকল্পসমূহৰ নিৰীক্ষণ আৰু সুবিধা প্ৰদানৰ বাবে এটা পৃথক ক্ষমতাপ্ৰাপ্ত বিভাগ গঢ়ি তোলাৰ প্ৰয়োজনীয়তা দৃষ্টিগোচৰ হৈছে।

সৰ্বশেষত, বিদ্ৰোহী গোটসমূহৰ হঠাৎ আক্ৰমণৰ ক্ষমতা হ্ৰাস কৰিবলৈ 'সংহত প্ৰতিৰক্ষা অঞ্চল' সৃষ্টিৰ প্ৰয়োজন আছে। এইবোৰত তাতমদৌ (ম্যানমাৰ সেনা) আৰু ভাৰতীয় সেনা/অসম ৰাইফলছৰ যৌথ কুচ-কাৱাজৰ প্ৰয়োজনীয়তা বিদ্যমান। সীমান্তৰ ম্যানমাৰৰ ফালে থকা 'মুক্ত গতিৰ শাসন'ৰ ১৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ বেল্টত এই শক্তিয়ে আধিপত্য বিস্তাৰ কৰিব লাগে। এনে আগ্ৰাসী মনোবৃত্তিয়ে কেৱল নিৰাপত্তা বৃদ্ধি কৰাই নহয়, স্থানীয় লোকসকলক জীৱিকাৰ যোগান ধৰিব আৰু সদিচ্ছাৰ প্ৰসাৰ ঘটাব। গতিশীলতাক উৎসাহিত কৰিবলৈ আৰু অসম ৰাইফলছক শক্তিশালী কৰিবলৈ ভাৰতীয় সেনাৰ বিষয়াৰ দ্বাৰা পৰিচালিত বৰ্তমানৰ গাঁথনিটো ধৰি ৰখাৰ প্ৰয়োজন আছে, কিয়নো ই ব্যৱস্থাগত আদেশ আৰু কৰ্তৃত্ব (কমাণ্ড আৰু কণ্ট্ৰ'ল) নিশ্চিত কৰে। ম্যানমাৰৰ ভিতৰৰ পৰিঘটনাসমূহৰ অধিক স্বচ্ছতাৰ বাবে আৰু ৰাষ্ট্ৰীয় কৌশলক আগুৱাই নিয়াৰ বাবে বাধ্যতামূলক চোৰাংচোৱা অভিযান চলোৱাৰ বাবে এই বাহিনীটোক প্ৰশিক্ষিত কৰাৰ প্ৰয়োজন।

চৰকাৰৰ এক্ট ইষ্ট নীতি ভাৰতৰ উত্তৰ-পূব নীতিৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। ম্যানমাৰৰ নিৰাশাজনক পৰিস্থিতি আমাৰ অভিলাষী পূবলৈ যোৱাৰ আঁচনি বাস্তৱায়নৰ গুৰুত্ব অপৰিসীম। সেই উদ্দেশ্যে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ অবিৰত অৰ্থনৈতিক বিকাশ সুনিশ্চিত কৰাৰ প্ৰয়োজন আছে। ভাৰত চৰকাৰৰ ইতিবাচক মনোভাৱে কেৱল নিৰাপত্তা পৰিস্থিতিৰ উন্নতি সাধন কৰাই নহয়, স্থানীয় লোকসকলক আশ্বস্ত কৰিব যে অঞ্চলটোৰ স্বাৰ্থই সৰ্বোচ্চ আৰু পূব দিশলৈ বৰ্তমানৰ স্থবিৰ হৈ পৰা অৰ্থনৈতিক কাৰ্যব্যৱস্থা চৰকাৰৰ সক্ৰিয় নীতিৰ দ্বাৰা অচিৰেই প্ৰসাৰতা লাভ কৰাটো বাঞ্ছনীয়।

*অৰুণ সাহনী ভাৰতীয় সেনাৰ প্ৰাক্তন দক্ষিণ-পশ্চিম কমাণ্ডৰ কমাণ্ডাৰ-ইন-চীফ আৰু জয়দীপ শইকীয়া প্ৰসিদ্ধ সুৰক্ষা বিশেষজ্ঞ*

---

আমি সজাগ নহ'লে আমাৰ ধুনীয়া ধৰণীখন আমাৰ হাততে নিঃশেষ হৈ যাব। যুদ্ধবাজ কেইজনে নাগাচাকি-হিৰোচিমাৰ ভয়াৱহ দুৰ্ঘটনাটোৰ পাছতো আনৱিক বোমা নিক্ষেপ কৰাৰ কথা কৈ থাকে এই জ্ঞানীমূৰ্খ মানুহবোৰ মানৱজাতিৰে ধ্বংসকাৰী ঘোৰ শত্ৰু! ধুনীয়া ধৰণীখন কেৱল ধূলি-ধোঁৱা-ছাইৰ ধ্বংসস্তূপত পৰিণত কৰিলে মানৱ জাতিৰ বাবে একো নাথাকে, নৰকীবোৰৰ বাবেও জগতত সহস্ৰ বছৰৰ বাবে একো নাথাকিব।



# আমাৰ ধুনীয়া পৃথিৱীখন আমাৰ হাততে নাশ হোৱাৰ সম্ভাৱনা



অৱলোকন

ৰামচন্দ্ৰ চুতীয়া

**সৃষ্টিৰ** পাতনিৰে পৰা আমাৰ পৃথিৱীখন কেনে আছিল তাৰ কথা আজি নকওঁ, দীঘলীয়া হ'ব। সেই কথা কম-বেছি পৰিমাণে আমি সকলোৱে জানো। আমি আমাৰ বাসৰ উপযোগী সেউজীয়া পৃথিৱীখনৰ ক্ষমতা আনৰ পৰা কাঢ়ি লোৱা বৰ বেছি দিন হোৱা নাই; কিন্তু তথাপি সৃষ্টিৰ তুলনাত আমাৰ এই কম সময়খিনিতে আমি আমাৰ অবিবেচক কৰ্মৰ দ্বাৰা ধুনীয়া ধৰণীখনো নিজৰ বাসৰ অনুপযোগী কৰি তুলিছো। সেয়েহে মানুহৰ পৃথিৱীখন এতিয়া পূৰ্বৰ দৰে নিকা-নিৰ্মল-পৱিত্ৰ হৈ থকা নাই। এটা উদ্ধৃতি দিওঁ, 'প্ৰদূষণৰ বাবে বাবে সমগ্ৰ বিশ্বত বছৰি মৃত্যু হয় ৯০ লাখ লোকৰ। সেইক্ষেত্ৰত বায়ু প্ৰদূষণৰ অৰিহণা সৰ্বাধিক। ২০০০ৰ পৰা গাড়ী-মটৰ আৰু উদ্যোগৰ পৰা সৃষ্টি হোৱা প্ৰদূষণৰ ফলত অকাল মৃত্যুক সাবটি লোৱা লোকৰ সংখ্যা বাঢ়িছে ৫৫ শতাংশ। শেহতীয়া এই অধ্যয়নত পোহৰলৈ আহিছে এই উদ্বেগজনক তথ্য। 'দ্য লঞ্চেট প্লেনেটাৰী হেলথ' পত্ৰিকাত প্ৰকাশিত তথ্য অনুযায়ী প্ৰদূষণৰ ফলত মৃত্যুৰ শীৰ্ষত আছে চীন আৰু ভাৰতৰ নাম। সেই মৰ্মে ভাৰতত ২,৪ নিযুত আৰু চীন ২.২ নিযুত লোকে বছৰি অকাল মৃত্যুক সাবটি লয় কেৱল প্ৰদূষণৰ বাবে। মন কৰিবলগীয়া যে প্ৰদূষণৰ বাবে বছৰি ন নিযুত লোকৰ মৃত্যু হোৱা বুলি কোৱা হৈছে যদিও প্ৰকৃত মৃত্যুৰ পৰিসংখ্যা ইয়াতকৈ অধিক। কাৰণ চাৰ্টিফিকেটত মৃত্যুৰ কাৰণ প্ৰদূষণ বুলি লিখা নাথাকে। এই মৃত্যুৰ কাৰণ হৃদৰোগ, ষ্ট্ৰোক, হাওঁফাঁওৰ কৰ্কট ৰোগ বা অন্যান্য হাওঁ-ফাঁওজনিত ৰোগ, ডায়েবেটিছ আদি বুলিহে চিহ্নিত হয়। বষ্টন কলেজৰ গ্লোবেল পাব্লিক হেলথ প্ৰ'গ্ৰেম আৰু গ্লোবেল পলিউচন অৱজাৰভেটৰীৰ সঞ্চালক ফিলিপ লেণ্ড্ৰিগানে কয় যে প্ৰদূষণৰ ফলত অকাল মৃত্যু সাবটি লোৱা লোকৰ সংখ্যা ক্ৰমাগতভাৱে বৃদ্ধি পোৱাটো উদ্বেগৰ বিষয়। বিশেষকৈ বায়ু প্ৰদূষণ আৰু ৰাসায়নিক প্ৰদূষণ সমগ্ৰ বিশ্বতে বৃদ্ধি পাইছে। জৰ্জ ৱাশ্বিংটন বিশ্ববিদ্যালয়ৰ পাব্লিক হেলথ ডীন ডঃ লীন গল্ডমেনৰ মতে প্ৰদূষণৰ ফলত হোৱা মৃত্যু স্বাভাৱিক নহয় সেয়া 'অকাল' মৃত্যু বা 'অপ্ৰয়োজনীয়' মৃত্যুহে। ইফালে, নতুন দিল্লীৰ চেন্টাৰ ফৰ চায়েন্স এণ্ড এনভাইৰ'নমেন্ট (চি. এছ.ই.)ৰ সঞ্চালক অৰুণিমা ৰয়চৌধুৰীয়ে কয় যে দক্ষিণ এছিয়াত বায়ু প্ৰদূষণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা বৃদ্ধি পায়েই আছে। বাহন আৰু উদ্যোগসৃষ্ট প্ৰদূষণে ভাৰতকে ধৰি এছিয়াৰ অন্য প্ৰান্ততো প্ৰভাৱ পেলাইছে, দৈনিক অসম, ১৯ মে', ২০২২)

এতিয়া দেখা গ'ল যে বায়ু প্ৰদূষণ আৰু ৰাসায়নিক প্ৰদূষণেই আমাৰ ঘাই শত্ৰু! এই ঘাই শত্ৰুক মানুহে ৰণত ধৰাশায়ী কৰিব নোৱাৰিলে পৃথিৱীৰ মানুহৰ লগতে কোটি কোটি জীৱৰ মংগল কামনা কৰাটো অসম্ভৱ। এই কথাটো আজি বিশ্বই বুজি পাইছে, সিয়ে সুখৰ খবৰ। কিন্তু কথা হ'ল, মানুহ যিমান জ্ঞানী সিমান মূৰ্খও। এই ধৰক, দিল্লী মহানগৰীত বায়ু প্ৰদূষণৰ সমস্যাটো এটা পুৰণি সমস্যা। তাৰ অন্ত পেলাবলৈ জ্ঞানৱন্তসকলে নানান উপায় চিন্তা কৰে। এই ধৰক, দীপাৱলীৰ সময়ত ফটকা ফুটাই ৰং নকৰিবলৈ ক'লেও এচামে উদ্ভাণ্ডালি কৰি ধৰ্ম বা উৎসৱৰ অজুহাত দি নিশাটোতে সমগ্ৰ দিল্লীৰ বায়ু পূৰ্বতকৈ দুগুণ-তিনিগুণ প্ৰদূষিত কৰি তোলে। পুৱা বায়ু প্ৰদূষণৰ ফলত নাগাচাকি হিৰোচিমাৰ দৰে সমগ্ৰ দিল্লী ধূলি-ধোঁৱাৰে আৱৰি পেলায়। ফলত মানুহে দুৱাৰ বন্ধ কৰি ঘৰৰ ভিতৰত দুসপ্তাহমান সোমাই থাকে। ধৰ্মান্ধ দুৰ্বৃত্তৰ দলে, যি ফটকাৰ ফুটাবলৈ উদগনি দিয়ে, সেই সময়ত মনে মনে থাকে। এইবোৰেই মানৱ জাতিৰ ভয়ংকৰ শত্ৰু! দূৰলৈনো কিয় যাব লাগে, যোৱা বেলি প্ৰশাসনে আমাৰ গুৱাহাটীতো আতচবাজী নেখেলিবলৈ কৈছিল, পাছে সেই আদেশকো অমান্য কৰি তাৰ বিষময় ফল পাছৰ কেইদিনমানলৈকে ভুগিলে। আমাৰ উৎসৱ আমাৰ মতেই কৰিম বুলি দাংকোপ মৰাৰ কোনো কাৰণ নেদেখো। উৎসৱটো আমাৰ, পৃথিৱীখন কিন্তু সকলোৰে।

জখতখন সৰু মানুহৰ দ্বাৰা লুণ্ঠিত হোৱা নাই। ৰাছিয়া, আমেৰিকা, চীন আদি যতবোৰ উন্নত দেশ আছে তেওঁলোকৰ আজি মাটিত ভৰি নপৰা হৈছে! সামান্য অজুহাততে কোনো দুৰ্বলী ৰাষ্ট্ৰক আক্ৰমণ কৰি এদিনতে শেষ কৰিব পৰা যুদ্ধ একোখন বছৰটোলৈ বা কে'বাবছৰলৈকে আক্ৰমণৰ উপৰি আক্ৰমণ কৰি সকলোবোৰ ধ্বংস কৰিহে যুদ্ধ বন্ধ কৰে। ১৯৮০ত আমেৰিকাই ইৰান আক্ৰমণ কৰি তেনেকুৱা নাটক এখন কৰি শেষত 'ভুল' বুজিব পাৰি যুদ্ধ বন্ধ কৰিছিল। এইবোৰ ধনী বা উন্নত দেশৰ নিজৰ প্ৰভুত্ব বজাই ৰখাৰ কৌশল মাত্ৰ। এই দেশবোৰেই মানৱ কল্যাণৰ কথা বেছিকৈ কয়।

ৰাছিয়াই এতিয়া যে ইউক্ৰেইনৰ বিৰুদ্ধে ৰণখন দীঘলীয়া কৰি নি আছে—আজি এশ দিন পাৰ হ'ল, তাৰ মূলতে ৰাছিয়াৰ ইউক্ৰেইন বিৰোধী লেতেৰা মনোভাব। শত্ৰু ৰাষ্ট্ৰখনৰ সকলোবোৰ ধ্বংস কৰি চিৰকালৰ বাবে মূৰ দাঙিব নোৱাৰা কৰাটোৱেই ৰাছিয়াৰ মূল লক্ষ্য। দুখন দেশৰ মাজত কেতিয়াবা যুদ্ধ হ'ব পাৰে। নিজ দেশৰ স্বাৰ্থ ৰক্ষাৰ বাবে যুদ্ধ ঘোষণা হ'ব পাৰে, যুদ্ধ লাগিব পাৰে। কিন্তু সেই বুলি যুদ্ধৰ নীতি-নিয়ম জলাঞ্জলি দি কেৱল মানুহক হত্যা কৰাৰ মানসিকতা কাৰো থাকিব নালাগে। আমি জানো যে মহাভাৰতৰ দিনত সূৰ্যাস্তৰ পাছত ৰণত পৰাজয় হোৱা বীৰকো হত্যা কৰা নহৈছিল। পাছৰ দিনা পুৱাবেলাহে ৰণশিঙা বজাই পুনৰ যুদ্ধ আৰম্ভ কৰা হৈছিল। আমি সেইবোৰ হেজাৰ হেজাৰ বছৰীয়া পুৰণি কাহিনী বুলিহে মানি আহিছো। প্ৰকৃততে সেয়া সঁচা কথাই আছিল। আগতে কৈছোৱেই, আমি চাকৰি কালত অৰুণাচলৰ পৰ্বতে-পাহাৰে বগাই ৩৫ বছৰকাল আছিলো। তেতিয়া তাৰ পশ্চিম ছিয়াঙৰ গাল'সকলৰ লগত থাকোতে তেওঁলোকৰ যুদ্ধৰ কথা শুনি তবধ মানিছিলো। মাটি-বাৰী, তিৰোতা, নদীৰ সীমা আদি যিকোনো বিষয়ক লৈ লগা মনোমালিন্যৰ বাবে যুদ্ধ কৰিব লগা হ'লে দুয়োটা পক্ষই দিন-বাৰ আগতে ঠিক কৰি লৈছিল। যুদ্ধৰ দিনা পুৱা ৰণথলীত মাছে-মঙহে ভাত খাই এটা দলে আনটো দলক দূৰৰ পৰাই চিঞৰি সোধে, সাজু নে? তাৰ উত্তৰ যদি সাজু বোলে, বিবাসত যুদ্ধ বাজি উঠে। যুদ্ধৰ নিয়ম মতে এজনে এজনৰ লগত যুদ্ধ কৰি থাকোতে, তাত তৃতীয়জনে হস্তক্ষেপ কৰিব নোৱাৰে, লাগিলে সেইজন নিজৰ ভ্ৰাতৃয়েই হওক, চমুকৈ কওঁ, সন্ধিয়াৰ লগে লগে গাল'সকলৰো যুদ্ধ দিনটোৰ বাবে বন্ধ হয়। কঠোৰ নিয়মৰে যুদ্ধ কৰা হয়। পুটিন, বাইডেনে এইবোৰ কথা জানে নে নাজানে? জানে; কিন্তু তথাপি সেইবোৰ কথা নামানে। যুদ্ধত সৈন্যই সৈন্যইহে যুদ্ধ কৰিব লাগে। সৈন্যৰ উপৰি স্কুল-কলেজ-বিশ্ববিদ্যালয়, গিৰ্জা, হাস্পতালত আক্ৰমণ কৰি নিৰীহক দাম্ভিকভাৱে হত্যা কৰি গৈছে আৰু বিশ্বই ভেলেঙা লাগি চাই আছে। একো কৰিব পৰা নাই। দুৰ্বল দেশে তেনে কৰিলে সকলোৱে হেঁচা মাৰি ধৰিলেহেঁতেন। এতিয়া ৰাছিয়াক কোনে কি কৰে? এই যে ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধখন হ'ল, ই কিমান বায়ু প্ৰদূষণ কৰিলে? নিজৰ পৃথিৱীখন নিজে নানান ধৰণেৰে প্ৰহাৰ কৰি আমি কি মহৎ কামটো কৰি পেলালো? কালিলৈ কেনেবাকে চীনে ভাৰত আক্ৰমণ কৰিলে প্ৰথম ডিব্ৰুগড়, লখিমপুৰ, তেজপুৰ, যোৰহাট, গুৱাহাটী, পাছিঘাট, তেজু, ডাপ'ৰিজু, জিৰো বোমাৰ আঘাতত ধৰাশায়ী নোহোৱাকৈ থাকিব নে? আমাৰ গাতো বল আছে, কিন্তু যুদ্ধৰ বেলা কোনে ক'ত কি কৌশলেৰে চক্ৰবেহু সাজে তাক দ্ৰোণাচাৰ্য, ভীষ্মহঁতেহে জানিব। যুদ্ধ কোনো ল'ৰা ধেমালি নহয়। দুৰ্যোধনৰ দৰে মহাপৰাক্ৰমী শক্তিধৰে হ্ৰদৰ পানীৰ তলত সোমাই থাকিও ৰক্ষা নপৰিছিল। ছবিবোৰ সলনি হ'লেও দিনবোৰ একেই আছে। প্ৰদূষণকাৰীসকলে এইবোৰ কথা নিশ্চয়কৈ জনা উচিত। আনৰ দেশৰ বায়ু প্ৰদূষণ কৰিলেও সি বাধাহীন বায়ু মণ্ডলেৰে নিজৰ নিজৰ দেশত আহি সোমাবই। তেতিয়া বায়ু প্ৰদূষণৰ মহা আতংকত নপৰিম নে?

গছ-বন কাটি তহিলং কৰি সেউজীয়া ধৰণীখন কোনে মৰুভূমিলৈ সলনি কৰিলে—মানুহে নহয় নে? এতিয়া যে হাতী, বাঘ-ঘোং, জাক জাক বান্দৰ আহি বৰ ঘৰত সোমাইছেহি, তাৰ বাবে জগৰীয়া কোন? আমিয়েই নহয় নে? জগতৰ পৰা বহুতো জীৱৰ প্ৰজাতি শেষ হোৱাৰ মূলতেও মানুহেই। এই দুৰ্ঘটনাটোৱে আমাৰ মহাপয়মালৰ সৃষ্টি কৰিছে। ৰাসায়নিক ক্ৰিয়া-কাণ্ডবোৰ কোনে সংঘটিত কৰিছে, আমিয়ে নহয় নে? জল-স্থল সকলোতে আৱৰ্জনাৰে ভৰি পৰিছে, তাৰ বাবে আমি মানৱ জাতিয়েই দায়ী। আনকি পৃথিৱীখনৰ উপৰি আকাশমাৰ্গতো অজস্ৰ অব্যৱহিত উপগ্ৰহবোৰৰ ধ্বংসাৱশেষবোৰ কোনে সৃষ্টি কৰি নৰক একোখন নিৰ্মাণ কৰিলে, আমি মানুহেই নহয় নে? আনকি ক'ভিড-১৯ মানুহৰে সৃষ্ট মহামাৰী বুলি এচামে গভীৰভাৱে বিশ্বাস কৰে। এইবোৰ তেনেহ'লে কি ঘটিছে? আমি পাপৰ কোনো সীমা নুবুজা হ'লো, গতিকে তাক প্ৰকৃতিয়ে বুজাব খোজে নানান প্ৰতিক্ৰিয়াৰে। পৃথিৱীত গৰমৰ দিনত উত্তাপ ইমান বাঢ়িছে যে দিল্লীৰ দৰে মহানগৰত ই ৫০ ডিগ্ৰী চেলচিয়াচ হৈছেগৈ। ই মানুহ জীয়াই থাকিব পৰা উষ্ণতা নে? গৰমৰ কাৰণে উত্তৰ মেৰু আৰু দক্ষিণ মেৰুৰ বৰফৰ অনন্ত ভাণ্ডাৰ গলি গ'লে কোন ভগৱানে মানৱ জাতিটোক ৰক্ষা কৰিব পাৰিব?

সময় এতিয়াও উকলি যোৱা নাই। আমি ঘৰখনৰ পৰাই পাৰিপাৰ্শ্বিকতা ঠিক ৰখাৰ দায়িত্ব পালন কৰিব পাৰো। পলিথিনৰ বেগকেইটা য'তে-ত'তে নেপেলাই জমা কৰি পুৰি পলাব পাৰো। পথাৰত লগাতকৈ অধিক ৰাসায়নিক সাৰ যেন প্ৰয়োগ নকৰো। মাছৰ পুখুৰীত ইউৰিয়াৰ প্ৰয়োগ কৰি নিজকে বৰবিহ খুৱাইছো কিয়? গছ পুলিকেইটা কাটি নেপেলাই লগতে আৰু দুটা মান ৰুব পাৰো। গড়কাপ্তানী বিভাগে বা চৰকাৰে ৰাস্তা বহলাও বুলি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ যিমানবোৰ গছ কাটি পেলালে, সেইবোৰ একেখন ঠাইত লগাব পৰা হ'লে তিনিখনমান কাজিৰঙাৰ সৃষ্টি হ'লহেঁতেন। অসমৰ জলবায়ু সলনি হোৱাৰ ইও এটা প্ৰধান কাৰণ। যিসকলৰ ঘৰৰ বাৰীখন আছে, তাত আন নহ'লেও আম-কঁঠাল, সৰু সৰু লাগতিয়াল ফল-মূলৰ পুলি লগাওক। বেঙেনা-জলকীয়া গছ কেইডালমান লগাব নোৱাৰাৰ কোনো কাৰণ নাই। মাটিকঁঠাল আৰু সুমথিৰা কেইজোপামানো লগাই থ'ব পাৰি। পথাৰৰ সেউজীয়া ধাননি ডৰাই জলবায়ু পৰিশোধনৰ কাম কৰিব পাৰে। এই সৰু কামবোৰ আমি কৰিব নোৱাৰাৰ কি কাৰণ আছে? নিজৰ বাৰীত জাতিলাউ বা ৰঙালাউৰ পুলি কেইটামান লগাব নোৱাৰাৰ কোনো কাৰণ নাই। এইবোৰ তেনেই সৰু কাম যদিও আমি তুৰন্তে কৰাৰ দিহা কৰিব লাগে। হিতাধিকাৰীৰ সলনি সৰু সৰু কাম আৰম্ভ কৰাৰ বাবে চৰকাৰেও ধোদ সজাব খোজা মানুহখিনিক নতুনকৈ জীয়াই থকাৰ উপায় দিব পাৰে।

আমি সজাগ নহ'লে আমাৰ ধুনীয়া ধৰণীখন আমাৰ হাততে নিঃশেষ হৈ যাব। যুদ্ধবাজ কেইজনে নাগাচাকি-হিৰোচিমাৰ ভয়াৱহ দুৰ্ঘটনাটোৰ পাছতো আনৱিক বোমা নিক্ষেপ কৰাৰ কথা কৈ থাকে এই জ্ঞানীমূৰ্খ মানুহবোৰ মানৱজাতিৰে ধ্বংসকাৰী ঘোৰ শত্ৰু! ধুনীয়া ধৰণীখন কেৱল ধূলি-ধোঁৱা-ছাইৰ ধ্বংসস্তূপত পৰিণত কৰিলে মানৱ জাতিৰ বাবে একো নাথাকে, নৰকীবোৰৰ বাবেও জগতত সহস্ৰ বছৰৰ বাবে একো নাথাকিব।

*ফোন ঃ ৭০৮৬২ ১৭৪২৫*

---



# আউনীআটীয় সত্ৰাধিকাৰ ডঃ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামীলৈ জন্মদিনৰ ওলগ

আজি শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱগোস্বামীৰ জন্মতিথি। ২৩ জেঠ, শুক্লা অষ্টমী তিথি, ১৯৪৪ শকাব্দ। যদি ইংৰাজী তাৰিখ ধৰা হয় তেনেহ'লে ১৪ জুন, ২০২২ খ্ৰীষ্টাব্দ। তেওঁৰ জন্ম হৈছিল ১৯৫৯ৰ ১৪ জুনত ডিব্ৰুগড়ৰ বিজয় মাহামৰা সত্ৰত। তেওঁৰ পিতৃ দেৱকান্ত গোস্বামী আৰু মাতৃ সুভদ্ৰা দেৱী। আচলতে পীতাম্বৰ দেৱগোস্বামীয়ে ন বছৰ বয়সৰ পৰাই সত্ৰীয়া পৰম্পৰাৰ স'তে জড়িত হৈ পৰে।

**আজি** শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱগোস্বামীৰ জন্মতিথি। ২৩ জেঠ, শুক্লা অষ্টমী তিথি, ১৯৪৪ শকাব্দ। যদি ইংৰাজী তাৰিখ ধৰা হয় তেনেহ'লে ১৪ জুন, ২০২২ খ্ৰীষ্টাব্দ। তেওঁৰ জন্ম হৈছিল ১৯৫৯ৰ ১৪ জুনত ডিব্ৰুগড়ৰ বিজয় মাহামৰা সত্ৰত। তেওঁৰ পিতৃ দেৱকান্ত গোস্বামী আৰু মাতৃ সুভদ্ৰা দেৱী। আচলতে পীতাম্বৰ দেৱগোস্বামীয়ে ন বছৰ বয়সৰ পৰাই সত্ৰীয়া পৰম্পৰাৰ স'তে জড়িত হৈ পৰে। সেই সময়ত টেঙাঘাট বাহৰত বাহৰ পাতি থকা সেই সময়ৰ আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ হেমচন্দ্ৰ গোস্বামীৰ হাতত পৰিয়ালৰ লোকে তেওঁক অৰ্পণ কৰে। হেমচন্দ্ৰ দেৱ গোস্বামী আছিল আউনীআটী সত্ৰৰ ১৪ সংখ্যক সত্ৰাধিকাৰ। পীতাম্বৰ দেৱ গোস্বামীয়ে আনুষ্ঠানিক তথা স্কুলীয়া শিক্ষাৰ পাতনি মেলে দুলীয়াজানৰ জালান প্ৰাথমিক বিদ্যালয়ৰ পৰা। এই বিদ্যালয়ত তেওঁ দ্বিতীয় শ্ৰেণীলৈকে অধ্যয়ন কৰে আৰু তাৰ পাছত আউনীআটী সত্ৰৰ নিজা বিদ্যালয় আউনীআটী উচ্চ বুনিয়াদী বিদ্যালয়ত অধ্যয়ন কৰি মাধ্যমিক শিক্ষা সমাপ্ত কৰে।

তেওঁ নৱমমান শ্ৰেণীলৈকে আউনীআটী হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰে। তাৰ পাছত উত্তৰ গুৱাহাটীত অৱস্থিত আউনীআটী সত্ৰৰ শাখা সত্ৰলৈ আহে আৰু আউনীআটী কমলদেৱ হাইস্কুলত অধ্যয়ন কৰি ১৯৭৭ত সুখ্যাতিৰে মেট্ৰিক পৰীক্ষা পাছ কৰে। আউনীআটী কমলদেৱ হাইস্কুল অসমৰ সু-প্ৰাচীন শিক্ষানুষ্ঠানসমূহৰ ভিতৰত অন্যতম। হাইস্কুল খণ্ড কেৱল ল'ৰাৰ বাবে। দ্বাদশ শ্ৰেণীলৈকে পাঠদান হয়। গোস্বামীয়ে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত অধ্যয়ন কৰি ১৯৭৯ত প্ৰাক্‌বিশ্ববিদ্যালয় আৰু ১৯৮১ত অসমীয়া বিষয়ত সন্মানসহ স্নাতক ডিগ্ৰী অৰ্জন কৰে। আনহাতে, অসম আন্দোলনৰ প্ৰভাৱত বহুদিন শিক্ষানুষ্ঠানসমূহত শিক্ষাদান প্ৰক্ৰিয়াত বাধা আহিলেও তাৰ মাজতে অধ্যয়ন কৰি তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৮৬ত অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তাৰ উপৰি পীতাম্বৰ দেৱগোস্বামীয়ে উত্তৰ গুৱাহাটীৰ আউনীআটী লীলা কান্ত সংস্কৃত বিদ্যালয়ত অধ্যয়ন কৰিবলৈ লয় আৰু ব্যাকৰণত শাস্ত্ৰী উপাধি লাভ কৰে। বিদ্যায়তনিক শিক্ষাৰ প্ৰতি অত্যন্ত ইচ্ছা আৰু প্ৰৱল আত্মবিশ্বাসৰ বাবে তেওঁ এইবাৰ আগবাঢ়ে গৱেষণাৰ পথত। 'সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্য বিচাৰ' শীৰ্ষক বিষয়ৰ ওপৰত ডঃ নগেন শইকীয়াৰ তত্ত্বাৱধানত গৱেষণা কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা তেওঁ সন্মানজনক ডক্তৰেট ডিগ্ৰী অৰ্জন কৰে। এই বিদ্যায়তনিক ক্ৰমবোৰে শ্ৰী পীতাম্বৰ দেৱ গোস্বামীৰ আজন্ম মেধাৰ প্ৰকৃত পৰিচয় দাঙি ধৰে। এগৰাকী সুলেখক হিচাপেও শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামীয়ে ইতিমধ্যে স্বীকৃতি লাভ কৰিছে। তেওঁৰ ভালেমান গ্ৰন্থ আৰু নাট্য গীতিও ৰচনা কৰিছে। তাৰ ভিতৰত অন্যতম হ'ল—অজামিল উপাখ্যান (পৱিত্ৰ পাপী), দিতিৰ দৰ্পচূৰ্ণ, ৰজা ৰুক্মাংগদৰ ধৰ্ম পৰীক্ষা, (একাদশীৰ মাহাত্ম্য), অতনুৰ জীৱন মুক্তি, পাঁচখনকৈ নাট্য গীতি তৰংগিনী সংগীতালেখ্য, পাঁচখনকৈ নৃত্যনাটিকাৰ সংকলন, ২০১৩ত প্ৰকাশিত গ্ৰন্থ প্ৰতিভা ভাস্কৰ শ্ৰীমন্ত শংকৰদেৱ আদি।



মিহিৰ কুমাৰ বৰুৱা

শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামীয়ে ১৯৯৭ত নিৰ্মালি গ্ৰহণ কৰি শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ পদত অধিষ্ঠিত হয় আৰু আজি পৰ্যন্ত তেওঁ এই পদত বাহাল আছে। তেওঁ এই সত্ৰখনৰ১৬ সংখ্যক সত্ৰাধিকাৰ।

আউনীআটী সত্ৰখন অসমৰ প্ৰথম শ্ৰেণীৰ ৰাজসত্ৰ। আহোম ৰজা জয়ধ্বজ সিংহই ১৫৭৫ শকত (১৬৫৩ খ্ৰীঃত) মাজুলীত এই সত্ৰখন প্ৰতিষ্ঠা কৰিছিল। সত্ৰখনৰ প্ৰথমজনা সত্ৰাধিকাৰ আছিল শ্ৰীশ্ৰী নিৰঞ্জনদেৱ। আৰু বৰ্তমানৰ সত্ৰাধিকাৰ হৈছে শ্ৰীশ্ৰী ডঃ পীতাম্বৰ দেৱ গোস্বামী। জয়ধ্বজ সিংহৰ আহোম নাম আছিল স্বৰ্গদেউ চুতাম্‌লা। প্ৰথমজনা সত্ৰাধিকাৰ শ্ৰীশ্ৰী নিৰঞ্জন দেৱৰ দ্বাৰা বৈষ্ণৱ ধৰ্মত দীক্ষিত হোৱাৰ পাছত তেওঁ জয়ধ্বজ সিংহ নাম লয়। সত্ৰত বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰা তেওঁ প্ৰথম আহোম স্বৰ্গদেউ। আউনী পানৰ এটি আঁটি কাটি স্থাপন কৰা বাবে সত্ৰখনৰ নাম আউনীআটী ৰখা বুলি জনা যায়। দেৱত্ৰ (দেৱোত্তৰ) আৰু ব্ৰহ্মত্ৰ নামেৰে দুটা ভাগত বিভক্ত কৰি ৰজাই মুঠ ৮১৬৫০ বিঘা মাটি এই সত্ৰখনক দান কৰিছিল।

মাজুলীৰ মূল সত্ৰখনৰ উপৰি অসমৰ বিভিন্ন ঠাইত এই সত্ৰখনৰ ১২টা শাখন সত্ৰ আছে। এই সমূহৰ ভিতৰত প্ৰধান শাখা হৈছে উত্তৰ গুৱাহাটীৰ শাখা সত্ৰটো। ১৯৯৫ত সত্ৰাধিকাৰ শ্ৰীশ্ৰী কমল চন্দ্ৰ দেৱ গোস্বামীয়ে অশ্বক্লান্ত দেৱালয়ৰ পৰা ৬০ বিঘা মাটি লৈ এই সত্ৰখন নিৰ্মাণ কৰাইছিল। আনহাতে, আন এগৰাকী সত্ৰাধিকাৰ শ্ৰীশ্ৰী হেমচন্দ্ৰ দেৱ গোস্বামীয়ে ১৯৫৯ত সত্ৰখন পুনৰ্নিৰ্মাণ কৰোৱায়। বৰ্তমানৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামীয়ে আউনীআটী সত্ৰৰ যোৰহাট কলীয়াপানী শাখাটো ২০০৩ত নিৰ্মাণ কৰায়। ডঃ পীতাম্বৰ দেৱগোস্বামীৰ প্ৰতিভা ভাস্কৰ শ্ৰীমন্ত শংকৰদেৱ শীৰ্ষক গ্ৰন্থখনৰ আগকথা লিখিবলৈ গৈ স্বনামধন্য সাহিত্যিক ডঃ নগেন শইকীয়াই লিখিছে— চাৰি সংহতিৰ সমূহ সত্ৰৰ ভিতৰত শ্ৰীশ্ৰী আউনীআটী সত্ৰ যে এটা বৃহৎ সত্ৰ অনুষ্ঠান তাত সন্দেহ নাই। এই সত্ৰৰ সত্ৰাধিকাৰজনে অসমৰ ভাষা-সাহিত্য, সংস্কৃতি তথা সমাজ জীৱনৰ অধ্যয়নৰ লগত সংগতি ৰাখি অসমৰ ধৰ্মৰ ইতিহাসৰ মাজেদি সময় উপযোগী নতুন উদাৰ আৰু সৰ্বজন গ্ৰহণযোগ্য দৃষ্টিভংগী ফুটাই তোলাত সফল হৈছে। ডঃ শইকীয়াই শ্ৰীশ্ৰী আউনীআটীয় সত্ৰাধিকাৰ গৰাকী আমাৰ সমাজ ইতিহাসৰ এই গুৰুত্বপূৰ্ণ সময়ত আলোক বৰ্তিকা হৈ উঠক বুলি আশা প্ৰকাশ কৰিছে।

২০১২ৰ ২৮,২৯ আৰু ৩০ ডিচেম্বৰত উত্তৰ গুৱাহাটীৰ শ্ৰীশ্ৰী আউনীআটী সত্ৰত ৰাইজৰ সহযোগত সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱ গোস্বামীয়ে আয়োজন কৰিছিল এক বৰ্ণিল সাংস্কৃতিক সমাৰোহ। এই সাংস্কৃতিক সমাৰোহ সম্পৰ্কত সত্ৰাধিকাৰ গৰাকীৰ মূল বক্তব্য আছিল এনে ধৰণৰ—

আধ্যাত্মিক চিন্তা-চৰ্চা আৰু সাংস্কৃতিক মিলন অবিহনে জনগণৰ মাজত ঐক্য-শান্তি-সম্প্ৰীতি প্ৰতিষ্ঠা কৰা নিতান্তই দুৰূহ কাৰ্য। সম্প্ৰতিক সময়ত সমাজত যি হিংসা-অসূয়া- সন্ত্ৰাসবাদ আৰু গোষ্ঠী সংঘৰ্ষ আদিয়ে ছানি ধৰিছে সেই সমস্যাসমূহ নিৰাময়ৰ উদ্দেশ্যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জাতি, জনগোষ্ঠীৰ ঐতিহ্যপূৰ্ণ সাংস্কৃতিক কাৰ্যসূচীসমূহ একেখন মঞ্চত পৰিবেশন কৰাই সকলোৱে মাজত এক সামূহিক শান্তি, সম্প্ৰীতি, ঐক্য প্ৰতিষ্ঠাৰ প্ৰয়াস কল্পে এই বৰ্ণিল সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছে।

সঁচাকৈয়ে এই উদাৰমনা সংস্কাৰমুখী সত্ৰাধিকাৰগৰাকীৰ প্ৰচেষ্টাত এই সমাৰোহ সফল হ'ল আৰু সমগ্ৰ দেশবাসীলৈ এক যোগাত্মক বাৰ্তা প্ৰেৰণ কৰা আমি দেখিবলৈ পালো। জনতাৰ মাজত শান্তি-সম্প্ৰীতি, ঐক্য প্ৰতিষ্ঠাত এই সমাৰোহে নিশ্চিতভাৱে ইন্ধন যোগোৱা দেখা গ'ল। আকৌ চলিত বছৰৰ ডিচেম্বৰত এইজনা সত্ৰাধিকাৰে ৰাইজৰ সহযোগত অসমৰ মুঠ ২৪০০ নামঘৰক সামৰি নামঘৰ সমাৰোহ অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰিছে। আশা কৰো এই সমাৰোহখনিয়েও সমাজলৈ অন্য এক শুভ বাৰ্তা কঢ়িয়াই আনিব। শেষত শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ডঃ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামীদেৱৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি তিনিকুৰি তিনি বছৰীয়া জন্মদিনৰ ওলগ যাচিলো।

*ফোন ঃ ৬০০২৪০০৪৮৫*

# যোৰহাটত পি এম কিষাণ সন্মান নিধি

*তিনি পৃষ্ঠাৰ পৰা* নিৰ্দেশ দিয়ে। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি, মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা আদি কৃষি বিভাগৰ অন্যান্য আঁচনিসমূহৰ ৰূপায়ণৰ অগ্ৰগতিৰ বিষয়েও সভাত মন্ত্ৰী বৰাই পৰ্যালোচনা কৰে। সভাত অতিৰিক্ত উপায়ুক্তদ্বয় সত্যজিৎ চেতিয়া আৰু অৰুণ বন্ধা, তিতাবৰ মহকুমাধিপতি গায়ত্ৰী হাইলিং, চক্ৰ বিষয়াসকল, জিলা কৃষি বিষয়া বেনী মাধব বৰুৱা, মহকুমা (সদৰ) কৃষি বিষয়া ড° নিতুমনি গগৈৰ লগতে কৃষি বিভাগৰ অন্যান্য বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# তেজপুৰত নকল আৰক্ষী-ব্যৱসায়ী

*তিনি পৃষ্ঠাৰ পৰা* বহিঃৰাজ্যৰ বহু লোকক প্ৰৱঞ্চনা কৰাৰ অভিযোগ উত্থাপন হোৱাৰ উপৰি তেওঁলোক দুয়োৰে বিৰুদ্ধে বিভিন্ন আৰক্ষী থানাত গোচৰ পঞ্জীভুক্ত হৈ আছিল। ইয়াৰে ভিতৰত ভিতৰসুঁতিৰ ৰঞ্জিত সৰকাৰে নিজকে তেজপুৰৰ লালমাটি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে পৰিচয় দি কালি শোণিতপুৰৰ মিছামাৰীৰ এজন লোকক টেলিফোনৰে বিভিন্ন ভাবুকি প্ৰদান কৰে আৰু ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ লোকজনক ধন দাবী কৰে। উল্লেখ্য যে লোকজনৰ পৰা কিছু ধন প্ৰৱঞ্চক ৰঞ্জিতে নিজা বেংক একাউণ্টৰ জৰিয়তে কালিয়েই সৰকাই লয়। পাছত এই বিষয়ে শোণিতপুৰ আৰক্ষী অৱগত হয় আৰু প্ৰৱঞ্চক ৰঞ্জিতক চিনাক্ত কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, ইতিমধ্যে শোণিতপুৰৰ বিভিন্ন আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে চিনাকি দি বহুসংখ্যক লোকৰ পৰা ধন সংগ্ৰহ কৰা ৰঞ্জিতে এনে এক প্ৰৱঞ্চনাৰ গোচৰতে কাৰাৰুদ্ধ হৈ যোৱা দুই জুনতহে জামিন লাভ কৰিছিল যদিও ইয়াৰ পাছতেই পুনৰ একে দুষ্কাৰ্যৰে জড়িত হৈ পৰে। আনহাতে, তেজপুৰ হাৰিগাঁৱৰ আৰ্জু ইছলামে যোৱা এবছৰে নিজকে এজন প্ৰতিষ্ঠিত ব্যৱসায়ী হিচাপে পৰিচয় দি শোণিতপুৰ তথা ৰাজ্যৰ উপৰি বহিঃৰাজ্যৰো একাংশ লোকক ঠগি আহিছিল। ভুক্তভোগী লোকসকলৰ স'তে বৃহৎ অংকৰ ব্যৱসায়িক বুজাবুজি কৰি সামগ্ৰী আদায় কৰা আৰ্জুৱে তেওঁলোকক চেক প্ৰদান কৰে যদিও আৰ্জুৰ সেই একাউণ্টত কোনো ধন নথকাত ইতিমধ্যে সামগ্ৰী দিয়া লোকসকল বিপদত পৰিছিল। ৰাজ্যৰ লগতে বহিঃৰাজ্যত এনে পাঁচটা গোচৰ আৰ্জুৰ বিৰুদ্ধে ৰুজু আছিল বুলি আজি আৰক্ষীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। ইতিমধ্যে দুয়োকে আজি আৰক্ষীয়ে তেজপুৰস্থিত জিলা সত্ৰ ন্যায়াধীশৰ আদালতত হাজিৰ কৰায় আৰু আদালতে দুয়োকে ন্যায়িক জিম্মালৈ প্ৰেৰণৰ নিৰ্দেশ দিয়ে।

# নাম গোৱাতো কেৱল ধৰ্ম সাধনা নহয়

*তিনি পৃষ্ঠাৰ পৰা* তত্ত্বগধুৰ বক্তব্য প্ৰদান কৰে। আনহাতে, এই অনুষ্ঠানতে মৰিয়নি অঞ্চলৰ ১১ গৰাকী বিশিষ্টা মহিলাক সম্বৰ্ধনা জনোৱা হয়। বিশিষ্ট শিল্পী তৰুণ শইকীয়াই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত মৰিয়নিৰ সামাজিক, সাংস্কৃতিক, ধৰ্মীয় ক্ষেত্ৰখনলৈ অৱদান আগবঢ়াই যোৱা মহিলা বীণা দেৱী, পুতু দাস, কামিনী মালাকাৰ, সুৰমাই বৰা, কৰুণা শইকীয়া, নিজৰা দত্ত হাজৰিকা, উপমা ফুকন, কুঞ্জলতা হাজৰিকা, পাৰুল দত্ত, বীণা আইদেউ বুঢ়াগোহাঁই আৰু প্ৰণতি চেতিয়াক চেলেং চাদৰ, একোখনকৈ গীতা, সম্বৰ্ধনা পত্ৰ আদিৰে দবা, শংখ, উৰুলি, জয়ধ্বনিৰ শব্দৰে মুখৰিত এক আৱেগিক পৰিৱেশত সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পূৰ্বে পুৱা শ্ৰীশ্ৰীশংকৰদেৱ কীৰ্তনঘৰৰ অন্তৰ্গত নতুনমাটি নামঘৰৰ পতাকা উত্তোলন কৰি দিনটোৰ কাৰ্যসূচী মুকলি কৰে সভাপতি ধীৰেন্দ্ৰ নাথ দত্তই। এই অনুষ্ঠানতে নামাচাৰ্য বিমান বৰবৰাৰ পৰিচালনাত নাম প্ৰসংগ অনুষ্ঠিত হয়। আনহাতে, বিয়লি মহিলাৰ দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই দিহানাম প্ৰতিযোগিতাত অসমীয়া লোককৃষ্টিৰ গৱেষক তথা চিনামৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° দ্বীপেন নাথে লোককৃষ্টিত দিহানামৰ গুৰুত্ব আৰু তাৰ তাৎপৰ্যৰ ওপৰত সাৱলীল আৰু তাত্ত্বিক বক্তৃতা প্ৰদান কৰে। ২০ টাৰো অধিক দলে যোগদান কৰা এই দিহানাম প্ৰতিযোগিতাত মৰিয়নিৰ কল্পতৰু কৃষ্টি কাননে প্ৰথম, বিজয়পুৰৰ শ্ৰীমন্ত শংকৰদেৱ দিহানাম দলে দ্বিতীয় আৰু মৰিয়নি কিংশুক মহিলা চ'ৰাই তৃতীয় স্থান দখল কৰে। বিজয়ী দল সমূহক নগদ ধন, প্ৰশস্তি পত্ৰ, বঁটা আদিৰে পুৰস্কৃত কৰা হয়।

# আদিবাসীক ধ্বংস কৰা মূল লোকজনেই

*তিনি পৃষ্ঠাৰ পৰা* প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। সেই মৰ্মে জিলা সমিতিৰ কাম-কাজসমূহ দুয়োটা গোটৰ যৌথ প্ৰচেষ্টাত চলি আছিল। পৰিতাপৰ বিষয় যে নিজকে সভাপতি বুলি জাহিৰ কৰা প্ৰদীপ নাগে প্ৰস্তাৱসমূহ আখৰে আখৰে পালন কৰাৰ পৰিৱৰ্তে কূট-কৌশল কৰি গাদী ৰক্ষাৰ চেষ্টা অব্যাহত ৰাখে। যাৰ বাবে অহা ১০, ১১, আৰু ১২ জুনত আছাৰ কেন্দ্ৰীয় সমিতিৰ অধিৱেশন অনুষ্ঠিত কৰিবলৈ বাধ্য হৈছে। উল্লেখ্য যে যোৱা ২৬ মে'ত আছাৰ ওদালগুৰি জিলা কাৰ্যালয়ত ওদালগুৰি জিলা আছাৰ সম্পাদক ৰবিৰাম বাস্কে আৰু আটাৰীখাট আঞ্চলিক আছাৰ সভাপতি বাবুল পাইকে কেইখনমান আঞ্চলিক সমিতিক মাতি নি ওদালগুৰি জিলাৰ কোনো কাৰ্যবাহী সদস্যক নজনোৱাকৈ বিভিন্ন কূট-কৌশল ৰচনা কৰি জিলা সমিতিখন ভংগ কৰে বুলি জিলা সমিতিয়ে অভিযোগ কৰে। তদুপৰি কোনো এজন প্ৰাথমিক বা আঞ্চলিক পৰ্যায়ৰো নোহোৱা লোকক সভাপতিৰ দায়িত্ব দি অসাংবিধানিক আৰু অবৈধভাৱে গঠন কৰে বুলি বিবৃতিটোত অভিযোগ কৰে। ইয়াৰ ফলস্বৰূপে আটাৰীখাট আঞ্চলিক সভাপতিয়ে জিলা সমিতিৰ সদস্যসকলৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচনা কৰি অসাংবিধানিক কাৰ্যকলাপত জড়িত হোৱা বুলি অভিযোগ কৰে। যাৰ বাবে দুয়োজনকে ওদালগুৰি জিলা কাৰ্যনিৰ্বাহক সভাই ৰবিৰাম বাস্কেক তিনি মাহৰ বাবে নিলম্বন আৰু বাবুল পাইকক সংগঠনৰ পৰা বহিষ্কাৰ কৰিবলৈ বাধ্য হয়। যোৱা দুই জুনত বাতৰি কাকতত প্ৰকাশ পোৱা বাতৰিটো জিলা সমিতিৰ দৃষ্টিগোচৰ হৈছে বুলি উল্লেখ কৰি কয় যে ওদালগুৰি জিলাৰ তিনি সদস্যক নিলম্বন কৰাটো হাস্যকৰ আৰু অতি দুৰ্ভাগ্যজনক। বিবৃতিটোত লগতে কয়, 'আমি জনাত প্ৰদীপ নাগ আৰু ষ্টিফেন লাক্ৰা গোটৰ কেন্দ্ৰীয় সমিতি (আছা) ইতিমধ্যে ভংগ হোৱা বুলি ঘোষণা কৰিছে। আমি প্ৰদীপ নাগক প্ৰশ্ন কৰিব বিচাৰিছো যে কিহৰ স্বাৰ্থত আপুনি গাদী ধৰি ৰাখিব খুজিছে? যদি আপুনি আগন্তুক নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ পৰিকল্পনা পুহি ৰখা নাই, তেন্তে হ'বলগীয়া অধিৱেশনত সহযোগ কৰিব বুলি আশা ব্যক্ত কৰিছো। অন্যথা আপুনি নিজ স্বাৰ্থৰ বাবে জাতিটো ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। সংবিধান উলংঘন কৰি নীতি বহিৰ্ভূতভাৱে পদত কাৰ্যনিৰ্বাহ কৰি আছে।' সকলোয়ে তেওঁৰ প্ৰৰোচনাত ভোল নাযাবলৈ আছাই আদিবাসী ৰাইজক অনুৰোধ জনায়।

# ৯০ৰ দশকৰ প্ৰখ্যাত ফটোগ্ৰাফাৰ

*তিনি পৃষ্ঠাৰ পৰা* জীৱন 'অসমীয়া প্ৰতিদিন' কাকতৰ ধিঙৰ স্থানীয় সংবাদদাতাৰূপে আৰম্ভ কৰিছিল। পাছলৈ তেওঁ ফটো সাংবাদিকতাৰে জড়িত হৈ পৰে আৰু যথেষ্ট খ্যাতি অৰ্জন কৰে। এসময়ত বিদ্যুৎমণিয়ে তোলা ফটো অসমৰ সকলো সংবাদপত্ৰৰ লগতে ৰাষ্ট্ৰীয় সংবাদপত্ৰতো প্ৰকাশ পাইছিল। সক্ৰিয় সাংবাদিকতাৰ জীৱনত তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, মহাপ্ৰতাপী মন্ত্ৰী দ্বীগেন চন্দ্ৰ বৰা,অসম আৰক্ষীৰ শীৰ্ষ বিষয়া, ভাৰতীয় সেনাৰ উচ্চ পদস্থ বিষয়া আনকি কেন্দ্ৰীয় চোৰাংচোৱাৰ বহু বিষয়াৰ স'তে অতি ঘনিষ্ঠ আছিল বিদ্যুৎমণি। তেওঁলোকে সঘন খবৰ লৈছিল বিদ্যুতৰ। আনকি দিছপুৰৰ পৰা বিদ্যুতৰ খবৰ ল'বলৈ দৌৰিছিল এম্বেচাদৰ। আলফাৰ পৰা আৰম্ভ কৰি ছালফা সকলোৰে বিদ্যুত আছিল নয়নৰ মণি। অসম আৰক্ষীয়ে চকু ৰাখিছিল বিদ্যুতৰ ওপৰত। সংবাদপত্ৰৰ সম্পাদক, সম্পাদনা কক্ষৰ পৰা সঘনে ফোন গৈছিল বিদ্যুতৰ কাষলৈ। সকলোকে লাগে বিদ্যুতক। অনবৰতে হাতত কেমেৰা লৈ ফুৰা বিদ্যুতৰো সময় নাছিল। দিনবোৰ বৰ ব্যস্ততাৰে পাৰ কৰিছিল বিদ্যুতে; কিন্তু অতি ৰহস্যজনক কাৰণত ১৯৯৯-২০০০ৰ পৰা স্তব্ধ হৈ পৰে তেওঁৰ সাংবাদিক জীৱন। আনকি অতি মৰমৰ এছ এল আৰ কেমেৰাটোও তেওঁ বিক্ৰী কৰি দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। পৰৱৰ্তী সময়ত তেওঁ মানসিক অস্থিৰতাত ভোগে আৰু এক জটিল ৰোগত আক্ৰান্ত হৈ নগাঁও জিলাৰ ধিঙৰ আঠগাঁৱৰ উৰুখা পঁজাত নিজকে আৱদ্ধ কৰি ৰাখে। ধিঙৰ পৰা যাত্ৰা আৰম্ভ কৰি এদিন মধ্য অসমত ফটো সাংবাদিকতাৰ লগতে বিভিন্ন কাকতত ধিঙৰ স্থানীয় সংবাদদাতা হিচাপে কাম কৰি ৰাজ্যজুৰি জনপ্ৰিয়তা অৰ্জন কৰা বিদ্যুৎ যেন সকলোৰে মানসপটৰ পাহৰণিৰ গৰ্ভত বিলীন যায়। এটি খবৰ পালে, এটি ফোন পালে সময়-পৰিৱেশ-বিষয়বস্তুক লৈ এছ এল আৰৰ চাটাৰত ক্লিক কৰি আশা কৰাৰ দৰে এখন ফটো দিব পৰা বিদ্যুতে দুখ আৰু দৰিদ্ৰতাৰ স'তে সহৱস্থান কৰিবলৈ বাধ্য হয়। ৰোগগ্ৰস্ত দেহাটিৰ চিকিৎসাৰ বাবে এটি ঔষধ কিনাৰ সামৰ্থ হেৰুৱাই পেলায়। বৃদ্ধ পিতৃ আৰু একমাত্ৰ ভ্ৰাতৃয়ে সামৰ্থ অনুযায়ী কিছু চিকিৎসাৰ ব্যৱস্থা কৰে যদিও ইতিমধ্যে বহু পলম হৈ গৈছিল। সুদীৰ্ঘ দিন মৃত্যুৰ স'তে যুঁজি যুঁজি অৱশেষত যোৱা নিশা এসময়ৰ দুৰন্ত বিদ্যুতে মৃত্যুৰ ওচৰত হাৰ মানে। বিদ্যুৎ ধিং প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সদস্য আছিল। ধিং প্ৰেছ ক্লাবৰ সমূহ কাৰ্যসূচীত তেওঁ আগভাগ লৈছিল। স্মৰ্তব্য যে সাংবাদিক পৰাগ কুমাৰ দাসক দুৰ্বৃত্তই গুলীয়াই হত্যা কৰাৰ সময়ত বিদ্যুতে ধিং বজাৰৰ ৰাজহুৱা স্থানত মুণ্ডন কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল। আনকি তেওঁ ৰাষ্ট্ৰ সন্ত্ৰাসৰো বলি হ'বলগীয়া হৈছিল। বিদ্যুতৰ অকাল বিয়োগত ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকা, ধিং শতদল শাখা সাহিত্য সভাৰ সভাপতি মৃগাংক বৰা, লেখক -সাংবাদিক হেমেন কুমাৰ দাস, ধিং প্ৰেছ ক্লাব, বটদ্ৰৱা প্ৰেছ ক্লাব, মৈৰাবাৰী প্ৰেছ ক্লাব, নগাঁও প্ৰেছ ক্লাব,অসম বাৰ্তাজীৱী সংঘৰ নগাঁও জিলা সমিতিৰ সভাপতি কনক হাজৰিকা আৰু সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি মেধি, নগাঁও ইলেকট্ৰনিক মিডিয়া এছ'চিয়েছন, ধিং আঞ্চলিক ছাত্ৰ সন্থা, বটদ্ৰৱা প্ৰেছ ক্লাব, বেবেজীয়া প্ৰেছ ক্লাব, পুৰণিগুদাম প্ৰেছ ক্লাব, অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱা আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। ইপিনে, আজি পুৱা বহু গুণমুগ্ধৰ উপস্থিতিত ধিং ৰত্নগৰৰ ৰাজহুৱা শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

# বটদ্ৰৱাৰ ঘটনা সন্দৰ্ভত গণ অভিৱৰ্তন

*তিনি পৃষ্ঠাৰ পৰা* জ্বলোৱাৰ পাছত অপৰাধীক কৰায়ত্ত কৰাৰ নামত মৃত ছফিকুল ইছলামৰ বাসগৃহত আৰক্ষী প্ৰশাসনে বুলড'জাৰ চলোৱাটো এক নাভূত- নাশ্ৰুত ঘটনা বুলি ড° জানাই মন্তব্য কৰে। তেওঁ লগতে বটদ্ৰৱা আৰক্ষী থানা জ্বলোৱাৰ মূল মাষ্টাৰ মাইণ্ড বুলি আৰক্ষীয়ে দাবী কৰা আছিকুল ইছলামক আৰক্ষীয়ে পৰিকল্পিতভাৱে হত্যা কৰাৰ গুৰুতৰ অভিযোগ তুলি কয়, 'ছাৰেণ্ডাৰ কৰা মানুহ আৰক্ষীৰ পৰা পলাই যোৱাটো এক হাস্যকৰ বিষয়। এনে কাৰ্যৰ বিৰুদ্ধে সকলোৰে মাৰ বান্ধি থিয় হ'ব লাগে।' এই ক্ষেত্ৰত তেওঁ সকলো মানৱ অধিকাৰ সংগঠনক একত্ৰিত হ'বলৈ আহ্বান জনায় লগতে কয়, 'চৰকাৰ তথা আৰক্ষীয়ে কৰা বেআইনী কাৰ্যৰ বিৰুদ্ধে ৰাজপথৰ আন্দোলনৰ সমান্তৰালকৈ আইনী যুঁজ দিব লাগিব। আমি ৰাষ্ট্ৰখনৰ সন্মানৰ কাৰণে দেশত জঘন্য কাণ্ড সংঘটিত হ'বলৈ দিব নোৱাৰি।'

ধিং কলেজৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা বিশিষ্ট লিখক আব্দুল ছালামৰ সভাপতিত্বত অনুষ্ঠিত অভিৱৰ্তনত বয়োজ্যেষ্ঠ বামপন্থী নেতা ডাঃ দেবেন্দ্ৰনাথ মুক্তিয়াৰে কয়, 'মুছলমানক লৈ প্ৰতিটো ৰাজনৈতিক দলে দীৰ্ঘদিন কৰি ৰাজনীতি চলাই গৈছে। যাৰ বাবেই বটদ্ৰৱা কাণ্ডৰ দৰে ঘটনা সংঘটিত হৈছে।' তেওঁ বটদ্ৰৱা কাণ্ডটোত আৰক্ষীক জগৰীয়া কৰি আৰক্ষীয়ে কিদৰে সৰ্বসাধাৰণ ৰাইজৰ পৰা অবৈধভাৱে ধন সংগ্ৰহ কৰে, তাৰ কেইটামান উদাহৰণ দাঙি ধৰে। বামপন্থী দল ক্ৰমে চিপি আই, চি পি আই (এম এল) আৰু চি পি আই (কমিউনিষ্ট) ৰ সন্মিলিত উদ্যোগত অনুষ্ঠিত গণ অভিৱৰ্তনত চি পি আইৰ নগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰাতুল বৰাই কয়, 'বটদ্ৰৱাত চৰকাৰে উচ্ছেদ চলাবলৈ এক পৰিকল্পনাৰ অংশ হিচাপে ছফিকুল ইছলাম আৰু আছিকুল ইছলামক কৌশলেৰে অপৰাধী সজাই হত্যা কৰা হ'ল।' ছফিকুলৰ মদ খোৱাটো যদি অপৰাধ হ'ব পাৰে, তেন্তে চৰকাৰে মদৰ দোকানসমূহ কিয় বন্ধ নকৰে বুলি প্ৰশ্ন অৱতাৰণা কৰে। তেওঁ লগতে কয়, 'বটদ্ৰৱা কাণ্ডই অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত বাধাগ্ৰস্ত কৰিব। আৰক্ষীৰ জিম্মাত দুজনকৈ লোক মৃত্যু হোৱা ঘটনাটো সভ্য সমাজক লজ্জানত কৰা ঘটনা।' আইন সকলোৰে বাবে সমান বুলি মন্তব্য কৰি বৰাই অন্যায়ৰ বিৰুদ্ধে সংগ্ৰামখন আগুৱাই নিবলৈ আহ্বান জনায়। সভাত প্ৰগতিশীল নাৰী সন্থাৰ সভানেত্ৰী ভাৰতী দেৱীয়ে বটদ্ৰৱা কাণ্ডটোক জঘন্য ঘটনা বুলি অভিহিত কৰে। অৱসৰপ্ৰাপ্ত শিক্ষক যজ্ঞেশ্বৰ শৰ্মাই কয়, 'সম্প্ৰতি গণতান্ত্ৰিক দেশৰ মানুহৰ মুখৰ ভাষা হেৰাই যোৱাৰ উপক্ৰম হৈছে। ফেচিবাদী শাসক গোষ্ঠীয়ে হিন্দু ৰাষ্ট্ৰ বনোৱাৰ পৰিকল্পনা কৰিছে।' এনে সমস্যাৰ সমাধান কেৱল ৰাজনৈতিক ভাবেই সম্ভৱ বুলি তেওঁ মন্তব্য কৰে। বিশিষ্ট লেখিকা ৰাবিয়া খানমে বটদ্ৰৱাৰ ঘটনাটোৰ এক উচ্চ পৰ্যায়ৰ ন্যায়িক তদন্তৰ কামনা কৰে। অসমীয়া সাহিত্য সন্মিলনীৰ সভাপতি ড° সাগৰ বৰুৱাৰ অনুপস্থিতিত তেওঁৰ লিখিত ভাষণ পাঠ কৰে মনোজ সিং ৰাজাই। তেওঁৰ ভাষণত কয় যে বটদ্ৰৱা কাণ্ডটোক একাংশই সাম্প্ৰদায়িক ৰূপ দি ৰাজনৈতিক স্বাৰ্থ আদায়ৰ চেষ্টা চলাইছে। যুৱ নেতা বিৰিঞ্চি বৰাই কয়, 'অসমত এতিয়া এনকাউন্টাৰ'ৰ নামত মুক্ত হত্যা চলিছে।' তেওঁ দল-মত নিৰ্বিশেষে সকলোকে ইয়াৰ বিৰুদ্ধে জনমত গঠন কৰিবলৈ, অসমত আইনৰ শাসন প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনায়। বিশিষ্ট সমাজ সচেতক লক্ষণ মিৰ্ধাই কয় যে অসমৰ মূল সমস্যাসমূহৰ পৰা ৰাইজক আঁতৰাই ৰাখিবলৈ বিজেপি চৰকাৰে কেৱল জাত-পাত আৰু ধৰ্মৰ ৰাজনীতি চলাইছে। উদ্যোক্তা সংগঠনৰ মহিলা নেত্ৰী মৃণালী দেৱীয়ে সভাত কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ পাঠ কৰে।

# মেৰাপানীত গৰু সৰবৰাহ কৰা

*তিনি পৃষ্ঠাৰ পৰা* ৰখা জিলালৈ সৰবৰাহৰ চেষ্টা চলাইছিল গৰু ব্যৱসয়ী চক্ৰটোৱে। এক বিশেষ সূত্ৰ পম খেদি মেৰাপানী আৰক্ষীয়ে গমাৰিগুৰি তিনিআলিৰ পৰা গৰুভৰ্তি বাহন তিনিখন জব্দ কৰাৰ লগতে চক্ৰটোৰ লগত জড়িত পাঁচজন লোকক আটক কৰিছে। ধৃত লোককেইজন ক্ৰমে মাচুদ আলী (২০) মৰিয়নি, মফিজুদ্দিন আলী (২০), মেৰাপানী, নন্দ চৌধুৰী (২৮), দেৰাগাঁও, আচাদ আলী (৪০) মেৰাপনী আৰু নুৰজামাল হুছেইন (২০), মেৰাপানী। তথ্য মতে, স্থানীয় ইছলামপুৰ গাঁৱৰ এজন ব্যৱসায়ীয়ে নুমলীগড়ৰ বিহৰা বজাৰৰ পৰা গৰুসমূহ ক্ৰয় কৰি আনিছিল যদিও বাহনত সৰবৰাহৰ বাবে নাছিল কোনো প্ৰয়োজনীয় নথি। মেৰাপানী আৰক্ষীয়ে ইতিমধ্যে ঘটনা সংক্ৰান্তত এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে মেৰাপানীত কিছুদিন ধৰি এটা দুষ্টা চক্ৰই এনেদৰে অবৈধভাৱে গৰু সৰবৰাহ কৰি আহিছে।

# আম আদমী পাৰ্টিত যোগদান

*তিনি পৃষ্ঠাৰ পৰা* গগৈয়ে। বিধায়কজনে কয় যে আম আদমী পাৰ্টিৰ নেতৃত্বৰ স'তে এক ভাল ব্যক্তিগত সম্পৰ্ক আছে যদিও এই সম্পৰ্ক কেতিয়াও ৰাজনৈতিক হোৱা নাই। আম আদমী পাৰ্টিৰ জন্মলগ্নৰ পৰা তেওঁলোকৰ লগত আছিল বুলি উল্লেখ কৰি অখিল গগৈয়ে কয় যে কেতিয়াও ৰাজনৈতিকভাৱে তেওঁলোকৰ লগত একত্ৰিত হোৱাৰ চিন্তা কৰা নাই। ৰাইজৰ দল এক আঞ্চলিক-জাতীয়তাবাদী শক্তি আৰু বিজেপিক উৎখাত কৰাই তেওঁলোকৰ লক্ষ্য বুলি গগৈয়ে কয়। আনহাতে, ৰাজ্যৰ পিপিইকিট কেলেংকাৰিক লৈ চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰে বিধায়ক গগৈ। তেওঁ এই কেলেংকাৰিৰ এক উচ্চস্তৰীয় তদন্তৰ দাবী কৰি কয় যে ক'ভিডৰ নামত হোৱা সকলো বিত্তীয় অনিয়মৰ তদন্ত হোৱা উচিত।

# ফলাফলৰ প্ৰাক্ক্ষণত হাহাকাৰ

*তিনি পৃষ্ঠাৰ পৰা* তথা পৰিয়ালৰ লোকে বিচাৰ-খোছাৰ কৰে যদিও কোনো সন্ধান নোপোৱাত পৰিয়ালৰ লোকে তামুলপুৰ আৰক্ষী থানাত অৱগত কৰে। উল্লেখ্য যে নিৰুদিষ্ট হিমাংশুৱে এইবাৰ উলুবাৰী আঞ্চলিক হাইস্কুলৰ পৰা উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। পৰিয়ালৰ লোকে নিৰুদিষ্ট হিমাংশুক বিচাৰি আত্মীয়-স্বজনক খবৰ দিয়াৰ লগতে সকলোতে বিচাৰি চলাথ কৰিছে যদিও আজিকোপতি কোনো সন্ধান পোৱা নাই। আনহাতে, পঢ়া-শুনাত মধ্যম পৰ্যায়ৰ নিজৰ একমাত্ৰ সন্তান হিমাংশুৰ আজিলৈকে কোনো সন্ধান নাপাই পিতৃ-মাতৃৰ লগতে পৰিয়ালৰ লোকসকল অধিক চিন্তিত হৈ পৰিছে। কোনো সদাশয় লোকে ছাত্ৰজনৰ খবৰ পালে নিকটৱৰ্তী আৰক্ষী থানা অথবা ৯৮৬৪৫-৭৬০৭১/৯৩৬৫৬-১৭৪৯৭ নম্বৰত ফোন কৰি জনাবলৈ পৰিয়ালৰ লোকে অনুৰোধ জনাইছে।

# কৃষ্ণাইৰ বেতবাৰীত বিধ্বংসী

*তিনি পৃষ্ঠাৰ পৰা* বিষয়াসহ আৰক্ষী বাহিনী আৰু অগ্নি নিৰ্বাপক বাহিনীৰ বাহন আহি ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপিত কৰে যদিও ইতিমধ্যে জুই জ্বলি ছাইত পৰিণত হয়। ৰহমানৰ দুটাকৈ ঘৰসহ প্ৰায় ১২ লাখ টকাৰ সা-সম্পত্তি। ইফালে, জুই নুমাবলৈ চেষ্টা কৰি আংশিক অগ্নিদগ্ধ হয় দুজনকৈ লোক। আহত লোক দুজন গৃহস্থ ৰহমান আৰু ভাগিনীয়েক শুকুৰ আলী। উল্লেখ্য যে কৃষ্ণাই অঞ্চলত আজি কিছুদিন ধৰি সঘনাই সংঘটিত হৈছে ভয়াৱহ অগ্নিকাণ্ড। ইয়াৰ বিপৰীতে কৃষ্ণাইত নাই অগ্নিনিৰ্বাপক বাহনৰ কোনো ব্যৱস্থা। যাৰ ফলত অগ্নিকাণ্ড সংঘটিত হ'লেই ৰাইজে দুধনৈ বা গোৱালপাৰাৰ পৰা অগ্নিনিৰ্বাপক বাহনৰ বাবে অপেক্ষা কৰিবলগীয়া হয়। সেয়ে ৰাইজে অতিশীঘ্ৰে কৃষ্ণাইত অগ্নিনিৰ্বাপক বাহন ৰখাৰ ব্যৱস্থা কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী উত্থাপন কৰিছে।

# জালাহত প্ৰায় ৪০ লাখ টকাৰ

*তিনি পৃষ্ঠাৰ পৰা* আগুৰি ধৰা প্ৰত্যক্ষ কৰে। ওচৰ-চুবুৰীয়া আৰু দোকানীসকলে জুই নুমুৱাবলৈ চেষ্টা কৰে যদিও বিফল হয়। জুইয়ে দোকান ঘৰৰ পৰা পিছফালে থকা গুদাম ঘৰত আগুৰি ধৰে। গুদামত থকা মিঠাতেল আৰু ৰিফাইনত জুই লগাত জুইৰ তীব্ৰতা বাঢ়ি যায়। ফলত জুই নুমুৱাবলৈ চেষ্টা কৰা গঞা আৰু দোকানীসকল বিমোৰত পৰে। তদুপৰি পুৱাৰ ভাগত মুষলধাৰে বৰষুণ পৰি আছিল। প্ৰায় ৪০ মিনিট পাছত প্ৰথমতে বাঘমাৰাৰ পৰা আৰু তাৰ কিছু সময় পাছত মুছলপুৰৰ পৰা অগ্নিনিৰ্বাপক বাহিনীৰ তিনিখন বাহন আহি জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। প্ৰায় চাৰি ঘণ্টা সময় পাছত জুই সম্পূৰ্ণভাৱে নিৰ্বাপিত হয়। পুৱাৰ ভাগত বৰষুণ দি থকা বাবে ওচৰতে থকা অৰুণ দাসৰ কম্পিউটাৰ কেন্দ্ৰটি জুই লগাৰ পৰা ৰক্ষা পৰে। দোকানখনৰ স্বত্বাধিকাৰী দাসে জনোৱা মতে, জুই বৈদ্যুতিক বিজুতিৰ বাবে সংঘটিত হৈছিল। জুতি তেওঁৰ আনুমানিক মুঠ ৪০ লাখ টকাৰ সামগ্ৰী নষ্ট হোৱাৰ উপৰি প্ৰায় ২০ হেজাৰ নগদ টকাও ভস্মীভূত হয়। জুইৰ তীব্ৰতা ইমান বেছি আছিল যে তেওঁৰ দোকান ঘৰৰ উপৰি তিনিটা গুদামঘৰৰ পকী বেৰসমূহ উত্তপ্ত হৈ পৰিছিল। দোকানখনৰ পৰাই দাঁতি-কাষৰীয়া অঞ্চলৰ প্ৰায় ৩০ খনতকৈও বেছি ক্ষুদ্ৰ ক্ষুদ্ৰ দোকানীয়ে পাইকাৰী হাৰত সামগ্ৰী কিনি নি নিজৰ নিজৰ অঞ্চলত বিক্ৰী কৰিছিল।

# পাহৰণিৰ গৰ্ভত একালৰ অগপ

*তিনি পৃষ্ঠাৰ পৰা* আহিছিল। প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ অতি ঘনিষ্ঠ হোৱাৰ লগতে তেওঁ সেই সময়ত বহুতো লোকক চৰকাৰী চাকৰি পোৱাৰ ক্ষেত্ৰত যথেষ্ট সহায় আগবঢ়াইছিল। দল তথা সংগঠন সক্ৰিয় কৰাতো তেওঁৰ আছিল অন্যতম অৱদান। এসময়ত নগাঁও জিলা অগপৰ কাৰ্যালয়ত প্ৰায় সদায়েই দেখা গৈছিল শৰ্মাক। কিন্তু ৮৬ বছৰীয়া সেই প্ৰবীণ অগপ কৰ্মীজন এতিয়া অসুস্থ। বৰ্তমান দৈনিক আহাৰকণো খুৱাই দিব লাগে পত্নীয়ে। এটা কেঁচা পঁজাতে বাস কৰি ওৰেটো জীৱন নিজ স্বাৰ্থৰ কথা চিন্তা নকৰি ৰাজনীতিৰ পথাৰখনত অগপৰ বাবে ত্যাগ স্বীকাৰ কৰাৰ পাছতো বৰ্তমান তেওঁৰ খবৰ ল'বলৈ আহৰি নাই দলীয় নেতা-কৰ্মীৰ। মিত্ৰজোঁটৰ কোনো এজন লোকেও আজি পৰ্যন্ত খবৰ লোৱা নাই বুলি শৰ্মাই আক্ষেপ প্ৰকাশ কৰিছে সংবাদ মাধ্যমৰ আগত। উল্লেখ্য যে অগপ চৰকাৰে দুটাকৈ কাৰ্যকাল অৰ্থাৎ ১০টা বছৰ শাসনত আছিল। তদুপৰি অগপ-বিজেপি মিত্ৰজোঁটৰ চৰকাৰ শাসনত আছে ছবছৰ। কিন্তু অতি পৰিতাপৰ বিষয় যে আজিকোপতি শৰ্মাই পোৱা নাই কোনো চৰকাৰী আঁচনি, পোৱা নাই কোনো সা-সুবিধা। এতিয়া ঘৰৰ পৰিয়ালে অসুস্থ উক্ত প্ৰবীণ অগপ কৰ্মীজনৰ চিকিৎসাৰ বাবে বিচাৰিছে কিছু সহায়, বিচাৰিছে দলীয় কৰ্মীৰ কিছু সঁহাৰি। লগতে বৰ্তমান মিত্ৰজোঁটৰ চৰকাৰখনক তথা বঢ়মপুৰ সমষ্টিৰ বিধায়কজনক পৰিয়ালটোৰ প্ৰতি কিছু সুদৃষ্টি আগবঢ়াবলৈও আহ্বান জনাইছে স্থানীয় লোকে।

# গোসাঁইগাঁৱত চাওতাল ছাত্ৰ

*তিনি পৃষ্ঠাৰ পৰা* আত্মপৰিচয় ঘূৰাই দিয়ক' আদি শ্ল'গানেৰে অসম চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি গোসাঁইগাঁৱৰ আকাশ-বতাহ কঁপাই তোলে। সমদলৰ মাজতে 'দৈনিক অগ্ৰদূত'ৰ স'তে হোৱা বাৰ্তালাপত সংগঠনটোৰ সাধাৰণ সম্পাদক ৰীমান চৰেনে কয় যে আমি বহু প্ৰতিবাদ কৰিলো। কিন্তু আমাৰ প্ৰতিবাদৰ ভাষা চৰকাৰে বুজি নাপায়। কিন্তু আমিও নাচোৰ বান্দা, সংগঠনটোৱে উত্থাপন কৰা দাবীসমূহ চৰকাৰে যেতিয়ালৈকে নামানে তেতিয়ালৈ গণতান্ত্ৰিক প্ৰতিবাদ চলি থাকিব আৰু আজিৰ এই প্ৰতিবাদী সমদল তাৰেই এক প্ৰতিফলন বুলি ছাত্ৰ নেতা সৰেনে গুৰুত্বপূৰ্ণ মন্তব্য কৰে। প্ৰতিবাদী সমদলটো বাছ আস্থানৰ পৰা ডি কে পথেৰে বজাৰ অভিমুখে আহি চাৰিআলি হৈ টিপি পথেৰে গৈ মহকুমাধিপতিৰ কাৰ্যালয়ত উপস্থিত হয় আৰু মহকুমাধিপতিৰ জৰিয়তে এখন স্মাৰকপত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। আনহাতে, কিনকিনীয়া বৰষুণৰ মাজতে ওলোৱা সমদলৰ ফলত গোসাঁইগাঁৱৰ বাট-পথত সৃষ্টি হয় অভাৱনীয় যান-জঁটৰ। অৱশ্যে শান্তিপূৰ্ণভাৱে আগবঢ়া সমদল যাত্ৰাৰ অন্তত চহৰখনৰ বিভিন্ন পথত যানবাহনৰ চলাচল পুনৰ স্বাভাৱিক হয়। স্মাৰকপত্ৰৰ জৰিয়তে এছুৱে কে'বাটাও গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰিছে। এই দাবীসমূহ হৈছে ক্ৰমে অসম চৰকাৰে চাহ জনজাতি সন্মিলনক জাতিগত প্ৰমাণপত্ৰ দিয়াৰ অংগীকাৰ বাতিল, অষ্ট্ৰিকমূলৰ চাওতালসকলক চাহ আৰু প্ৰাক্তন চাহ জনজাতি নামকৰণ আৰু জাতিগত প্ৰমাণপত্ৰ প্ৰদান বাতিলকৰণ, চৰকাৰ আৰু চাওতাল জনগোষ্ঠীৰ দল-সংগঠনৰ স'তে শীঘ্ৰে এখন দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত কৰি সমস্যা সমাধান, অসমত চাওতালী ভাষাৰ শিক্ষক নিযুক্তিকৰণ, ভূমি আৰু ৰাজহ আইন (১৮৮৬) মতে, ভূমিপুত্ৰ চাওতালসকলক সংৰক্ষণ কৰি অধিকাৰ প্ৰদান আৰু অসমৰ ভূমিপুত্ৰ খিলঞ্জীয়া চাওতাল জনগোষ্ঠীক ভাৰতীয় সংবিধান (৩৪২) নম্বৰ অনুচ্ছেদ অনুসৰি শীঘ্ৰে জনজাতি প্ৰদানৰ দাবী জনায়।

# আনলা সদস্যৰ আত্মসমৰ্পণ, জিলা

*তিনি পৃষ্ঠাৰ পৰা* বিৰতি ঘোষণা কৰি আলোচনা মেজলৈ আহে যদিও তৰুণ নায়ক ওৰফে গুৰুল নায়কৰ নাম যুদ্ধ বিৰত আনলা সদস্যৰ তালিকাত অন্তৰ্ভুক্ত হ'ল। দীৰ্ঘদিন ধৰি যুদ্ধ বিৰত গোটৰ পৰা আঁতৰি থাকি অৱশেষত যোৱা এক জুনত ভাৰতীয় সেনা বাহিনীৰ সহযোগত ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষকৰ ওচৰত আত্মসমৰ্পণ কৰে সদস্যজনে। ইফালে, আনলা যুদ্ধবিৰত গোটৰ জিলা কামাণ্ডেণ্ট কামিল দাঙে গুৰুল আনলা সদস্য নহয় বুলি কৰা মন্তব্যত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে জিলা কমাণ্ডেণ্ট দাঙে তেওঁ আনলা সদস্য নহয় বুলি কোৱাটো দুৰ্ভাগ্যজনক।

# মেল্লা প্ৰবীণ বড়ো থাকে, চিনি নাপাও!

*এক পৃষ্ঠাৰ পৰা* পাছতো এই পৰ্যন্ত দলৰ পৰা বা দলৰ মুৰব্বী মহিলাৰীয়ে যোগাযোগ নকৰাটো দুৰ্ভাগ্যজনক বুলি বড়োৱে কয়। আন ৰাজনৈতিক দলত যোগদানৰ সন্দৰ্ভত চিন্তা-চৰ্চা কৰা নাই বুলিও তেওঁ দাবী কৰে। ইফালে, দলৰ মুৰব্বী মহিলাৰীয়ে কয়, 'কোন প্ৰবীণ বড়ো মই চিনি নাপাওঁ। দলত মেল্লা (বহুত) প্ৰবীণ বড়ো থাকে। বহুত সাধাৰণ সম্পাদক আছে।' ককলাবাৰী সমষ্টিৰ উপ-নিৰ্বাচনৰ আজি প্ৰচাৰ অভিযানৰ সামৰণিৰ দিনা শিমলাৰ বিপিএফ কাৰ্যালয়ত দলৰ মুৰব্বীৰ এই মন্তব্য তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। শিমলাস্থিত কাৰ্যালয়ত মহিলাৰীয়ে লগতে কয়, 'এতিয়া ইয়াত নিৰ্বাচনৰ সময়। কোনো প্ৰবীণ বড়োৰ কথা বা কোনে কি কৰিছে, কি কৰা নাই সেয়া মই আলোচনা কৰিবলৈ অহা নাই।' লগতে কয়, 'মই টকা-পইচা নোহোৱা মানুহ। প্ৰমোদ বড়োৰ দৰে হেজাৰ হেজাৰ মানুহক লৈ সভা কৰিব পৰা নাই।'

# ওৰাঙত ভূমি বিবাদক কেন্দ্ৰ কৰি নিশা

*এক পৃষ্ঠাৰ পৰা* কৰে বুলি আৰক্ষীয়ে কয়। বন্দুকৰ গুলিয়ে জামালুদ্দিনৰ বুকু আৰু হাতৰ আঙুলি স্পৰ্শ কৰি যায়। অৱশ্যে সৌভাগ্যক্ৰমে তেওঁৰ প্ৰাণৰক্ষা পৰে। মইনুলৰ বিৰুদ্ধে দীৰ্ঘদিনীয়া ভূমি বিবাদৰ পৰিণতিত হত্যাৰ চেষ্টা চলোৱাৰ অভিযোগ কৰিছে জমালুদ্দিনৰ পৰিয়ালৰ লোকে। গুলিচালনাৰ পাছত পৰিয়ালৰ লোকে ওৰাং আৰক্ষীক অৱগত কৰে আৰু ওৰাং সামূহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰে আহত জামালুদ্দিনক। ওৰাং আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা গুলিৰ খালী কাৰ্টিজ উদ্ধাৰ কৰে। লগতে ঘটনাস্থলীৰ পৰা কিছু দূৰত্বত পলায়নৰত মইনুলক গ্ৰেপ্তাৰ কৰে। ওৰাং আৰক্ষীয়ে মইনুলৰ ঘৰৰ পৰা এখন তিনি ফুট ছয় ইঞ্চি দৈৰ্ঘ্যৰ তৰোৱাল উদ্ধাৰ কৰে যদিও গুলিচালনা কৰা বন্দুকটো বাতৰি লিখা পৰলৈ উদ্ধাৰ কৰিব পৰা নাই। ইফালে, গুৰুতৰভাৱে আহত জামালুদ্দিনৰ দেহত আঠটা চিলাই কৰা হয়। জামালুদ্দিনৰ পৰিয়ালৰ লোকে অভিযোগ কৰা অনুসৰি ভূমি বিবাদৰ ঘটনাত ন মাহৰ পূৰ্বে মইনুল হকে নিশা জামালুদ্দিনৰ দোকানত পেট্ৰ'ল ঢালি জ্বলাই দিয়াৰ চেষ্টাও কৰিছিল। আৰক্ষীৰ পৰা লাভ কৰা তথ্য অনুসৰি মইনুলে জামালুদ্দিনক গুলিচালনা কৰা বন্দুকটো হস্তনিৰ্মিত। মইনুলে চলোৱা বন্দুক আৰু গুলি কোনো বন্য জন্তু চিকাৰত ব্যৱহৃত বন্দুক হ'ব পাৰে বুলিও সন্দেহ কৰা হৈছে। কোনো চোৰাং চিকাৰীৰ লগত মইনুলৰ সম্পৰ্ক আছে বুলিও সন্দেহ কৰা হৈছে। ওদালগুৰিৰ শীৰ্ষ আৰক্ষী বিষয়াৰ উপস্থিতিত মইনুলক ওৰাং আৰক্ষী থানাত জেৰা কৰি থকা হৈছে।

# মেঘালয় সীমান্তৰ মালাং শালবাৰীত

*এক পৃষ্ঠাৰ পৰা* শেহতীয়াকৈ বকোৰ মালাং শালবাৰীত একাংশ অসম-বিদ্বেষীয়ে অসমীয়া লোকৰ পৰা দুহেজাৰ টকাকৈ লুট কৰাৰ অভিযোগ উঠিছে। হত্যাৰ ভাবুকি, ঘৰ-দুৱাৰ জ্বলাই দিয়াৰ ভাবুকি আনকি মেঘালয়ক সমৰ্থন কৰিবলৈ বাধ্য কৰোৱাৰ দৰে দুষ্কাৰ্যৰে সম্প্ৰতি একাংশ অসম-বিদ্বেষীয়ে মালাং শালবাৰীত আতংকময় পৰিৱেশৰ সৃষ্টি কৰিছে। ঘটনা সংক্ৰান্তত মালাং শালবাৰীৰ বেকলিয়ান জি চাংমা নামৰ ভুক্তভোগীজনে ছজন অসম-বিদ্বেষীৰ বিৰুদ্ধে বকো আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। বকো শালবাৰীত বসবাস কৰা অভিযুক্ত ক্ৰমে ডিমাৰছন মাৰাক, ক্ৰিবিন চাংমা, ব্ৰেলান চাংমা, পাইৰ'ছ মাৰাক, গিলছিং চাংমা আৰু ৰাইছেন আৰ মাৰাকৰ বিৰুদ্ধে বকো আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ১৪৭/১৪৮/১৪৯/৪৪৮/৩৮৬/৫০৬ ধাৰাৰ অধীনত ২৫৭/২২ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰি যোৱা নিশা তেওঁলোকক গ্ৰেপ্তাৰ কৰে। আজি ছজনকে আৰক্ষীয়ে আদালতত হাজিৰ কৰোৱাত আদালতে তেওঁলোকক জেললৈ প্ৰেৰণ কৰে।

উল্লেখ্য যে অসম-মেঘালয় সীমান্তৱৰ্তী কে'বাটাও বিবদমান অঞ্চলৰ ভিতৰত ইতিমধ্যে ছটা বিবদমান অঞ্চলৰ সীমা সমস্যা সমাধান হৈছে। ইয়াৰ ভিতৰত অসম-মেঘালয় সীমান্তৱৰ্তী বকোৰ বিবদমান হাহিম, তাৰাবাৰী, গিজাং অঞ্চলৰ গাঁওসমূহ দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ৰ সিদ্ধান্ত মৰ্মে অসমত চামিল কৰা হৈছে। মুখ্যমন্ত্ৰীদ্বয়ৰ সিদ্ধান্ত মৰ্মে তাৰাবাৰীৰ মালাং শালবাৰী অসমৰ স'তে চামিল হৈছে। এই ক্ষেত্ৰত একাংশ অসম-বিদ্বেষীয়ে মুখ্যমন্ত্ৰীদ্বয়ৰ এই সিদ্ধান্তক মানি ল'ব খোজা নাই বুলি অভিযোগ উঠিছে। বৰঞ্চ অসমীয়াৰ ওপৰত তেওঁলোকে শাৰিৰীক-মানসিক আতিশয্য চলাই সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। বিশেষকৈ গাৰো গাঁওসমূহক লক্ষ্য কৰি লৈ ভাই ভাইৰ মাজত বিবাদ সৃষ্টি কৰি গাঁওবাসীৰ নিদ্ৰা হৰণ কৰিছে। ঘটনা সন্দৰ্ভত অভিযোগকাৰী চাংমাই কয়, 'অসমৰ ভূমিত থাকি একাংশ অসম-বিদ্বেষীয়ে মালাং শালবাৰীত অসমীয়াসকলক আতিশয্য চলাই আহিছে। বিভিন্ন ধৰণে হেঁচা প্ৰয়োগ কৰি আমাৰ নিদ্ৰা হৰণ কৰি আছে। যোৱা চাৰি জুনত একাংশ অসম-বিদ্বেষীয়ে মালাং শালবাৰীৰ ৰাজহুৱা সভাগৃহত প্ৰৱেশ কৰি অসমক সমৰ্থন কৰাসকলৰ পৰা নগদ দুহেজাৰ টকাকৈ দাবী কৰি লৈ যায়। ফলত এক আতংময় পৰিৱেশৰ সৃষ্টি হৈছে গাঁওখনত।' সেইবাবেই ছজনৰ বিৰুদ্ধে বকো আৰক্ষী থানাত এজাহাৰ দাখিল কৰা হৈছে বুলি মন্তব্য কৰি চাংমাই লগতে কয় যে এইক্ষেত্ৰত আৰু বহু কেইজন অসম-বিদ্বেষী জড়িত আছে।

# দাবী কৰা ধন আদায় নিদিয়া বাবেই

*এক পৃষ্ঠাৰ পৰা* দুই লাখ টকা দাবী কৰি আদায় নিদিলে কথা বেয়া হ'ব বুলি ভাবুকি দিছিল। ধন নিদিয়া বাবে পাভেলৰ নিৰ্দেশত মটৰ চাইকেলত অহা হেলমেট পৰিহিত দুজন দুৰ্বৃত্তই ব্যৱসায়ীজনক ঘৰতে গুলীয়াই থৈ যায়। আৰক্ষীৰ তথ্যত প্ৰকাশ যে পাভেলৰ ম'বাইল ফোনৰ নম্বৰৰ আঁত ধৰি উগ্ৰপন্থী নেতাজনে যোগাযোগ ৰক্ষা কৰি চলা কে'বাটাও ফোন নম্বৰ উদ্ধাৰ হয়। সেই নম্বৰকেইটাৰ গৰাকীৰ স'তে পাভেলে হোৱাটছএপৰ জৰিয়তে ভিডিঅ' কল কৰা, এছ এম এছৰ আদান প্ৰদান হোৱাৰ তথ্য লাভ কৰে। সেই তথ্যৰ ভিত্তিত তদন্তই নতুন গতি লাভ কৰে আৰু উক্ত ছজনক গ্ৰেপ্তাৰ কৰা হয়। ধৃতসকলৰ ভিতৰত নৱনীতা বৰ্মন বোথ্ৰা এগৰাকী মডেল আৰু পাভেলৰ জ্যেষ্ঠ ভগ্নী। বিকাশ বোথ্ৰা নৱনীতাৰ স্বামী আৰু আন চাৰিজন হ'ল কেএলঅ'ৰ প্ৰাক্তন সদস্য। কোকৰাঝাৰৰ আৰক্ষী অধীক্ষক প্ৰতীক থুবে আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেছাৰে জনায় যে যোৱা ২৭ মে'ত পাভেলে সুনীল মণ্ডলক ধন দাবী কৰিছিল। ধন আদায় নিদিয়াত গুলীওৱাৰ নিৰ্দেশ দিছিল।

কোকৰাঝাৰ আৰক্ষীয়ে জনায় যে ধৃত নৱনীতাই এবছৰ ধৰি ভ্ৰাতৃ পাভেলৰ লগত যোগাযোগ ৰক্ষা কৰি চলিছিল। ভিডিঅ' কলিঙো দুয়োজনৰ মাজত চলিছিল। এই বিষয়ে অৱগত হৈ ধৃত বিকাশে পত্নীক পাভেলৰ লগত যোগাযোগ নাৰাখিবলৈ পৰামৰ্শ দিছিল; কিন্তু নৱনীতাই বিকাশৰ পৰামৰ্শক গুৰুত্ব দিয়া নাছিল। ইপিনে, নিৰ্মল, মৃদুল, গৌৰ আৰু উত্তম ব্যৱসায় আৰু অন্যান্য কৰ্মত জড়িত যদিও কেএলঅ'ৰ হৈয়ো কাম কৰি আহিছে। অতিৰিক্ত আৰক্ষী অধীক্ষক পানেছাৰে সদৰী কৰা মতে, নিৰ্মল দাস আৰু উত্তম ৰায়ে কেএলঅ'ত নতুন সদস্য ভৰ্তিকৰণত প্ৰত্যক্ষভাৱে জড়িত। দুয়ো বিভিন্ন স্থানৰ পৰা যুৱক সংগ্ৰহ কৰি কেএলঅ'ৰ ম্যানমাৰত থকা প্ৰধান ঘাটিলৈ যোৱাৰ সুবিধা কৰি দিছিল। তেনে যুৱকক চৰাইদেউলৈ লৈ যোৱাৰ তথ্যও আৰক্ষীয়ে উদ্ধাৰ কৰিছে। ইপিনে, কোকৰাঝাৰ চহৰৰ ১০ নম্বৰ ৱাৰ্ডৰ বাসিন্দা পাভেলৰ মাতৃয়ে সদৰী কৰা মতে, বিগত ২০১০ৰ পৰা পুত্ৰৰ লগত তেওঁলোকৰ যোগাযোগ নাই। পাভেলৰ মৃত্যু হোৱা বুলি তেওঁলোকে ধৰি লোৱা বুলি মাতৃয়ে জনায়। কাৰণ পক্ষাঘাত ৰোগত ভুগি পিতৃৰ মৃত্যু হোৱা, তেওঁ নিজে গুৰুতৰভাৱে হৃদৰোগত আক্ৰান্ত হৈ শয্যাগত হোৱা, বৌৱেকৰ অপ্ৰত্যাশিতভাৱে মৃত্যু হোৱাকে ধৰি কোনো এটা বিপদতে পাভেলে খবৰ লোৱা নাছিল। পাভেলৰ মাতৃয়ে লগতে জনায় যে তেওঁৰ সৰু জীয়ৰী নৱনীতাৰ লগত পুত্ৰই যোগাযোগ কৰি চলাৰ বিষয়ে কালিহে তেওঁ অৱগত হয়। পাভেলৰ ককায়েক দেৱাশীষ ওৰফে ৰুবুল বৰ্মনে ভ্ৰাতৃৰ লগত তেওঁৰ কোনো যোগাযোগ নাই বুলি জনায়। ২০১০ত কেএলঅ'ত যোগদান কৰা প্ৰৱেশিকা পৰীক্ষা উত্তীৰ্ণ পাভেল সামৰিক প্ৰশিক্ষণ গ্ৰহণ কৰি সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ বৈদেশিক সচিব পদৰ দায়িত্বত থকাৰ লগতে পশ্চিম অসমত সদস্যভৰ্তি আৰু ধন সংগ্ৰহতো বিশেষ ভূমিকা লৈ আহিছে।

# পদপথৰ ব্যৱসায়ীক উচ্ছেদ নকৰিবলৈ

*এক পৃষ্ঠাৰ পৰা* শৰণীয়াই গণতান্ত্ৰিক প্ৰমূল্যবোধক সম্পূৰ্ণৰূপে ভৰিৰে মোহাৰি এই ক্ষুদ্ৰ দোকানসমূহ আইনবহিৰ্ভূতভাৱে ভাঙি পেলাই যি অমানৱীয় বীৰত্ব প্ৰদৰ্শন কৰিছে, ইয়াক শীঘ্ৰে বন্ধ নকৰিলে সদায় সহ্য কৰি বহি থকা নহ'ব বুলি সকীয়াই দিছে সংস্থাটোৱে। উল্লেখ্য যে মহানগৰীৰ পদপথৰ কাষত থকা দোকানসমূহ পৌৰ নিগমে জাৰি কৰা উচ্ছেদ জাননী তথা ঘোষণাৰ পাছতে আজি এক সংবাদমেলত সংগঠনটোৱে পৌৰ নিগমক ক্ষুৰধাৰ সমালোচনা কৰে। মেয়ৰ শৰণীয়াই মহানগৰীৰ পদপথৰ ব্যৱসায়ীসকলৰ মাজত নিশা চেইন টনা লোক আছে অৰ্থাৎ নিশা হ'লে চুৰ-ডকাইতি কৰি দিনত নিজক বচাবলৈ দোকান দিয়ে বুলি কৰা মন্তব্যক গৰিহণা দি সন্থাৰ উপদেষ্টা নৰেন ৰাজবংশীয়ে কয়, 'মেয়ৰ শৰণীয়াৰ এই মন্তব্য কেৱল পদপথৰ ব্যৱসায়ীসকলকে অপমান কৰা নাই, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো অপমানিত কৰিছে। তেওঁৰ চকুত আমিবোৰ চোৰ-ডকাইত হ'ব পাৰো; কিন্তু তেওঁ এটা কথা জানি থোৱা ভাল যে বহু উচ্চ শিক্ষিত যুৱক-যুৱতীয়ে পদপথত ব্যৱসায় কৰিয়েই পৰিয়াল চলাই আহিছে তথা নিজকে সংস্থাপিত কৰিছে। আজি মই ৩০ বছৰ পদপথত দোকান দি নিজকে সংস্থাপিত কৰি আহিছো; যদি এতিয়া উচ্ছেদ কৰে মোৰ কি দশা হ'ব!' উল্লেখ্য যে প্ৰথমে পুনৰ সংস্থাপন দি তাৰ পাছতে উচ্ছেদ চলালে একো ক'বলগীয়া নাই বুলি উল্লেখ কৰি ৰাজংবশীয়ে লগতে কয় যে এটা কথা স্পষ্ট যে মহানগৰীত বহু ছদ্মবেশী পদপথ ব্যৱসায়ী আছে। নিজে দোকানত বহাৰ বিপৰীতে ভাড়াত দিয়া, পতি-পত্নী উভয়ে পৃথকে পৃথকে পদপথত দোকান দিয়া আদি আইনবহিৰ্ভূত আৰু ইয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা পদপথ সংস্থাই বিচাৰে বুলি তেওঁ সদৰী কৰে। ৰাজবংশীয়ে পুনৰ কয়, 'এই চৰকাৰ তথা পৌৰ নিগম কৰ্তৃপক্ষই মহানগৰীত স্ব-নিৰ্ভৰশীলতাৰ পথেৰে আগবঢ়াৰ সকলো ধৰণৰ সম্ভাৱনা স্তব্ধ কৰি পেলাইছে। ক'ভিডৰ পাছত কোনোমতে ব্যৱসায় পুনৰ আৰম্ভ কৰিবলৈ সক্ষম হোৱা খাটি খোৱা অসমীয়াই দুবেলা-দুমুঠি মুকলি কৰাৰ আগভাগ লওঁতেই এক বৃহৎ ষড়যন্ত্ৰ আৰম্ভ কৰিছে পৌৰ নিগমে। বিগত সপ্তাহত আৰক্ষী বাহিনী লগাই ছয়মাইলৰ উৰণীয়া সেতুৰ তলৰ উপৰি বহু স্থানৰ পৰা ক্ষুদ্ৰ দোকানসমূহ ভাঙি পেলোৱা হৈছে। পৌৰ নিগমে আইন-আদালত, সকলো নিয়ম-কানুন জলাঞ্জলি দি সপ্তাহটোত মাইকেৰে ঘোষণাৰ জৰিয়তে বাকী থকা ক্ষুদ্ৰ দোকানসমূহ ভাঙি পেলোৱাৰ ভাবুকি দি এইসকল দৰিদ্ৰ পৰিয়ালক শাৰীৰিক-মানসিকভাৱে হাৰাশাস্তি কৰি আহিছে। সেয়ে আমি এইসকল ব্যৱসায়ীক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিহে উচ্ছেদ কৰিবলৈ দাবী জনাইছো।' উল্লেখ্য যে ২০১৪ত কেন্দ্ৰীয় চৰকাৰে প্ৰস্তুত কৰা পথ ব্যৱসায়ী জীৱিকা সুৰক্ষা আৰু পথ ব্যৱসায় নিয়ন্ত্ৰণ আইনে পথ ব্যৱসায়ক এক আইনসংগত জীৱিকাৰূপে স্বীকৃতি প্ৰদান কৰিছিল। পৌৰ নিগমে এই আইনৰ আধাৰত টাউন ভেণ্ডিং সমিতি গঠন কৰি পথ ব্যৱসায় পৰিচালনাৰ সকলো বিষয় এই সমিতিক অৰ্পণ কৰিছিল। সম্প্ৰতি পৌৰ নিগমে এই সমিতিৰ অস্তিত্বক মষিমূৰ কৰি গোটেই ধাৰণাটোকেই অস্বীকাৰ কৰি পেলাইছে বুলি সংস্থাই অভিযোগ কৰে।

ইফালে, পৌৰ নিগমে মহানগৰীৰ দৰিদ্ৰ খিলঞ্জীয়া পদপথৰ ব্যৱসায়ীৰ বিৰুদ্ধে যি অমানৱীয় উচ্ছেদ আৰম্ভ কৰিছে সেয়া কোনোপধ্যে গ্ৰহণযোগ্য নহয় বুলি মন্তব্য কৰি সংস্থাৰ সভাপতি চন্দন গোস্বামীয়ে প্ৰশ্ন কৰে যে যিহেতু আইন অনুসৰি পথ বজাৰসমূহ পৰিচালনাৰ ক্ষেত্ৰত কেৱলমাত্ৰ টাউন ভেণ্ডিং সমিতিৰহে সিদ্ধান্ত লোৱাৰ অধিকাৰ আছে, তেনেস্থলত এই সমিতিৰ লগত কোনোধৰণৰ আলোচনা নকৰাকৈ পৌৰ নিগমে ভাবুকি প্ৰদান কৰি অহাৰ অধিকাৰ ক'ত পালে। এহাতে ক'ভিড মহামাৰীৰ দুৰ্ভিক্ষৰ পৰা ৰক্ষা পাবলৈ এই ব্যৱসায়ীসকলক প্ৰধানমন্ত্ৰীয়ে ঋণ প্ৰদান কৰিছে আৰু আনহাতে এই আঁচনিক সম্পূৰ্ণৰূপে পৌৰ নিগমে ভৰিৰে মোহাৰি হেজাৰ হেজাৰ পথ ব্যৱসায়ীৰ পৰিয়ালৰ জীৱনক লৈ হেতালি খেলিছে। তেওঁ কয়, 'এফালে ঋণ পৰিশোধ কৰিবলৈ বেংকৰ তাগিদা আৰু আনফালে পৌৰ নিগমৰ উচ্ছেদৰ ভাবুকি। এই দুৰ্যোগপূৰ্ণ সময়ত পৰিয়াল পোহপাল, সন্তানৰ দায়িত্ব আদিয়ে পথ ব্যৱসায়ীসকলক মানসিকভাৱে দুৰ্বল আৰু ভাৰসাম্যহীন কৰি পেলাইছে। যদি সিদ্ধান্ত সলনি নহয়, এনেধৰণৰ চৰকাৰৰ দুমুখীয়া নীতি কোনোপধ্যে সহ্য কৰা নহ'ব আৰু শীঘ্ৰে ইয়াৰ বিৰুদ্ধে পদপথৰ ব্যৱসায়ীসকল মাৰ বান্ধি ওলাই আহিবলৈ বাধ্য হ'ব।' উল্লেখ্য যে ২০১৫ত টাউন ভেণ্ডিং সমিতি গঠন হোৱাৰে পৰা আজি সাত বছৰে এটা ভেণ্ডিং জ'ন স্থাপন কৰি এজনো ব্যৱসায়ীক সংস্থাপন কৰিব নোৱাৰা অকৰ্মণ্য গুৱাহাটী পৌৰ নিগমে নিৰ্লজ্জভাৱে আৰম্ভ কৰা উচ্ছেদ আৰু ভাবুকি বন্ধ কৰা, ছয়মাইল উৰণীয়া সেতুৰ তলৰ বজাৰ পুনৰ স্থাপন, ব্যৱসায়ীক পৰিচয় পত্ৰ আৰু ব্যৱসায়ৰ অনুমতি পত্ৰ প্ৰদান কৰা, মহানগৰীত ৫০ খন পথ বজাৰ স্থাপন কৰি সংশ্লিষ্ট স্থানত ব্যৱসায়ীসকলক পুনৰ সংস্থাপন কৰাৰ দাবী উত্থাপন কৰিছে সংস্থাই।

## এইবাৰ ক'ভিড আক্ৰান্ত হ'ল শ্বাহৰুখ



**নিউজ ব্যুৰ', মুম্বাই, ৬ জুন ঃ** বলিউডৰ মহাতাৰকা অভিনেতা শ্বাহৰুখ খান ক'ভিড-১৯ত সংক্ৰমিত হ'ল। প্ৰকাশিত বাতৰি অনুসৰি শাৰীৰিকভাৱে অসুস্থ অনুভৱ কৰা শ্বাহৰুখৰ ক'ভিড পৰীক্ষণ কৰাত তেওঁৰ শৰীৰত এই ভাইৰাছৰ উপস্থিতি ধৰা পৰে। সম্প্ৰতি নিভৃতবাসত আছে বলিউডৰ জনপ্ৰিয় অভিনেতাজন। উল্লেখ্য যে শেহতীয়াভাৱে বলিউড তাৰকা কাৰ্তিক আৰিয়ান, কেটৰিণা কাইফ, আদিত্য ৰায় কপুৰৰ শৰীৰত কৰ'নাৰ সংক্ৰমণ ধৰা পৰিছিল। শ্বাহৰুখসহ এই আটাইকেইজন বলিউড তাৰকাই অলপতে প্ৰযোজক-পৰিচালক কৰণ জোহৰৰ জন্মদিনৰ পাৰ্টিত অংশ লৈছিল। উক্ত পাৰ্টিত অংশ লোৱাৰ পাছৰে পৰা বলিউডৰ এজনৰ পাছত আন এজন তাৰকাৰ শৰীৰত ক'ভিড সংক্ৰমণ ধৰা পৰিছে।

## দিল্লীৰ স্বাস্থ্যমন্ত্ৰী সত্যেন্দ্ৰ জৈনৰ সাত ঠিকনাত পুনৰ ই ডিৰ তালাচী



নিউজ ব্যুৰ', নতুন দিল্লী, ৬ জুন ঃ প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ আজি পুৰা দিল্লীৰ স্বাস্থ্যমন্ত্ৰী সত্যেন্দ্ৰ জৈনৰ বাসগৃহসহ মুঠ সাতটা ঠিকনাত তালাচী চলায়। উল্লেখ্য যে জৈনৰ বিৰুদ্ধে অবৈধ ধন সৰবৰাহৰ গোচৰ ৰুজু কৰা হৈছে আৰু অহা ন জুনলৈকে তেওঁক ন্যায়ালয়ে ই ডিৰ জিম্মালৈ প্ৰেৰণ কৰিছে। আজি ই ডিৰ বিষয়াই প্ৰকাশ কৰা অনুসৰি দিল্লীত থকা জৈনৰ বাসগৃহৰ লগতে আন কে'বাটাও ঠিকনাত তালাচী চলায়। ই ডিয়ে আয়তকৈ অধিক সম্পত্তি আহৰণ আৰু অবৈধ ধন সৰবৰাহৰ গোচৰত মন্ত্ৰী জৈন, তেওঁৰ পত্নী পুনম জৈন আৰু আন কে'বাজনো লোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। জৈনে দিল্লীত কে'বাটাও ভুৱা কোম্পানী প্ৰতিষ্ঠা আৰু ক্ৰয় কৰাৰ অভিযোগো ই ডিয়ে উত্থাপন কৰিছে। আপৰ মন্ত্ৰীজনে কলকাতাত তিনিজন হাৱালা ব্যৱসায়ীৰ জৰিয়তে ১৬.৩৯ কোটি টকাৰ ক'লা ধনৰ লেনদেন কৰাৰ অভিযোগো উত্থাপিত হৈছে।

## বন্দুকধাৰীৰ আক্ৰমণত ৰক্তাক্ত নাইজেৰিয়াত মৃত্যু কমেও ৫০ জনৰ



**নিউজ ব্যুৰ', উণ্ডো, ৬ জুন ঃ** নাইজেৰিয়াত বন্দুকধাৰীৰ আক্ৰমণত প্ৰাণ হেৰুৱালে কমেও ৫০ জন লোকে। এই ঘটনাত আন কে'বাজনো লোক গুৰুতৰভাৱে আহত হৈছে। আহতসকলৰ কে'বাজনৰো অৱস্থা সংকটজনক। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ খবৰ অনুসৰি, দেওবাৰে প্ৰাৰ্থনা চলি থকাৰ সময়তে দেশখনৰ উণ্ডো প্ৰদেশৰ ছেইণ্ট ফ্ৰান্সিছ কেথলিক গিৰ্জাত বন্দুকধাৰীৰ এটি দলে গুলিবৰ্ষণ কৰিছিল। বন্দুকধাৰীৰ আক্ৰমণত ৫০ জন লোক নিহত হোৱাৰ লগতে আন কে'বাজনো লোক গুলিবিদ্ধ হয়। আক্ৰমণ সংঘটিত কৰি বন্দুকধাৰীয়ে গিৰ্জাৰ যাজকক অপহৰণ কৰি নিয়ে।

## প্ৰেমিকাৰ নামত উৎসৱৰ আয়োজন, নতুন বিতৰ্কত পুটিন

**নিউজ ব্যুৰ', মস্কো, ৬ জুন ঃ** ইউক্ৰেইনৰ স'তে ৰাছিয়াই যুদ্ধ অব্যাহত ৰখাৰ সময়তে মস্কোত অনুষ্ঠিত হ'ল শিশুৰ বাবে এক বৰ্ণাঢ্য জিমনাষ্টিক উৎসৱৰ। কিন্তু এই উৎসৱক লৈ এক নতুন বিতৰ্কৰ সৃষ্টি হৈছে। প্ৰকাশিত বাতৰি অনুসৰি অলিম্পিকৰ পদক জয়ী জিমনাষ্টিক খেলুৱৈ এলিনা কাবায়েভাৰ নামৰে এই উৎসৱৰ আয়োজন কৰা হৈছিল। এলিনা ৰুছ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনৰ প্ৰেমিকা হিচাপে ৰাছিয়াত পৰিচিত। আমেৰিকাৰ সংবাদ মাধ্যমৰ খবৰ অনুসৰি যোৱা মাহতে এই উৎসৱৰ আয়োজন কৰা হৈছিল যদিও সম্প্ৰতি ৰুছ চৰকাৰী চেনেল 'ৰাছিয়া-১'ত সম্প্ৰচাৰিত হ'ল। আন্তৰ্জাতিক শিশু সুৰক্ষা দিৱসৰ দিনা জিমনাষ্টিক উৎসৱৰ অনুষ্ঠান ৰুছ চৰকাৰী চেনেলে প্ৰচাৰ কৰিলে। এই উৎসৱত অংশ লৈ ৰাছিয়াই ইউক্ৰেইনত চলোৱা সামৰিক অভিযানৰ সপক্ষে বক্তব্য ৰাখিলে এলিনাই। চৰকাৰী সংবাদ মাধ্যমত উক্ত উৎসৱৰ বাতৰি প্ৰচাৰ হোৱাৰ পাছত এই উৎসৱক লৈ ৰাছিয়াত বিতৰ্কৰ সৃষ্টি হৈছে।





## মাৰ্কিন ৰক্ বেণ্ড 'বন জ'ভী'ৰ প্ৰতিষ্ঠাপক এলেক জ'নৰ মৃত্যু

**নিউজ ব্যুৰ'**
**লছ এঞ্জেলছ, ৬ জুন ঃ** আমেৰিকাৰ বিখ্যাত ৰক্ বেণ্ড 'বন জ'ভী'ৰ অন্যতম প্ৰতিষ্ঠাপক তথা গীটাৰবাদক এলেক জ'ন ছাচৰ ৭০ বছৰ বয়সত মৃত্যু হ'ল। অৱশ্যে জনপ্ৰিয় সংগীত শিল্পীজনৰ মৃত্যুৰ কাৰণ এতিয়াও ৰাজহুৱা কৰা হোৱা নাই। প্ৰকাশিত বাতৰি অনুসৰি কিছুদিন ধৰি এলেক অসুস্থ হৈ আছিল আৰু দেওবাৰে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। এলেকে ১৯৮৩ৰ পৰা ১৯৯৪লৈকে 'বন জ'ভী' বেণ্ডত এজন গীটাৰবাদক হিচাপে সংগীত পৰিৱেশন কৰিছিল। 'বন জ'ভী'ত যোগদানৰ পূৰ্বে এলেকে 'দ্য মেছেজ' নামৰ আন এটা ৰক্ বেণ্ডত গীটাৰবাদক হিচাপে জড়িত আছিল।

## ভাৰতত এক লাখ ৬৫ হেজাৰ প'ষ্ট অফিচ আছে ঃ গুৰুত্বপূৰ্ণ সেৱা আগবঢ়োৱাৰ পাছতো বৃহৎ লোকচান

# মোদীৰ শাসনত মন্দাৱস্থা ডাকসেৱাত ঃ ৯৭ হেজাৰ কোটিৰ লোকচান

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৬ জুন ঃ** কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ আঠ বছৰৰ সফলতাৰ ব্যাপক প্ৰচাৰ চলোৱাৰ সময়তে দেশৰ ডাকসেৱা বিভাগৰ দুৰৱস্থাৰ তথ্য পোহৰলৈ আহিল। যোৱা বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন এতিয়াও আনুষ্ঠানিকভাৱে প্ৰকাশ হোৱা নাই। কিন্তু এই প্ৰতিবেদনৰ খচৰাত উল্লেখ কৰা অনুসৰি যোৱা বিত্তীয় বৰ্ষত ভাৰতীয় ডাক বিভাগৰ প্ৰায় ২০ হেজাৰ কোটি টকাৰ ক্ষতি হৈছিল। মোদীৰ শাসনত অৰ্থাৎ ২০১৫-১৬ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈকে দেশৰ ডাক বিভাগৰ মুঠ লোকচানৰ পৰিমাণ হৈছে ৯৭ হেজাৰ কোটি টকাতকৈও অধিক। উল্লেখ্য যে দেশৰ বৃহত্তম বেংকিং ব্যৱস্থা ডাক বিভাগৰ মাধ্যমৰে পৰিচালিত হৈ আহিছে।

ভাৰতত এক লাখ ৬৫ হেজাৰ প'ষ্ট অফিচ আছে আৰু এইসমূহে ৩০ কোটি নাগৰিকক বেংকিং সেৱা প্ৰদান কৰি আহিছে। সাধাৰণ বিত্তীয় লেনদেনৰ লগতে ডাক বিভাগে জীৱন বীমাও পৰিচালনা কৰি আহিছে। তদুপৰি ডাক বিভাগৰ স'তে আছে ইণ্ডিয়া প'ষ্ট পেমেণ্টছ বেংকৰ সুবিধাও। কিন্তু ইমানবোৰ গুৰুত্বপূৰ্ণ সেৱা আগবঢ়োৱাৰ পাছতো বৃহৎ পৰিমাণৰ লোকচান বহন কৰিবলগীয়া হৈছে ডাক বিভাগে। ২০২১ বৰ্ষটোত দেশৰ ডাক বিভাগে ১০ হেজাৰ ৫৪২ কোটি টকা উপাৰ্জন কৰিছিল। গ্ৰাহকৰ একাউণ্ট আৰু ক্ষুদ্ৰ সঞ্চয়ৰ জৰিয়তে বিভাগটোৱে ছয় হেজাৰ ১১৫ কোটি টকা লাভ কৰিছিল। একেদৰে ডাক সেৱাৰ বাবদ বিভাগটোৱে তিনি হেজাৰ ৩৬৮ কোটি টকা যোৱা বছৰত উপাৰ্জন কৰিছিল।

## আজমগড়ত ধৰ্মেন্দ্ৰ যাদৱ, ৰামপুৰত আছিম ৰাজাক প্ৰাৰ্থিত্ব অখিলেশৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৬ জুন ঃ** সমাজবাদী পাৰ্টিৰ হৈ আজি লোকসভাৰ আগন্তুক উপ-নিৰ্বাচনৰ বাবে উত্তৰ প্ৰদেশৰ আজমগড় সমষ্টিত ধৰ্মেন্দ্ৰ যাদৱ আৰু ৰামপুৰ সমষ্টিত আছিম ৰাজাই মনোনয়ন দাখিল কৰিলে। উল্লেখ্য যে সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে এই দুই প্ৰাৰ্থীক উক্ত দুই সমষ্টিৰ বাবে দলৰ টিকট প্ৰদান কৰিছিল। আজমগড়ৰ সাংসদ অখিলেশে ইস্তফা দিয়াত উক্ত সমষ্টিটো খালী হৈছিল আৰু প্ৰথমে আজমগড়ত সমাজবাদী পাৰ্টিয়ে অখিলেশৰ পত্নী ডিম্পল যাদৱক প্ৰাৰ্থিত্ব প্ৰদানৰ কথা বিবেচনা কৰিছিল। কিন্তু পাছত এই সমষ্টিৰ বাবে অখিলেশে ধৰ্মেন্দ্ৰ যাদৱক দলৰ টিকট প্ৰদান কৰে। বিজেপিয়ে সমষ্টিটোত দিনেশ লাল যাদৱ নিৰহুৱাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। একেদৰে বহুজন সমাজ পাৰ্টিয়ে গুড্ডু জমালীক প্ৰাৰ্থিত্ব দিলে। ইফালে, সাংসদ আজম খানে ইস্তফা দিয়াত খালী হোৱা ৰামপুৰ সমষ্টিত এইবাৰ আজমৰ ঘনিষ্ঠ আছিম ৰাজাক সমাজবাদী পাৰ্টিয়ে প্ৰাৰ্থিত্ব প্ৰদান কৰিলে।

## কীমক প্ৰত্যুত্তৰ দি আঠ ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষা আমেৰিকা, দক্ষিণ কোৰিয়াৰ ঃ কোৰিয় উপদ্বীপত পুনৰ পৰিস্থিতি উত্তপ্ত

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৬ জুন ঃ** এইবাৰ উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উনক প্ৰত্যুত্তৰ দিলে আমেৰিকা আৰু দক্ষিণ কোৰিয়াই। এটাৰ পাছত আন এটাকৈ মুঠ আঠটা ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষা কৰিলে আমেৰিকা আৰু দক্ষিণ কোৰিয়াই। উল্লেখ্য যে এদিন পূৰ্বে উত্তৰ কোৰিয়াই ধাৰাবাহিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণৰে চাঞ্চল্যৰ সৃষ্টি কৰিছিল। এইবাৰ উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসকক আঠটাকৈ ক্ষেপণাস্ত্ৰৰ পৰীক্ষণৰে প্ৰত্যুত্তৰ দিলে আমেৰিকা আৰু দক্ষিণ কোৰিয়াই। যুযুধান দুয়োপক্ষৰ এনে স্থিতিত কোৰিয় উপদ্বীপত পুনৰ পৰিস্থিতি উত্তপ্ত হৈ উঠিছে। দক্ষিণ কোৰিয়াৰ সংবাদ মাধ্যমে আজি প্ৰকাশ কৰা অনুসৰি উত্তৰ কোৰিয়াক সকীয়নি দি আমেৰিকা আৰু দক্ষিণ কোৰিয়াই আঠটাকৈ ক্ষেপণাস্ত্ৰ পৰীক্ষা কৰিলে। কীমক সকীয়নি দি দক্ষিণ কোৰিয়াই আজি কয়, 'উত্তৰ কোৰিয়াৰ বেলিষ্টিক ক্ষেপণাস্ত্ৰ উৎক্ষেপণ নিন্দনীয় ঘটনা। ইয়াৰ ফলত এই অঞ্চলত উত্তেজনা বৃদ্ধি পাইছে। উত্তৰ কোৰিয়াক প্ৰত্যুত্তৰ দিবলৈ যৌথভাৱে আমেৰিকা আৰু দক্ষিণ কোৰিয়াই ভূমিৰ পৰা ভূমিত আঘাত হানিব পৰা ক্ষেপণাস্ত্ৰৰ পৰীক্ষামূলক উৎক্ষেপণ কৰিলে। এই উৎক্ষেপণত প্ৰমাণিত হ'ল যে শত্ৰুৰ পক্ষৰ শিবিৰত আমি নিখুঁতভাৱে আক্ৰমণ চলাবলৈ সক্ষম। শত্ৰুৰ কমাণ্ড আৰু ছাপ'ৰ্ট ছিষ্টেম আমাৰ নজৰত আছে।'



## ২০ দিনত ২৭ দেশলৈ বিয়পিল 'মংকী পক্স' ঃ ৭৮০ লোক সংক্ৰমিত



**নিউজ ব্যুৰ', জেনেভা, ৬ জুন ঃ** বিশ্বৰ বিভিন্ন দেশত 'মংকী পক্স'ৰ সংক্ৰমণ বৃদ্ধি অব্যাহত আছে। বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ পৰিসংখ্যা অনুসৰি বিগত ২০ দিনত বিশ্বৰ ২৭ খন দেশলৈ এই ভয়াৱহ ভাইৰাছৰ সংক্ৰমণ বিয়পিল। বৰ্তমানলৈকে বিশ্বৰ বিভিন্ন দেশত ৭৮০ জনৰো অধিক লোক এই ভাইৰাছত সংক্ৰমিত হৈছে। বিশ্বৰ স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা অনুসৰি বৰ্তমানে এই ভাইৰাছৰ সংক্ৰমণ প্ৰাণঘাতী হৈছে। কংগোত চলিত বৰ্ষত বৰ্তমানলৈকে 'মংকী পক্স'ত আক্ৰান্ত নজন লোকৰ মৃত্যু হৈছে। একেদৰে নাইজেৰিয়াতো ইতিমধ্যে 'মংকী পক্স'ত প্ৰথমজন ৰোগীৰ মৃত্যু হ'ল। অৱশ্যে ভাৰতত বৰ্তমানলৈকে 'মংকী পক্স'ত আক্ৰান্ত এজনো লোকৰ সন্ধান লাভ কৰা হোৱা নাই। আক্ৰান্ত চিনাক্ত হোৱা নাই যদিও ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে 'মংকী পক্স'ৰ সন্দৰ্ভত সতৰ্কতা জাৰি কৰাৰ লগতে প্ৰয়োজনীয় নিৰ্দেশনা ৰাজ্যসমূহক প্ৰদান কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ নিৰ্দেশনাত উল্লেখ কৰা অনুসৰি 'মংকী পক্স'ত আক্ৰান্ত হ'লে উক্ত ব্যক্তিক ২১ দিনলৈকে পৰ্যবেক্ষণত ৰখা হ'ব।

## পয়গম্বৰক লৈ বিজেপি মুখপাত্ৰৰ মন্তব্যত অসন্তুষ্ট কাটাৰ, কুৱেইট ঃ ভাৰতে ক'লে 'ধাৰ্মিক মন্তব্যত আমাৰ সমৰ্থন নাই'

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৬ জুন ঃ** আৰব বিশ্বৰ স'তে সম্পৰ্ক সুদীৰ্ঘ কৰিবলৈ কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰে প্ৰয়াস অব্যাহত থকাৰ সময়তে বিজেপিৰ একাংশ নেতাই বিতৰ্কিত ধৰ্মীয় মন্তব্য প্ৰকাশ কৰাত অস্বস্তিকৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে। শেহতীয়াভাৱে বিজেপিৰ দুজন মুখপাত্ৰই পয়গম্বৰক লৈ আপত্তিকৰ মন্তব্য প্ৰকাশ কৰাত কালি কাটাৰ আৰু কুৱেইটৰ চৰকাৰে ভাৰতীয় ৰাষ্ট্ৰদূতক মাতি নি এই সন্দৰ্ভত আপত্তি প্ৰদৰ্শন কৰাৰ লগতে ভাৰত চৰকাৰক ক্ষমা খুজিবলৈ দাবী জনাইছিল। আজি ভাৰতে কাটাৰ আৰু কুৱেইটক স্পষ্টভাৱে কয় যে এইধৰণৰ ধৰ্মীয় মন্তব্যই চৰকাৰক প্ৰতিনিধিত্ব নকৰে। ভাৰত চৰকাৰে কাটাৰক লগতে অৱগত কৰি কয় যে বিতৰ্কিত ধৰ্মীয় মন্তব্য প্ৰকাশ কৰা দলৰ দুই সদস্যৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভাৰতীয় ৰাষ্ট্ৰদূতে কাটাৰ আৰু কুৱেইটক স্পষ্টভাৱে কয় যে বিজেপিৰ যি দুই সদস্যই বিতৰ্কিত মন্তব্য প্ৰকাশ কৰিছিল সেই মন্তব্যক দলে সমৰ্থন নকৰে। কোনো বিশেষ ধৰ্মবিৰোধী মন্তব্যক বিজেপিয়ে কেতিয়াও সমৰ্থন কৰা নাই বুলিও ভাৰত চৰকাৰে আজি প্ৰকাশ কৰে।



## কাশ্মীৰৰ দৰে সংবেদনশীল বিষয়ক লৈ ৰাজনীতি কৰিছে কেজৰিৱালে ঃ অভিযোগ অনুৰাগৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৬ জুন ঃ** কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ বিৰুদ্ধে কাশ্মীৰৰ দৰে সংবেদনশীল বিষয়ক লৈ ৰাজনীতি কৰাৰ অভিযোগ উত্থাপন কৰিলে। মন্ত্ৰী ঠাকুৰে কালি মন্তব্য কৰে যে জম্মু-কাশ্মীৰত নিৰীহ লোকক হত্যা কৰাৰ ঘটনাক লৈ কেজৰিৱালে ৰাজনীতিৰ পাশাখেল খেলিছে। 'অৰবিন্দ কেজৰিৱালে প্ৰতিটো বিষয়তে কেৱল ৰাজনীতি কৰিব জানে। তেওঁ কোনো এটা বিষয় বুজিব নিবিচাৰে, দেশক বুজি নাপায় আৰু গুৰুতৰ বিষয়ক লৈয়ো কেৱল ৰাজনীতি কৰে। সন্ত্ৰাসবাদী আৰু বিচ্ছিন্নতাবাদীৰ বিৰুদ্ধে তেওঁৰ মুখৰ পৰা এটাও শব্দ নোলায়।' উল্লেখ্য যে এদিন পূৰ্বে দিল্লীত কাশ্মীৰ উপত্যকাত সংঘটিত হোৱা নিৰীহ হত্যাৰ ঘটনাৰ বিৰুদ্ধে কেজৰিৱাল নেতৃত্বাধীন আম আদমী পাৰ্টিয়ে এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছিল আৰু এই অনুষ্ঠানত অংশ লৈ কেজৰিৱালে বিজেপিৰ চৰকাৰে জম্মু-কাশ্মীৰবাসীক নিৰাপত্তা প্ৰদানত ব্যৰ্থ হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। বিজেপিৰ চৰকাৰৰ ব্যৰ্থতাতে আকৌ এবাৰ কাশ্মিৰী পণ্ডিতে কাশ্মীৰ উপত্যকা ত্যাগ কৰিবলৈ বাধ্য হৈছে বুলিও দিল্লীৰ মুখ্যমন্ত্ৰীয়ে অভিযোগ কৰিছিল।



## পুনৰ দৈনিক আক্ৰান্ত বৃদ্ধি দেশত, ২৪ ঘণ্টাত নজনৰ মৃত্যু

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৬ জুন ঃ** বিগত ৩৪ দিনৰ পাছত ভাৰতত কৰ'নাৰ দৈনিক সংক্ৰমণৰ হাৰ এক শতাংশৰ অধিক হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি সোমবাৰে দেশত কৰ'না আক্ৰান্তৰ সংখ্যা কিছু বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ৪,৫১৮ জন লোক। দেওবাৰে আক্ৰান্তৰ সংখ্যা আছিল ৪,২৭০ জন। বৰ্তমানে ভাৰতত ২৫,৭৮২ জন সক্ৰিয় ক'ভিড ৰোগী আছে। আনহাতে, যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত নজন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। বৰ্তমানে সংক্ৰমণৰ নিৰিখত শীৰ্ষত থকা কেৰালাত যোৱা ২৪ ঘণ্টাত ১,৫৪৪ জন লোক ক'ভিড আক্ৰান্ত হ'ল। মহাৰাষ্ট্ৰত বিগত এদিনত ক'ভিড সংক্ৰমিত হ'ল ১,৪৯৪ জন লোক।

## উত্তৰাখণ্ডত বাছ দুৰ্ঘটনাত কমেও ২২ জন তীৰ্থযাত্ৰীৰ মৃত্যু



**নিউজ ব্যুৰ', ডেৰাডুন, ৬ জুন ঃ** উত্তৰাখণ্ডৰ এটা ঘাটত এখন বাছ বাগৰি পৰাৰ ফলত প্ৰাণ হেৰুৱালে কমেও ২২ জন যাত্ৰীয়ে। এই দুৰ্ঘটনাত ছজন যাত্ৰী গুৰুতৰভাৱে আহত হৈছে। প্ৰকাশিত বাতৰি অনুসৰি বাছখনত থকা যাত্ৰীকেইজনে চাৰধাম তীৰ্থযাত্ৰাত অংশ ল'বলৈ উত্তৰাখণ্ডলৈ যাত্ৰা কৰিছিল। দেওবাৰে মধ্যপ্ৰদেশৰ পান্না জিলাৰ পৰা যমুনাত্ৰী অভিমুখে যাত্ৰা কৰাৰ সময়তে উত্তৰ কাশীৰ দামতাত ভয়াৱহ পথ দুৰ্ঘটনাত বাছখনৰ চালকে নিয়ন্ত্ৰণ হেৰুওৱাত পথৰ কাষত খাৱৈত বাগৰি পৰে।

## এইবাৰ নৰ'ভাইৰাছৰ সন্ধান ভাৰতত, আক্ৰান্ত কেৰালাৰ দুই শিশু

**নিউজ ব্যুৰ', তিৰুঅনন্তপুৰম, ৬ জুন ঃ** ভাৰতত এইবাৰ নৰ'ভাইৰাছৰ উপস্থিতি ধৰা পৰিল। কেৰালাৰ তিৰুঅনন্তপুৰমত দুটি শিশুৰ শৰীৰত নৰ'ভাইৰাছৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। ৰাজ্যখনৰ স্বাস্থ্য বিভাগে প্ৰকাশ কৰা অনুসৰি দুই আক্ৰান্তৰ নমুনা বিস্তাৰিত বিশ্লেষণৰ বাবে ইতিমধ্যে প্ৰেৰণ কৰা হৈছে। প্ৰাথমিক তদন্তত লাভ কৰা তথ্য অনুসৰি বিদ্যালয়ৰ মধ্যাহ্ন ভোজন গ্ৰহণ কৰাৰ পাছতে এই দুই শিশুৱে অসুস্থবোধ কৰিছিল আৰু তেওঁলোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। চিকিৎসকে প্ৰাথমিক পৰীক্ষাত দুই শিক্ষাৰ্থীৰ শৰীৰত নৰ'ভাইৰাছৰ সংক্ৰমণৰ লক্ষণ ধৰা পেলায়। উল্লেখ্য যে নৰ'ভাইৰাছত আক্ৰান্ত হ'লে বমি, পেটৰ বিষ, মূৰৰ বিষ, ডায়েৰিয়া আৰু জ্বৰৰ দৰে উপসৰ্গই দেখা দিয়ে।



## ভীতিহীন ৰাষ্ট্ৰপ্ৰধান ঃ প্ৰচণ্ড যুঁজৰ মাজতে ডনবাছৰ যুদ্ধক্ষেত্ৰত উপস্থিত জেলেনস্কি



**নিউজ ব্যুৰ'**
**কীভ, ৬ জুন ঃ** ৰাছিয়াৰ ধাৰাবাহিক আক্ৰমণৰ পাছতো যুদ্ধক্ষেত্ৰৰ পৰা পলায়ন কৰিবলৈ বিচৰা নাই ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ জেলেনস্কিয়ে। বৰঞ্চ সীমিত অস্ত্ৰ-শস্ত্ৰৰে মহাশক্তিশালী ৰুছ সেনা বাহিনীৰ বিৰুদ্ধে বিগত এশ দিনৰো অধিক ধৰি প্ৰতিৰোধ অব্যাহত ৰাখিছে এইজন ৰাষ্ট্ৰনায়কে। হাৰ মানিব নোখোজা জেলেনস্কিয়ে এইবাৰ উপস্থিত হ'ল ডনবাছত। ইউক্ৰেইনৰ এইখন চহৰত বিগত কে'বা সপ্তাহ ধৰি ৰুছ সেনাই ধাৰাবাহিকভাৱে মাৰণাস্ত্ৰৰে আক্ৰমণ অব্যাহত ৰাখিছে। প্ৰবল যুদ্ধৰ মাজতে ইউক্ৰেইনৰ সেনাৰ মনোবল বৃদ্ধিৰ বাবে ডনবাছৰ যুদ্ধক্ষেত্ৰত উপস্থিত হ'ল জেলেনস্কি। নিজৰ প্ৰাণৰ আশংকাকো তুচ্ছ জ্ঞান কৰি ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিয়ে এইদৰে যুদ্ধবিধ্বস্ত ডনবাছত উপস্থিত হৈ নিজ দেশৰ সেনাৰ পৰা যুদ্ধৰ বুজ ল'লে। উল্লেখ্য যে ৰাজধানী কীভ দখলত ব্যৰ্থ হোৱাৰ পাছত ৰুছ সেনাই ইউক্ৰেইনৰ ডনবাছ অঞ্চলৰ দুখন চহৰক ধাৰাবাহিকভাৱে আক্ৰমণ কৰিছে। ছেভেৰড'নেৎস্ক আৰু লিছিছানস্ক—এই দুখন চহৰ দখল কৰিবলৈ প্ৰচণ্ড বোমা বৰ্ষণ অব্যাহত ৰাখিছে ৰুছ সেনাই। এই আক্ৰমণত বৰ্তমানলৈকে দুহেজাৰৰো অধিক লোকৰ মৃত্যু হৈছে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, কালি ডনবাছৰ লিছিছানস্কত হঠাতে উপস্থিত হৈছিল জেলেনস্কি। চহৰখনৰ কমাণ্ড প'ষ্টত সেনাৰ জোৱানক সাক্ষাৎ কৰি জেলেনস্কিয়ে পৰিস্থিতিৰ বুজ লয়। ইয়াৰ পাছত ড'নেৎস্ক অঞ্চলৰ দক্ষিণ পশ্চিম অঞ্চলৰ বাখমুট চহৰত উপস্থিত হৈ জেলেনস্কিয়ে জোৱানক সাক্ষাৎ কৰে। সৈনিকক সাক্ষাৎ কৰি ৰাষ্ট্ৰপতিজনে কয়, 'আপোনালোকৰ প্ৰতি মই কৃতজ্ঞ। আমাক ৰক্ষা কৰাৰ বাবে দেশবাসীয়ে আপোনালোকক ধন্যবাদ জনাইছে।' পাছত এক ভিডিঅ' বাৰ্তাত জেলেনস্কিয়ে এইদৰে কয়, 'প্ৰতিটো পৰিয়ালৰে নিজস্ব কাহিনী থাকে। বহু পৰিয়ালতে এতিয়া পুৰুষ সদস্য নাই। কাৰণ দুৰ্ভাগ্যবশতঃ যুদ্ধত অনেক পৰিয়ালৰ পুৰুষ সদস্যৰ মৃত্যু হ'ল। বহু পুৰুষ বন্দী হৈ আছে। কিন্তু ভৱিষ্যৎ প্ৰজন্মৰ বাবে আমি জীয়াই থাকিব লাগিব।'

## বিজেপিৰ অপশাসনত গৃহযুদ্ধৰ দিশলৈ অগ্ৰসৰ হৈছে দেশ ঃ অভিযোগ লালু প্ৰসাদৰ

**নিউজ ব্যুৰ', পাটনা, ৬ জুন ঃ** দেশৰ শাসক দল বিজেপিক কঠোৰভাৱে সমালোচনা কৰিলে আৰ জে ডিৰ মুৰব্বী লালু প্ৰসাদ যাদৱে। লালুৱে অভিযোগ কৰি কয় যে বিজেপিৰ অপশাসনৰ কাৰণতে দেশ ক্ৰমশঃ গৃহযুদ্ধৰ দিশলৈ অগ্ৰসৰ হৈছে। মূল্যবৃদ্ধি আৰু কৰ্মসংস্থাপনহীনতাৰ বিৰুদ্ধে সকলোকে একত্ৰিত হৈ প্ৰতিবাদত অংশ ল'বলৈকো বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰীজনে আহ্বান জনালে। এক ৰাজনৈতিক অনুষ্ঠানত অংশ লোৱাৰ সময়ত ভাৰ্চুৱেল পদ্ধতিৰে ভাষণ ৰাখি লালুৱে কয়, 'আমি সকলোৱে একেলগে সংগ্ৰাম কৰিব লাগিব। আমাৰ জয় হ'ব। দেশক গৃহযুদ্ধৰ দিশলৈ ঠেলি দিব বিচাৰিছে বিজেপিয়ে। সেয়েহে মূল্যবৃদ্ধি, নিবনুৱা আৰু দুৰ্নীতিৰ বিৰুদ্ধে আমি একেলগে যুঁজ দিব লাগিব।'



## তামিলনাডুত পানীত ডুবি সাত নাবালিকাৰ মৃত্যু

**নিউজ ব্যুৰ', চেন্নাই, ৬ জুন ঃ** নদীবান্ধৰ পাৰ্শ্ববৰ্তী জলাশয়ত ডুবি প্ৰাণ হেৰুৱালে সাতগৰাকী নাবালিকাই। এই ঘটনা সংঘটিত হ'ল তামিলনাডুৰ কাড্ডালুৰৰ সমীপৰ এই কুচিপুৰিয়ম অঞ্চলত। গেডিলাম নদী এটা বান্ধ নিৰ্মাণ কৰা হৈছিল আৰু এই বান্ধৰ কাষৰ জলাশয়ত সাত নাবালিকাই স্নান কৰাৰ সময়তে ভয়াৱহ দুৰ্ঘটনাটো সংঘটিত হৈছিল। ১৫ ফুট গভীৰ জলাশয়ত স্নান কৰাৰ সময়ত হঠাতে দুগৰাকী নাবালিকাই ডুবিবলৈ ধৰে আৰু আন কেইগৰাকীয়ে তেওঁলোকক উদ্ধাৰ কৰিবলৈ গৈ একে পৰিস্থিতিৰ সন্মুখীন হয়। খবৰ লাভৰ পাছত ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে সাত নাবালিকাৰ মৃতদেহ উদ্ধাৰ কৰে। আৰক্ষীয়ে জনোৱা অনুসৰি মৃতকৰ বয়স ১০ৰ পৰা ১৮ৰ ভিতৰত।



# দৰং মহাবিদ্যালয়ত ভূগোল বিষয়ৰ বিশেষ গ্ৰন্থ উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৬ জুন ঃ** আজি তেজপুৰৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষা অনুষ্ঠান দৰং মহাবিদ্যালয়ত ভূগোল বিষয়ৰ এখন বিস্তৃত কলেৱৰৰ গ্ৰন্থ উন্মোচন কৰা হয়। উল্লেখ্য যে 'গণ ইলাষ্ট্ৰেডেদ জিঅ'গ্ৰাফী অৱ অসম' নামৰ এই গ্ৰন্থখনত ৰাজ্যৰ ভৌগোলিক ক্ষেত্ৰৰ একুৰি দিশ সামৰি লোৱা হৈছে। ড° অশোক কুমাৰ বৰা আৰু ড° মৃণাল নাথে সম্পাদনা কৰা ইংৰাজী ভাষাৰ গ্ৰন্থখন দৰং মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ তথা মহাবিদ্যালয়খনত ভূগোল বিভাগৰ প্ৰতিষ্ঠাপক অধ্যাপক প্ৰয়াত এছ পি মণ্ডলৰ স্মৃতিত উৎসৰ্গা কৰি প্ৰকাশ কৰা হৈছে। উল্লেখ্য যে আজি দৰং মহাবিদ্যালয়ৰ দুই নম্বৰ গেলাৰীত অনুষ্ঠিত এক উন্মোচনী অনুষ্ঠানৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ সহযোগত অনুষ্ঠিত আৰু বিভাগীয় মূৰব্বী অধ্যাপক ড° হেমন্ত জ্যোতি নাথে আঁত ধৰা এই সভাখনত দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশমণি শইকীয়াই গ্ৰন্থখন উন্মোচন কৰে। ড° শইকীয়াই প্ৰয়াত অধ্যাপক মণ্ডলৰ অৱদানক স্মৰণ কৰি এইখন গ্ৰন্থই ভূগোল বিভাগৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক- গৱেষক, বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে আগ্ৰহীসকলৰ লগতে অসমৰ বিষয়ে জানিবলৈ আগ্ৰহীসকলক যথেষ্ট সহায় কৰিব বুলি মন্তব্য কৰে। আনহাতে, উন্মোচনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰা তেজপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধক্ষ্যা তথা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথে এনে এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ প্ৰকাশ কৰা কাৰ্যৰ শলাগ লৈ এই গ্ৰন্থখনে অসমৰ বিষয়ে বহুজনকে জনাৰ এক নতুন সুবিধা প্ৰদান কৰিব বুলি কয়। সভাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বহুকেজন বিশিষ্ট লোক উপস্থিত থাকে। বিশেষ গ্ৰন্থখন উন্মোচনৰ পূৰ্বে মহাবিদ্যালয়খনত ভূগোল বিভাগটো প্ৰতিষ্ঠা কৰাৰ লগতে ৰাজ্যৰ ভিতৰতে বিভাগটোক বিদ্যায়তনিক দিশত অনন্য মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হোৱা প্ৰয়াত অধ্যাপক মণ্ডলৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

# নলবাৰীত চি পি আই (এম)ৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৬ জুন ঃ** চি পি আই (এম) নলবাৰী জিলা কমিটীৰ উদ্যোগত আজি পুলিচৰাজ বন্ধ কৰি আইনৰ শাসন চলোৱাৰ দাবীত প্ৰতিবাদী অৱস্থান ধৰ্মঘট পালন কৰে। ড° ভূপেন হাজৰিকা শিশু উদ্যানৰ সন্মুখত ৰূপায়ণ কৰা অৱস্থান ধৰ্মঘটস্থলীত ভাষণ ৰাখি বাওঁপন্থী নেতা ৰবীন মিশ্ৰই ভাষণ ৰাখি কয় যে অসমত সম্প্ৰতি অৰাজকতা চলিছে। ফলত আইন- শৃংখলা বিঘ্নিত হোৱাৰ দিশে। শাসকে ঘটনা এটা হ'লেই নানা কথাৰে ৰাইজক বিভ্ৰাত কৰে। শেহতীয়াকৈ এনকাউন্টাৰ নামত ৰাজনৈতিক মুনাফা অৰ্জনৰ কাম কৰিছে। আইন আদালতক নামানি শাসকে যি মন যায় তাকে কৰি আছে। এয়া গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰ এখনৰ হঠকাৰী সিদ্ধান্ত বুলি ব্যক্ত কৰে। প্ৰতিবাদী কাৰ্যসূচীত চি পি আই (এম)ৰ জিলা সম্পাদক উমেশ দত্ত, বাওঁপন্থী নেতা কৰুণা কলিতা, চক্ৰধৰ মেধি, ৰবীন শৰ্মা, চান মহম্মদসহ ভালেমান কৰ্মী উপস্থিত থাকে।

# গুণোৎসৱৰ ভেকোভাওনাত পৰিণত বছৰি ব্যয় নশ কোটি ঃ কংগ্ৰেছ

## ■ ৪,৪৪৪ বিদ্যালয়ত এজন শিক্ষক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৬ জুন ঃ** 'ৰাজ্যৰ চাৰি হেজাৰ ৪৪৪খন বিদ্যালয় এজন শিক্ষকেৰে চলি আছে আৰু ৩১৪খন বিদ্যালয়ত এজনো শিক্ষক নাই। তদুপৰি এহেজাৰ ৬৬৪খন বিদ্যালয়ৰ এটা কোঠাতে পাঁচটাকৈ শ্ৰেণী কৰিবলগীয়া হয়।' তেজপুৰ স্থিত শোণিতপুৰ জিলা কংগ্ৰেছৰ কাৰ্যালয়ত আজি দিনৰ ১১ বজাত অনুষ্ঠিত এক সংবাদমেলত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে অলপতে প্ৰকাশ কৰা এক তথ্যৰ আধাৰত এই মন্তব্য প্ৰকাশ কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ দাদুল বৰকাকতিয়ে। ৰাজ্য চৰকাৰৰ ভাল কামক প্ৰশংসা আৰু বেয়া কামবোৰ জনমানসত উদঙাই দি ইয়াৰ তীব্ৰ বিৰোধিতা কৰি যাব বুলি বৰকাকতিয়ে মন্তব্য কৰি লগতে কয় যে মূল্যবোধৰ ৰাজনীতিৰে কংগ্ৰেছক আগুৱাই নিয়া হ'ব। তেওঁ কয়, 'গুণোৎসৱক কংগ্ৰেছে আদৰণি জনালেও প্ৰকৃততে গুণোৎসৱ এতিয়া এক ভেকোভাওনাতহে পৰিণত হৈছে।' প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰজনে লগতে কয় যে ৰাজ্যখন বহু সমস্যাৰে ভাৰাক্ৰান্ত যদিও ভৱিষ্যত প্ৰজন্মৰ বাবে আতাইতকৈ গুৰুত্বপূৰ্ণ ৰাজ্যৰ ভাৰাক্ৰান্ত শিক্ষা ব্যৱস্থাটো সম্প্ৰতি ৰুগীয়া হৈ পৰিছে। তেওঁ সংবাদমেলত প্ৰকাশ কৰে যে যোৱা দুটা বছৰৰ গুণোৎসৱত বিদ্যালয়সমূহৰ যি মূল্যাংকন হ'ল আৰু যি সমূহ বিদ্যালয়ে 'এ' আৰু 'এ প্লাছ' গ্ৰেড লাভ কৰিলে সেই বিদ্যালয়সমূহৰ সাম্প্ৰতিক অৱস্থাৰ পৰাই এই কথা স্পষ্ট হৈছে। তেওঁ লগতে কয়, 'গুণোৎসৱৰ নামত বছৰি নশ কোটি টকা ব্যয় হয়। বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়ন নোহোৱাৰ লগতে গৃহ, ডেস্ক-বেঞ্চৰ অভাৱ তথা শৌচাগাৰৰ অভাৱ, ছাত্ৰ-ছাত্ৰী অনুযায়ী শিক্ষক-শিক্ষয়িত্ৰীৰ অসমানুপাতিকতাকে ধৰি বিভিন্ন সমস্যা বৰ্তমানেও আছে। তেনেস্থলত চৰকাৰে বাজেটতো অন্তৰ্ভুক্ত কৰা এক বিষয় হিচাপে গুণোৎসৱৰ মূল্যাংকনৰ ভিত্তিত চৰকাৰে বিদ্যালয় সমূহৰ বাবে মঞ্জুৰ কৰা ধন ক'ত কেনেদৰে ব্যয় হয় ?'

# শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত মানসিক স্বাস্থ্য সজাগতা

**বিশেষ সংবাদদাতা**

**নগাঁও, ৬ জুন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগ তথা আভ্যন্তৰীণ মান নিৰূপণ কোষৰ (আই কিউ এছ চি)ৰ উদ্যোগত তথা ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ সহযোগত আজি মানসিক স্বাস্থ্য সজাগতাৰ এক বিশেষ কাৰ্যসূচীৰ ৰূপায়ণ কৰা হয়। ছাত্ৰী নিলাদ্ৰী শিৰমে আঁতধৰা অনুষ্ঠানত শিক্ষাৰ্থীসকল কিদৰে মানসিক চাপৰ পৰা মুক্ত হৈ মানসিকভাৱে শক্তিশালী হৈ থাকিব পাৰে, তাৰ বাবে কৰণীয় কাৰ্যাৱলীৰ সম্পৰ্কে উপস্থিত সমল ব্যক্তি ড° সত্য কুমাৰ দত্ত, গীতামণি বৰুৱা, মণিমালা দত্তই উদাহৰণসহ ব্যাখ্যা আগবঢ়ায়। বিয়লি তিনি বজাৰ পৰা বিশ্ববিদ্যালয়খনৰ সভাকক্ষত আয়োজিত অনুষ্ঠানৰ উদ্বোধন কৰে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই। বিভাগটোৰ মুৰব্বী ড° কৰবী কোচে আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানত অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত থাকে। ড° পাৰ্থ প্ৰতিম বৰুৱাই সভাৰ শলাগৰ শৰাই আগবঢ়ায়।

# আজিৰে পৰা নৗে গোবৰ গাঁৱত শ্ৰীশ্ৰীমদ্ভাগৱত পাঠ

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৬ জুন ঃ** নগাঁও জিলাৰ নৗেৰ সমীপৰ গোবৰ গাঁও অঞ্চলৰ শান্তি-সম্প্ৰীতি ৰক্ষাৰ্থে আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে গোবৰ গাঁও শংকৰী কৃষ্টি বিকাশ কেন্দ্ৰৰ ব্যৱস্থাপনাত হৰি মন্দিৰত অবিৰত শ্ৰীমদ্ভাগৱত পাঠৰ অনুষ্ঠান হৰিনামৰ ধ্বনিৰে ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত আধ্যাত্মিক পৰিৱেশৰ মাজেৰে আৰম্ভ হৈছে। এই উপলক্ষে আজি পুৱা উষা কীৰ্তনৰ পাছতে বন্তি প্ৰজ্বলন কৰে বসুধৰ বৰাই। ধৰ্মধ্বজা উত্তোলন কৰে ৰত্নেশ্বৰ বৰাই আৰু অনুষ্ঠানৰ আঁত ধৰে প্ৰফুল্ল বৰাই। স্মৃতি তৰ্পণ কৰে জিতেন বৰাই। কুমাৰীসকলৰ দ্বাৰা গোপিনীসকলৰ সহযোগত পবিত্ৰ জলাৰোহণ, শ্ৰীমদ্ভাগৱত আনয়ন, শ্ৰীমদ্ভাগৱত আদৰণি আৰু খোল প্ৰসংগ, নাম-কীৰ্তন অনুষ্ঠিত হয়। দুপৰীয়া প্ৰসাদ বিতৰণৰ পাছতে বিয়লি অক্ষয় প্ৰদীপ প্ৰজ্বলন কৰে গোবৰ গাঁৱৰ নামঘৰীয়া শিশুৰাম বৰাই আৰু শ্ৰীমদ্ভাগৱত পাঠৰ উদ্বোধন কৰে নগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক দীপক কুমাৰ বৰাই। বিয়লি অবিৰত শ্ৰীমদ্ভাগৱত পাঠ আৰম্ভ কৰে নামাচাৰ্য পোনাৰাম বৰাই। কাইলৈ অবিৰত শ্ৰীমদ্ভাগৱত পাঠ চলি থকাৰ পাছত বুধবাৰে শ্ৰীমদ্ভাগৱত পাঠৰ সামৰণি আৰু প্ৰদক্ষিণ অনুষ্ঠান অনুষ্ঠিত হ'ব। দুপৰীয়া নাম-প্ৰসংগ বিয়লি প্ৰসাদ-ভোগ বিতৰণৰ পাছতে অতিথিসকলৰ বিদায় সম্ভাষণেৰে অনুষ্ঠান সামৰণি পৰিব বুলি অনুষ্ঠানৰ অন্যতম বিষয়ববীয়া পদুম বৰাই জনাইছে।

# 'এনকাউণ্টাৰ'ৰ বিৰুদ্ধে গোৱালপাৰাত চিপিআই (এম)ৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৬ জুন ঃ** 'এনকাউণ্টাৰ'ৰ বিৰুদ্ধে গোৱালপাৰা চহৰৰ হাচিলা বাছ আস্থানত চিপিআই (এম)-এ আজি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে দলীয় পতাকা লৈ 'জধে-মধে এনকাউণ্টাৰ নচলিব, বটদ্ৰৱা কাণ্ডৰ ন্যায়িক তদন্তৰ ব্যৱস্থা কৰক, আমাৰ দাবী মানিবই লাগিব, এনকাউণ্টাৰৰ নামত সাধাৰণ লোকক হত্যা কৰা নচলিব' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীত বামপন্থী নেতা ননী দাসে কয় যে অসম আৰক্ষীয়ে ছফিকুল ইছলাম নামৰ যুৱক এজনক বটদ্ৰৱা থানালৈ ধৰি নি আৰক্ষীৰ জিম্মাত থকা অৱস্থাত হত্যা কৰাৰ পাছত পুনৰ বটদ্ৰৱা থানা অগ্নি সংযোগৰ ঘটনাত অভিযুক্ত আছিকুল ইছলাম নামৰ যুৱকজনক আৰক্ষীয়ে শীতল মস্তিষ্কৰে হত্যা কৰিছে। হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰ গঠনৰ পাছৰে পৰা অসমত 'এনকাউণ্টাৰ'ৰ নামত অভিযুক্তক হত্যা কৰাৰ যি ভয়ংকৰ আৰু বেআইনী পৰম্পৰাৰ সূত্ৰপাত কৰা হৈছে তাৰে শেহতীয়া নিদৰ্শন হ'ল বটদ্ৰৱাৰ ঘটনা। মুখ্যমন্ত্ৰীয়ে দাবী কৰাৰ দৰে এয়া মুঠেই 'দুৰ্ঘটনা' নহয়, বৰং সাম্প্ৰদায়িক আৰু স্বৈৰাচাৰী বিজেপি চৰকাৰে সংঘটিত কৰা এক পৰিকল্পিত হত্যা। তেওঁ কয় যে ছফিকুল ইছলামৰ হত্যা, বটদ্ৰৱা থানা জ্বলাই দিয়া আৰু শালনাবড়ীত আৰক্ষীয়ে পাঁচটা পৰিয়ালৰ ঘৰ বুলড'জাৰেৰে ধ্বংস কৰাৰ ঘটনাই ইতিমধ্যে ৰাজ্যখনৰ জনসাধাৰণৰ মাজত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিভিন্ন দল-সংগঠনে এই ঘটনাৱলীৰ ন্যায়িক তদন্তৰ দাবী কৰিছে। কিন্তু শাসনাধিষ্ঠিত বিজেপি চৰকাৰে সেই পথ গ্ৰহণ কৰাৰ সলনি আইনৰ শাসন নিজেই ধ্বংস কৰাৰ ভয়ংকৰ পথেৰেহে বাট বুলিছে। পুলিচৰাজ প্ৰতিষ্ঠাৰ এনে প্ৰৱণতাই গণতান্ত্ৰিক ব্যৱস্থাটোক নিঃশেষ কৰি স্বৈৰাচাৰী আৰু একনায়কত্ববাদী শাসনৰ পথ প্ৰশস্ত কৰিব। যিসকলে 'অবৈধ বাংলাদেশী', 'জেহাদী' আদিৰ বিৰুদ্ধেহে এনকাউণ্টাৰবোৰ পৰিচালিত হৈছে বুলি বিজেপি-আৰএছএছে চলোৱা প্ৰচাৰৰ দ্বাৰা ৰাইজে এতিয়া বিভ্ৰান্ত হৈ পৰিছে । তেওঁলোক সতৰ্ক হোৱা উচিত যে আইনৰ শাসনৰ ঠাইত আৰক্ষীৰ শাসন প্ৰতিষ্ঠা হ'লে যিকোনো ব্যক্তিয়ে তাৰ বলি হ'ব পাৰে। ইতিমধ্যে ৰাজ্যখনত কে'বাঠাইতো হোৱা ঘটনাই তাৰ স্পষ্ট ইংগিত দিছে বুলি উল্লেখ কৰে বামপন্থী নেতাজনে।

# বৰপেটাৰোডত পাঁচ দালালক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**বৰপেটাৰোড, ৬ জুন ঃ** দালালীৰ লগতে নানা অপৰাধমূলক কাৰ্যত জড়িত থকাৰ অভিযোগত বৰপেটাৰোড আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে পাঁচজন দালালক। আৰক্ষী থানাতে দালালী কৰা এই পাঁচ অভিযুক্তক কালি গ্ৰেপ্তাৰ কৰাৰ পাছত আৰক্ষীয়ে পুনৰ নিজৰ জিম্মাত আনিছে। উল্লেখ্য যে বৰপেটাৰ আৰক্ষী অধীক্ষক অমিতাভ সিনহাৰ নিৰ্দেশ অনুসৰি বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিপুল কলিতাই শনিবাৰে নিশাই এই পাঁচজন দালালক বজালী আৰু বৰপেটা জিলাৰ ভিন্ন প্ৰান্তৰ পৰা আটক কৰিছিল। অৱশ্যে আৰক্ষীৰ অভিযানৰ সময়তে এজন অভিযুক্তই পলায়ন কৰে। আটকাধীন দালালকেইজনক কালি গ্ৰেপ্তাৰ কৰা হয়। এই দালাল কেইজন বজালী জিলাৰ ভৱানীপুৰ আৰক্ষী থানাৰ অন্তৰ্গত মাজগাঁৱৰ প্ৰয়াত আব্দুল খালেকৰ পুত্ৰ জাহিদুল ইছলাম, বৰপেটা জিলাৰ বৰপেটাৰোড আৰক্ষী থানাৰ অন্তৰ্গত খৈৰাবাৰীৰ প্ৰয়াত গুৰখান আলীৰ পুত্ৰ শুকুৰ আলী, বৰপেটাৰোড পটাৰ প্ৰয়াত হাবিছ খানৰ পুত্ৰ আইনুল হক খান, উত্তৰ আঠিয়াবাৰীৰ খালেক আলীৰ পুত্ৰ বাৰেক আলী আৰু সাতভনীৰটুপৰ আব্দুল খালেকৰ পুত্ৰ আব্দুল আজিজ বুলি আৰক্ষীয়ে জনাইছে। আনহাতে, এই দালাল চক্ৰটোৰ অন্যতম বৰপেটাৰোড আৰক্ষী থানাৰ বিলাসীপাৰাৰ আকবৰ আলীৰ পুত্ৰ আজগৰ আলীয়ে আৰক্ষীৰ অভিযানৰ পলায়ন কৰে। আৰক্ষীয়ে আটক কৰা পাঁচ দালালক দেওবাৰে দিনটো বৰপেটাৰোড আৰক্ষী থানাত ৰাখি সোধ-পোছ কৰাৰ অন্তত ভাৰতীয় দণ্ড বিধিৰ ৪২০/৪০৬/৩৮৪/৩৪ ধাৰাৰ অধীনত ১১০/২০২২ নম্বৰ গোচৰ পঞ্জীয়ন কৰি গ্ৰেপ্তাৰ কৰে। আজি অভিযুক্তসকলক বৰপেটা আদালতত হাজিৰ কৰায় আৰু আঠ দিনৰ জিম্মাত বিচাৰে। অৱশ্যে আদালতে পাঁচ দালাল দুদিনৰ বাবেহে বৰপেটাৰোড আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি বৰপেটাৰোড আৰক্ষী থানাকে ধৰি অন্য স্থানত দালালী কৰা তথা গুচৰীয়া আৰু পদকীয়াৰ পৰা ধন সংগ্ৰহ কৰা কাৰ্যত এই দালাল কেইজন জড়িত থকাৰ অভিযোগ আছে। আনকি শেহতীয়াকৈ বৰপেটাৰোড আৰক্ষী থানাত ৰুজু হোৱা মাৰপিটৰ ঘটনা এটাত এটা পক্ষক ১০ হেজাৰ টকা আৰক্ষী থানাৰ ভিতৰতে অসামৰিক পোছাকত থকা এজন লোকে খোজাৰ এক বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পাইছিল। ইয়াৰ পাছতে বৰপেটাৰ আৰক্ষী অধীক্ষকে এনে দালালৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণৰ নিৰ্দেশ দিয়ে।

# দুৰ্ঘটনাত কুলদীপ সিঙৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**নগাঁও, ৬ জুন ঃ** নগাঁও চহৰৰ নাতিদূৰৰ বেবেজীয়া আৰক্ষী চকীৰ অন্তৰ্গত বৰক'লাত যোৱা নিশা এক পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত কুলদ্বীপ সিং (৩২) নামৰ এজন যুৱকৰ মৃত্যু হয়। আৰক্ষী সূত্ৰই জনোৱা মতে, নিশা কুলদ্বীপে কামপুৰত এক সাংস্কৃতিক অনুষ্ঠানৰ পৰা নিজৰ ঘৰলৈ এ এছ-১২ আৰ-৪৮৬৭ নম্বৰৰ মটৰ চাইকেলেৰে আহি থকা অৱস্থাত বৰক'লাৰ নিজ বাসভৱনৰ কিছু নিলগত দুৰ্ঘটনাত পতিত হয়। লগে লগে স্থানীয় লোকে সংকটজনক অৱস্থাত যুৱকজনক নগাঁৱৰ ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ অনা হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে।

# বকোৰ 'মুন্নাভাই' ইব্ৰাহিম আলীক পলাতক অৱস্থাৰ পৰা গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**বকো, ৬ জুন ঃ** কামৰূপ জিলাৰ বকো তামুলদীৰ 'মুন্নাভাই এমবিবিএছ'ৰূপী ইব্ৰাহিম আলীক পলাতক অৱস্থাৰ পৰা যোৱা নিশা গ্ৰেপ্তাৰ কৰিলে বকো আৰক্ষীয়ে। এই ঘটনাৰ লগত জড়িত আশাকৰ্মী মুন্নিয়াৰা বেগমক আৰক্ষীয়ে কালি বিয়লিয়ে গ্ৰেপ্তাৰ কৰে। বকো আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ১২০/৩১৩/৩০৪ ধাৰাৰ অধীনত ২৫৮/২২ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰি দুয়োকে আজি আদালতত হাজিৰ কৰায়। আদালতে দুয়োকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখ্য যে যোৱা চাৰি জুনত বকো আৰক্ষী থানাৰ অন্তৰ্গত বকোৰ তামুলদীত এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হয়। ভুৱা চিকিৎসকৰ ভুল চিকিৎসাৰ বলি হ'ল এগৰাকী পাঁচমহীয়া অন্তঃসত্ত্বা মহিলা। দুৰ্ভাগ্যবশতঃ গৰ্ভপাত কৰা অৱস্থাতে মৃত্যু হয় মহিলাগৰাকীৰ। প্ৰাপ্ত অভিযোগ মতে, মৃত মহিলাগৰাকী হৈছে জমিৰন নেছা (৩০)। ছয়গাঁও সমষ্টিৰ শুৱালকুছি নদী আৰক্ষীৰ অধীনৰ বাতাহিদিয়াৰ মাগুৰা বিলপথাৰৰ অমেদ আলীৰ পত্নী তিনি সন্তানৰ মাতৃ জমিৰনৰ গৰ্ভপাত কৰাইছিল ভুৱা চিকিৎসক আলীয়ে। প্ৰাপ্ত তথ্য মতে, অভিযুক্ত আলী ১০৮ৰ কৰ্মচাৰী। দীৰ্ঘদিন ধৰি দুই সন্তানৰ পিতৃ ইব্ৰাহিমে চলাই আহিছে এই অবৈধ বেহা। নিজ গৃহত আলীয়ে চলাই আহিছিল এই বেহা। মহিলাগৰাকীৰ মৃত্যুৰ পাছতে অভিযুক্ত আলীয়ে পৰিয়ালসহ পলায়ন কৰিছিল। আনহাতে, বকো আৰক্ষীয়ে ঘটনাৰ লগত জড়িত থকাৰ অভিযোগত বাতাহিদিয়াৰ কলতলী পথাৰৰ আশাকৰ্মী মুন্নিয়াৰা বেগম (২৭)ক কালি বিয়লি আটক কৰি অধিক তথ্য জনাৰ বাবে বকো আৰক্ষী থানাত জেৰা অব্যাহত ৰাখিছিল। বাতাহিদিয়াৰ কলতলী পথাৰৰ বাসিন্দা জাহাংগীৰ আলীৰ পত্নী মুন্নিয়াৰা বিগত ২০১৪ৰ মে'ৰ পৰা আশাকৰ্মীৰূপে কৰ্মৰত আছিল। অবৈধ গৰ্ভপাতৰ বাবে ভুক্তভোগীৰ পৰা ১০ হেজাৰ টকা লৈছিল বুলিও মৃত মহিলাগৰাকীৰ পৰিয়ালে অভিযোগ কৰিছে।

# ১২ জুনৰ পাছত বিপিএফ দলটোৱেই নাথাকিব ঃ সাংসদ নাৰ্জাৰী

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৬ জুন ঃ** ককলাবাৰী সমষ্টিৰ উপ-নিৰ্বাচনৰ ১২ জুনত ফলাফলৰ পাছতেই হাগ্ৰামা মহিলাৰীৰ বিপিএফ দলটোৱেই নাথাকিব। বিপিএফৰ ১১ গৰাকী এমচিএলএ আৰু বিধায়কসকলেও বিপিএফ এৰি বিভিন্ন দিশলৈ গতি কৰিব। ককলাবাৰী সমষ্টিৰ উপ-নিৰ্বাচনত ইউপিপিএল, বিজেপি, জিএছপিৰ সন্মিলিত প্ৰাৰ্থী মণ্টু বড়োৱে ৫০ হেজাৰ ভোট লাভ কৰি জয়ী নিশ্চিত। বিপিএফে ককলাবাৰীত জয়ৰ বাবে উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা নাই। মাত্ৰ দলীয় প্ৰতীকটোহে দেখুৱাইছে। ককলাবাৰীৰ উপ-নিৰ্বাচনত ৰাইজে উন্নয়ন, শান্তি, সমন্বয়ৰ স্বাৰ্থতেই ইউপিপিএলৰ মনোনীত তথা ইউপিপিএল, বিজেপি, জিএছপিৰ সন্মিলিত প্ৰাৰ্থী মণ্টু বড়োক ভোট দিব। এইদৰে কয় ইউপিপিএলৰ কাৰ্যকৰী সভাপতি তথা ৰাজ্যসভাৰ সাংসদ ৰৌণগৌৰা নাৰ্জাৰীয়ে আজি ককলাবাৰী সমষ্টিৰ শিমলাস্থিত ইউপিপিএলৰ মনোনীত তথা ইউপিপিএল, বিজেপি, জিএছপিৰ সন্মিলিত প্ৰাৰ্থীৰ নিৰ্বাচনী কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত। ৰৌণগৌৰা নাৰ্জাৰীয়ে সংবাদমেলত বিপিএফক চোকা সমালোচনা কৰি কয় যে হাগ্ৰামা মহিলাৰীয়ে বিটিআৰত চৰকাৰ গঠন কৰিব বুলি একাধিকবাৰ ঘোষণা কৰি থকাটো হাস্যকৰ। কাৰণ এফালে হাগ্ৰামা মহিলাৰীৰ বিপিএফ দলৰ এজনৰ পাছত এজনকৈ নেতা, এমচিএলএ দল ত্যাগ কৰি আছে, আনফালে মহিলাৰীয়ে বিটিআৰত চৰকাৰ গঠন কৰিব বুলি ঘোষণা কৰি আছে। মহিলাৰীয়ে ভৱিষ্যতে কেতিয়াও বিটিআৰত চৰকাৰ গঠন কৰিব নোৱাৰে। সংবাদমেলত বিটিআৰৰ বিজেপিৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে বিপিএফক চোকা সমালোচনা কৰি কয় যে বিপিএফৰ লগতে মহিলাৰীক বিটিআৰৰ ৰাইজে কেতিয়াবাই বিদায় দিছে। বিটিআৰৰ ৰাইজৰ অন্তৰৰ পৰা বহু আঁতৰত বিপিএফ দল, মহিলাৰী। অস্তিত্বহীন বিপিএফ আৰু হাগ্ৰামাই বিটিআৰত চৰকাৰ গঠন কৰিম বুলি বিভ্ৰান্তিমূলক বক্তব্য দি ফুৰিছে ৰাইজৰ মাজত। সংবাদমেলত জিএছপিৰ উপ-সভাপতি শৈলেন গোস্বামীয়েও বিপিএফৰ মুৰব্বী মহিলাৰীক চোকা সমালোচনা কৰি বক্তব্য প্ৰদান কৰাৰ লগতে বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাস, ইউপিপিএলৰ কেন্দ্ৰীয় ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ৰাজু নাৰ্জাৰী, বিজেপি নেতা ৰাম দাহালেও উপস্থিত থাকে।

# বিদ্যুৎ বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া নন্দেশ্বৰ নাথৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৬ জুন ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতি-কাষৰীয়া জামুগুৰি নিবাসী বিশিষ্ট সমাজ সংগঠক, কবি-সাহিত্যকৰ্মী, ধৰ্মপৰায়ণ ব্যক্তি তথা বিদ্যুৎ বিভাগৰ অৱসৰপ্ৰাপ্ত গাণনিক বিষয়া নন্দেশ্বৰ নাথ ওৰফে নন্দী (৬৭)ৰ আজি পুৱা মৃত্যু হয়। শ্বাস-প্ৰশ্বাসজনিত কাৰণত হঠাতে আজি পুৱা অসুস্থ হৈ পৰা নাথক পৰিয়ালৰ লোকে ততাতৈয়াকৈ নগাঁৱৰ চিকিৎসালয়লৈ নিয়ে যদিও আধাবাটতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল বছৰ। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ নগাঁও সংমণ্ডলৰ গাণনিক বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰা নাথে নিজৰ দায়িত্ব নিষ্ঠাসহকাৰে পালন কৰিছিল। এগৰাকী কবি হিচাপে পৰিচয় থকা নাথ অসম সাহিত্য সভাৰ আজীৱন সদস্য আছিল। অৱসৰ গ্ৰহণৰ পাছৰে পৰা সমাজ সেৱাত নিজকে নিয়োজিত কৰা নাথ নগাঁও জিলা যোগী সন্মিলনীৰ উপ-সভাপতি, ছহিদ মনবৰ নাথ পুথিভঁৰালৰ সভাপতি, মধ্য জামুগুৰি বিহু উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি, জামুগুৰিৰ সাৰ্বজনীন গৰখীয়া থানৰ সহকাৰী সম্পাদক, সদৌ অসম কবি সন্মিলনৰ জামুগুৰি শাখা সমিতিৰ সম্পাদক, জামুগুৰি শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, জামুগুৰি বুঢ়া নামঘৰৰ সম্পাদকৰদৰে গুৰুত্বপূৰ্ণ দায়িত্বত থকাৰ উপৰি বৃহত্তৰ জামুগুৰি অঞ্চলৰ সকলো সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। তেওঁৰ আকস্মিক বিয়োগৰ বতৰা পাই তেওঁৰ বাসগৃহত বহু গুণমুগ্ধ সমবেত হৈ অন্তিম শ্ৰদ্ধা জনোৱাৰ লগতে নশ্বৰদেহ শোভাযাত্ৰা কৰি বৃহত্তৰ জামুগুৰি অঞ্চলৰ মাজেৰে পৰিভ্ৰমণ কৰে। অমায়িক আৰু সৰবৰহী ব্যক্তি নাথৰ বিয়োগত অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰে। তেওঁ মৃত্যুৰ সময়ত পত্নী, এজন পুত্ৰ, বোৱাৰী, এগৰাকী কন্যা, জোঁৱাই, তিনি ভ্ৰাতৃ, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায় ।

# বকোত হত্যাৰ অভিযোগত তিনিজনক জেললৈ

**অগ্ৰদূত বাৰ্তা**

**বকো, ৬ জুন ঃ** কামৰূপৰ বকোৰ গামেৰীমুৰাত সংঘটিত এক হত্যাকাণ্ডত জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে। আজি ধৃত অভিযুক্ত তিনিজনক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। শিঙুৰা নৈত উপঙি থকা অৱস্থাত কালি সঞ্জয় বৈশ্য (৪০) নামৰ এজন লোকৰ মৃতদেহ উদ্ধাৰ হৈছিল। বকো আৰক্ষীয়ে হত্যাৰ সন্দেহত নিশাই তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছিল। ধনৰ লেনদেনৰ বাবেই হত্যাকাণ্ড সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। বকো আৰক্ষী থানাত ভাৰতীয় দণ্ড বিধিৰ ১২০ (বি)/৩০২ ধাৰাৰ অধীনত ২৫৬/২২ নম্বৰত পঞ্জীয়ন হোৱা গোচৰত গ্ৰেপ্তাৰ হোৱা কেইজন হ'ল কামৰূপ জিলাৰ বকো দুই নম্বৰ উত্তৰ ছেখাদাৰিৰ ৰহিদুল আলী (২৬), বৰপেটা জিলাৰ কালাইদিয়া মাজৰচৰৰ হাছেন আলী (১৯) আৰু গোৱালপাৰা জিলাৰ লক্ষীপুৰ খলিছাভিঠাৰ অমৰ ফাৰুক (৩০)। উল্লেখ্য যে হত্যাৰ বলি হোৱা নলবাৰীৰ নিবাসী সঞ্জয়ে বিগত ডেৰ বছৰ ধৰি বকো চুকুনীয়াপাৰাত এখন ৰেস্তোৰাঁ চলাই আহিছিল। ইয়াৰ মাজতে যোৱা চাৰি জুনত গামেৰীমুৰাত অনুষ্ঠিত বায়খো দেৰা উৎসৱ চাবলৈ একাংশ বন্ধুৰ স'তে গৈছিল সঞ্জয়। চুকুনীয়াপাৰাৰ পৰা এখন এএছ- ০১ ইজে-৬১৮৬ নম্বৰৰ অল্ট' গাড়ীৰে তেওঁলোক গামেৰীমুৰালৈ গৈছিল। ইয়াৰ পাছত ৰহস্যজনকভাৱে কালি সঞ্জয়ৰ মৃতদেহ শিঙুৰা নৈত উপঙি থকা অৱস্থাত উদ্ধাৰ হয়। এজন কিশোৰে মৃতদেহ প্ৰত্যক্ষ কৰি স্থানীয় লোকক খবৰ দিয়ে। পাছত স্থানীয় লোক আৰু গাঁওৰক্ষী বাহিনীৰ লোকে বকো আৰক্ষী থানাত ঘটনা সন্দৰ্ভত অৱগত কৰে। মৃতদেহৰ মুখ আৰু চকুত আঘাতৰ চিন স্পষ্ট হোৱা বাবে তেওঁক হত্যা কৰি নৈৰ বুকুত দলিয়াই দিয়াৰ সন্দেহ কৰিছিল আৰক্ষীয়ে। কালি সন্ধিয়া মৃত সঞ্জয়ৰ পত্নী সবিতা দেৱীয়ে তিনিজন অভিযুক্তৰ বিৰুদ্ধে বকো আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে নিশা তিনি অভিযুক্তক গ্ৰেপ্তাৰ কৰে। পৰিয়ালৰ লোকে জনোৱা মতে, গোৱালপাৰা জিলাৰ লক্ষীপুৰ খলিছাভিঠাৰ অমৰ ফাৰুকে নিহত সঞ্জয়ৰ পৰা ৫০ হেজাৰ টকা পাব লগা আছিল। উল্লেখ্য যে হত্যাকাণ্ডৰ দিনাই অমৰক টকাখিনি সঞ্জয়ে ওভতাই দিয়াৰ তাৰিখ আছিল। এই ঘটনাক কেন্দ্ৰ কৰিয়ে হত্যাকাণ্ড সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে।

## ■ ভক্তিৰ পৰায়ণ ৰাইজৰ উপস্থিতিৰে উদুলি-মুদুলি মন্দিৰ প্ৰাংগণ

# পুনৰ্নিৰ্মিত ঐতিহ্যমণ্ডিত সত্যপুৰ দুৰ্গা মন্দিৰৰ দ্বাৰ মুকলি

**অগ্ৰদূত বাৰ্তা**

**চাপৰ, ৬ জুন ঃ** শতবৰ্ষীয় তথা ঐতিহ্য মণ্ডিত চাপৰৰ পুনৰ্নিৰ্মিত সত্যপুৰ দুৰ্গামন্দিৰৰ কালি দিনজোৰা কাৰ্যসূচীৰে আনুষ্ঠানিক দ্বাৰ মুকলি কৰা হয়। উল্লেখ্য যে শতবৰ্ষৰো অধিক কাল আগেয়ে চাপৰৰ সত্যপুৰবাসীয়ে সৰু চাৰি বেৰৰ মন্দিৰত দুৰ্গা দেৱীৰ বেদী স্থাপনেৰে দেৱী আৰাধনাৰ পৰম্পৰা আৰম্ভ কৰিছিল। কালক্ৰমত মন্দিৰৰ নিৰ্মাণৰ কিছু উন্নত কৰিছিল যদিও যোৱা ২০১১ত স্থানীয় ৰাইজে আটক ধুনীয়াকৈ মন্দিৰটোৰ পুনৰ্নিৰ্মাণৰ পৰিকল্পনা কৰে আৰু সেই মতে ৰাইজৰ বৰঙণিৰে নিৰ্মাণকাৰ্য আৰম্ভ কৰে। সত্যপুৰ গাঁৱৰ কিছু জ্যেষ্ঠ আৰু সক্ৰিয় যুৱকে পুনৰ্নিৰ্মাণ কাৰ্যৰ গুৰি ধৰি এটা দশকৰো অধিক কালৰ পৰিশ্ৰমত দুৰ্গা মন্দিৰটোৰ পুনৰ্নিৰ্মাণ সম্পূৰ্ণ কৰি তোলে। পুনৰ্নিৰ্মিত এই ঐতিহ্যমণ্ডিত মন্দিৰটোৰ কালি



বৈদিক পূজা অৰ্চনাৰ লগতে বিভিন্ন কাৰ্যসূচীৰে দ্বাৰ মুকলি কৰে । কাৰ্যসূচী অনুযায়ী পুৱা ৮-৩০ বজাত স্থানীয় বয়োজ্যেষ্ঠা তথা ভক্তি পৰায়ণ মহিলা ৰমলা দাসে নৱনিৰ্মিত মন্দিৰ গৃহটোৰ আনুষ্ঠানিকভাৱে দ্বাৰ মুকলি কৰে। তাৰ পাছতে সমবেত দুই শতাধিক ভক্তি পৰায়ণ ৰাইজৰ উপস্থিতিত উৰুলি-শংখধ্বনিৰে বৈদিক পূজা অৰ্চনা আৰম্ভ হয়। পৰৱৰ্তী কাৰ্যসূচীত স্মৃতি তৰ্পণ অনুষ্ঠানৰ আৰম্ভ কৰে বৰ্ষীয়ান শিক্ষাবিদ ভৱানন্দ মেধিয়ে। তাৰ পাছত আই নাম দল আৰু বহলপুৰ নাগাৰা নাম দলে পৰিৱেশন কৰা আই নাম আৰু নাগাৰা নামে পৰিৱেশটো ভক্তিময় কৰি তোলে। বিয়লি তিনি বজাত মন্দিৰ নিৰ্মাণ সমিতিৰ সভাপতি নিৰঞ্জন দাসৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত হয়। সভাত ভাষণ প্ৰসংগত শিক্ষাবিদ ভৱানন্দ মেধিয়ে মন্দিৰ স্থাপনৰ ইতিবৃত্তৰ লগতে অঞ্চলটোৰ পৰিৱৰ্তিত ইতিবৃত্ত সম্পৰ্কে বিৱৰণ দাঙি ধৰে। এই সভাতে মন্দিৰ নিৰ্মাণ সমিতিৰ সভাপতি নিৰঞ্জন দাস, সম্পাদক পৰিমল দাস আৰু দুৰ্গা পূজা উদ্‌যাপন সমিতিৰ সম্পাদক মানস প্ৰতিম দাসে প্ৰস্তুত কৰা মন্দিৰ নিৰ্মাণৰ আয়-ব্যয়ৰ হিচাপৰ খতিয়ান আৰু মন্দিৰ স্থাপনৰ ঐতিহাসিক প্ৰতিবেদনখন পাঠ কৰে শিক্ষক শ্যামল দাসে। সভাখনত অংশগ্ৰহণ কৰি স্থানীয় বিশিষ্ট ব্যক্তি ক্ৰমে নিৰোদ দাস, ৰমেন দাস, বিনয় দাস, সমীত মেধি আদিয়ে ভাষণ প্ৰদান কৰে। শলাগৰ শৰাই আগবঢ়ায় অগ্ৰণী যুৱক ভূপাংকৰ দাসে। অন্তিম কাৰ্যসূচী অনুসৰি সন্ধিয়া বন্তি প্ৰজ্বলন আৰু নাম প্ৰসংগ অনুষ্ঠিত হয়।

# ভাষা প্ৰয়োগত আমিনুলক সংযম হোৱাৰ আহ্বান সত্ৰাধিকাৰৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ৬ জুন ঃ** বটদ্ৰৱাৰ আকাশী গংগাৰ সুৰক্ষাৰ বাবে নগাঁও জিলা উপায়ুক্তক আজি সাক্ষাৎ কৰে বটদ্ৰৱাৰ শ্ৰীশ্ৰী নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী আৰু এটি সঁজাতী দলে। উপায়ুক্তক সাক্ষাৎ কৰাৰ পাছত সত্ৰাধিকাৰজনে সাংবাদিকৰ আগত কয়, 'বটদ্ৰৱাৰ পৰিৱেশ বৰ্তমান শান্ত। বটদ্ৰৱাত কেৱল ধৰ্মৰ বিষয়ে আলোচনা হয়। সেয়ে তীৰ্থযাত্ৰীসকলৰ শংকাৰ কাৰণ নাই।' আনহাতে, ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলামৰ শেহতীয়া কেতবোৰ মন্তব্যৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সত্ৰাধিকাৰজনে কয়, 'আমিনুল ইছলামক ভাষা প্ৰয়োগৰ ক্ষেত্ৰত সংযম ৰক্ষা কৰিবলৈ আহ্বান জনাইছো। এনে কোনো কাম বা মন্তব্য নিদিবলৈ আহ্বান জনাইছো যিবোৰে শান্তি-সম্প্ৰীতি বিনষ্ট কৰিব পাৰে। তেওঁ কয়, 'বটদ্ৰৱা কাণ্ডৰ তদন্ত চলি আছে। আইনে সকলো সিদ্ধান্ত কৰিব। কিন্তু কোনো ধৰণৰ অশান্তিকৰ মন্তব্য সামাজিক মাধ্যমতেই হওঁক নাইবা অন্যান্য স্থানতেই হওঁক পৰিহাৰ কৰক।'

# জামুগুৰিহাটত দিহানাম প্ৰতিযোগিতা

## দুকুৰিৰো অধিক মহিলা দিহানাম দলৰ অংশগ্ৰহণ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ৬ জুন ঃ** প্ৰগতিশসীল উন্নয়ন মঞ্চ অসম, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ জামুগুৰি আঞ্চলিক সমিতি আৰু সেৱা স্প'ৰ্টিং ক্লাবৰ যৌথ উদ্যোগত বিগত বৰ্ষসমূহৰ দৰে কালি দিনজোৰা কাৰ্যসূচীৰে জামুগুৰিহাটস্থিত বাপুজী ভৱনত অবিভক্ত শোণিতপুৰ জিলা ভিত্তিত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰে দিহানাম প্ৰতিযোগিতা। কাৰ্যসূচী অনুসৰি জামুগুৰিহাটৰ প্ৰবীণ সমাজসেৱক অতুল কাকতিয়ে বৃক্ষৰোপণেৰে কাৰ্যসূচী আৰম্ভ কৰাৰ পাছতেই বিশ্ব পৰিৱেশ দিৱস উপলক্ষে সজাগতা যাত্ৰা অনুষ্ঠিত কৰে। বৰভগীয়া জিলা পৰিষদৰ সদস্যা পলি চুতিয়া বৰাই দিহানাম প্ৰতিযোগিতা উদ্বোধন কৰে। সন্ধিয়া দিহানাম প্ৰতিযোগিতাৰ বঁটা বিতৰণী সভাত উপস্থিত থাকে চতিয়া সমষ্টিৰ কেবিনেট মৰ্যাদাপ্ৰাপ্ত বিধায়ক পদ্ম হাজৰিকা। আনহাতে, দিহানাম প্ৰতিযোগিতাত প্ৰথম শ্ৰেষ্ঠ লক্ষিমী দিহানাম দলক দীপালী ৰাজখোৱা সোঁৱৰণী চলন্ত বঁটা-মানপত্ৰ আৰু ১০,০০১ টকা, দ্বিতীয় শ্ৰেষ্ঠ ভৰলী পৰীয়া দিহানাম দলক ভুৱন বৰা সোঁৱৰণী চলন্ত বঁটা-মানপত্ৰ আৰু



৭,০০১ টকা, তৃতীয় শ্ৰেষ্ঠ ঢেকেৰী গাঁও দিহানাম দলক মহেশ্বৰ দাস সোঁৱৰণী চলন্ত বঁটা-মানপত্ৰ আৰু ৫,০০১ টকা আৰু চতুৰ্থ শ্ৰেষ্ঠ কলীয়া গোসাঁই দিহানাম দলক থানেশ্বৰ দাস সোঁৱৰণী চলন্ত বঁটা-মানপত্ৰ আৰু ৩০০১ টকা প্ৰদান কৰা হয়। ইয়াৰ উপৰি প্ৰথম শ্ৰেষ্ঠ নামতি সমন্বয় দিহানাম দলক লক্ষী কটকী সোঁৱৰণী চলন্ত বঁটা-মানপত্ৰ আৰু ১৫০১ টকা, দ্বিতীয় শ্ৰেষ্ঠ নামতি পাতলৰচুক নাম ধৰ্ম সমাজক ৰীৱন দাস সোঁৱৰণী চলন্ত বঁটা-মানপত্ৰ আৰু ১০০১ টকা, শ্ৰেষ্ঠ শৃংখলাবদ্ধ চৈবাৰী দিহানাম দলক চলন্ত বঁটা-মানপত্ৰ আৰু ১৫০১ টকা, দ্বিতীয় শ্ৰেষ্ঠ শৃংখলা দল পাঞ্চজন্য, শ্ৰেষ্ঠ বাঁহীবাদক ঢেকেৰী গাঁও দিহানাম দলক নোমল দাস সোঁৱৰণী ১০০১ টকা আৰু মানপত্ৰ, প্ৰথম শ্ৰেষ্ঠ নাগাৰাবাদক তেজপুৰ জয়শীলক বদন চন্দ্ৰ দাস সোঁৱৰণী চলন্ত বঁটা-মানপত্ৰ আৰু ১৫০১ টকা আৰু দ্বিতীয় শ্ৰেষ্ঠ নাগাৰাবাদক পাণপুৰ চেঙেলী মৰা দিহানাম দলক ডিম্বেশ্বৰ শৰ্মা সোঁৱৰণী চলন্ত বঁটা-মানপত্ৰ আৰু ১০০১ টকাৰে পুৰস্কৃত কৰা হয়। শ্ৰেষ্ঠ খোলবাদক পাতলৰচুক গাঁৱৰ শংকৰ মাধৱ দিহানাম দলক প্ৰদান কৰা হয়। দিহানাম প্ৰতিযোগিতাত ৪০টাৰো অধিক দিহানাম দলে অংশগ্ৰহণ কৰে।

# বৃহত্তৰ আঠখেলীয়া অঞ্চলৰ বিধ্বস্ত বাট-পথ

## ■ পুনৰ নিৰ্মাণৰে অঞ্চলটোৰ ঐতিহ্য ৰক্ষা কৰিবলৈ মন্ত্ৰী নেওগলৈ আহ্বান



*চিৰাঙত হজযাত্ৰীক বিদায় সম্বৰ্ধনা জনোৱা অনুষ্ঠানত গছপুলি ৰোপণ।*

অগ্ৰদূত বাৰ্তা

**আঠখেলীয়া, ৬ জুন ঃ** উত্তৰ-পূব ভাৰতৰ ঐতিহ্যমণ্ডিত আহোম ৰাজত্বৰ গদাধৰ সিংহৰ কাৰ্যকালতে প্ৰতিষ্ঠা লাভ কৰা শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰৰ চাৰিওদিশৰ পকীপথসমূহ বিগত মাত্ৰ দুই/তিনিটা বছৰতে ভাগি-ছিঙি কদৰ্যময় হৈ পৰা পৰিৱেশক পুনৰ নতুনৰৈ সৰ্বাংগসুন্দৰ কৰি গঢ়ি তুলিবলৈ ৰাইজে স্থানীয় বিধায়িকা তথা ৰাজ্যৰ বিত্তমন্ত্ৰী অজন্তা নেওগলৈ আহ্বান জনাইছে। উল্লেখ্য যে আহোম ৰাজত্বকালৰ ১৬৭০-৮১ খ্ৰীষ্টাব্দৰ ল'ৰা ৰজাৰ শাষনকালত গদাপাণি কোঁৱৰে অতীতৰ মক্ৰং, ঘিলাধাৰী আৰু দিলশিৰি (পূৰ্বৰ কাকডোঙা নদী)ৰ সংগমস্থলৰ অটব্য অৰণ্যাবৃত্ত বৰ্তমানৰ আঠখেলীয়া নামঘৰস্থিত এই স্থানত থকা এগৰাকী ঋষিৰ আশ্ৰমত পলৰীয়া জীৱন কিছুদিন কটাইছিল। পৰৱৰ্তী সময়ত গদাপাণি কোঁৱৰ ৰজা হৈ ১৬৮১ খ্ৰীষ্টাব্দত পূৰ্বৰ সেই ঋষি, সিদ্ধপুৰুষ জনাৰ সেৱা শুশ্ৰূষাৰ বাবে আঠজন লোকক এই স্থানলৈ পঠায়। কালক্ৰমত এই আঠজন লোকৰ সংখ্যা বৃদ্ধি হৈ নাঙল কুৰি, বামুণ কুৰি, কছাৰি কুৰি, বৈৰাগী কুৰি, শলাল কুৰি, বৰাহী কুৰি, বচা কুৰি আৰু কাকতি কুৰি নামেৰে আঠটা খেলৰ আঠখেলীয়া নামঘৰৰ সৃষ্টি হয় আৰু সেই যুগৰে পৰা আঠটা খেলৰ তত্বাৱধানত অদ্যপৰিমিত সনাতন বৈষ্ণৱ ধৰ্মীয় পৰম্পৰাৰে গোলাঘাটৰ দক্ষিণ-পূৰ অংশত এই ধৰ্মীয় অনুষ্ঠান ভাগি চলি আছে।

সনাতন বৈষ্ণৱ ধৰ্মীয় ক্ষেত্ৰ আঠখেলীয়া নামঘৰৰ মহাত্ম্যই উত্তৰ-পূব ভাৰতত আজিৰ সময়ত বহু অতুলীয় কিংবদন্তিৰ বাৰ্তাবাহক হৈ পৰিছে। বিগত ২০০১ৰ পৰৱৰ্তী সময়ত অসমৰ শাষকীয় পক্ষসমূহে আঠখেলীয়া নামঘৰৰ বৃহৎ অঞ্চলক সামৰি অঞ্চলটোৰ বাট-পথৰ পৰা বিদ্যালয়, চিকিৎসালয়, ব্যৱসায়িক কেন্দ্ৰসমূহৰ প্ৰভুত উন্নতি সাধন কৰি আহিছে। এই ক্ষেত্ৰত বিশেষকৈ গোলাঘাট সমষ্টিৰ ২০০১-২০২২/২৩ লৈকে অৰ্থাৎ বৰ্তমানৰ বিধায়িকা তথা ৰাজ্যৰ বিত্তমন্ত্ৰী (পূৰ্বৰ সমাজ কল্যাণ, গড়কাপ্তানী বিভাগৰ কেবিনেট মন্ত্ৰী)ৰ কাৰ্যকালত আঠখেলীয়া অঞ্চলটো আবৰি থকা গোলাঘাট পূব উন্নয়ন আৰু গমাৰিগুৰি উন্নয়ন খণ্ডৰ অধীনস্থ প্ৰায় প্ৰতিটো গড়কাপ্তানী, পঞ্চায়তী পথ নতুনকৈ নিৰ্মাণ কৰাই নহয় নামঘৰ অঞ্চলৰ কাকডোঙা, কলিয়াপানী, মক্ৰং, ঘিলাধাৰী আদি প্ৰায় প্ৰতিখন নদীৰ বান প্ৰতিৰোধ কৰাৰ ব্যৱস্থা লৈ অঞ্চলটোৰ লক্ষ লক্ষ জনতাৰ উন্নতি সাধন কৰিছে বুলি সমষ্টিৰ জনতাই তেওঁৰ শলাগ লৈ আহিছে। কিন্তু উল্লেখনীয় বিষয় যে ৰাজ্যত ভাৰতীয় জনতা দলৰ শাসন আৰম্ভ হোৱাৰ পৰৱৰ্তী (২০১৬ৰ পাছত) সময়ৰ পৰা এই বৃহৎ অঞ্চলটোত উন্নয়ন ব্যাহত হৈ পৰাত ইতিপূৰ্বে তেওঁৰ কাৰ্যকালত নিৰ্মিত আৰু মেৰামতি হোৱা প্ৰায় প্ৰতিটো ৰাজ্যৰ লোকনিৰ্মাণ বিভাগৰ পথ ভাঙি-ছিঙি উৰলি যোৱাত যাতায়াতৰ ক্ষেত্ৰত জনতাই জীয়াতু ভোগাৰ আপত্তি উঠিছে. মন্ত্ৰীগৰাকীৰ চলিত কাৰ্যকালতে বৰ্তমান ধ্বংসপ্ৰায় হোৱা পথসমূহ পুনৰ উপযুক্তভাৱে নিৰ্মাণ আৰু মেৰামতি কৰাৰ বাবে ৰাজ্যৰ বিত্তমন্ত্ৰীগৰাকীৰ প্ৰতি আঠখেলীয়াৰ বৃহৎ অঞ্চলৰ জনতাই আহ্বান জনাইছে।

## গুৱাহাটীৰ বিষ্ণু নিৰ্মলা ভৱনত মৈত্ৰী সন্মিলন

অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ৬ জুন ঃ** বিগত ২০০৫ত জন্মগ্ৰহণ কৰা কৃষ্টিপথাৰ সাহিত্য, সামাজিক, সাংস্কৃতিক কেন্দ্ৰই ২০২০ত বৰপেটা জিলাৰ বৰপেটাৰোড সাহিত্য সভাৰ ভৱনত 'কৃষ্টি এৱাৰ্ডছ ২০২০'ৰ অনুষ্ঠানত অসম-বংগ মাজত সম্প্ৰীতিৰ এনাজৰীডাল অধিক কটকটীয়া কৰাৰ লগতে অসমীয়া ভাষা-সাহিত্য, সংস্কৃতিৰ চৰ্চা পশ্চিমবংগৰ বুকুত আগবঢ়াই লৈ যোৱাৰ বাবে অসম-বংগ মৈত্ৰী সন্মিলনৰ কথা ঘোষণা কৰিছিল আৰু তাৰ আৰম্ভণিৰূপে ২০২১ৰ ১৩ ফেব্ৰুৱাৰীত পশ্চিমবংগৰ শান্তি নিকেতনৰ গীতাঞ্জলি কমপ্লেক্সত প্ৰথম সন্মিলন অনুষ্ঠিত কৰা হয়। কলকাতাৰ আনন্দ মুখৰ সাহিত্য পত্ৰিকাৰ স'তে যৌথভাৱে অনুষ্ঠিত কৰি অহা অসম বংগৰ মৈত্ৰী সন্মিলন এইবেলি গুৱাহাটীৰ বিষ্ণু নিৰ্মলা ভৱনত অহা ১১ জুনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব বুলি কৃষ্টিপথাৰ'ৰ প্ৰতিষ্ঠাপক তথা প্ৰধান সম্পাদক মহানন্দ সৰকাৰ দত্তই জানিবলৈ দিছে। অনুষ্ঠানত দুয়োখন ৰাজ্যৰ শতাধিক কবি, সাহিত্যিক, সাংবাদিক, সমাজকৰ্মী উপস্থিত থকাৰ লগতে অনুষ্ঠানত অসম-বংগ মৈত্ৰী সন্মান, ড° ভূপেন হাজৰিকা স্মাৰক সন্মান, বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰ স্মৃতি সন্মান, হেমাংগ বিশ্বাস স্মৃতি সন্মান, অসম-বংগ মৈত্ৰী সমাজ সেৱা সন্মান, ভাৰত বন্ধু সন্মান, সমন্বয় বঁটা সন্মানসমূহ প্ৰদান কৰা হ'ব বুলি এক বিবৃতিত উল্লেখ কৰে যে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ স'তে জড়িত প্ৰায় সকলোৰেই বাংলা ভাষা বুজি পায়, পঢ়িব পাৰে, পঢ়ে আৰু তাৰ বাবেই বাংলা কাব্য, সাহিত্যৰ স'তে জড়িত কবি, লেখকসকলৰ অনুভৱৰ গভীৰতা সম্পৰ্কে আমি ধাৰণা ল'ব পাৰো। অসমীয়া ভাষা চৰ্চাৰ স'তে জড়িত কবি, সাহিত্যিকসকলৰ চিন্তা-চৰ্চাৰ গভীৰতা বাংলা কাব্য, সাহিত্যিক লগত জড়িতসকলে সূক্ষ্মভাৱে অনুভৱ কৰিব লাগিলে অসমীয়া গ্ৰন্থ বাংলালৈ অনুবাদ হোৱাৰ উপৰি অসমীয়া ভাষাৰ গ্ৰন্থসমূহ বাংলা ভাষাৰ কবি, সাহিত্যিক তথা পঢ়ুৱৈসকলে পঢ়িব পাৰিব লাগিব বুলি কয়।

## বৰকুৰিহা গংগাপুখুৰী পাৰত পুনৰ নিৰ্মিত বাসন্তী দেৱী মন্দিৰৰ উন্মোচন



অগ্ৰদূত বাৰ্তা

**বৰভাগ, ৬ জুন ঃ** 'আমাৰ সকলোৰে শিপাৰ প্ৰতি টান থাকিব লাগে। মই সদায় নলবৰীয়া বুলি কৈহে ভাল পাওঁ। নলবাৰীৰ কথিত ভাষাক লৈ কৌতুক কৰিলে মোৰ খং উঠে। মই বুলি কোনো কাম নহয়, সদায় আমি ভাবেৰে কাম কৰিব লাগে। পাৰিম বুলি ভাবিলে সকলো কামেই সমাধা হয়। মহিলাসকলে যেতিয়া শক্তিশালী হ'ব তেতিয়াহে সমাজ আগবাঢ়ি যাব।' এই মন্তব্য গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজাৰ। যোৱা পাঁচজুনত নলবাৰী জিলাৰ দক্ষিণ প্ৰান্তৰ বৰভাগৰ অন্তৰ্গত ঐতিহাসিক গাঁও বৰকুৰিহাৰ গংগাপুখুৰী পাৰত পুনৰ নিৰ্মিত বাসন্তী দেৱীৰ মন্দিৰৰ দ্বাৰ মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে। মহাবিষ্ণু যজ্ঞ আৰু বাসন্তী পূজা শতবৰ্ষ প্ৰস্তুতি আৰু নিৰ্মাণ সমিতিৰ সভাপতি প্ৰদীপ কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত মহাবিষ্ণু যজ্ঞ আৰু বাসন্তী আৰু নিৰ্মাণ সমিতিৰ সম্পাদক মুকুল তালুকদাৰে আদৰণি ভাষণ আগবঢ়ায়। সভাত জিএমডিৰএৰ অধ্যক্ষ নাৰায়ণ ডেকা, বিশিষ্ট শল্য চিকিৎসক ডাঃ ভূপেশ চন্দ্ৰ শৰ্মা, নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, বিশিষ্ট চিকিৎসক ডাঃ মধুৰাম বৈশ্য, অৱসৰপ্ৰাপ্ত শিক্ষক বাপুকণ ৰাজবংশী, প্ৰধান শিক্ষক কমল মেধি, অৱসৰপ্ৰাপ্ত প্ৰৱক্তা মুকুল কলিতা, ডাঃ ভূষণ চন্দ্ৰ ৰায়মেধি, অৱসৰপ্ৰাপ্ত অধ্যাপিকা দিপীকা ৰায়মেধি মজুমদাৰ আদিয়ে উপস্থিত থাকে। সভাৰ আৰম্ভণিতে শিক্ষক তথা সংগীত শিল্পী হৰেণ কলিতাৰ দ্বাৰা গংগাপুখুৰীক কেন্দ্ৰ কৰি ৰচিত আৰু সুৰাৰোপিত তথা বৰকুৰিহাৰ উদীয়মান ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত সমৱেত সংগীত আৰু বৰকুৰিহাৰ যুৱক তথা ইউএছটিএমৰ প্ৰৱক্তা ড° ৰঞ্জন কলিতাৰ গীতে উপস্থিত ৰাইজক আপ্লুত কৰে। শিক্ষক সঞ্জীৱ (বিজু) মহাজনে আঁত ধৰা সভাৰ পূৰ্বে পুনৰ নিৰ্মিত বাসন্তী দেৱীৰ মন্দিৰটোৰ দ্বাৰ মুকলি কৰে বগৰীবাৰী মহামায়া থানৰ মুখ্য পুৰোহিত বিপিন চন্দ্ৰ শৰ্মাই। ইফালে, পুৱাৰ ভাগত শ্ৰীশ্ৰীমহাবিষ্ণু যজ্ঞ আৰু শ্ৰীশ্ৰীবাসন্তী পূজাৰ প্ৰতিষ্ঠাপক তাৰানাথ গোস্বামীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন, গছপুলি ৰোপণ আৰু গংগাপুখুৰীৰ পৰা আয়তীসকলৰ জলযাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সভাত অঞ্চলটোৰ ধৰ্মপ্ৰাণ লোকসকলে পুৱাৰে পৰা নৱনিৰ্মিত মন্দিৰ দৰ্শন কৰি দেৱীৰ চৰণত চাকি-বন্তি জ্বলাই সেৱা আগবঢ়ায়। সভাৰ অন্তত দুপৰীয়া ৰাজহুৱাকৈ দেৱীৰ চৰণত অৰ্পিত ভোগ ৰাইজে গ্ৰহণ কৰে।

## ঘগ্ৰাপাৰ-বৰাজোলত গুণোৎসৱত অংশগ্ৰহণ কৰি অভিভূত বহিঃনিৰীক্ষক



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৬ জুন ঃ** ৰাজ্যখনৰ অন্য কে'বাখনো জিলাৰ লগতে নলবাৰীতো চলা তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ কালি সামৰণি পৰে। জিলাখনৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ ২০১খন বিদ্যালয়ত চলা গুণোৎসৱত বহিঃনিৰীক্ষক, প্ৰশ্ন-পত্ৰ, ওএমআৰ আদিৰ কোনো সমস্যাৰ উদ্ভৱ হোৱা নাই যদিও প্ৰশ্ন-পত্ৰত থকা ছপা ভুলৰ বাবে একাংশ অভিভাৱক অসন্তুষ্ট হয়। আজি বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ অধীনস্থ বৰাজোল ছোৱালী হাইস্কুল, বৰাজোল আঞ্চলিক এম ই মাদ্ৰাছা, ধুৰকুছিয়াপাৰা প্ৰাথমিক বিদ্যালয় আদি ভ্ৰমণ কৰে সমগ্ৰ শিক্ষা অসমৰ ৰাজ্যিক তথ্য বিশ্লেষক ৰাজশ্ৰী শইকীয়াই। শিক্ষাখণ্ডটোৰ অন্যতম সমল ব্যক্তি সুভাষ বৰ্মনে পৰিদৰ্শন কালত তেওঁক সহযোগিতা আগবঢ়ায়। বৰাজোল ছোৱালী হাইস্কুলত কাৰ্যক্ৰমণিকাৰ দ্বিতীয়াৰ্ধত অনুষ্ঠিত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতি, মাতৃগোট, অভিভাৱক আৰু ছাত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠিত চমু সভাত শইকীয়াই কয় যে বিদ্যালয়বোৰ উন্নত মানৰ কৰাত গুণোৎসৱৰ দৰে অনুষ্ঠানে সহায় কৰিব। বহিঃনিৰীক্ষক হীৰেন কুমাৰ দাসে সমগ্ৰ কাৰ্য পৰিচালনা প্ৰত্যক্ষ কৰি সন্তুষ্টি ব্যক্ত কৰে। বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নৃপেন ডেকা আৰু বৰ্তমানৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক চৈয়দ আব্দুল হাকিমে বিদ্যালয়খনত বিজ্ঞানাগাৰ, কম্পিউটাৰ লেব'ৰেটৰি আদিৰ অভাৱৰ কথা উল্লেখ কৰে। পুৱাৰ ভাগতেই ঘগ্ৰাপাৰৰ জ্যেষ্ঠ সাংবাদিক বীৰেন কলিতা, তপন দাস, দ্বীজেন ডেকা আদিয়ে পৃথকে পৃথকে ভ্ৰমণ কৰি বিদ্যালয়বোৰৰ প্ৰধানেৰে বিভিন্ন দিশ আলোচনা কৰে। বৰাজোল আঞ্চলিক এম ই মাদ্ৰাছাৰ প্ৰধান কালীচৰণ কলিতাই বিদ্যালয়খনৰ সামগ্ৰিক অৱস্থাৰ ব্যাখ্যা কৰি কয় যে বিদ্যালয় ভৱনবোৰত কিছু মেৰামতিৰ প্ৰয়োজন হৈ পৰিছে। বহিঃপ্ৰত্যক্ষ কৰি সন্তুষ্টি ব্যক্ত কৰে। ধুৰকুছিয়াপাৰা প্ৰাথমিক বিদ্যালয়ৰ বহিঃনিৰীক্ষক হিচাপে উপস্থিত থকা জিলা ঔদ্যোগিক প্ৰতিষ্ঠানৰ প্ৰবন্ধক মোহাক্ষি দত্ত হাজৰিকাই বিদ্যালয়খনৰ সমগ্ৰ দিশ পৰ্যালোচনা কৰে।

### ■ গুণোৎসৱে আনিছে ইতিবাচক পৰিৱৰ্তন

## ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত টে'ট শিক্ষকৰ দুৰ্দশা

### ■ বিগত ন মাহে দৰমহাৰ পৰা বঞ্চিত একাংশ টে'ট শিক্ষক

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ৬ জুন ঃ** ৰাজ্যৰ শৈক্ষিক মান উন্নত কৰাৰ বাবে ৰাজ্যৰ বিদ্যালয়সমূহত শিক্ষা বিভাগে অনুষ্ঠিত কৰি আহিছে গুণোৎসৱ। পিছে কৰবাত যদি নাই শিক্ষক, আন কৰবাত নাই আকৌ বিদ্যালয় গৃহ। কিন্তু বিটিআৰত একাংশ শিক্ষকৰ দুৰৱস্থাই সেমেকাই তুলিছে গুণোৎসৱৰ উৎসাহ-উদ্দীপনা। প্ৰণিধানযোগ্য যে বিটিচি চুক্তিৰ ষষ্ঠ অনুসূচী অনুসৰি ২০১৫ ৰ ১০ ফেব্ৰুৱাৰীত বিটিচি পৰিষদে বিটিএডিত নিযুক্তি দিছিল একাংশ টে'ট শিক্ষকক। মাহেকত আঠ হেজাৰ দৰমহা দি এইসকল টে'ট শিক্ষকক নিযুক্তি দিছিল মাত্ৰ ছমাহৰ বাবে। কিন্তু পৰৱৰ্তী সময়ত শিক্ষকসকলৰ চাকৰিৰ ম্যাদ বঢ়াই গৈ থাকিল যদিও নাবাঢ়িল তেওঁলোকৰ দৰমহা। মাত্ৰ আঠ হেজাৰ টকাতে এইসকল শিক্ষকে আন শিক্ষকৰ দৰে দিনৰ দিনটো পঢ়ুৱাব লাগে ছাত্ৰ-ছাত্ৰীক। আনকি ন্যূনতম দৰমহাখিনিও মাহেকত নাপায়। ফলত এইসকল টেট উত্তীৰ্ণ শিক্ষক জাণ্ডুৰ খাই উঠিছে বিটিচিৰ শিক্ষা বিভাগৰ বিৰুদ্ধে। টে'ট উত্তীৰ্ণ হোৱাৰ উপৰি এইসকল শিক্ষক ডিএলএড ডিগ্ৰীধাৰী। সমগ্ৰ বিটিচি অঞ্চলত ৩৭৮ গৰাকী এনে টে'ট উত্তীৰ্ণ শিক্ষক আছে যিসকলে ন্যূনতম মাহিলি দৰমহাত বিগত আঠ বছৰে শিক্ষকতা কৰি আহিছে। আনহাতে, বিগত ন মাহে এইসকল শিক্ষকে লাভ কৰা নাই প্ৰাপ্য দৰমহা। তেনেস্থলত এইসকল শিক্ষকে অতিশীঘ্ৰে যোগ্যতাৰ ভিত্তিত তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ কৰিবলৈ দাবী উত্থাপন কৰিছে।

## বঙাইগাঁও জিলা অধিবিদ্যা পৰিষদৰ দশম দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ৬ জুন ঃ** বঙাইগাঁও জিলা অধিবিদ্যা পৰিষদৰ দশম দ্বি-বাৰ্ষিক অধিবেশনখন দিনজোৰা কাৰ্যসূচীৰে লেংটিছিঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদত অনুষ্ঠিত হয়। জিলাখনৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ক সামৰি গঠন হোৱা অধিবিদ্যা পৰিষদৰ দশম বাৰ্ষিক অধিবেশনৰ পতাকা উত্তোলন কৰে জিলা অধিবিদ্যা পৰিষদৰ সভাপতি তথা বঙাইগাঁও জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক জ্যোৎস্না ৰাণী বৰ্মনে। বন্তি প্ৰজ্বলন কৰে বিষয়ববীয়া হৰেশ্বৰ নাথে। স্মৃতি তৰ্পণ কৰে লেংটিছিঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি শিৱেন কুমাৰ ঘোষে। বৃষৰোপণ কৰে শিক্ষাবিদ ড° শশধৰ অধিকাৰীয়ে। গছ থাকিলেহে মানুহ জীয়াই থাকিব। গছপুলি ৰোপণ কৰি ইয়াৰ প্ৰতিপালন কৰাৰ মানসিকতাও গঢ়ি তুলিব লাগে বুলি কয় শিক্ষাবিদ ড° অধিকাৰীয়ে। ইয়াৰ পাছত আৰম্ভ হয় প্ৰতিনিধি সভা। আদৰণি ভাষণ দিয়ে পৰিষদৰ সম্পাদক ননীগোপাল ৰায়ে। সভাত বিদ্যালয়সমূহৰ পৰিদৰ্শক জ্যোৎস্না ৰাণী বৰ্মনক সভাপতি আৰু উত্তৰ শালমাৰা ডিপিএম হাইস্কুল প্ৰধান শিক্ষক সমীল ৰায়ক সম্পাদক হিচাপে লৈ নতুন সমিতি গঠন কৰা হয়। পাছত পৰিদৰ্শক বৰ্মনৰ সভাপতিত্ব আদৰণি সমিতিৰ সভাপতি নিবেদিতা দাসে উদ্দেশ্য ব্যাখা কৰা মুকলি সভাত পংকজ কুমাৰ শৰ্মাৰ সম্পাদনাত প্ৰকাশিত 'দালানৰ ৰিং' উন্মোচন কৰে জিলা অতিৰিক্ত উপায়ুক্ত শ্যামল ক্ষেত্ৰ গগৈয়ে। স্মৃতিগ্ৰন্থ উন্মোচন কৰি কয় যে প্ৰকৃতাৰ্থত এখন দেশৰ সামাজিক-সাংস্কৃতিক-শৈক্ষিক দিশটো শিক্ষকসকলৰ ওপৰত নিৰ্ভৰ কৰে।

## কহিনুৰ থিয়েটাৰৰ বেনাৰ ফলা কাৰ্যত জড়িত দুজনক আটক

বিশেষ সংবাদদাতা

**পাঠশালা, ৬ জুন ঃ** ভ্ৰাম্যমানৰ জন্মস্থান পাঠশালাত কহিনুৰ থিয়েটাৰৰ বেনাৰ পোষ্টাৰ ফলা কাৰ্যৰ লগত জড়িত দুজন যুৱকক কালি পাঠশালা আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হৈছে। কহিনুৰ থিয়েটাৰৰ প্ৰযোজক তপন লহকৰৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তিনিটাকৈ চিচি টিভি কেমেৰাৰ ফুটেজ চাই চিনাক্ত কৰে যুৱক দুজনক। ধৃত যুৱক দুজনে আৰক্ষীৰ সমুখত ইতিমধ্যে বেনাৰ ফলা কথা স্বীকাৰ কৰিছে। ইতিমধ্যে আৰক্ষীয়ে ধৃত যুৱক দুজনক ব্যক্তিগত জামিনত মুকলি কৰি দিছে। ইপিনে, পাঠশালা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ধৰ্মেন্দ্ৰ দাসে সাংবাদিকক জনোৱা মতে পাঠশালাত কহিনুৰ থিয়েটাৰৰ বেনাৰ ফলা কাৰ্যৰ লগত জড়িত থকাৰ বাবে পাঠশালাৰ কৌশিক তালুকদাৰৰ লগতে আন এজন যুৱকক আটক কৰিছে। আনহাতে, উক্ত ঘটনাৰ পাছতে কহিনুৰ থিয়েটাৰৰ প্ৰযোজক তপন লহকৰে বজালী জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপক ধন্যবাদ জনায় আৰু অন্য এখন ভ্ৰাম্যমাণ থিয়েটাৰৰ পৰিয়ালৰ সদস্য কৌশিকে কহিনুৰৰ বেনাৰ ফলা কাৰ্যক ধিক্কাৰ প্ৰদান কৰে।

## এম এন চি কলেজত কুইজ প্ৰতিযোগিতা সম্পন্ন



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৬ জুন ঃ** নলবাৰীৰ স্ত্ৰী শিক্ষাৰ অগ্ৰণী ঐতিহ্যমণ্ডিত মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ত জিলাভিত্তিত কালি এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। শিক্ষানুষ্ঠানখনৰ ছাত্ৰী একতা সভাৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাখনত নলবাৰী জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ ২৩ টা দলে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ গিৰীন্দ্ৰ কুমাৰ ভট্টই প্ৰতিযোগিতা উদ্বোধন কৰি বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপনৰ গুৰুত্ব আৰু তাৎপৰ্য ব্যাখ্যা কৰে। নলবাৰীৰ বিশিষ্ট অধিবক্তা পংকজ শৰ্মা আৰু জিলাখনৰ বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ সমল ব্যক্তি সুভাষ বৰ্মনে কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰে। মহাবিদ্যালয়খনৰ ইতিহাস বিভাগৰ অধ্যাপিকা অনিমা দত্ত আৰু ৰাজনীতি বিভাগৰ অধ্যাপিকা বন্তি হাজৰিকায়ো কুইজ পৰিচালনাত সহযোগিতা আগবঢ়ায়। ফলাফল অনুযায়ী নলবাৰী মহাবিদ্যালয়ৰ নৱজ্যোতি বৈশ্য আৰু সঞ্জু বৰ্মনে প্ৰথম, নিকিতা ৰহমান আৰু ভাৰ্গৱজ্যোতি কাকতিয়ে দ্বিতীয়, বৰভাগ মহাবিদ্যালয়ৰ দীপাংশু ভট্টাচাৰ্য আৰু নলবাৰী কলেজৰ কৰবী শৰ্মাই তৃতীয় স্থান লাভ কৰে।

### ■ নলবাৰী কলেজ শ্ৰেষ্ঠ

## ৰেব পৰ্টেলৰ দ্বিতীয় বৰ্ষপূৰ্তি উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**দিচাংমুখ, ৬ জুন ঃ** ২০২০ৰ পাঁচ জুনত জন্ম লাভ কৰা 'আজিৰ সংবাদ ২৪x৭ ডিজিটেল মাধ্যমৰ কালি দ্বিতীয় বৰ্ষপূৰ্তি উপলক্ষে শিৱসাগৰ নগৰৰ ঐক্যৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। তদুপলক্ষে অনুষ্ঠিত সভাৰ আঁত ধৰে আজিৰ সংবাদৰ সহযোগী সম্পাদক জয়জ্যোতি গগৈয়ে। সভাত অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতুল শৰ্মা ৰাজখোৱা, উপ-সভাপতি মনোজ বৰঠাকুৰ, সম্পাদক ৰাতুল বৰা, সহকাৰী সম্পাদক প্ৰদীপ ডেকা, সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য সমীৰণ ফুকন, আটাছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বসন্ত গগৈ, মটক স্বায়ত্তশাসিত পৰিষদৰ সদস্য প্ৰাণদ্বীপ মহন, শিৱসাগৰ জিলাৰ সভাপতি ভৈৰৱ মুণ্ডা, উপ-সভাপতি অতনু বৰা আদি উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। আজিৰ সংবাদৰ মুখ্য সম্পাদক কুমাৰ অভিজিৎ দুৱৰাই আদৰণি ভাষণ প্ৰদান কৰা সভাখনত জাৰ্নেলিষ্ট মুন্না আগৰৱালাক সম্বৰ্ধনা জনোৱা হয়। শতাধিক ৰাইজ উপস্থিত থকা সভাত শলাগৰ শৰাই আগবঢ়ায় আজিৰ সংবাদক কাৰ্যবাহী সম্পাদক পৰাগ শইকীয়াই।

## গোৰেশ্বৰৰ আনন্দৰাম বৰুৱা একাডেমীত এপিএছচিৰ কোচিং চেন্টাৰ মুকলি

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ৬ জুন ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গোৰেশ্বৰ অঞ্চলৰ নতুনকৈ প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান আনন্দৰাম বৰুৱা একাডেমীত আৰম্ভ কৰা হৈছে এপিএছচিৰ কোচিং চেন্টাৰ। চলিত বৰ্ষত জন্ম লাভ কৰা আনন্দ ৰাম বৰুৱা একাডেমীয়ে ছাত্ৰ-ছাত্ৰীৰ পাঠদানৰ লগতে বিভিন্ন সময়ত প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অৱতীৰ্ণ হ'ব পৰাকৈ উক্ত কোচিং ক্লাছৰ ব্যৱস্থা হাতত লৈছে। অসম লোকসেৱা আয়োগৰ প্ৰাক্তন পৰীক্ষা নিয়ন্ত্ৰক ডাঃ বাবুল চহৰীয়াৰ লগতে বহুকেইগৰাকী অভিজ্ঞ শিক্ষকৰ দ্বাৰা কোচিং চেন্টাৰত পাঠদান কৰিব বুলি জানিবলৈ দিয়ে একাডেমীখনৰ স্বত্বাধিকাৰী ইন্তাজুল আলমে।

## শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় সেৱা বাহিনীৰ নলবাৰীত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৬ জুন ঃ** নলবাৰী জিলাৰ ৩১ নম্বৰ ঘাইপথৰ দাঁতিৰ কটলাবৰকুছিত অৱস্থিত শ্ৰীমন্ত শংকৰদেৱ সাংস্কৃতিক প্ৰকল্পত শ্ৰীমন্ত শংকৰদেৱ সংঘই কেন্দ্ৰীয়ভাৱে বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰে। কেন্দ্ৰীয় সেৱা বাহিনীৰ উদ্যোগত আৰু কেন্দ্ৰীয় শিশু আই মাতৃ কল্যাণ শাখা সমিতিৰ সহযোগত শ্ৰীমন্ত শংকৰদেৱ সংঘ নলবাৰী জিলা সেৱা বাহিনী আৰু জিলা শিশু আই মাতৃ কল্যাণ শাখা সমিতিৰ আতিথ্যত। ৰাতিপুৱা সাত বজাত জিলা সেৱা বাহিনীৰ পৰিচালনাত নাম প্ৰসংগ কৰা হয়। পুৱা কেন্দ্ৰীয় সেৱা বাহিনীৰ মুখ্য অধিনায়ক তপন কুমাৰ ৰায়ৰ আহ্বান মৰ্মে সংঘৰ মুখ্য উপদেষ্টা ভবেন্দ্ৰ নাথ ডেকাই প্ৰাৰ্থনাৰে অনুষ্ঠানৰ আৰম্ভ কৰে। উল্লেখ্য যে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মুখ্য উপদেষ্টা ভবেন্দ্ৰ নাথ ডেকা, উপ-পদাধিকাৰ বসুন্ধৰ ডেকা, প্ৰধান সম্পাদক বাবুল বৰা, যুটীয়া সম্পাদক ডাঃ দুৰ্লভ পাঠক, বন আৰু পৰিৱেশ বিভাগৰ



সঞ্চালক তথা ব্ৰেণ্ড এম্বেচাদৰ আনন্দ খাটনিয়াৰ, জিলা শাখাৰ সভাপতি বৈকুণ্ঠ কলিতা, অসম বৃক্ষৰোপণ আৰু শস্য উন্নয়ন নিগমৰ অধ্যক্ষ অশোক শৰ্মা, উপাধ্যক্ষ প্ৰফুল্ল চন্দ্ৰ বৰা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় শিশু আই মাতৃ কল্যাণ শাখা সমিতিৰ সভানেত্ৰী কিৰণ শইকীয়া বৰা, বিশ্ব মহাবীৰ চিলাৰায় মেম'ৰিয়েল মিছন, প্ৰকল্পৰ সম্পাদক সুবোধ চন্দ্ৰ ডেকাৰ উপৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে গছপুলি ৰোপণ কৰে। পুৱা ১০ বজাত সজাগতা সভা অনুষ্ঠিত হয়। আদৰণি সমিতিৰ সভাপতি দীপক কুমাৰ বৈশ্যই আঁতধৰা অনুষ্ঠানত মুখ্য উপদেষ্টা ভবেন্দ্ৰ নাথ ডেকাই কয় যে প্ৰকৃতি সুৰক্ষিত নহ'লে প্ৰাণী জগত সুৰক্ষিত নহয়। সম্প্ৰতি মানুহৰ সচেতনতাৰ অভাৱত গছ-গছনিৰ সংখ্যা হ্ৰাস হৈ আহিছে। ফলত পৃথিবীত অক্সিজেনৰ পৰিমাণ বহুলাংশে হ্ৰাস পাইছে। তেওঁ জনসাধাৰণক গছপুলি ৰোপণত সজাগ হ'বলৈ আহ্বান জনায়। সজাগতা সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাকে প্ৰমুখ্যে কৰি বিশিষ্ট ব্যক্তিসকলে পৰিৱেশ সজাগতাৰ ওপৰত ভাষণ দিয়ে। উল্লেখ্য যে অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘই ৰাজ্যখনত আজিৰে পৰা ৩০ লাখ গছপুলি ৰোপণৰ কাৰ্যসূচী গ্ৰহণ কৰা হয় বুলি ঘোষণা কৰে।

## অবৈধ কাঠফলা কলসহ বৃহৎ পৰিমাণৰ কাঠ জব্দ



অগ্ৰদূত বাৰ্তা

**চাপৰ, ৬ জুন ঃ** 'আই ভেলী বন সংমণ্ডল'ৰ অধীনস্থ 'বহলপুৰ আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়'ৰ অন্তৰ্গত চাপৰৰ আইৰমাৰী গাঁৱত কালি বিয়লি প্ৰায় ডেৰ বজাত চাপৰৰ চক্ৰ বিষয়া তথা কাৰ্যবাহী দণ্ডাধীশ কবিতা ডেকাই চাপৰ আৰক্ষীৰ সহযোগত অতৰ্কিত অভিযান চলাই এটা অবৈধ কাঠফলা কল জব্দ কৰাৰ লগতে বৃহৎ পৰিমাণৰ চোৰাং কাঠ উদ্ধাৰ কৰে। জব্দকৃত চোৰাং কাঠখিনিৰ বজাৰ মূল্য পাঁচ লাখ টকা হ'ব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে মেস্কাঝাৰ গাঁৱৰ আকবৰ আলী আৰু তবিলুদ্দিন নামৰ কাঠৰ চোৰাং ব্যৱসায়ী দুটাই আইৰমাৰী গাঁৱৰ আইজুদ্দিন আলীৰ মাটিত এটা অবৈধ কাঠ ফলা কল বহুৱাই দীৰ্ঘ দিনৰে পৰা কাঠৰ চোৰাং ব্যৱসায় কৰাৰ ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছিল। কাঠৰ চোৰাং ব্যৱসায়ী চক্ৰই বন বিভাগৰ দুৰ্নীতিগ্ৰস্থ বিষয়া-কৰ্মচাৰীৰ সৈতে গোপন বুজা বুজিৰে উক্ত চোৰাং ব্যবসায় বিনা বাধাই চলাই আহিছিল। উক্ত অবৈধ কাঠফলা কলটোত চোৰাং ব্যৱসায়ী চক্ৰই বৃহৎ পৰিমাণৰ কাঠৰ কুণ্ডা মজুত কৰি আজি কাঠ ফালি আছিল। স্থানীয় ৰাইজে এই সন্দৰ্ভত বহলপুৰৰ আঞ্চলিক বন বিষয়া উত্তম সেনাপতিক অভিযোগ দিয়ে যদিও বিষয়াগৰাকী বঙাইগাঁওত থকা বুলি কৈয়ে দায় সাৰে। পাছত এজন স্থানীয় সচেতন লোকে এই সন্দৰ্ভত চাপৰৰ চক্ৰ বিষয়া কবিতা ডেকাক অভিযোগ দিয়ে। উক্ত খবৰ লাভ কৰিয়ে চক্ৰ বিষয়া ডেকাই চাপৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰঞ্জিত কাকতিক জনায় আৰু আৰু আৰক্ষীৰ দল এটাক ঘটনাস্থলীত প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। পৰৱৰ্তী সময়ত চক্ৰ বিষয়া কবিতা ডেকাৰ স'তে চাপৰ থানাৰ উপ-পৰিদৰ্শক দ্বিজেন্দ্ৰ মেধিৰ নেতৃত্বত আৰক্ষীৰ দল এটা আইৰমাৰীত উপস্থিত হয়। অভিযানকাৰী দলটোৱে এটা অবৈধ কাঠ ফলা কলৰ লগতে চেগুন, শিশু, কঁঠাল, শাল আদি কাঠৰ ১৬০ টুকুৰা কুণ্ডা আৰু বৃহৎ পৰিমাণৰ ফলা কাঠ জব্দ কৰে। পাছত বহু পলমকৈ বহলপুৰৰ বনাঞ্চলিক বিষয়া উত্তম সেনাপতি আইৰমাৰীত উপস্থিত হৈ বিভাগীয় কামখিনি সম্পাদন কৰে। ইফালে, আৰক্ষীয়ে সোধা পোছৰ বাবে ফায়েজ আলী নামৰ লোক এজনক আটক কৰি থানালৈ আনিছে। বন বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে নিজৰ দায়িত্ব পালন নকৰাৰ বাবে আজি চক্ৰ বিষয়াই নিজেই অভিযান চলাবলৈ বাধ্য হয়। স্থানীয় ৰাইজে চক্ৰ বিষয়া কবিতা ডেকাৰ তৎপৰতাত সন্তুষ্টি প্ৰকাশ কৰিছে। ইপিনে, চাপৰ পৌৰসভাৰ অন্তৰ্গত চাপৰ বজাৰতো কাঠৰ একাংশ ব্যৱসায়ীয়ে দোকান খুলি কাঠৰ অবৈধ ব্যৱসায় দীৰ্ঘ দিনৰে পৰা চলাই আছে যদিও বন বিভাগ আজিলৈকে নিৰ্লিপ্ত হৈ থকাত ৰহস্যৰ সৃষ্টি হৈছে।

## গোৰেশ্বৰত চৰকাৰলৈ বাট নাচাই বান বিধ্বস্ত পথ মেৰামতি কৰিলে ৰাইজে

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ৬ জুন ঃ** সম অধিকাৰ, সম বিকাশৰ শ্ল'গান দিয়া বিজেপি আৰু ইউপিপিএল চৰকাৰৰ দিনতো চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিলৈ বাট নাচাই ৰাইজে নিজে পথ মেৰামতি কৰিবলৈ ওলাই আহিবলগীয়া হ'ল। তামুলপুৰ জিলাৰ গোৰেশ্বৰত বানত বিধ্বস্ত হোৱা এটা পথ মেৰামতি কৰি যাতায়াত সুচল কৰিবলৈ নিজে হাতে-কামে লাগিল। গোৰেশ্বৰ গেৰুৱাত আইনা জানটোৱে অঞ্চলটোৰ পথটোৰ অতি ক্ষতিসাধন কৰে। প্ৰায় ৭০ ঘৰ লোকে অহা-যোৱা কৰা পথটো খহনীয়াই কিছুদিন পূৰ্বে বানে ক্ষতিসাধন কৰাৰ পাছতে যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিছে পাঁচ নম্বৰ গোৰেশ্বৰৰ ৰাইজে। ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ যোৱাৰ লগতে চিকিৎসালয়লৈ ৰোগীক নিবলৈ এখন বাহনো নোসোমায় পথটোৱে। সেয়েহে চৰকাৰলৈ বাট নাচাই ৰাইজে নিজে ধন সংগ্ৰহ কৰি বাঁহ-বেত যোগাৰ কৰি হাতে-কামে লাগিছে পথটো সুচল কৰিবলৈ। বিটিচি নিৰ্বাচনৰ সময় বৰ্তমানৰ গোৰেশ্বৰ সমষ্টিৰ পাৰিষদ পবিত্ৰ কুমাৰ বড়োৱে পথটো নিৰ্মাণ কৰি দিম বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও এতিয়া তেওঁ নিৰ্বাচন জয়ী হোৱাৰ পাছত প্ৰতিশ্ৰুতি পাহৰিলে বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপিত কৰিছে। শীঘ্ৰেই পথটোৰ যাতায়াত উপযোগী কৰিবলৈ পাৰিষদ তথা গোৰেশ্বৰ পৌৰ সভাৰ অধ্যক্ষ বড়োক আহ্বান জনাইছে।

# সন্ত্ৰাসবাদী কাৰ্যকলাপৰ যদি প্ৰমাণ আছে

*এক পৃষ্ঠাৰ পৰা* আনছাৰুল্লাহ বাংলাৰ দলৰ ১৬ জনকৈ সদস্যৰ ভিতৰত ধৃত মকিবুল হুছেইন পিএফআইৰ বৰপেটা জিলাৰ সভাপতি আছিল বুলি সদৰী কৰাৰ পাছতে আজি সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত পিএফআই, অসম ৰাজ্যিক সমিতিয়ে এক সংবাদমেলত দেশৰ সংবিধান বিৰোধী তথা সমাজ বিৰোধী কোনো কাৰ্যৰ লগত পপুলাৰ ফ্ৰন্ট জড়িত নহয় বুলি স্পষ্টীকৰণ দিয়ে। এই সন্দৰ্ভত সমিতিৰ সভাপতি আবুশ্বামা আহমেদ আৰু সাধাৰণ সম্পাদক ৰবিউল হুছেইনে সংবাদমেলত কয়, 'পপুলাৰ ফ্ৰন্ট অৱ ইণ্ডিয়াৰ বিৰুদ্ধে যি গোচৰ ৰুজু কৰা হৈছে, সেই গোচৰসমূহ মিছা আৰু মনেসজা। কালি আৰক্ষী বিষয়া নাথে যি কথা কৈছে, সেই কথাসমূহৰ কোনো ভিত্তি নাই আৰু অযুক্তিকৰ। পিএফআই-য়ে দেশৰ সংবিধান বিৰোধী কাম তথা সমাজ বিৰোধী কাৰ্যৰ লগত জড়িত নহয় আৰু যদি কোনোৱে সংবিধান বিৰোধী কাৰ্য কৰিছে তাৰ বিৰুদ্ধে আপোচবিহীনভাৱে সংগ্ৰাম কৰি আহিছো।' উল্লেখ্য যে জেহাদী বা যি সন্ত্ৰাসবাদৰ কথা কোৱা হৈছে, তেনেসমূহ কাৰ্যক পিএফআই-য়ে কোনোদিন প্ৰশ্ৰয় দিয়া নাই বুলি নেতাদ্বয়ে মন্তব্য কৰি সংগঠনটোৰ প্ৰতিজন সদস্যক সন্ত্ৰাসবাদ বিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে সদায় সজাগ কৰি আহিছে আৰু ২০১৫ত এই বিষয়ত এক সজাগতা অভিযান সমগ্ৰ দেশত চলোৱা হৈছিল বুলিও কয়। সমান্তৰালভাৱে সংগঠনটোৰ বিৰুদ্ধে দুদিনৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে অনা অভিযোগৰ ভিত্তিত একে সুৰতে আৰক্ষী বিষয়া নাথে সুৰ মিলাই কালি যি কথা কৈছে, তেওঁ যে মুখ্যমন্ত্ৰীৰ পুতলাৰূপে কাম কৰি আহিছে সেয়া প্ৰমাণ হৈছে বুলি তেওঁলোকে অভিযোগ কৰি পুনৰ কয়, 'দেশৰ পিছপৰা প্ৰতিটো শ্ৰেণী অৰ্থাৎ মুছলমান, দলিত, আদিবাসী যিয়েই নহওক কিয়, এই পিছপৰা সম্প্ৰদায়সমূহৰ উন্নয়নৰ কাৰণে পপুলাৰ ফ্ৰন্টে কাম কৰি আহিছে। যদি আমাৰ কাৰ্যকলাপ ৰাষ্ট্ৰবিৰোধী বা জেহাদীৰ লগত সম্পৰ্ক থকাৰ প্ৰমাণ আছে, মুখ্যমন্ত্ৰী-অসম আৰক্ষীয়ে ৰাজহুৱা কৰক, আমি প্ৰত্যাহ্বান জনাইছো।'

ইফালে, পিএফআইৰ বিৰুদ্ধে অসম আৰক্ষীয়ে নিজাববীয়াকৈ গ্ৰহণ কৰা গোচৰৰ প্ৰসংগ উত্থাপন কৰি নেতাদ্বয়ে কয়, 'স্বয়ং মুখ্যমন্ত্ৰীয়েই এটা বিশেষ সম্প্ৰদায়ক লক্ষ্য কৰি ঘৃণনীয় মন্তব্য সময়ে সময়ে প্ৰকাশ কৰি আহিছে। সমান্তৰালভাৱে বিজেপি নেতা শিলাদিত্য দেৱ, সত্যৰঞ্জন বৰা আদিয়ে কিদৰে এটা বিশেষ সম্প্ৰদায়ক লক্ষ্য কৰি ৰাজ্যখনত এক সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টি কৰিবলৈ অহৰহ বক্তব্য প্ৰদান কৰি আহিছে; কিন্তু এই দিশসমূহ অসম আৰক্ষীয়ে দেখা নাপায়। এনেবোৰ কাৰ্য কিয় নিজাববীয়াকৈ গোচৰ ল'ব নোৱাৰে আৰক্ষীয়ে? নিজে যদি নোৱাৰে, এই ক্ষেত্ৰত ৰাইজে দিয়া অভিযোগসমূহ কিয় গ্ৰহণ নকৰে আৰক্ষীয়ে? আজি বহিঃৰাজ্যৰ ঘটনাৰ ওপৰত কথা কোৱাৰ বাবে পিএফআইৰ বিৰুদ্ধে অসম আৰক্ষীয়ে গোচৰ পঞ্জীয়ন কৰে। চৰকাৰ পক্ষক সমালোচনা কৰাৰ বাবে বহিঃৰাজ্যৰ বিধায়কক গ্ৰেপ্তাৰ কৰি জেলত ভৰাব পাৰে, অথচ মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি বিজেপি নেতা-মন্ত্ৰী বিধায়ক বা সত্যৰঞ্জন বৰা, শৃংখল চলিহাই প্ৰতিনিয়ত অসাংবিধানিক তথা ঘৃণনীয় বক্তব্যৰে সাম্প্ৰদায়িক বিষবাষ্প বিয়পাই থকাটো অসম আৰক্ষীৰ চকুত নপৰে। এনে দিশসমূহে স্পষ্ট কৰে যে অসম আৰক্ষী এতিয়া নিৰপেক্ষ হৈ থকা নাই।' উল্লেখ্য যে স্বচ্ছ আৰু নিকা প্ৰশাসনৰ শ্ল'গান দিয়া চৰকাৰৰ স্বয়ং মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে উত্থাপিত পিপিই কিট কেলেংকাৰিয়ে দেশজুৰি চৰ্চা লাভ কৰাৰ বাবেই ইয়াক তল পেলাবলৈ পিএফআইৰ বিৰুদ্ধে এনে মিছা অভিযোগ অনা হৈছে বুলি সংগঠনটোৱে সদৰী কৰে।

# সম্প্ৰসাৰণক লৈ ঘনে ঘনে সলনি দৃশ্যপট

*এক পৃষ্ঠাৰ পৰা* মন্ত্ৰীৰ ক্ষেত্ৰত ল'বলগীয়া সিদ্ধান্ত মুখ্যমন্ত্ৰীয়ে গ্ৰহণ কৰিব।

ইপিনে, সম্ভাব্য নতুন মন্ত্ৰীক লৈ দিছপুৰত ঘনে ঘনে দৃশ্যপট সলনি হৈছে। অৱশ্যে ইয়াৰ মাজতে ডিমা হাছাওৰ বিধায়িকা নন্দিতা গৰ্লোচাৰ সম্ভাৱনা বৃদ্ধি হৈছে। গৰ্লোচাৰ লগতে আৰু কোন বিধায়কৰ কপাল ফুলিব সেয়াহে এই সময়ত লাখটকীয়া প্ৰশ্ন হৈছে। ইতিমধ্যে ইউপিপিএলৰ মুৰব্বী তথা বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে ঘোষণা কৰিছে যে এই সম্প্ৰসাৰণত তেওঁলোকৰ দলৰ এজন বিধায়ক মন্ত্ৰী হোৱাটো নিশ্চিত হৈছে আৰু তাৰ আলোচনাও চূড়ান্ত হৈছে। কিন্তু এই দাবীৰ বিপৰীতে আজি দিছপুৰৰ সূত্ৰই উল্লেখ কৰে যে শেষ মুহূৰ্তত কেৱল নন্দিতা গৰ্লোচাক মন্ত্ৰিত্ব দিয়ে এইবাৰৰ সম্প্ৰসাৰণ মুখ্যমন্ত্ৰীয়ে শেষ কৰিব পাৰে। কাৰণ দ্বিতীয় মন্ত্ৰীজনক লৈ ব্যাপক চৰ্চা-বিতৰ্ক চলিছে। দিছপুৰৰ সূত্ৰটোৱে সদৰী কৰা মতে, এই সম্প্ৰসাৰণত দুজন মন্ত্ৰী অন্তৰ্ভুক্ত কৰিবলৈ যাওঁতে দ্বিতীয়জনৰ দাবীদাৰ বিভিন্নধৰণে ভুমুকি মাৰিছে। প্ৰথমজনৰ ক্ষেত্ৰতো দাবীদাৰ ওলাইছে যদিও সেয়া কেৱল পাঁচজন বিধায়কৰ মাজতে সীমিত। কাৰণ মুখ্যমন্ত্ৰীয়ে নিজে ঘোষণা কৰা মতে, এই সম্প্ৰসাৰণত ৰাজ্যৰ পাহাৰীয়া জিলা তিনিখনৰ বিধায়ক পাঁচজনৰ মাজৰ পৰা এজনে মন্ত্ৰিত্ব পাব। গতিকে টনা-আঁজোৰাৰ যুঁজখন কম-বেছি পৰিমাণে পাঁচজনৰ মাজতে সীমাবদ্ধ। দ্বিতীয় পদটোৰ বাবে বিজেপিৰ পুৰণি আৰু জ্যেষ্ঠ নেতাকো মন্ত্ৰিত্বৰ সুযোগ প্ৰদানৰ দাবী উত্থাপন হৈছে শেহতীয়াভাৱে। ফলস্বৰূপে মুখ্যমন্ত্ৰীয়ে দ্বিতীয়জন মন্ত্ৰীৰ ক্ষেত্ৰত পোনছাটেই সিদ্ধান্ত লোৱাত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। অৱশ্যে সম্প্ৰসাৰণৰ শেষ সিদ্ধান্ত মুখ্যমন্ত্ৰীয়েই গ্ৰহণ কৰিব বুলি চৰ্চা চলিছে। এইবাৰৰ সম্প্ৰসাৰণত লোকসভা সমষ্টি ভিত্তিত মন্ত্ৰিত্ব প্ৰদানৰ কৌশল গ্ৰহণ কৰা হ'ব পাৰে বুলি সূত্ৰটোৱে সদৰী কৰে। উল্লেখ্য যে ২০২৪ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। তাৰ বাবে দলক ক্ৰমান্বয়ে সাজু কৰিবলৈ ইতিমধ্যে বিজেপিৰ ৰাষ্ট্ৰীয় নেতৃত্বই সকলো ৰাজ্যক নিৰ্দেশনা দিছে। দিছপুৰৰ সূত্ৰ অনুসৰি লোকসভা নিৰ্বাচনৰ যুক্তিৰে মুখ্যমন্ত্ৰীয়ে সংসদীয় সমষ্টি ভিত্তিত মন্ত্ৰী বাছনিৰ কৌশল গ্ৰহণ কৰিব পাৰে। উল্লেখ্য যে মঙলদৈ সংসদীয় সমষ্টিত এজনো মন্ত্ৰী নাই। গতিকে তেওঁৰ ঘনিষ্ঠৰূপে নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাক সেই সুযোগ দিব বিচাৰিছে। বৰুৱাই মন্ত্ৰিত্ব পালে চন্দ্ৰমোহন পাটোৱাৰীক ধৰি নলবাৰী জিলাৰ দুজনে অসম মন্ত্ৰীসভাত স্থান পাব। ইয়াকে লৈ বিতৰ্ক হ'লে বৰুৱাৰ নাম লোকসভা সমষ্টিৰ ভিত্তিতহে চূড়ান্ত কৰা হয় বুলি যুক্তি দিয়াৰ দুৱাৰ খোলা থাকিব। এনেদৰে নলবাৰীৰ বিধায়কজনৰ নাম সম্ভাব্য মন্ত্ৰীৰ ৰূপত চৰ্চালৈং আহিছে। কিন্তু মুখ্যমন্ত্ৰীৰ তেনে কৌশল ৰাষ্ট্ৰীয় কেন্দ্ৰীয় নেতৃত্বৰ অনুমোদনৰ ভিত্তিতহে সফলকাম হ'ব। যদি তেনে নেতৃত্বই অনুমোদন নিদিয়ে তেনেহ'লে হয়তো এটা মন্ত্ৰীপদ পূৰণ কৰিয়ে এইবাৰৰ সম্প্ৰসাৰণ সামৰিব পাৰে মুখ্যমন্ত্ৰীয়ে।

দিছপুৰত অব্যাহত থকা এই চৰ্চাৰ মাজতো দলৰ জ্যেষ্ঠ নেতা তথা বিধায়কক মন্ত্ৰিত্বৰ সুযোগ দিয়াৰ দাবী স্তিমিত হোৱা নাই। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁয়ে কালি জ্যেষ্ঠ নেতা বিহালীৰ বিধায়ক ৰঞ্জিত দত্ত আৰু পূব গুৱাহাটীৰ সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ নাম কৌশলেৰে প্ৰকাশ কৰে। একেদৰে আন কে'বাজনো বিধায়কে নিজেই হওক অথবা কাৰোবাৰ সহায়ত মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণৰ চেষ্টা অব্যাহত ৰাখিছে। এইবোৰৰ মাজতে আজি মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে কয় যে তেওঁ মন্ত্ৰিত্ব আশা নকৰে। মন্ত্ৰিত্বৰ বাবে যুঁজ-বাগৰ কৰিও লাভ নাই; কিন্তু মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ জনগাঁথনিৰ ভিত্তিত হ'ব লাগে। সাংবাদিকৰ আগত দেউৰীয়ে কয়, 'অসমত জনজাতি মানুহে চৰকাৰ গঠনত মূল ভূমিকা লয়। আজি বিজেপিয়ে জনজাতি-জনগোষ্ঠীবোৰক ঐক্যবদ্ধ কৰি ৰাখিছে। জনজাতি ভোট বিভাজন হ'লে আমি চৰকাৰ গঠন কৰিব নোৱাৰিম। ভূমিপুত্ৰক বিশ্বাসত নল'লে সফল হ'ব নোৱাৰি। জনজাতীয় লোকক গুৰুত্ব নিদিলে যিকোনো ৰাজনৈতিক দলে পৰিণাম ভোগে। সেইকাৰণে জনগাঁথনিৰ ভিত্তিত মন্ত্ৰীসভা সম্প্ৰসাৰণ হ'ব লাগে।' আনহাতে, বিজেপিৰ পুৰণিসকল বঞ্চিত হৈ থকাৰ সন্দৰ্ভত দেউৰীয়ে কয় যে সেইবোৰ মানুহে কোৱা কথাহে। নতুন-পুৰণি বিচাৰ কৰাতকৈ যোগ্যতাৰ ভিত্তিত মন্ত্ৰিত্ব দিব লাগে। অৱশ্যে পুৰণি নেতা-কৰ্মীসকলৰ কষ্টৰ বিনিময়তহে বিজেপিয়ে আজি বৰ্তমানৰ অৱস্থা পোৱা বুলি দেউৰীয়ে কয়।

# আঁতৰাই পেলালে ভাৰতীয় সামগ্ৰী

*এক পৃষ্ঠাৰ পৰা* উপ-সাগৰীয় দেশসমূহত ভাৰতীয় সামগ্ৰী বৰ্জনৰ বাবে সামাজিক মাধ্যমৰ জৰিয়তে ক্ষুব্ধ দেশসমূহৰ আহ্বানৰ মাজতে কালি এই দেশসমূহৰ সকলো ৰাষ্ট্ৰদূতক তলৱ কৰে সংশ্লিষ্ট দেশৰ চৰকাৰে। কালি প্ৰথমতে কাটাৰে আৰু তাৰ পাছত ইৰান আৰু কুৱেইটে ভাৰতীয় ৰাষ্ট্ৰদূতক তলৱ কৰে। আনহাতে, এক বিবৃতিত বৈদেশিক মন্ত্ৰণালয়ে কয় যে বিতৰ্কিত টুইট আৰু মন্তব্যৰ স'তে ভাৰত চৰকাৰ কোনাপধ্যে জড়িত নহয়। এই আক্ৰমণাত্মক টুইট আৰু মন্তব্যই ভাৰত চৰকাৰৰ মতামত প্ৰতিফলিত নকৰে বুলিও বিবৃতিত স্পষ্ট কৰা হয়।

কাটাৰত ৰাষ্ট্ৰদূত দীপক মিট্টলে কয় যে কোনো পৰিস্থিতিত ভাৰত চৰকাৰৰ মতামত এই মন্তব্যসমূহে প্ৰতিফলিত নকৰে। এইবোৰ একাংশ লোকৰ ব্যক্তিগত মন্তব্য। নতুন দিল্লীত থকা কাটাৰ দূতাবাসৰ জ্যেষ্ঠ বিষয়াজনে কয় যে মোদী চৰকাৰে এই মন্তব্যসমূহৰ পৰা ৰাজহুৱাভাৱে নিজকে আঁতৰাই ৰাখিব লাগিব। 'আন ধৰ্মৰ আৱেগ-অনুভূতিক আঘাত কৰা কাৰ্যই অৰ্থনৈতিক সম্পৰ্ক পোনপটীয়াভাৱে ক্ষতিগ্ৰস্ত কৰিব পাৰে।' এইদৰে কয় বিষয়াজনে।

বিগত সপ্তাহত টিভিৰ এক বিতৰ্কৰ অনুষ্ঠানত নূপুৰ শৰ্মাই কৰা মন্তব্যক লৈ উপ-সাগৰীয় দেশসমূহত তীব্ৰ ক্ষোভৰ জুই জ্বলিছে। একেদৰে বিজেপিৰ সংবাদ কোষৰ মুৰব্বী নবীন জিন্দালে হজৰত মহম্মদক লৈ এটা বিতৰ্কিত টুইট প্ৰকাশ কৰাৰ পাছত মচি পেলায়। কালি বিজেপিয়ে এক বিবৃতিত কয় যে দলে আন ধৰ্ম অথবা সম্প্ৰদায়ৰ প্ৰতি কৰা উপলুঙা অথবা মানহানিকৰ যিকোনো ধৰণৰ মতাদৰ্শৰ বিৰোধী। বিজেপিয়ে এনে কোনো ব্যক্তি বা দৰ্শনক উৎসাহিত নকৰে বুলিও কয়। প্ৰসংগতে উল্লেখ্য যে কুৱেইট, কাটাৰ, ছৌদি আৰৱ, বাহৰেইন, ওমান আৰু সংযুক্ত আৰৱ আমিৰ শ্বাহীৰ উপ-সাগৰীয় সমন্বয় পৰিষদ (জিচিচি)ৰ স'তে ভাৰতৰ বাণিজ্যৰ মূল্য ২০২০-২১ত হ'ব ৯০ বিলিয়ন মাৰ্কিন ডলাৰ। এই জিচিচি দেশসমূহত কোটি কোটি ভাৰতীয়ই বসবাস কৰে অথবা কৰ্মৰত হৈ আছে। বৈদেশিক মন্ত্ৰণালয়ৰ তথ্য অনুসৰি উপ-সাগৰীয় দেশসমূহ বিদেশ ৰাষ্ট্ৰত কৰ্মৰতসকলৰ বাবে এক অতি গুৰুত্বপূৰ্ণ লক্ষ্যস্থলী। এই তথ্য অনুসৰি সমগ্ৰ বিশ্বতে কৰ্মৰত ভাৰতৰ এক কোটি ৩৫ লাখৰ ভিতৰত ৮৭ লাখেই উপ-সাগৰীয় দেশসমূহত কাম কৰে। তদুপৰি ভাৰতে বুজন পৰিমাণৰ সামগ্ৰী এই দেশসমূহলৈ ৰপ্তানি কৰে। বাণিজ্য মন্ত্ৰীৰ তথ্য অনুসৰি কুৱেইটে দেশৰ খাদ্য সামগ্ৰীৰ ৯৫ শতাংশই ভাৰতৰ পৰা আমদানি কৰে। শেহতীয়া বছৰসমূহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই শক্তি (ইন্ধন) প্ৰাচুৰ্যৰ দেশসমূহৰ স'তে অৰ্থনৈতিক সম্পৰ্ক শক্তিশালী কৰি তুলিছে। এই দেশসমূহ ভাৰতৰ ইন্ধনৰ আমদানিৰ বাবে সবাতোকৈ গুৰুত্বপূৰ্ণ দেশৰূপে বিবেচিত হয়।

### কুৱেইটত বৰ্জন ভাৰতীয় সামগ্ৰী

ইতিমধ্যে বিতৰ্কই অতি জটিল ৰূপে ধাৰণ কৰাৰ মাজতে কুৱেইটৰ ছুপাৰ মাৰ্কেটৰ ৰেকসমূহত সজাই থোৱা ভাৰতীয় সামগ্ৰী আঁতৰাই পেলোৱা হয়। ছুপাৰ মাৰ্কেটৰ ৰেকত থকা চাউল, মচলা তথা জলকীয়াৰ টোপোলাবোৰ প্লাষ্টিকেৰে মেৰিয়াই তাৰ ওপৰত এইদৰে আৰবী ভাষাত লিখি থোৱা হৈছে— আমি ভাৰতীয় সামগ্ৰী আঁতৰাই পেলাইছো। ইপিনে, এই বৃহৎ কোম্পানীটোৰ মুখ্য কাৰ্যবাহী বিষয়া নাছেৰ আল-মুটাইৰিয়ে কয়, 'আমি কুৱেইটি মুছলমান লোকে প্ৰফেটক উপলুঙা কৰাটো মানি নলওঁ।' এজন বিষয়াই কয় যে কোম্পানীটোৰ সকলোবোৰ ছুপাৰ মাৰ্কেটতে ভাৰতীয় সামগ্ৰী বৰ্জনৰ বিষয়টো বিবেচনাধীন হৈ আছে। তদুপৰি ইৰানে অতি আজি ভাৰতীয় ৰাষ্ট্ৰদূতক তলৱ কৰে। আল আৰ্ডিয়া কোঅপাৰেটিভ ছ'চাইটি ষ্ট'ৰৰ কৰ্মীসকলে আজি প্ৰতিবাদকল্পে ট্ৰলীত ভাৰতীয় চাহ আৰু অন্যান্য সামগ্ৰী দ'ম কৰে। ছৌদি আৰৱ, কাটাৰ আৰু অঞ্চলটোৰ অন্যান্য দেশসমূহৰ লগতে কাইৰ'ৰ প্ৰভাৱশালী আল-আজহাৰ ইউনিভাৰছিটিয়ে বিজেপিৰ মুখপাত্ৰৰ মন্তব্যৰ গৰিহণা দিয়ে। ইছলামৰ এক অন্যতম গুৰুত্বপূৰ্ণ অনুষ্ঠান আল-আজহাৰ ইউনিভাৰছিটিয়ে কয় যে এনে মন্তব্য প্ৰকৃত সন্ত্ৰাসবাদ। তদুপৰি ই সমগ্ৰ বিশ্বক ভয়াৱহ সংকট আৰু যুদ্ধৰ মাজলৈ ঠেলি দিব পাৰে। ছৌদি আৰৱৰ মুছলিম লীগে কয় যে এনে মন্তব্যই হিংসাক উচটনি দিয়ে। ছৌদি আৰৱৰ অতি আগশাৰীৰ অনুষ্ঠানে এনে মন্তব্যক ঘৃণনীয় কাৰ্য বুলি অভিহিত কৰে।

অধিক সমালোচনা কৰি ছখন উপ-সাগৰীয় ৰাষ্ট্ৰৰ ছত্ৰগোট গালৰ্ফ কোঅপাৰেছন কাউন্সিলে নূপূৰ শৰ্মাক মন্তব্যক গৰিহণা দিয়ে আৰু নস্যাৎ কৰে। একে সময়তে বাহৰেইনে শৰ্মাক নিলম্বিতকৰণৰ বিজেপিৰ সিদ্ধান্তক আদৰণি জনায়। উল্লেখ্য যে সম্প্ৰতি কাটাৰ ভ্ৰমণৰত দেশৰ উপ-ৰাষ্ট্ৰপতি ভেংকায়া নাইডুৰ বাবে আয়োজন কৰা নৈশভোজ বাতিল কৰা হয়। কাটাৰৰ উপ-আমিৰে এই নৈশভোজৰ আয়োজন কৰাৰ কথা আছিল। অৱশ্যে উপ-আমিৰ ক'ভিড আক্ৰান্তৰ সংস্পৰ্শলৈ অহাৰ বাবেই এনে কৰা হৈছে বুলি কোৱা হৈছে। উপ-ৰাষ্ট্ৰপতি নাইডু কাটাৰৰ ৰাজধানী ডোহাত উপস্থিত হোৱাৰ পূৰ্বে এই বাৰ্তা ভাৰতলৈ প্ৰেৰণ কৰা হৈছিল বুলি কোৱা হৈছে।

তিনিখনকৈ দেশে ভাৰতৰ ৰাষ্ট্ৰদূতক তলৱ কৰি ৰাজহুৱা ক্ষমা দাবী কৰাৰ লগতে ভাৰত চৰকাৰে ততালিকে এনে মন্তব্যৰ গৰিহণা দিব লাগে বুলি কোৱাক কেন্দ্ৰ কৰি পৰিস্থিতি জটিল হৈছে। এই পৰিস্থিতিতে নাইডুৰ নৈশ আহাৰক লৈ টনা-চৰ্চা বিয়পিছে। কুৱেইটত ভাৰতীয় দূতাবাসে কয় যে ৰাষ্ট্ৰদূতসকলে এনে টুইটে কোনোমতেই ভাৰত চৰকাৰৰ মতামত দাঙি নধৰে বুলি স্পষ্ট কৰি দিছে। ইতিমধ্যে এনে মানহানিকৰ মন্তব্য কৰাসকলৰ বিৰুদ্ধে শক্তিশালী পদক্ষেপ লোৱা বুলিও ৰাষ্ট্ৰদূতসকলে সংশ্লিষ্ট দেশসমূহৰ চৰকাৰক কৈছে। ইৰানৰ ৰাজধানী তেহৰানত ভাৰতীয় ৰাষ্ট্ৰদূতে এই কথা স্পষ্ট কৰি দিয়ে যে বিতৰ্কিত মন্তব্য কৰা দুই অভিযুক্তক ইতিমধ্যে দলে এনে মন্তব্যৰ বাবে বৰ্খাস্ত কৰিছে আৰু ভাৰত চৰকাৰত তেওঁলোকৰ কোনো অৱস্থিতি নাছিল।

সমান্তৰালভাৱে আজি পুৰা অৰ্গেইনাইজেছন অৱ ইছলামিক কোঅপাৰেছন (অ'আইচি)ৰ এক মন্তব্যৰ চোকা প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিবৃতিত ভাৰতৰ বৈদেশিক মন্ত্ৰণালয়ে কয় যে একাংশ নিৰ্দিষ্ট লোকেহে মন্তব্য কৰিছিল। ইয়াৰ দ্বাৰা ভাৰত চৰকাৰৰ মতামত প্ৰতিফলিত হোৱা নাই। 'ভাৰত চৰকাৰে অ'আইচি সচিবালয়ৰ অবাঞ্ছিত আৰু ঠেক মনৰ মন্তব্যক সজোৰে নস্যাৎ কৰে। সকলো ধৰ্মৰ প্ৰতি সৰ্বোচ্চ সন্মান দিয়ে ভাৰত চৰকাৰে। এজন ধৰ্মীয় ব্যক্তিত্বক লৈ কৰা হেয় মন্তব্য আৰু বিতৰ্কিত টুইট নিৰ্দিষ্ট লোকে কৰিছিল। ই কোনো কাৰণতে ভাৰত চৰকাৰৰ মতামত প্ৰতিফলিত নকৰে। ইতিমধ্যে সংশ্লিষ্ট প্ৰতিপক্ষই তেওঁলোকৰ বিৰুদ্ধে শক্তিশালী ব্যৱস্থা লৈছে।' এইদৰে স্পষ্ট কৰি দিয়ে বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰ অৰিন্দম বাগছীয়ে।

# স্থায়ী শান্তি-প্ৰগতিৰ বাবেই কাৰ্বি ৰাইজে বিজেপিক সমৰ্থন দিছে

*এক পৃষ্ঠাৰ পৰা* আংলঙলৈ আশাৰ ৰেঙণি কঢ়িয়াই আনিছে বুলি উল্লেখ কৰি তেওঁ কয় যে এই চৰকাৰৰ দিনতে পাৰ্বত্য জিলাখনত যাতায়ত, পৰ্যটন, চিকিৎসা সেৱা, শিক্ষা আদি সকলো ক্ষেত্ৰত আমূল পৰিৱৰ্তনৰ সূচনা হৈছে। কংগ্ৰেছৰ শাসনকালত কাৰ্বি আংলঙক গুৰুত্ব দিয়া হোৱা নাছিল বুলি সোণোৱালে সমালোচনা কৰে।

মন কৰিবলগীয়া যে কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ সাত নম্বৰ কপিলী আৰু ন নম্বৰ আমৰেং সমষ্টিত শেহতীয়াকৈ বিৰোধীৰ কঠোৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে বিজেপি। ফলস্বৰূপে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পাছত এইবাৰ প্ৰচাৰত নামিল প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল। এই দুয়োটা সমষ্টিতে বিৰোধী কংগ্ৰেছৰ প্ৰাৰ্থীয়ে ৰাইজৰ সঁহাৰি লাভ কৰা বুলি চৰ্চা হৈছে। বিজেপিৰ শক্তিশালী নেতাই সমষ্টি দুটাত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে মুখ্যমন্ত্ৰী ড° শৰ্মাই নিৰ্বাচনী প্ৰচাৰত প্ৰতিশ্ৰুতিৰ বন্যা বোৱাইছিল।

সামৰণিৰ প্ৰাকক্ষণত আজি কাৰ্বি পাহাৰত নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হয়। কাৰ্বি আংলঙত প্ৰচাৰ অভিযানৰ অন্তিম মুহূৰ্তলৈ অব্যাহত থাকে দল বাগৰাৰ ৰাজনীতি। পশ্চিম কাৰ্বি আংলং জিলাৰ ন নম্বৰ আমৰেং সমষ্টিৰ বিজেপি প্ৰাৰ্থী তেৰাংপীৰ ব্যৱহাৰত অসন্তুষ্ট হোৱাৰ অভিযোগ উত্থাপন কৰি ১২৩টা পৰিয়ালে বিজেপি এৰি কংগ্ৰেছত যোগদান কৰে। যোৱা নিশা দয়াংমুখত অনুষ্ঠিত বিজেপিৰ এক প্ৰচাৰ সভাত ১২৩ টা পৰিয়ালে নিশাটোৰ ভিতৰতে ৰীণা তেৰাংপি মুৰ্দাবাদ ধ্বনিৰে বিজেপি এৰি কংগ্ৰেছত যোগদান কৰে। কংগ্ৰেছ প্ৰাৰ্থী এলিচ ইংতিপীয়ে ফুলাম গামোচাৰে তেওঁলোকক সম্বৰ্ধনা জনায়।

বিজেপি প্ৰাৰ্থী তেৰাংপীয়ে আমৰেং সমষ্টিটোৰ ৰাংপুং, ছাৰ-উচা, লুমচাজেৰ, উমখৃমী, লুমুজেন, কমা-আংলং, লাংকেৰই, লাংতুকথেপি, খাচী গাঁওসমূহৰ লগতে ৰংপাংবং, তাপাত আদি অঞ্চলত বিগত সময়ছোৱাত ৰাইজৰ খবৰ ল'বলৈ যোৱাটো দূৰৰে কথা নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ চলেৰেও কাষ নাচাপিল বুলিও গাঁওবাসীয়ে অভিযোগ কৰে।

# পিপিই কিট কেলেংকাৰিৰ

*এক পৃষ্ঠাৰ পৰা* ২০২০ত সেই সময়ত স্বাস্থ্য বিভাগৰ দায়িত্বত থকা মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পত্নী ৰিণিকি ভূঞা শৰ্মা মালিকানাধীন জে চি বি নামৰ এটা প্ৰতিষ্ঠানক এন এইছ এমৰ জৰিয়তে পাঁচ হেজাৰটা পিপিই কিট যোগানৰ ঠিকা প্ৰদান কৰিছিল; কিন্তু তাৰে ১,৪৫৮ টাহে যোগান ধৰা হয়। এই পিপিই কিটবোৰ অধিক দামত যোগানৰ ঠিকা প্ৰদান কৰা হৈছিল। ২০২০ৰ ১৮ মাৰ্চত এটা পিপিই কিটৰ মূল্য ছশ টকা হোৱাৰ বিপৰীতে জে চি বিক ঠিকা দিয়া হৈছিল ৯৯০ টকাকৈ। এই ঠিকা প্ৰদান কাৰ্যই ভাৰত চৰকাৰৰ নিৰ্দেশনাও ভংগ কৰিছে। কাৰণ সেই নিৰ্দেশনা অনুসৰি কোনো মন্ত্ৰীয়ে নিজেতো বাদেই পত্নী আৰু সম্পৰ্কীয় লোককো চৰকাৰী ঠিকা দিব নোৱাৰে। ইপিনে, এজাইল এছ'চিয়েচন নামৰ প্ৰতিষ্ঠানটোৰ মুৰব্বী ৰাজীৱ বৰাকো এনে ঠিকা প্ৰদান কৰা হৈছিল; কিন্তু বৰা এজন ব্লেক লিষ্টেড ঠিকাদাৰ বুলি এজাহাৰত উল্লেখ কৰা হৈছে। তেনেদৰে অশোক ধনুকা মেডিটাইম হেল্থ কেয়াৰ আৰু জি আৰ ডি ফাৰ্মাচিটিকেল নামৰ প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰী। ঘনশ্যাম ধনুকাৰ পিতৃ অশোক ধনুকা আৰ বি এছ ৰিয়েলটৰ্চ নামৰ এটা প্ৰতিষ্ঠানৰ সঞ্চালক। এই প্ৰতিষ্ঠানটোত সিংহভাগ অংশীদাৰিত্ব আছে হিমন্ত বিশ্ব শৰ্মাৰ পুত্ৰ নন্দিল বিশ্ব শৰ্মাৰ। এই প্ৰতিষ্ঠান দুটাই চেনিটাইজাৰকে ধৰি ক'ভিড প্ৰতিৰোধী সামগ্ৰী যোগানৰ নামত ব্যাপক অনিয়ম সংঘটিত কৰাৰ অভিযোগ কৰা হৈছে।

# বাৰানসী বিস্ফোৰণত দোষী

*এক পৃষ্ঠাৰ পৰা* দীৰ্ঘ বিচাৰ প্ৰক্ৰিয়াৰ অন্তত ৱালিউল্লাহক আদালতে দোষী সাব্যস্ত কৰিছিল।

উল্লেখ্য যে ২০০৬ৰ সাত মাৰ্চত দুটাকৈ বিস্ফোৰণত কঁপি উঠিছিল বাৰানসীৰ সংকটমোচন মন্দিৰ আৰু বাৰানসী কেণ্টনমেণ্ট ষ্টেছন। এই ধাৰাবাহিক বিস্ফোৰণত ৩০জন লোক নিহত হৈছিল। ইয়াৰ উপৰি শতাধিক লোক আহত হয়। তৃতীয়টো বোমা সংস্থাপন কৰা হৈছিল গৌদালিয়া অঞ্চলত। যদিও বিস্ফোৰণৰ পূৰ্বেই নিৰাপত্তা বাহিনীয়ে বোমাটো নিষ্ক্ৰিয় কৰিবলৈ সক্ষম হয়। এই ঘটনাৰ পাছত সেই বছৰৰ পাঁচ এপ্ৰিলত প্ৰয়াগৰাজ জিলাৰ ফুলপুৰ গাঁৱৰ পৰা মূল অভিযুক্ত ৱালিউল্লাহক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। পাছত এলাহাবাদ উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত এই গোচৰ গাজিয়াবাদ জিলা আদালতলৈ স্থানান্তৰিত হৈছিল।

প্ৰায় ১৬ বছৰৰ শুনানি পৰ্বৰ অন্তত যোৱা শনিবাৰে গাজিয়াবাদ জিলা আদালতে বাৰানসী বিস্ফোৰণৰ ঘটনাত ধৃত ৱালিউল্লাহক দোষী সাব্যস্ত কৰে। আজি ন্যায়াধীশে অপৰাধীজনৰ শাস্তি ঘোষণা কৰে। উল্লেখ্য যে বাৰানসী বিস্ফোৰণৰ ঘটনাত জড়িত থকাৰ অভিযোগত ঝাঞ্চি অঞ্চলৰ মুস্তাকিম, জাকাৰিয়া, ছামিম নামৰ তিনিজনসহ কে'বাজনো লোকক অভিযুক্ত কৰা হৈছিল। যদিও উত্তৰপ্ৰদেশ আৰক্ষীয়ে এই অভিযুক্তসকলক আটক কৰিব নোৱাৰিলে। এই পৰ্যন্ত তেওঁলোক সন্ধানহীন হৈ আছে।

# সৌৰশক্তি প্ৰকল্পক লৈ দিছপুৰত

*এক পৃষ্ঠাৰ পৰা* এপিডিচিএলৰ শীৰ্ষ সূত্ৰই এয়া আৰু কি অসম চুক্তিৰ ফচল বুলিও প্ৰশ্ন কৰিছে।

উল্লেখ্য যে ৩৪০ একৰ ভূমিত এই উৎপাদন কেন্দ্ৰটো স্থাপন কৰা হৈছে। কেন্দ্ৰটো স্থাপনত বিনিয়োগ কৰা হৈছে ৩৪৪.২ কোটি টকা। এই নিৰ্মাণ ব্যয় বহন কৰি কেন্দ্ৰটো স্থাপন কৰিছে মেচাৰ্ছ জেকছন পাৱাৰ প্ৰাইভেট লিমিটেডে। ইয়াৰ বিপৰীতে উক্ত বৃহৎ পৰিসৰৰ ভূমি প্ৰকল্পটো স্থাপনৰ বাবে উপযুক্ত কৰি তোলে এপিজিচিএলে। অৰ্থাৎ বিদ্যুৎ উৎপাদন প্ৰতিষ্ঠানটোৱে প্ৰকল্পটোৰ বাবে সাজু কৰি দিয়া ভূমিত জেকছনে যন্ত্ৰপাতিবোৰ সংস্থাপন কৰি বিদ্যুৎ উৎপাদনৰ ব্যৱস্থা কৰে। এপিডিচিএলৰ সূত্ৰই জনায় যে অতি বেয়া অৱস্থাত থকা বৃহৎ ভূমিখণ্ড যদি ব্যৱহাৰৰ উপযোগী এপিজিচিএলে কৰিব পাৰে, তেনেহ'লে প্ৰকল্পটোও স্থাপন কৰিব পাৰিলেহেঁতেন। তাৰ ফলত অন্ততঃ প্ৰকল্পটো অসমৰ সম্পদ হোৱাৰ লগতে উৎপাদিত বিদ্যুতো ক্ৰয় কৰিব নালাগিলেহেঁতেন; কিন্তু কোনো বিশেষ পক্ষৰ উদ্যোগত প্ৰকল্পটো এনেদৰে ব্যক্তিগত খণ্ডক কৌশলৰে হস্তান্তৰ কৰা হয়। যোৱা ২০১৯ত গ্ৰহণ কৰা এনে সিদ্ধান্তৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাও অসন্তুষ্ট বুলি সূত্ৰটোৱে সদৰী কৰে।

ইপিনে, ৭০ মেগাৱাট উৎপাদনৰ লক্ষ্য ল'লেও সেয়া বাস্তৱায়িত হ'ব নে তাক লৈ কোনো নিশ্চিত নহয়। এই সময়ত ৫০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ যন্ত্ৰাংশহে প্ৰকল্পটোত স্থাপন কৰা হৈছে। বাকী ২০ মেগাৱাট উৎপাদন কৰিব পৰাকৈ ভূমি অধিগ্ৰহণ এতিয়াও সম্পূৰ্ণ হোৱা নাই। তদুপৰি এই সময়ত সৰ্বাধিক ৪০ মেগাৱাট বিদ্যুতহে প্ৰকল্পটোত উৎপাদন হৈ আছে। সম্পূৰ্ণ প্ৰকল্পটো স্থাপন হোৱাৰ পাছত বছৰৰ জুলাই-আগষ্টতহে ৭০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ সম্ভাৱনা আছে। আনহাতে, শীতকালত উৎপাদনৰ পৰিমাণ যথেষ্ট কম হ'ব। ইয়াৰ কাৰণ হ'ল লক্ষ্য নিৰ্ধাৰিত পৰিমাণৰ সৌৰশক্তি উৎপাদনৰ বাবে অসমত প্ৰয়োজনীয় পৰিমাণৰ তাপমাত্ৰা বছৰৰ বেছিভাগ সময়তে নাথাকে।

# নামনি সোৱণশিৰি জলবিদ্যুৎ

*এক পৃষ্ঠাৰ পৰা* শ্ৰমিকক হেঁচা মাৰি ধৰাত হাহাকাৰ লাগে এনএইছপিচি কৰ্তৃপক্ষ আৰু শ্ৰমিকৰ মাজত। মাটিয়ে হেঁচা মাৰি ধৰাৰ ফলত ধেমাজি মিংমাং পশ্চিম পাৰ্বতীপুৰ গাঁৱৰ নিৱাসী ফণীধৰ হাতীবৰুৱাৰ পুত্ৰ জিতু হাতীবৰুৱা (২০)ৰ মৃত্যু হয়। লগতে আন দুজন শ্ৰমিক গুৰুতৰভাৱে আহত হয় বুলি একাংশ শ্ৰমিকে জনাইছে। পিতৃ-মাতৃ, ভ্ৰাতৃ আৰু দুগৰাকী পত্নীৰ লগতে তিনি কণমানিক এৰি গৈছে শ্ৰমিক জিতুৱে। এইক্ষেত্ৰত এনএইছপিচি কৰ্তৃপক্ষৰ চৰম গাফিলতিৰ বাবে শ্ৰমিকৰ মৃত্যু হোৱা বুলি অভিযোগ কৰে ৰাইজে। পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী শ্ৰমিক জিতুৰ মৃত্যুত অঞ্চলত শোকৰ ছাঁ পৰে। ৰাইজে শ্ৰমিকজনৰ পৰিয়ালক পৰ্যাপ্ত ক্ষতিপূৰণ দিবলৈ দাবী জনাইছে এনএইছপিচিক।

ইফালে, আজি শ্ৰমিকজনৰ দুৰ্ঘটনাত মৃত্যুৰ ঘটনাত তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা তুলাৰাম গগৈয়ে। এক বিবৃতিত অধিবক্তাজনে এনএইছপিচিৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে। গগৈয়ে কয় যে ইয়াৰ পূৰ্বেও জলবিদ্যুৎ প্ৰকল্পত কৰ্মৰত অৱস্থাতে ঘিলামৰা গাঁৱৰ মিলিম চমুৱা, গেৰুকামুখৰ বিশ্বজিৎ পেগু, সুৰেশ্বৰ পেগু, মোধামপুৰ গাঁৱৰ ৰহিত তায়েং আৰু ৰাজেশ চুৰ্বাৰ মৃত্যু হৈছিল। অথচ সোৱণশিৰি নদীবান্ধ কৰ্তৃপক্ষই কৰ্মৰত শ্ৰমিকৰ মৃত্যুৰ কোনো তথ্য ৰাজহুৱা নকৰে বুলি অধিবক্তাজনে অভিযোগ কৰি এয়া নিয়মৰ পৰিপন্থী বুলি কয়। গগৈয়ে কয় যে বিধি ব্যৱস্থা মতে কৰ্মৰত অৱস্থাত মৃত্যুক সাৱটি লোৱা শ্ৰমিক-কৰ্মচাৰীক ক্ষতিপূৰণ দিব লাগে। সেইবোৰ বাধ্যবাধকতা গাপ দি ৰখাৰ বাবেই এনএইছপিচি কৰ্তৃপক্ষই এইদৰে মৃত্যুৰ তথ্য গোপনে ৰাখে বুলি তেওঁ অভিযোগ কৰে। এনএইছপিচি কৰ্তৃপক্ষৰ এনে অমানৱীয় দৃষ্টিভংগীক গৰিহণা দি অধিবক্তাজনে আজি পৰ্যন্ত মৃত্যু হোৱা শ্ৰমিকসকলৰ নাম-ঠিকনা সদৰী কৰাৰ লগতে উচিত ক্ষতিপূৰণ প্ৰদান কৰিবলৈ নদীবান্ধ কৰ্তৃপক্ষক আহ্বান জনায়।

# মহানগৰীত জ্যেষ্ঠ নাগৰিকৰ

*এক পৃষ্ঠাৰ পৰা* আগবঢ়াই এটিএম কাৰ্ড সলনি কৰি ধন লুটৰ বহু ঘটনা পোহৰলৈ অহাৰ সময়তে এইবাৰ কে'বা তৰপীয়া নিৰাপত্তা বেষ্টনীৰে গিজগিজাই থকা স্বয়ং দিছপুৰতে এনে ঘটনা সংঘটিত হৈছে। দিছপুৰ আৰক্ষী থানাত দাখিল হোৱা ঘটনা অনুসৰি, কালি সন্ধিয়া ছয় বজাত ডাউন টাউনৰ এজন ৮০ বছৰীয়া লোকে পেন্টালুনছৰ সন্মুখত থকা ভাৰতীয় ষ্টেট বেংকৰ এটা এটিএমলৈ গৈছিল। এটিএমত সোমাই তেওঁ টকা উলিয়াবলৈ লোৱাৰ সময়তে হঠাৎ এটিএমটোৰ ভিতৰলৈ তিনিজন যুৱকৰ প্ৰৱেশ ঘটে। তেতিয়া এটিএমত লেনদেন বিফল হোৱা বুলি দেখুওৱাত যুৱককেইজন সহায়ৰ বাবে আগবাঢ়ি যায়। 'ইয়াত টকা নোলায়' বুলি কৈ কাষৰ আন এটা এটিএমৰ পৰা তেওঁক টকা উলিয়াবলৈ পৰামৰ্শ আগবঢ়াই এটিএমৰ পৰা কাৰ্ডখন লোকজনৰ হাতত দি আঁতৰি গৈছিল। এই ঘটনাৰ প্ৰায় ১৩ মিনিটৰ পাছতে লোকজনৰ ম'বাইললৈ ১০ হেজাৰ টকা উলিওৱা এটা বাৰ্তা আহে। লগে লগে আন এটা একাউণ্টলৈ এক লাখ টকা গুগল পে'ৰ জৰিয়তে হস্তান্তৰ কৰে। সমান্তৰালভাৱে চক্ৰটোৱে বেলতলা চাৰ্ভেস্থিত ভৱেন্দ্ৰালয়ৰ সমীপৰ এটিএমৰ পৰা ৪০ হেজাৰ টকা উলিয়াই নিয়ে। লগে লগে ভুক্তভোগী লোকজনে পৰিয়ালৰ সহযোগত তেওঁৰ একাউণ্ট থকা এছ বি আই দিছপুৰ শাখাৰ লগত একাউণ্টটো বন্ধ কৰাৰ লগতে আৰক্ষীৰ কাষ চাপে যদিও নিশা ১১.৩০ বজাত পুনৰ তেওঁৰ একাউণ্টাৰ পৰা বৰপেটাৰ এম ষ্ট'ৰৰ নামত থকা একাউণ্টলৈ ৭৫ হেজাৰ টকা চক্ৰটোৱে ৰহস্যজনকভাৱে হস্তান্তৰ কৰে। উল্লেখ্য যে ভুক্তভোগীয়ে আৰক্ষীক দিয়া অভিযোগ অনুসৰি, অলা-উবেৰৰ এএছ-০১ এইছ চি-২১৭৬ নম্বৰৰ এখন মাৰুতি এল্ট'ত আহিছিল প্ৰৱঞ্চকৰ দলটো; কিন্তু সকলো তথ্য ভুক্তভোগীৰ পৰিয়ালে উলিয়াই দিয়াৰ পাছতো দিছপুৰ থানাই ঘটনাৰ ২৪ ঘণ্টা উকলি যোৱাৰ পাছতো প্ৰৱঞ্চকৰ দলটোৰ সন্ধান উলিয়াব নোৱাৰিলে বুলি পৰিয়ালটোৱে ক্ষোভ উজাৰে।

ইফালে, আৰক্ষীয়ে এই সন্দৰ্ভত অভিযান অব্যাহত ৰাখিছে বুলি মন্তব্য কৰি কয় যে এই প্ৰবঞ্চক চক্ৰটোৱে বিশেষকৈ বয়স্ক লোকসকলক লক্ষ্য কৰি ধন লুট কৰি আহিছে।

# প্ৰতিষ্ঠান ধ্বংস-সমাজ ধ্বংস (১)

*এক পৃষ্ঠাৰ পৰা* তেওঁলোকে বাহিৰৰ পৰা Solar Panel আনি বহুৱাইছেহি, উৎপাদিত বিজুলী APDCLক বিক্ৰী কৰিছে চুক্তিমতে নিৰ্দিষ্ট দামত।

মূলধন তেওঁলোকে বিনিয়োগ কৰিছে। কাৰিকৰী অৰ্হতা তেওঁলোকৰ মানুহৰ। হাজিৰা কৰা শ্ৰমিক আমাৰ, মূলতঃ সিবিলাকৰো গোটেইখিনিয়েই পূৰ্ববংগ তথা বাংলাদেশ মূলৰ।

এই ব্যৱস্থাত কোনো যন্ত্ৰপাতি নাই। ইন্ধন খৰচ নহয়। উৎপাদন প্ৰক্ৰিয়া প্ৰদূষণমুক্ত। পেনেলবিলাক আৰু Storage Battery বিলাক নিৰ্মাণ কৰোতেই যি প্ৰদূষণ হয়, হয়। লাহে লাহে লাভেই লাভ। Power Purchase Agreement খন কিছু বছৰৰ মূৰে মূৰে সলনি কৰি নিৰিখবিলাক বঢ়োৱাৰো ব্যৱস্থা আছে।

এইটো এটা ভাল ব্যৱস্থা হৈছে।

আমাৰ আগৰ ASEB-য়ে (এইটোৱেই অসমৰ সৰ্ববৃহৎ ৰাজহুৱা প্ৰতিষ্ঠান আছিল) ১৯৫৫ৰ পৰা লাগি লাগি উমক্ৰু-উমিয়াম-কাৰ্বি লাংপি-নামৰূপ থাৰ্মেল (NTPS), লাকুৱা থাৰ্মেল (LTPS), বঙাইগাঁও থাৰ্মেল (BTPS), চন্দ্ৰপুৰ থাৰ্মেল (CTPS) আদি এসোপা এসোপা বিজুলী শক্তি উৎপাদন গোট স্থাপন কৰি মুঠ ১৩০০ মেগাৱাট মান উৎপাদন ক্ষমতা আহৰণ কৰিলে; কিন্তু মুঠ ৭০ বছৰ মানত তাৰে এসোপা বন্ধ হৈ বৰ্তমান নিজৰ বুলি ক'বলৈ ৩০০-৩৫০ মেগাৱাটমানহে ৰৈছেগৈ। BTPS, গ'ল NTPCৰ হাতলৈ। CTPS বন্ধ হৈ গ'ল। উমক্ৰু-উমিয়াম মেঘালয়ৰ হাতলৈ গ'ল।

এটা সময়ত প্ৰায় ২০,০০০ কৰ্মচাৰীৰে সমৃদ্ধ ASEB এতিয়া APDCL, AEGCL আৰু APGCLত বিভক্ত হৈ কংকালসাৰ হৈ পৰিছেগৈ। কৰ্মচাৰীও বোধকৰো ৫,০০০ মানহে ৰৈছেগৈ।

সেই প্ৰায় ১৩০০ মেগাৱাট বিদ্যুৎ উৎপাদন ক্ষমতা প্ৰতিষ্ঠা কৰিবলৈ ASEBৰ প্ৰায় ২০,০০০ কোটি টকা খৰচ হৈছিল।

সেই সকলোবোৰ অথলে গ'ল। NTPS ১৯৬৪ৰে, এতিয়া আলৰ বুঢ়া হ'ল। তথাপি আমাৰ দক্ষ অভিযন্তাসকলে যিমান পাৰে ভালকৈ চলাই আছে। LTPSও ১৯৮০ৰে। তুলনামূলকভাৱে ভালকৈ চলি আছে।

এসময়ত আমাৰ অভিযন্তাসকলৰ জলবিদ্যুৎ উৎপাদনত যথেষ্ট পাৰ্গতালি আছিল। উমক্ৰু-উমিয়ামৰ বাবে হাবি কটা, মাটি কটা, ঘৰ সজা, Generator Turbine, Penstock, Transformer, Tower, Cable, distribution সকলোতে সিদ্ধহস্ত হৈছিল।

কিন্তু ৰঙানদী প্ৰকল্প বা তেনেবিলাক অন্যান্য জলবিদ্যুৎ প্ৰকল্পৰ দায়িত্বৰ পৰা ASEBক বিতাড়ন কৰা হ'ল। NEEPCO দৃশ্যপটলৈ আহিল। সামান্য শক্তিৰে কাৰ্বি-লাংপি প্ৰকল্পটো চলি আছে; কিন্তু জলবিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰতখনত ASEB সুদূৰ অতীত বুলিয়ে ক'ব পাৰি। ASEB নিজেই এটা অতীত।

ঠিক তেনেকৈ প্ৰাকৃতিক গেছভিত্তিক বা অন্য ইন্ধন ভিত্তিক থাৰ্মেল উৎপাদনত ASEBৰ পাৰদৰ্শিতা NTPS, LTPS, BTPS, CTPSত প্ৰতীয়মান হোৱাৰ পাছতো আজি কঠালগুৰি থাৰ্মেল NEEPCOৰ হাতত বা BTPS, NTPCৰ হাতত। ASEB বিতাড়িত। Challenging কৰ্মক্ষেত্ৰতহে মানুহৰ সৃজনীশক্তি, প্ৰতিভা, কৰ্মদক্ষতা প্ৰকাশ পায়। কি ষড়যন্ত্ৰ, কাৰ কাৰচাজি, কাৰ হঠকাৰিতা— মই আজিলৈকে একো বুজি নাপালো! ব্যক্তিগতভাৱে হয়তো আমাৰ মানুহে অ'ত-ত'ত কাম পাইছে; কিন্তু প্ৰতিষ্ঠান হিচাপে আগৰ ASEBৰ বিদ্যুৎ উৎপাদনৰ মুমূৰ্ষু অৱস্থা হৈছে।

ভুল সিদ্ধান্ত লৈছিল যদিও চৰকাৰ আৰু আইএএছ বিষয়াই লৈছিল। তেনেকুৱা বহুত ভুল কৰা হৈছে। যেনে শৰৎ চন্দ্ৰ সিংহই BTPSটো বিহাৰৰ ৰাণীগঞ্জৰ কয়লাৰে চালাকাটিত পাতিবলৈ সাংঘাতিক জোৰ দিছিল। তেনেকৈ Assam State Textile Corporation-এ বিজনীত সূতা কটা কল পাতি, নগাঁও-ধিঙত কাপোৰ বৈ নলবাৰীৰ ওচৰৰ জাপজাপকুছিত সেই কাপোৰ প্ৰচেছিং কৰিবলৈ উদ্যোগ পাতিছিল। এই সিদ্ধান্তত তেতিয়াৰ অসমৰ উদ্যোগমন্ত্ৰী দীগেন বৰা জড়িত আছিল।

কিন্তু ASEBৰ ক্ষেত্ৰত সামগ্ৰিকভাৱে (সেই এটা উদাহৰণ বাদ দি) তেনে ভুল কৰা হোৱা নাছিল। হয়, ASEBক গ্ৰাম্য বৈদ্যুতিকৰণৰ কাৰণে এসোপা টকা ভৰণি কৰোৱা হৈছিল, খুঁটা পোতাৰ বাবদ, তাঁৰ টনাৰ বাবদ, ট্ৰেন্সফৰ্মাৰ বহুওৱাৰ নামত আৰু বৰ্দ্ধিত কামৰ বাবে প্ৰয়োজন হোৱা মানুহ নিযুক্ত কৰাত।

আমি সকলোৱে জানো যে ১৯৭০-৮০-৯০-২০০০ৰ দশকবিলাকত গ্ৰামাঞ্চলৰ পৰা বিদ্যুতৰ বাবদ ৰাজহ আদায় কৰাটো একপ্ৰকাৰ প্ৰহেলিকা আছিল; কিন্তু সেই পৰ্যায় পাৰ হৈ অহাৰ কাৰণেহে আজি ঘৰে ঘৰে বিজুলী আঁচনি কাৰ্যকৰী হ'ব পাৰিছে। ASEBৰ মানুহৰ দুৰ্নীতি আদি কথাবোৰ বাদ নিদিলেও প্ৰকৃততে কিন্তু সেইটো কথাকে ইয়াৰ স্খলন বা পতনৰ কাৰণে সম্পূৰ্ণকৈ দোষী সাব্যস্ত কৰিব নোৱাৰি।

শক্তি উৎপাদন আৰু বিতৰণ ব্যৱস্থাটোৰ লগত ৰাজহুৱা প্ৰতিষ্ঠান এটা জড়িত হৈ থকাটো অত্যন্ত জৰুৰী। আজি সৌৰ বিজুলী শক্তি উৎপাদন কৰা কোম্পানীয়ে বিজুলী ক'ত বিক্ৰী কৰিছে? সেই ASEB-য়ে স্থাপন কৰা গ্ৰীডতে নহয় জানো? প্ৰায় প্ৰতিজন ভাৰতীয় মানুহৰ ধৰ্ষণ, লুণ্ঠন, শোষণ, মিথ্যাচাৰ, চৰিত্ৰহীনতাৰ ঐতিহ্য আৰু পৰম্পৰালৈ চাই আমি কোনোপধ্যে আমাৰ সকলো ৰাজহুৱা কাম ব্যক্তিগত মালিকানালৈ এৰিব নোৱাৰো; কিন্তু নীতিগত ভুলবিলাকৰ উপৰি, আমাৰ ৰাজহুৱা প্ৰতিষ্ঠানবিলাক ধ্বংসৰ অন্যতম মূল কাৰণ হ'ল ভাৰতীয় মানুহৰ চৰিত্ৰগত চৌৰ্য প্ৰকৃতি— টকা আত্মসাৎ, কামচোৰ, বস্তু চোৰ, পাৰিলেতো সাহটোকেই খাই পেলাব!

অৱশ্যে প্ৰযুক্তিৰো কথা আছে এইবোৰত। আগতে ASEB-য়ে গ্ৰাহকক প্ৰায় দুমাহ বাকীকৈ বিজুলী যোগান ধৰিছিল। জানুৱাৰীৰ মিটাৰ ৰিডিং ল'বলৈ ১০ ফেব্ৰুৱাৰীত আহিছিল— ১৭ ফেব্ৰুৱাৰীত বিল সাজু কৰিছিল— ২৫ ফেব্ৰুৱাৰীত বিল দিবলৈ আহিছিল— due date লিখিছিল সাত মাৰ্চ। গতিকে এক জানুৱাৰীত মই খৰচ কৰা বিজুলীৰ পইচা মই সাত মাৰ্চলৈকে বাকীতে পাইছিলো। কামবোৰ হাতেৰে কৰা হৈছিল।

এতিয়া সেইবিলাকৰ সংশোধন ঘটিছে। ইমান দিন বাকীত নিদিয়ে। সকলো উন্নত দেশতে prepaid meter ব্যৱহাৰ হয়। ইয়াতো হ'ব। তেতিয়া অৱস্থা আৰু ভাল হ'ব, বিশেষকৈ ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত। তাৰ লগতে গ্ৰাহকে উন্নত প্ৰযুক্তিৰো লাভ পাব।

সময়ৰো কথা আছে। আগতে এনেকৈ আনৰ পৰা বিদ্যুৎ কিনি বিক্ৰী কৰা— পইচা (বিলৰ ৰূপত) নোপোৱা— বহু দেৰিকৈ পোৱা আদি পৰিস্থিতি থকা হ'লে কোনেও চম্ভালিব নোৱাৰিলেহেঁতেন। আগতে সৌৰ শক্তিৰ নিচিনাকৈ সস্তাত কোনো বিজুলীকে পোৱা নগৈছিল। জলবিদ্যুৎ উৎপাদন প্ৰকল্প এটা বাস্তৱায়িত কৰোতে বহু বছৰ লাগে। পাঁচ-১০ বছৰত হ'বলগীয়া প্ৰকল্প সম্পূৰ্ণ হওঁতে ২০-২৫ বছৰ লাগেই। পৰিৱেশ-স্থানান্তৰিত মানুহ-জৈৱ- বৈচিত্ৰ্য down streamৰ সমস্যা আদি কথাবোৰতো আছেই। জলবিদ্যুতৰ দাম যদিও কম, তথাপি উপৰি উক্ত কথাবোৰে সদায় বিধি-পথালি দিয়েই থাকে।

কয়লা পুৰি, বয়লাৰ চলাই-বাষ্প উৎপাদন কৰি, super saturated বাষ্প তৈয়াৰ কৰি, steam turbine চলাই বিদ্যুৎ উৎপাদন কৰাটো পৰিৱেশৰ ফালৰ পৰাও ঠিক নহয়।

CTPS-টো বন্ধ হৈ গ'ল, জাপানৰ খুব ভাল প্ৰযুক্তি ব্যৱহাৰ হোৱা সত্ত্বেও, কাৰণ তাত পানী বাষ্প কৰিবলৈ থকা বয়লাৰত জ্বলাবলৈ ব্যৱহাৰ হোৱা ইন্ধন furnace oil ক্ৰমান্বয়ে ইমান দামী হৈ পৰিল যে ইয়াৰ পৰা উৎপাদিত বিদ্যুতৰ দাম আকাশলংঘী হৈ পৰিল।

সেয়ে (Solar বা wind energy) সৌৰ বা বায়ু শক্তিৰ পৰা আহৰণ কৰা বিদ্যুৎ শক্তি বৰ্তমান সকলোৰে কাম্য। প্ৰদূষণ কম। অতি কম দিনতে উৎপাদন আৰম্ভ কৰিব পাৰি। উৎপাদনী ব্যয় শূন্যৰ সমতুল্য। maintenance ব্যয় প্ৰায় শূন্য। panel কেইখন কেৱল চাফা কৰি থাকিব লাগে। ধূলি পৰিলে উৎপাদন কমি যায়। ইয়াত মানুহো কমকৈ মকৰল কৰিব লাগে।

এতিয়া কথাটো হ'ল বিদ্যুতৰ লগতে আজি ৭০ বছৰে ওমলি-জামলি থকা, বিদ্যুৎ উৎপাদন কৰি, বিক্ৰী কৰিয়েই ভাত মুঠি খাম বুলি দায়বদ্ধ প্ৰতিষ্ঠানটোৱে কিয় এই নতুন প্ৰযুক্তিত হাত নিদিলে? কিয় তেওঁলোক কেৱল আনক কাম কৰিবলৈ সুবিধা দিয়া মানুহ হৈ পৰিল? তেওঁলোক কিয় কেৱল কিনা-বেচা কৰা বেপাৰী বা সেইবিলাকৰ হিচাপ ৰখা কেৰাণী হৈ পৰিল? অভিযন্তাবিলাকৰ কাম কি থাকিলগৈ তেনেহ'লে? NTPS, LTPSৰ বুঢ়া মেচিনকেইটাই গা পেলাই দিলে অৱশিষ্ট অভিযন্তাকেইজন 'বিলুপ্ত প্ৰাণী' হৈ নপৰিবনে বাৰু? কেৱল distribution-ৰ কামটো থাকিবগৈ; কিন্তু সেইটোও হস্তান্তৰিত হ'বলৈ কেতপৰ? বৃহৎ কলেৱৰৰ Power Grid Corporation বা Tata electric companyৰ আগত টিকিবগৈনে?

মই আজি বহুতদিনৰ পৰা ভাৰত চৰকাৰৰ এক্ট ইষ্ট পলিচিৰ কথা কৈ আছো। উত্তৰে অলংঘনীয় প্ৰাচীৰ হিমালয় আৰু বৈৰী দেশ চীন আৰু পশ্চিমে দগাবাজ মৌলবাদীৰ দেশ পাকিস্তান থকাৰ পৰিপ্ৰেক্ষিতত, ভাৰতে বিশ্ব-বাণিজ্য তথা অৰ্থনীতিত সক্ৰিয় হ'বলৈ, এখন বৃহৎ ৰপ্তানিৰ বজাৰ পাবলৈ ম্যানমাৰ আৰু বাংলাদেশৰ মাধ্যমেৰে কাম কৰিবই লাগিব। সেই কাৰণেই আজি এই সীমান্তৱৰ্তী ঠাইবিলাকলৈ যাতায়াতৰ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন কৰিবলৈ কাম কৰি থকা হৈছে। ৰাস্তা হৈছে, ৰেলপথ হৈছে, জলপথ হৈছে। হেজাৰ হেজাৰ কোটি টকাৰ প্ৰকল্পৰ কাম চলিছে।

কিন্তু এইবিলাকত অসমীয়া অভিযন্তা তথা ব্যৱসায়ী বা নিৰ্মাণকাৰী কোনো নাই। থাকিব কেনেকৈ? কেতিয়াবা কোনোবা অসমীয়া অভিযন্তা, কোনোবা এখন নৈৰ পাৰলৈ গৈ পাইছেনে? এই সীমান্তৰ অঞ্চলসমূহৰ বিষয়ে কিবা জানিবলৈ গৈছেনে? সেই পলিচিখনত কি লিখিছে পঢ়ি চাইছেনে?

নাই কৰা। একো নাই কৰা। সেয়ে নদী (NADI- Natural Allies for Development & Interdependence) নামৰ বৃহৎ পৰিসৰৰ কাৰ্যক্ৰমণিকাত আমাৰ কোনো মানুহ দেখা নগ'ল। কেৱল মেখেলা-চাদৰ পিন্ধা ছোৱালী দুজনীমানে অভ্যাগতসকলক গামোচা দিবলৈ গ'ল আৰু সেই পুৰণা হৈ যোৱা জনজাতীয় নাচ-বাদ্য দুটামান বাজিল। কথা বাংলাদেশৰ-ম্যানমাৰৰ-ভূটানৰ লগত দিল্লীৰ মানুহে বা কলকাতাৰ বাঙালীয়ে পাতিলে।

আমাৰ মানুহ থাকিব ক'ৰ পৰা এইবিলাকত? সেইবোৰ বিষয় পঢ়িব লগা বিষয় বুলি ভাবিলেহে! দেউতাক-মাকে ক'লেহে! শিক্ষক-জ্যেষ্ঠজনে-বাতৰি কাকতে কেতিয়াবা ক'লেহে! হঠাৎ ক'ৰ পৰা ওলাব! আমাৰ বুঢ়া ছাত্ৰৰ নেতৃত্বত চলা আখৈফুটীয়া পালিনেতাৰ পৰা বা ৰঙা ফ্ৰক পিন্ধা ছোৱালী দেখিলেই ভুকি থকা সত্যবাদী যুধিষ্ঠিৰৰ স্বৰ্গযাত্ৰাৰ শেষ লগৰীয়াজনৰ পৰা বা 'কেৱল কম্পিউটাৰতে ভাত-পিজ্জা-বাৰ্গাৰ পাবি, যা ইয়াৰ পৰা ওলা, বাংগালুৰু, আমেৰিকালৈ যা' বুলি নিজৰ সন্তানক খেদাই থকা পিতৃ-মাতৃ-অভিভাৱকৰ পৰা!

ওচৰ চুবুৰীয়াৰ লগত যে ভাল সম্পৰ্কেৰে থাকিব লাগে, সেই সাধাৰণ কথাটোকে বুজোতেই আমি মৰিবৰ হ'লহি। আমাৰ শিক্ষা-পাঠ্যক্ৰম-সামাজিক চৰ্চা ইমানেই অচিন্তিত আৰু লেৰেলা যে এইবোৰ কথাই কেতিয়াও আমাৰ মনত স্থানকেই নাপালে। 'পুঠি-খলিহনা-চেঙেলী' ধৰিবলৈহে প্ৰশিক্ষিত হাতেৰে আজি আমি 'ৰৌ-বৰালি' কেনেকৈ ধৰিব পাৰিম? আমাৰ হাতৰ পাত্ৰ যদি চাহ খোৱা কাপ এটাৰ সমান হয়, তেনেহ'লে তাত প্ৰশান্ত মহাসাগৰৰ পৰা পানী তুলিলেও একাপহে আহিব!

আমি আমাৰ ইয়াত কাম কৰা বিহাৰী শ্ৰমিক-মুচী-ধোবী দেখি দেখি সিবিলাকক সেই বুলিয়েই ভাবি থাকিলো; কিন্তু আমাক যে সেই 'বিহাৰী' IPS, IAS মানুহেই চলাই আছে— আমি যে তেওঁলোককেই 'চালাম মাৰি' আছো মনেই কৰা নাই! বাংলাদেশী মাছ বেপাৰী, শ্ৰমিক দেখি দেখি আমি 'সিবিলাক সেই পৰ্যায়'ৰ বুলিয়েই ভাবি থাকিলো; কিন্তু 'নদী' সন্মিলনত বাংলাদেশী মানুহৰ জ্ঞান-সংস্কৃতি-কামৰ খতিয়ানৰ যি নমুনা দেখা গ'ল, সেই মানুহৰ আগত আমি কেৱল কথাৰ ফুলজাৰি মৰা মানুহ কেনেকৈ তিষ্ঠিম! নাও এখন সাজিব নোৱাৰা বা নজনা অসমীয়াই '৫৭ খন নদীকেন্দ্ৰিক অৰ্থনৈতিক জাল' কেনেকৈ মেলিম! কি বৃহৎ কাণ্ড ঘটি আছে আমি অনুমানেই কৰিব পৰা নাই। এসময়ৰ ASEB-ৰ কাৰিকৰী পাৰ্গতালি জলাঞ্জলি দিলো; এতিয়া নতুন পটভূমিৰ নতুন কামৰ বাবেও আমাৰ কোনা অৰ্হতা নাই। প্ৰতিষ্ঠানবিলাক আমি ধ্বংস কৰিলো। প্ৰতিষ্ঠান চলন্ত-জীৱন্ত (dynamic) কৰি নৰখাটোকে প্ৰতিষ্ঠান ধ্বংস কৰা বুলি কয়। আমাৰ এতিয়া মূৰত পানী, ভৰিত পানী, বুকুত পানী, চকুত পানী। (মই অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুলৈ এই সংক্ৰান্তত লিখিছো।)

*ফোন : ৯৮৬৪০-৪৪৪৭০*



আবেদনকাৰীসকলৈ বিনম্ৰ অনুৰোধ যাতে অনলাইন আবেদন কৰাৰ আগতে অফিচিয়েল নটিফিকেশ্বন তথা অনান্য নিয়মাৱলীসমূহ ভালদৰে পঢ়ি লয়। আমি কোনোধৰণৰ নিযুক্তিৰ লগত জড়িত নহয়, আমি মাথো নিয়োগ বাতৰিসমূহ আপোনালোকৰ সুবিধাৰ্থে বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰি প্ৰকাশ কৰোঁ।



# প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (ডিআৰডিঅ)ৰ মুঠ ৯০ টা খালী পদ

অৰ্হতা ঃ B.Tech/B.E,M.Sc
অফিচিয়েল ছাইট -www.drdo.gov.in
মুঠ খালী পদঃ ৫৮
আবেদন কৰাৰ তাৰিখঃ ২৭/ ০৫/ ২০২২ পৰা
আবেদন কৰাৰ অন্তিম তাৰিখ ঃ ২২/ ০৬/ ২০২২ ।
Scientist C, Scientist D, More Vacancies in DRDO RAC
DRDO RAC May 2022 Notification Details
Post Name Scientist C, Scientist D, More Vacancies
Qualification B.Tech/B.E,M.Sc
Job Location New Delhi
Official Site drdo.gov.in
Total Vacancies 58
Date Added 27/05/2022
Last Date to Apply 22/06/2022

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (ডিআৰডিঅ)ৰ শেহতীয়াকৈ ১২ টা গৱেষণা সহযোগী (আৰএ) খালী পদৰ নিযুক্তিৰ বাবে আবেদনৰ আহ্বান জনাইছে। আগ্ৰহী আৰু যোগ্য প্ৰাৰ্থীসকলে তলত দিয়া অনুসূচী অনুসৰি ইণ্টাৰভিউত উপস্থিত হ'ব পাৰে।
সাক্ষাৎকাৰৰ তাৰিখ . ১৭ ০৬ ২০২২
খালী পদৰ সংখ্যা ঃ ১২
শিক্ষাৰ অৰ্হতাঃ জৈৱ প্ৰযুক্তি/অণুজীৱবিজ্ঞান/ভাইৰোলজী/পৰিৱেশ বিজ্ঞান/ ৰসায়ন বিজ্ঞান/পলিমাৰ বিজ্ঞান/সামগ্ৰী বিজ্ঞান/টেক্সটাইল অভিযান্ত্ৰিক/উদ্যানপালন আৰু সম্পৰ্কিত ক্ষেত্ৰত পিএইচডি হ'ব লাগিব।
দৰমহা ঃ প্ৰতি মাহে ৫৪,০০০ টকা
বয়সৰ সীমা ঃ ৩৫ বছৰ, অনুসূচীত জাতি/জনজাতিৰ বাবে ৫ বছৰ আৰু অ'বিচি প্ৰাৰ্থীৰ বাবে ৩ বছৰ শিথিল কৰা হৈছে ।
(ডিআৰডিঅ)ৰ নিযুক্তিৰ বাবে কেনেকৈ আবেদন কৰিব ?
অফিচিয়েল ছাইটঃ www.drdo.gov.in
সাক্ষাৎকাৰ ১৭ জুন, ২০২২ তাৰিখে মিছন চাৰিআলীৰ পৰা ৬ কিলোমিটাৰ দূৰত চোলমাৰাত অৱস্থিত ডিআৰডিঅ', সঞ্চালক কাৰ্যালয়ত অনুষ্ঠিত হ'ব।
Research Associate Job Vacancies in DRDO DRL.
Post Name Research Associate
Qualification M.Phil/Ph.D
Job Location Tezpur
Official Site drdo.gov.in
Total Vacancies 12
Date Added 17/05/2022
Last Date to Apply 17/06/2022.

গৱেষণা সহযোগী আৰু জুনিয়ৰ ৰিচাৰ্চ ফেলোশ্বিপৰ পদ খালী ।
পোষ্ট নাম ঃ জুনিয়ৰ ৰিচাৰ্চ ফেলোশ্বিপ
অৰ্হতা M.Sc
অফিচিয়েল ছাইটঃ www.drdo.gov.in
মুঠ খালী পদ ঃ ১২ ।
আবেদন কৰাৰ তাৰিখঃ ৩০/০৫/২০২২ পৰা
আবেদন কৰাৰ অন্তিম তাৰিখ ঃ ৩০/০৬/২০২২ ।
প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (ডিআৰডিঅ)ৰত গ্ৰেজুৱেট এপ্ৰেণ্টিছ, টেকনিচিয়ান এপ্ৰেণ্টিছ চাকৰিৰ
খালী পদ নান ঃ গ্ৰেজুৱেট এপ্ৰেণ্টিছ, টেকনিচিয়ান এপ্ৰেণ্টিছ
অৰ্হতাঃ B.Tech/B.E,Diploma
অফিচিয়েল ছাইটঃ www.drdo.gov.in
মুঠ খালী পদঃ ২৫
আবেদন কৰাৰ তাৰিখঃ ৩০/ ০৫ /২০২২পৰা
আবেদন কৰাৰ অন্তিম তাৰিখ ঃ১৮ /০৬ /২০২২ ।
Graduate Apprentices, Technician Apprentices Job Vacancies in DRDO
DRDO May 2022 Notification Details
Post Name Graduate Apprentices, Technician Apprentices
Qualification B.Tech/B.E,Diploma
Job Location Hyderabad
Official Site www.drdo.gov.in
Total Vacancies 25
Date Added 30/06/2022.
Last Date to Apply 18/06/2022.
বিজ্ঞানী চি, বিজ্ঞানী ডি, ডিআৰডিঅ' আৰএচিত পদ খালী।
খালী পদ নান ঃ বিজ্ঞানী চি, বিজ্ঞানী ডি।

# বৰাপানীত শিক্ষকৰ পদ খালী

মেঘালয়ৰ বাৰাপানীৰ এখন বিদ্যালয় ৰাজনীতি বিজ্ঞান,, কম্পিউটাৰ, বিজ্ঞান, ইংৰাজী,পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, গণিত, জীৱবিজ্ঞান, শিক্ষা, অৰ্থনীতি বিষয়ৰ বাবে আৱাসিক শিক্ষকৰ প্ৰয়োজন। প্ৰাৰ্থীসকলৰ নিম্নতম অৰ্হতা স্নাতকোত্তৰ হ'ব লাগিব ।অগ্ৰাধিকাৰ দিয়া হ'ব ।অভিজ্ঞতা থকা প্ৰাৰ্থীসকলক খাদ্য আৰু বাসস্থানৰ সৈতে উপযুক্ত বেতন প্ৰদান কৰা হ'ব। বিতং বিৱৰণৰ বাবে ফোন কৰক ঃ ৭৬২৭৯৬৪৭৬০.



# দিশপুৰ মহাবিদ্যালয় নিযুক্তি ২০২২

দিশপুৰ মহাবিদ্যালয়ে শেহতীয়াকৈ কনিষ্ঠ সহায়ক আৰু পুথিভঁৰাল সহায়ক খালী পদৰ নিযুক্তিৰ বাবে চাকৰিৰ আবেদন বিচাৰিছে। আকাংক্ষিত প্ৰাৰ্থীসকলে তলৰ ৱেবছাইটত নিৰ্ধাৰিত পদ, বয়সৰ সীমা, দৰমহা, অৰ্হতা আদিৰ সকলো চাকৰিৰ বিৱৰণ পৰীক্ষা কৰিব পাৰে।
পদৰ নাম কনিষ্ঠ সহায়ক পুথিভঁৰাল সহায়ক খালী পদঃ ০৩ এছ চি ঃ ০১, ইউআৰঃ০১ ইডব্লিউএছ ঃ ০১ আৰু অবিচি/এমঅবিচি ঃ০১। বয়স তৃতীয় শ্ৰেণীৰ পদৰ বাবে উৰ্ধতম বয়সৰ সীমা হ'ব সাধাৰণৰ বাবে সৰ্বাধিক ৪০ বছৰ, প্ৰাক্তন সৈনিকসকলৰ বাবে ৪২ বছৰ, অবিচি/এমঅবিচি-ৰ বাবে ৪৩ বছৰ হ'ব লাগিব । অনুসূচীত জাতি/জনজাতিৰ বাবে ৪৫ বছৰ আৰু ০১-০১-২০২২ তাৰিখত পিডব্লিউডি-ৰ বাবে ৫০ বছৰ।
অন্তিম তাৰিখ ১০/০৬/২০২২
ৱেবছাইটঃ www.dispurcollege.ac.in
দিশপুৰ মহাবিদ্যালয়ৰ বাবে যোগ্যতাৰ চৰ্ত শিক্ষাগত অৰ্হতা, বয়স আৰু আন সকলো চৰ্তাৱলী আৰু নিয়মাৱলী অসম চৰকাৰৰ চিঠি 341/2016/49তাৰিখ ০৯-০২-১২০১৭ অনুসৰি হ'ব । প্ৰাৰ্থীসকলে আবেদনৰ অসম গেজেটত (নৱম অংশ)ৰপ্ৰপত্ৰত তেওঁলোকৰ আবেদন দাখিল কৰিব লাগিব। দিশপুৰ মহাবিদ্যালয়নিযুক্তিৰ বাবে গুৱাহাটীত পৰিশোধ যোগ্য দিচপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ পক্ষত ৫০০ টকাৰ ডিমাণ্ড ড্ৰাফটৰ সৈতে আবেদন দাখিল কৰিব লাগিব।

# অসম ৰাইফলছৰ মুঠ ২১৩৩ টা খালী পদ

## Assam Rifles Recruitment 2022

অসম ৰাইফলছত চাকৰি ঃ অসম ৰাইফলছৰ সঞ্চালক প্ৰধানৰ কাৰ্যালয়, শ্বিলং ২০২২-য়ে শেহতীয়াকৈ অসম ৰাইফলছত ১৩৮০ টা কাৰিকৰী আৰু ট্ৰেডছমেন খালী পদৰ নিযুক্তিৰ বাবে আবেদনৰ আহ্বান জনাইছে। অনলাইন আবেদনখন ২০২২ চনৰ ৬ জুনৰ পৰা আৰম্ভ । আগ্ৰহী আৰু যোগ্য প্ৰাৰ্থীসকলে অনলাইনৰ জৰিয়তে আবেদন কৰিব পাৰে। www.assamrifles.gov.in
অন্তিম তাৰিখঃ ২০/০৭/২০২২।

Trade-wise vacancy:2133
Bridge & Road: 117,
Clerk: 287, Religious Teacher: 209,
Operator Radio and Line: 729,
Radio Mechanic: 172,
Armourer: 48,
Laboratory Assistant: 113,
Nursing Assistant: 100,
Veterinary Field Assistant: 10,
AYA (Para-Medical): 150,
Washerman: 80

বয়সৰ সীমাঃ প্ৰাৰ্থীৰ বয়স ০১/০১/২০২২ তাৰিখলৈ ১৮ ৰ পৰা ২৩ বছৰৰ ভিতৰত হ'ব লাগিব। প্ৰাৰ্থীসকলৰ জন্ম ০১/০৮/১৯৯৯ ৰ আগতে আৰু ০১/০৮/২০০৪-ৰ পিছত হ'ব নালাগিব।

Age Relaxation: Category-wise age relaxation is as mentioned below.OBC: 3 years,SC/ ST: 5 years.Educational Qualification: Trade – Bridge & Road (Both Male & Female candidates): (A) Matric or equivalent from a recognized Board or University (B) Diploma in civil engineering from a recognized institution for Bridge and Road.“Trade – Clerk (Both Male & Female candidates): (A) Intermediate or Senior Secondary School Certificate (10+2) examination from recognized Board/University or equivalent. (B) Skill Test Norms on Computer. English typing with a minimum speed of 35 words per minute on a Computer OR Hindi typing with a minimum speed of 30 words per minute on a computer (Time allowed-10 minutes).
Trade – Religious Teacher (For Male candidates only): Graduation with Madhyama in Sanskrit or Bhusan in Hindi.
Trade – Operator Radio and Line (For Male candidates only): Matriculation pass or equivalent from a recognized board and two year Industrial Training Institute in Radio and Television or Electronics from a recognized Institute or 12th class pass or equivalent with Physics, Chemistry, and Mathematics as subjects of study from a recognized Board or University or Institute.
Trade – Radio Mechanic (For Male candidates only): 10th from a recognized board with a diploma in Radio and Television Technology or Electronics or Telecommunications or Computer or Electrical or Mechanical Engineering or Domestic Appliances from any institution recognized by the Central Government or the Slate Government OR 12th Standard or Intermediate Of equivalent with aggregate marks of fifty percent with Physics, Chemistry, and Mathematics from a recognized or University or institution.
Trade – Armourer (For Male candidates only): 10th class pass from a recognized Board.
Trade – Laboratory Assistant (For Male candidates only): 10th class pass with English, Maths, Science, and Biology from a recognized Board.
Trade – Nursing Assistant (For Male candidates only): 10th class pass with English. Maths. Science and Biology from a recognized Board.Trade – Veterinary Field Assistant (For Male candidates only): 10+2 pass with two years diploma certificates in veterinary science from a recognized University/Institute with one year experience in the Veterinary field.Trade – AYA (For Female candidates only): 10th pass from a recognised board.
Trade – Washerman (For Male candidates only): 10th pass from a recognised board.
Application Fee: Group B posts (i.e Religious Teacher and Bridge & Road posts only): 200/- (Rupees two hundred only) Group C posts (i.e except Religious Teacher and Bridge & Road posts): 100/- (Rupees one hundred only).
Payment Mode: The fee will be deposited online by the candidates into SBI CurrentAccount No. 37088046712 in favor of HQ DGAR, Recruitment Branch, Shillong-10 at SBI Laitkor Branch IFSC Code – SBIN0013883.
NO Fee is charged from candidates belonging to Schedule Castes, Scheduled Tribes, Female and Ex-servicemen candidates.

# অসম চৰকাৰৰ ২৬৪৪১ টা গ্ৰেড ৩ আৰু গ্ৰেড ৪ ৰ খালী পদত নিযুক্তি



অসম চৰকাৰৰ সংশিষ্ট ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে চৰকাৰৰ বিভিন্ন বিভাগৰ অধীনত ২৬৪৪১ গ্ৰেড ৩ আৰু গ্ৰেড ৪ ৰ খালী পদৰ নিযুক্তিৰ বাবে দুটা নিযুক্তি অধিসূচনা প্ৰকাশ কৰিছে। এই খালী পদসমূহ নৱগঠিত অসম প্ৰত্যক্ষ নিযুক্তি আয়োগে তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণীআইন ২০২১ আৰু অসম তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণীৰ অনুৰূপ পদৰ বাবে প্ৰত্যক্ষ নিযুক্তি নিয়ম ২০২২ প্ৰস্তুত কৰা নিযুক্তি নিয়মৰ দ্বাৰা পূৰণ কৰা হ'ব। প্ৰতিটো শ্ৰেণীৰ পদৰ বাবে দক্ষতা পৰীক্ষাৰ সৈতে এটা লিখিত পৰীক্ষা অনুষ্ঠিত কৰা হ'ব । আয়োগে কেৱল অনলাইন মোডত আৱেদন আহ্বান কৰিছে। প্ৰাৰ্থীসকলে অনলাইন এপ্লিকেচনৰ হোম পৃষ্ঠাত গৈ https//www.sebaonline.org বা https.//assam.gov.in লগ অন কৰিব লাগিব।অষ্টম শ্ৰেণীৰ পৰা দশমৰ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীয়ে আজিয়ে আবেদন কৰিব পাৰে ।পদৰ নাম ঃ তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণী
পদৰ সংখ্যা ঃ ২৬,৪৪১ টা পদ
তৃতীয় শ্ৰেণী ঃ ১৩,১৪১ টা পদ
তৃতীয় শ্ৰেণী-১ ঃ ৮,৩৩১ টা পদ
তৃতীয় শ্ৰেণী-২ ঃ ৩,৬৯০ টা পদ
তৃতীয় শ্ৰেণী-৩ ঃ ১,১২০ টা পদ
চতুৰ্থ শ্ৰেণী ঃ ১৩,৩০০ পদ পৰীক্ষা জাননীত উল্লেখ কৰা অনুসৰি আৱেদন দাখিল কৰাৰ অন্তিম তাৰিখৰ ভিতৰত একক অনলাইন আবেদন পূৰণ কৰিব পাৰি আৰু নিৰ্ধাৰিত ৱেব পৰ্টেলত দাখিল কৰিব পাৰিব।
অনলাইন আবেদন দাখিল কৰাৰ অন্তিম তাৰিখঃ ৭ জুন ২০২২ নিশা ১১.৫৯ বজালৈ।
হেল্পলাইন নং . ৯৬৬৭০ ৬২০৬৩ (১০.০০ বজাৰ পৰা সন্ধিয়া ০৫.০০ বজালৈ।)

Post wise application fee is different. Candidates have to pay the application fee as applicable for their category of posts. The application fee can be paid through online mode of payment. The applicable application fee details will be as follows.“Category Grade-III Grade-IV UR/OBC/MOBC Rs.350/- Rs.200/- SC/ST Rs.250/- Rs.150/-

# উপায়ুক্ত কাৰ্যালয়ত মুখ্য সহায়কৰ পদখালী ।

In pursuance of Government approval communicated of the Commissioner, Upper Assam Division, Jorhat, Applications in standard Form as prescribed in the first page of Part-IX of Assam Gazette are invited from the intending candidate for filling up of 1 (one) temporary post of Head Assistant in the amalgamated establishment of Deputy Commissioner, Dibrugarh in the Pay Band - (3) of Rs. 22,000 – 97,000 Grade Pay Rs. 10,300 plus other allowances as admissible under the Rules framed from time to time.Application should be submitted before 30.06.2022.through proper channel.

# ভাৰতীয় জীৱন বীমা নিগমৰ ১৫০০০ তকৈ অধিক পদ খালী

ভাৰতীয় জীৱন বীমা নিগমে ৰাষ্ট্ৰীয় কেৰিয়াৰ সেৱাৰ অফিচিয়েল ৱেবছাইটত নতুন নিযুক্তি কৰ্মজাননী মুকলি কৰিছে। এলআইচিত নতুন নিযুক্তিৰ বাবে আবেদন অনলাইনত কৰা হ'ব। যিসকল প্ৰাৰ্থীয়ে ভাৰতৰ জীৱন বীমা নিগমত কাম কৰাৰ সপোন দেখিছিল বা যদি কাম কৰিব বিচাৰে, শেহতীয়া প্ৰপত্ৰৰ তলৰ লিংকৰ জৰিয়তে আবেদন কৰক। প্ৰপত্ৰ পুৰণৰ কাম অনলাইন আবেদন আৰম্ভ হৈছে, আবেদনৰ অন্তিম তাৰিখ ২৬ জুলাই, ২০২২ হিচাপে ৰখা হৈছে। এলআইচি ইণ্ডিয়া নিযুক্তি ২০২২ ৰ মুঠ পদ ১৫০০০ তকৈ অধিক ।তলত উল্লেখ কৰা পদৰ বাবে সিকলো ৰাজ্যিৰ বাবে মুকলি কৰা হৈছে। প্ৰাৰ্থীয়ে তলত দিয়া লিংকৰ পৰা ভাৰতীয় জীৱন বীমা নিগমত প্ৰপত্ৰখনৰ বাবে অনলাইন আবেদন কৰিব পাৰে । নিৰ্বাচিত প্ৰাৰ্থীসকলৰ দৰমহা ৭৫০০০ লৈকে ৰখা হৈছে ।তলত উল্লেখ কৰা অনলাইন আবেদন প্ৰক্ৰিয়া ভাল দৰে পঢ়ি অফিচিয়েল ৱেবছাইট আবেদন কৰিব পাৰিব ।



The Life Insurance Company of India is about to release Assistant Recruitment 2022 Notification for more than 15000 Vacancies. There are multiple roles which are assigned under this post like Cashier, Single Window Operator and other clerical seats. You have to fill LIC Assistant 2022 Application Form 2022 to appear in written examination and further contest for selection. In this post we have completely described about LIC Assistant 2022 Eligibility and Steps to Apply Online LIC Assistant Recruitment 2022.
Company Name Life Insurance Company of India
Recruitment LIC Assistant 2022
Name of Post Cashier, Single Window Operator, Customer Service Executive, Clerks
Total Vacancies 15000 + Posts
LIC Assistant Notification Release Date 28 May 2022
LIC Assistant Application Form Start Date 7 June 2022
LIC Assistant Application Form Last Date 30 June 2022, Last Date to Pay Application Fees 30 June 2022
Application Edit Window 30 June 2022
Exam Date July 2022
Steps to Apply Online LIC Assistant Recruitment 2022.Visit at : **www.licindia.in.**
LIC India the link is activated. All these Vacancies are for more than 2000 Branches of LIC in various Regions. In this section, you can see the official Website from where you can download the LIC Assistant Recruitment 2022 notification and Age Limit for the recruitment. All the Graduates in India are eligible to appear in this recruitment and further get selected for it. You must possess a Graduation Degree from a recognized University in India.
Final Year applicants cannot apply for this LIC Assitant Recruitment.
Age Relaxation is applicable for SC/ST/PwD Categories.
LIC permanent Employees can get 5 Years of Age Relaxation in upper limit.
Candidates must be citizens of India and possess all the documents.
LIC Assistant Recruitment 2022 Application Dates
Event LIC Assistant Application Form Dates
Secondly, Click on the Careers button at the bottom.
Choose LIC Assistant Recruitment 2022.
Fill the LIC Assistant Application Form 2022 with correct details.
Upload your Signature, Photo and other documents in PDF format.
Recheck all the entries and submit the form.
Finally pay the LIC Assistant Application Fees 2022 and confirm your Form.
LIC Assistant 2022 Application Form Fees
Category of Application LIC Assistant Application Fees
General/UR Rs 510/-
SC/ST Rs 85/-
OBC Rs 510/-
EWS Rs 510/-
PwD Rs 85/-
LIC Assistant Salary 2022
Salary of LIC Assistant lies in the Pay Level of Rs. 14435- 40080.
Other Allowances like HRA, DA are applicable.
Minimum Salary of LIC Assistant is Rs 15000-35000/- per month.
Gross Salary of LIC Assistant goes up to Rs 35000/- per month.
Licindia.in Assistant Recruitment 2022 Apply Online. LIC Assistant 2022 Notification To be Announced,LIC Assistant 2022 Apply Online- www.licindia.in

# বন্দৰ পৰিবহন মন্ত্ৰালয়ৰ ২২ টা পদখালী

বন্দৰ আৰু জলপথ মন্ত্ৰালয়ে মুঠ ২২ টা পদৰ নতুন নিযুক্তিৰ বাবে আৱেদন আহ্বান কৰিছে। প্ৰপত্ৰখনৰ আবেদন গ্ৰহণ ৬০ দিনলৈ খোলা থাকিব। নিযুক্তিৰ অধিসূচনাৰ চাবলৈ প্ৰাৰ্থীসকলে তলত দিয়া লিংকৰ পৰা ডাউনলোড কৰিব লাগিব। বন্দৰ আৰু জলপথ মন্ত্ৰালয়ৰ পদৰ বাবে নিৰ্বাচিত প্ৰাৰ্থীৰ দৰমহা প্ৰতি মাহে ৪৪,৯০০ টকাৰ পৰা ১,৪২,৪০০টকা লৈ ৰখা হৈছে। প্ৰাৰ্থীসকলক কেৱল সাক্ষাৎকাৰৰ আধাৰত বাছনি কৰা হ'ব, যিসকল প্ৰাৰ্থীয়ে অনলাইন প্ৰপত্ৰখনৰ জৰিয়তে আবেদন কৰিব বিচাৰে সাৱধানে কৰা উচিত।



বিভাগৰ নাম ঃবন্দৰ আৰু জলপথ
পদৰ নাম ঃ আঞ্চলিক বিষয়া
মুঠ পদ ২২
অন লাইন পূৰণৰ প্ৰকৃতি
আবেদনৰ তাৰিখ ০৫/০৬/২০২২ৰ পৰা আৰম্ভ
আবেদনৰ অন্তিম তাৰিখ হৈছে ২৬/০৭/২০২২ ।
অফিচিয়েল ৱেবছাইটঃ https//www.dgshipping.gov.in.
The maximum age limit for appointment by deputation shall not be exceeding-g 56 years on the closing date of receipt of applications.
Ministry Of Ports Shipping Recruitment 2022
Eligibility:The candidates should have completed degree from a recognized University or equivalent; with two years experience in Administrative and Establishment matters.The Applicants must be a Officers of the Central Government in holding analogous posts on regular basis; etc.

# কোটাক মহিন্দ্ৰা বেংকত ৬২২পদত নিযুক্তি ।

**মুঠ খালী পদ ঃ ৬২২**
নতুন ৬২২টা পদত নিযুক্তিৰ বাবে কোটাক মহিন্দ্ৰাৰ অফিচিয়েল ছাইটত মুকলি কৰা হৈছে।আবেদনৰ অন্তিম তাৰিখ হৈছে ৩০ জুন, ২০২২। যিসকল প্ৰাৰ্থীয়ে কোটাক মহিন্দ্ৰাত চাকৰি কৰিব বিচাৰে, শেহতীয়া প্ৰপত্ৰৰ বাবে তলত দিয়া লিংকত ক্লিক কৰক আৰু অনলাইন আবেদন কৰক।

**Total Post : 622**
**Name of Post Business Banking Executive, Branch Operations Manager, Service Delivery Officer, Manager, Relationship Manager, Branch Manager, Service Officer, Credit Manager, Sales Executive, Account Manager, Project Manager, Executive** Officer.Experience : Fresher
Qualification : B.Tech/ B.E, BCA, B.Sc, M.Sc, ME/ M.TechCategory
**Official Website : https://www.kotak.com**
Required Skills:Good communication skill – Oral and written; Good presentation Skills.
Understanding of Market and customer segment Kotak Mahindra Bank Ltd Job Details.Salary –Rs. 1.80 LPA + Incentives + Night Allowances“Candidates have to be completed with the Graduation
Overall academic score has to be above 50%. There should not be any ATKT or drop in education.Interview rounds – 3 rounds (HR/Business/ Aptitude Test)

# লেখক-শিক্ষাবিদ মহেন শইকীয়ালৈ শিক্ষাশ্ৰী উপাধি

**খুমটাই, ৬ জুন ঃ** বিশ্ব পৰিৱেশ দিৱসৰ দিনটোতে বিশিষ্ট লেখক-শিক্ষাবিদ তথা নুমলীগড় মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহেন শইকীয়াক বোকাখাতৰ স্বেচ্ছাসেৱী সংগঠন গণ মঞ্চই 'শিক্ষাশ্ৰী' উপাধি প্ৰদান কৰে। ভাৰপ্ৰাপ্ত অধ্যক্ষ মহেন শইকীয়াই চাহ বাগিচা অধ্যুষিত নুমলীগড় উচ্চ মাধ্যমিক বিদ্যালয়খনত শৈক্ষিক পৰিৱেশ গঢ় দিয়াৰ উপৰি বিভিন্ন প্ৰজাতিৰ গছ, ফল-মূল, শাক-পাচলিবাৰী, ভিন্নৰঙী ফুলেৰে বিদ্যালয়খনৰ চৌপাশ সেউজীয়া কৰি ৰাখি দেশৰ সীমা চেৰাই বিদেশতো চৰ্চা লাভ কৰিছে বিদ্যালয়খনে। দেশৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ আপুৰুগীয়া তথা কালৰ গতিত পৃথিৱীৰ বুকুৰ পৰা হেৰাই যাব ধৰা সম্পদসমূহ সংৰক্ষণৰ কাৰণে 'কলা কৃষ্টি কুটীৰ' নামৰ এটা ক্ষুদ্ৰ সংগ্ৰহালয় প্ৰতিষ্ঠা কৰিছে



ভাৰপ্ৰাপ্ত অধ্যক্ষ শইকীয়াই। ইপিনে, বিদ্যালয়খনৰ 'মেথ লেব' অসমৰ ভিতৰতে ১৩ পৃষ্ঠাত চাওক

# সাংস্কৃতিক মহাসভা অসম, ডিব্ৰুগড় জিলা সমিতিৰ অধিৱেশন

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ৬ জুন ঃ** সাংস্কৃতিক মহাসভা অসম ডিব্ৰুগড় জিলা সমিতিৰ তৃতীয় ত্ৰিবাৰ্ষিক অধিৱেশন অহা ১১ আৰু ১২ জুনত কঠালগুৰি আঞ্চলিক সমিতিৰ সৌজন্যত দুবৰি শিক্ষা প্ৰকল্প আৰু কঠালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব। প্ৰথম দিনা কঠালগুৰি আঞ্চলিক সমিতিৰ অধিৱেশন আৰম্ভ হ'ব দুবৰি শিক্ষা প্ৰকল্পত পুৱা গছপুলি ৰোপণেৰে। ইয়াৰ পাছতে পতাকা উত্তোলন, প্ৰতিনিধি সভা, মুকলি সভা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। বিয়লি অনুষ্ঠিত হ'ব ডিব্ৰুগড় জিলা সমিতিৰ অন্তিমখন কাৰ্যনিৰ্বাহক সভা। দ্বিতীয় দিনা কঠালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পুৱা পতাকা উত্তোলনৰ পাছত স্মৃতি তৰ্পণ, প্ৰতিনিধি পঞ্জীয়ন, প্ৰতিনিধি সভা আৰু বিয়লি অনুষ্ঠিত হ'ব মুকলি সভা, সম্বৰ্ধনা আৰু সাংস্কৃতিক অনুষ্ঠান।

# গোৱালপাৰাত পিপিই কীট কেলেংকাৰিৰ বিৰুদ্ধে আপৰ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৬ জুন ঃ** পিপিই কীট কেলেংকাৰিৰ বিৰুদ্ধে আজি আম আদমী পাৰ্টি (আপ)-এ গোৱালপাৰাত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। বেনাৰৰ লগতে হাতে হাতে প্লেকাৰ্ড লৈ আপৰ কৰ্মকৰ্তাসকলে গোৱালপাৰা চহৰৰ বিঅ'চিৰ পৰা সমদল উলিয়াই জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত উপস্থিত হৈ বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰে। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে আম আদমী পাৰ্টিৰ গোৱালপাৰা জিলা সভাপতি জাকিৰ হুছেইন আকন্দে পিপিই কীট কেলেংকাৰিৰ বিৰুদ্ধে ন্যায়িক তদন্তৰ দাবী জনাইছে।



## বাৰে বাৰে অনুৰোধ কৰাৰ পাছতো যাতায়াতৰ সুচলত গুৰুত্ব দিয়া নাই জনপ্ৰতিনিধি

# ভঁৰালটোলাৰ পৰা বৰদল পথৰ বিধ্বস্ত ৰূপ



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ৬ জুন ঃ** কামৰূপ জিলাৰ হাজো বিধানসভা সমষ্টিৰ অধীনস্থ আৰু নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ সীমা ভঁৰালটোলাৰ পৰা বৰদল হৈ দক্ষিণ শিঙৰা সংযোগী একমাত্ৰ পথটোৱে দীৰ্ঘদিনৰ পৰা অঞ্চলবাসীক যন্ত্ৰণা ভোগাই আহিছে। বৰ্তমান কে'বাদিনো ধৰি অব্যাহত থকা নেৰানেপেৰা বৰষুণৰ বাবে পথটো খেতিপথাৰ নে পথ চিনিব নোৱৰা অৱস্থা হৈছে। অঞ্চলটোৰ ৰাইজে স্থানীয় বিধায়িকা তথা বিভাগীয় বিষয়া-কৰ্মচাৰীক অনুৰোধ কৰি আহিছে যদিও কৰিম কৰিম বুলি আঁভুৱা-ভাঁৰি দিন নিয়াইছে এইসকল দায়িত্বশীল জনপ্ৰিতিনিধি তথা বিষয়া-কৰ্মচাৰীয়ে হাজো উন্নয়ন খণ্ডৰ অধীনস্থ আটাইতকৈ অনগ্ৰসৰ ঠাই হিচাপে চিহ্নিত উক্ত অঞ্চলৰ ৰাইজে বাৰিষা যন্ত্ৰণাকাতৰ দিন কটায় চাৰিও ফালৰ পৰা নামি অহা পানীয়ে একাকাৰ কৰে অঞ্চলটো। বোকা পানীৰ সমাহাৰেৰে পথটো চলাচলৰ অনুপযোগী কৰি তোলে। পূৰ্বৰ চৰকাৰৰ দিনত পথটো পকীকৰণ কৰিছিল যদিও সেইবোৰ বৰ্তমান জৰাজীৰ্ণ হৈ পৰিছে। এইসমূহ দৃশ্য জনপ্ৰতিনিধিয়ে বিগত নিৰ্বাচনৰ সময়তে প্ৰত্যক্ষ কৰিছে। তথাপি ইয়াৰ বিধিগত ব্যৱস্থা লোৱা নাই জনপ্ৰতিনিধিসকলে। ভুক্তভোগী ৰাইজে আজি সাংবাদিকৰ আগত আক্ষেপ কৰি কয় যে একাংশ জনপ্ৰতিনিধিৰ একান্ত অনুগামীয়ে সামাজিক মাধ্যমত হাজো সমষ্টিৰ চাৰিওপিনে উন্নয়নৰ শ্ল'গান সঘনে প্ৰচাৰ কৰা দেখা যায়। সেইসকল দলীয় কৰ্মীক উক্ত পথটো পৰিদৰ্শন কৰি প্ৰকৃত ছবি প্ৰচাৰ কৰিবলৈ আহ্বান জনাইছে ভুক্তভোগী ৰাইজে। তেওঁলোকে কয় যে আমি বাৰে বাৰে ভোট দি জনপ্ৰতিনিধি নিৰ্বাচন কৰো। তেওঁলোকেও কাম কৰাৰ আশ্বাস আমাক দিয়ে। বাস্তৱত কিন্তু সেয়া সম্ভৱপৰ হৈ নুঠে। সেয়েহে ৰাইজে অনতিপলমে পথটো যাতায়াতৰ সুচল কৰাৰ বাবে প্ৰতিনিধি তথা লোক নিৰ্মাণ বিভাগৰ হাজো উপ-সংমণ্ডলক দাবী কৰিছে।

# ডিগবৈত হজযাত্ৰীক প্ৰশিক্ষণ আৰু সম্বৰ্ধনা

**ডিগবৈ, ৬ জুন ঃ** বিগত বছৰৰ দৰে এইবছৰো ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ডিগবৈৰ পৰা ১৪ গৰাকী পুৰুষ-মহিলা মক্কা-মদিনালৈ যাত্ৰাৰ বাবে ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। দেশৰ শান্তি-সমৃদ্ধিৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰ এনাজৰী সদায় কটকটীয়া কৰি ৰাখিবলৈ আৰু নিজৰ মনোবাঞ্চা পূৰণৰ অৰ্থে হজযাত্ৰীসকলে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰাৰ উদ্দেশ্যেৰে হজলৈ যাত্ৰা কৰিবলৈ লোৱা যাত্ৰীসকলক লৈ ডিগবৈ কেন্দ্ৰীয় মুছলিম ইনষ্টিটিউট প্ৰেক্ষাগৃহত কালি এক হজযাত্ৰী প্ৰশিক্ষণ আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ইনষ্টিটিউট কমিটীৰ সাধাৰণ সম্পাদক আৱালহাজ ৰহমানে আঁত ধৰা অনুষ্ঠানত মুখ্য অতিথিৰূপে মাৰ্ঘেৰিটা মহকুমাধিপতি পলাশ ৰঞ্জন আহোমে বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি এটি গছপুলি ৰোপণ কৰাৰ লগতে হজযাত্ৰীসকলক উদ্দেশ্যে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থকা এ অ চি লেবাৰ ইউনিয়নৰ সভাপতি মুখেশ্বৰ দাস, জ্যেষ্ঠ নাগৰিক অতুল চন্দ্ৰ শৰ্মা, ইনষ্টিটিউট কমিটীৰ সভাপতি মহিবুৰ ৰহমানে বক্তব্য প্ৰদান কৰে। এইবাৰ ডিগবৈৰ পৰা পাঁচগৰাকী মহিলা আৰু নগৰাকী পুৰুষসহ মুঠ ১৪ গৰাকী মক্কা-মদিনা হজযাত্ৰালৈ হজযাত্ৰী ৰাওণা হ'ব। হজযাত্ৰীসকলক প্ৰদান কৰা প্ৰশিক্ষণ অনুষ্ঠানত প্ৰশিক্ষকৰূপে অংশগ্ৰহণ কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা জুনেইড খালিদ আৰু গুৱাহাটীৰ হাফিজ ছাফাট হুছেইনে। হজযাত্ৰীসকলক সম্বৰ্ধনাপত্ৰ আৰু এখনি ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# অসম দৰ্শন আঁচনিৰ পকী চাৰি বেৰা উন্মোচন



অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ৬ জুন ঃ** অসম চৰকাৰে ২০২১-২২ত আবণ্টন দিয়া 'অসম দৰ্শন' আঁচনিৰ দুই লাখ ৫০ হেজাৰ টকা ব্যয়েৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নআলি আঞ্চলিক শাখাৰ নামঘৰৰ পকী চাৰি বেৰা নিৰ্মাণ কৰা হৈছিল। কালি যোৰহাট সমষ্টিৰ বিধায়ক হীতেন্দ্ৰ নাথ গোস্বামীয়ে সেয়া উন্মোচন কৰে। উন্মোচনী অনুষ্ঠানৰ আঁত ধৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নআলি আঞ্চলিক শাখাৰ সম্পাদক মুকুল গগৈয়ে। অনুষ্ঠানত আঞ্চলিক শাখাৰ সভাপতি ধীৰেন ডেকা, উপ-সভাপতি লোকনাথ গগৈ, সেউতী বৰাৰ লগতে আঞ্চলিক শাখাৰ আৰু বিভিন্ন প্ৰাথমিক শাখাৰ পৰা অহা ভকত-বৈষ্ণৱসকল উপস্থিত থাকে।

# যোৰহাট জিলা ভিত্তিত পানীচকুৱাত চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন

■ নিৰু নাথ আৰু লৱনু শইকীয়াক ঘনশ্যাম চেতিয়া সোঁৱৰণী বঁটা প্ৰদান

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ৬ জুন ঃ** যোৰহাটৰ দহোটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাক্তন অধ্যক্ষ প্ৰয়াত 'ঘনশ্যাম চেতিয়া সোঁৱৰণী বঁটা- ২০২২' বিশিষ্ট লেখিকা তথা বিশ্বনাথ জিলাৰ উত্তৰ চতিয়া হাইস্কুলৰ শিক্ষয়িত্ৰী লৱনু শইকীয়া আৰু গোলাঘাটৰ বিপিন ফুকন নগৰৰ বিশিষ্ট লেখিকা, ঢেকেৰীপেটা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী নিৰু নাথক প্ৰদান কৰা হয়। দিগদৰ্শন প্ৰকাশন আৰু প্ৰয়াত ঘনশ্যাম চেতিয়াৰ পৰিয়ালবৰ্গৰ উদ্যোগত কালি পানীচকুৱাৰ কলা ভৱনত অনুষ্ঠিত সভাত মাহেকীয়া আলোচনী 'দিগদৰ্শন'ৰ সম্পাদক তথা সাংবাদিক পংকজ কুমাৰ দাসে কয় যে 'অতি কষ্ট আৰু শ্ৰমৰ মাজেদি আত্ম প্ৰতিষ্ঠাৰে সমাজত এক সন্মানজনক স্থান লাভ কৰিবলৈ সক্ষম হোৱা দহোটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰয়াত ঘনশ্যাম চেতিয়াই ব্যস্ততাপূৰ্ণ জীৱনৰ সমান্তৰালকৈ বিভিন্ন সামাজিক কৰ্মৰ যোগেদি সমাজলৈ আগবঢ়াইছিল অনবদ্য বৰঙণি। এগৰাকী সহজ-সৰল, অমায়িক ব্যক্তিত্বৰ অধিকাৰী ঘনশ্যাম চেতিয়াই অতি সোনকালে সকলোকে আপোন কৰি ল'ব পৰা গুণৰ বাবে সকলোৰে পৰা সমাদৃত ১৩ পৃষ্ঠাত চাওক

# কাইলৈ শুক্ৰাচাৰ্য ৰাভাৰ মৃত্যুবাৰ্ষিকী মঞ্চস্থ কৰিব 'বোদাৰাজা'

অগ্ৰদূত বাৰ্তা

**আগিয়া, ৬ জুন ঃ** বাদুংদুপ্পাৰ জনক তথা ৰূপকাৰ নাট্যযোদ্ধা শুক্ৰাচাৰ্য ৰাভাৰ কায়িকভাৱে প্ৰস্থানৰ চাৰি বছৰ উকলিব অহা আঠ জুনত। বিগত বছৰবোৰৰ দৰে বাদুংদুপ্পা পৰিয়ালবৰ্গই অহা আঠ জুনত বাদুংদুপ্পাৰ বাকৰিত দিনজোৱা কাৰ্যসূচীৰে প্ৰয়াত নাট্যযোদ্ধাজনৰ স্মৃতিচাৰণৰ উদ্দেশ্যে চতুৰ্থ বাৰ্ষিক মৃত্যু তিথি উদ্‌যাপন কৰিব। স্মৃতিচাৰণ অনুষ্ঠানত কলাপ্ৰেমী ৰাইজৰ উপস্থিতি কামনা কৰিছে বাদুংদুপ্পা কলাকেন্দ্ৰ ৰামপুৰৰ পৰিচালন সঞ্চালক মদন ৰাভা আৰু সচিব লক্ষীকান্ত ৰাভাই। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি, সেইদিনা পুৱা বন্তি প্ৰজ্বলন আৰু ৰাভা লোক পৰম্পৰাগত শ্ৰদ্ধাঞ্জলি ৰীতি অনুসৰি ১৩ পৃষ্ঠাত চাওক

# শিলপোতাবৰী হাইস্কুলত প্ৰাচীৰ পত্ৰিকা 'প্ৰয়াস' উন্মোচন



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৬ জুন ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গুৱাকুছি গাঁৱত অৱস্থিত শিলপোতাবৰী হাইস্কুল, পূব বনভাগ মিলন এমই স্কুল আৰু গুৱাকুছি এমই মাদ্ৰাছাৰ গুণোৎসৱৰ সামৰণি পৰে। গুণোৎসৱৰ তৃতীয় দিনটোত চাৰি জুনত শিলপোতাবৰী হাইস্কুলৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰয়াস' উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে বিদ্যালয়খনত উপস্থিত হোৱা বহিঃমূল্যায়ক নাৰায়ণ সৰকাৰে। প্ৰধান শিক্ষক বাসব পাঠকে আঁত ধৰা অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হৰেন্দ্ৰ নাথ শৰ্মা, প্ৰাক্তন ছাত্ৰ তথা সাংবাদিক শ্বাহ আলম আহমেদকে ধৰি শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। আনহাতে, পূব বনভাগ মিলন এমই স্কুলত গুণোৎসৱৰ উপলক্ষে বহিঃমূল্যায়ক হিচাপে উপস্থিত থাকে সঞ্জীৱ শৰ্মা। বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ লগতে আন আন শিক্ষক-শিক্ষয়িত্ৰী আৰু পৰিচালনা সমিতিৰ সভাপতি ফখৰুদ্দিন আহমেদকে ধৰি আন আন সদস্যসকলে বিদ্যালয়খনত গঢ়ি তোলা উন্নত পৰিৱেশক প্ৰশংসা কৰে। তেনেদৰে গুৱাকুছি বালিকা এমই মাদ্ৰাছাত বহিঃমূল্যায়ক হিচাপে উপস্থিত থাকে মণিৰাম দাস। মাদ্ৰাছাখনৰ উন্নত পৰিৱেশ লক্ষ্য কৰি ১৩ পৃষ্ঠাত চাওক

# শংকৰদেৱ শিশু বিদ্যা নিকেতন, কৃষ্ণাইৰ ৰূপালী জয়ন্তী বৰ্ষ আৰম্ভ



অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ৬ জুন ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইত ১৯৯৮ৰ দুই জানুৱাৰীত প্ৰতিষ্ঠা লাভ কৰা শংকৰদেৱৰ শিশু বিদ্যা নিকেতন, কৃষ্ণায়ে ৰূপালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰিলে। সেই উপলক্ষে কালি শিক্ষানুষ্ঠানখনে আয়োজন কৰে ৰূপালী জয়ন্তী বৰ্ষৰ আৰম্ভ অনুষ্ঠান। অনুষ্ঠানত ১৩ পৃষ্ঠাত চাওক

# হাতীৰ খাদ্যৰ বাবে দিহিং পাটকাইত ৰোপণ আম, কঁঠাল আদিৰ পুলি

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ৬ জুন ঃ** নাহৰকটীয়াটো কেইজন মান প্ৰকৃতিপ্ৰেমী যুৱকৰ প্ৰচেষ্টাত আসাম বাৰ্ড মনিটৰিঙৰ উদ্যোগত আৰু নাহৰকটীয়া চাইকেলিং ক্লাবৰ সহযোগত কালি দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত জয়পুৰ বনাঞ্চলৰ দীঘলীঘাটৰ সমীপত থকা বৰ্ষাৰণ্যখনত ভৱিষ্যতে হাতীৰ বাবে খাদ্য যোগান ধৰাৰ উদ্দেশ্যে আম,কঠাল আদি গছৰ প্ৰায় ৫০ টা পুলি ৰোপণ কৰে। এই কাৰ্যসূচীত নেতৃত্ব প্ৰদান কৰি আসাম বাৰ্ড মনিটৰিঙৰ সমন্বয়ক ত'মাল গগৈয়ে কয় যে তেওঁলোকৰ এই পদক্ষেপে ভৱিষ্যতে কিছু পৰিমাণৰ হ'লেও



বন্যপ্ৰাণীৰ বাবে খাদ্য যোগান ধৰিব। তেওঁ লগতে কয় যে যিহেতু বনাঞ্চলখন কিছু অসাধু লোকে কাটি তহিলং কৰিছে যাৰ বাবে বন্যপ্ৰাণী বিশেষকৈ হাতী-মানুহৰ সংঘাত দিনক দিনে বৃদ্ধি পাইছে। এই পৰিস্থিতিৰ বাবে জগৰীয়া বন্যপ্ৰাণী বা হাতী নহয়, জগৰীয়া জীৱশ্ৰেষ্ঠ

# জামুগুৰিহাটত মিচিং জনগোষ্ঠীৰ ঙাতে বংশৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৬ জুন ঃ** শোণিতপুৰ জিলাৰ ভৰলীপৰীয়া মিচিং জনগোষ্ঠীৰ ঙাতে বংশৰ ৰাইজে কালি টৌভঙাত অনুষ্ঠিত কৰে এখন বিশেষ সম্বৰ্ধনা সভা। ঙাতে বংশৰ কৃতী শিক্ষক-কৰ্মচাৰীকে ধৰি আমোলা বিষয়াসকলক সম্বৰ্ধনা জ্ঞাপন কৰে ভৰলীপৰীয়া ঙাতে বংশৰ সদস্যসকলে। টৌভঙাৰ বিশিষ্ট সমাজকৰ্মী তুলসী ঙাতেৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশ্বনাথ জিলাৰ উপায়ুক্ত মুনিন্দ্ৰ নাথ ঙাতে, কলিয়াবৰ মহাবিদ্যালয়ৰ সহ অধ্যাপক ৰাজশ্ৰী পায়েঙৰ উপৰি ঙাতে পৰিয়ালৰ ১৩ পৃষ্ঠাত চাওক

# নগাঁও জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ৬ জুন ঃ** নগাঁও জিলা সাহিত্য সভাৰ চতুৰ্থ কাৰ্যনিৰ্বাহক সভা শিংগিয়া পাঠৰী শাখা সাহিত্য সভাৰ উদ্যোগত কালি বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত শিংগিয়া পাঠৰী ছহিদ মজলীয়া বিদ্যালয়ত অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলনেৰে আৰম্ভ হোৱা দিনজোৱা কাৰ্যসূচীৰ দিনৰ ১১ বজাৰ পৰা নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত বছৰজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ থকা সোণালী জয়ন্তী বৰ্ষৰ মূল কাৰ্যসূচী সন্দৰ্ভত বিশেষভাৱে আলোচনা হয়। বন্দনা শইকীয়াৰ বৰগীত পৰিৱেশন আৰু নিলাঞ্জনা শইকীয়াৰ কৃষ্ণ নৃত্যৰে আৰম্ভ কৰা সভাখনৰ আদৰণি ভাষণ আগবঢ়ায় শিংগিয়া পাঠৰী শাখা সাহিত্য সভাৰ সভাপতি সোণাৰাম শইকীয়াই। ইয়াৰ পাছতে নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু প্ৰতিবেদন পাঠ কৰে। কোষাধ্যক্ষ কুমুদ চন্দ্ৰ বৰাই ২০২০-২৩ৰ হিচাপ দাখিল কৰে। কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য আবুল খায়েৰ আহমেদে বেংকৰ হিচাপ সম্পৰ্কে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাত ১৩ পৃষ্ঠাত চাওক

# পিছ পৰি থকা শিক্ষাৰ্থীক আগবঢ়াই আনিব পাৰিলেহে সমাজ লাভান্বিত হ'ব

## বহলপুৰ জে বি স্কুলৰ গুণোৎসৱ

অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ৬ জুন ঃ** কালি ধুবুৰী জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ লগতে ১৩০ বছৰ গৰকা ঐতিহ্যমণ্ডিত ৩০ নম্বৰ বহলপুৰ জে বি স্কুলৰ গুণোৎসৱৰ কাৰ্যসূচীও বিস্তৃত কাৰ্যসূচীৰে সম্পন্ন হয়। কালি পুৱা চাৰে আঠ বজাৰ পৰা বিয়লি পাঁচ বজালৈ অনুষ্ঠিত কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক, সহঃবিদ্যায়তনিক মূল্যায়নৰ লগতে বিদ্যালয়ৰ আন্তগাঁথনি, প্ৰাতঃসভা, সমাজ জড়িতকৰণ, স্বচ্ছতা আদি সামগ্ৰিক দিশৰো মূল্যায়ন কৰা হয়। ঐতিহ্যমণ্ডিত এই বিদ্যালয়খনত বহিঃমূল্যায়ক হিচাপে অংশগ্ৰহণ কৰে কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ অধ্যাপক ড° সুৰেশ কুমাৰ নাথে। গুণোৎসৱৰ শুভাৰম্ভৰ কাৰ্যসূচী প্ৰাতঃসভাতে এক সম্বৰ্ধনা কাৰ্যসূচীও সম্পন্ন হয়। এই সম্বৰ্ধনা কাৰ্যসূচীত বহিঃমূল্যায়ক ড° সুৰেশ কুমাৰ নাথক ফুলাম গামোচা, শৰাই, জাপি, কিতাপ আদিৰে সম্বৰ্ধনা জনোৱা হয়। গুণোৎসৱৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীৰ লগত বহিঃমূল্যায়কৰ এক মত বিনিময় অনুষ্ঠানৰো আয়োজন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন নৃত্য-গীতেৰে উমাল কৰি তোলা এই মত বিনিময় অনুষ্ঠানত অধ্যাপক ড° সুৰেশ কুমাৰ নাথে শিক্ষক আৰু অভিভাৱকসকলক আমাৰ গ্ৰামাঞ্চলৰ সুবিধাৰ অভাৱত পিছপৰি থকা শিক্ষাৰ্থীসকলক আগুৱাই নিয়াৰ বাবে আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ কয় যে গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা কোনোগুণে কম নহয়, বৰং সুবিধা আৰু পৰিৱেশৰ অভাৱত বহু প্ৰতিভাৰ অপচয় হয়। আমি এইসকল ছাত্ৰ-ছাত্ৰীক পৰ্যাপ্ত সুবিধা আৰু পৰিৱেশ দি আগবঢ়াই নিব পাৰিলেহে সমাজখন প্ৰকৃতাৰ্থত সফল হ'ব।' এই মত বিনিময় অনুষ্ঠানত বিদ্যালয়ৰ প্ৰধান শিক্ষক তিলক চন্দ্ৰ ৰায়, সমাজকৰ্মী গংগাধৰ ৰায়, শিক্ষক শিক্ষয়িত্ৰী ক্ৰমে ডিম্বেশ্বৰী নাথ, পিংকী শীল, ৰঞ্জন গোস্বামী, পুলমা খাটনিয়াৰ, নিজৰা তালুকদাৰ, মমী পাঠক, নিৰ্মালী ব্ৰহ্মচাৰী আৰু মুৰ্চিদা খাতুনে ভাষণ প্ৰদান কৰে।

# বিশ্বনাথত তীৰ্থেশ্বৰ শৰ্মা সোঁৱৰণী ক্ষুদ্ৰ অৰণ্য উদ্বোধন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৬ জুন ঃ** বিশ্ব পৰিৱেশ দিৱস উপলক্ষে কালি অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ উদ্যোগত আৰু ইলোৱা বিজ্ঞান মঞ্চৰ সহযোগত নীলপুৰস্থিত বিজ্ঞান ভৱনত অনুষ্ঠিত কৰা হয়। পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ স্থায়ী কাৰ্যালয় প্ৰাংগণত তীৰ্থেশ্বৰ শৰ্মা সোঁৱৰণী ক্ষুদ্ৰ অৰণ্য উদ্বোধন কৰা হয়। অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ সভাপতি ড° প্ৰদীপ কুমাৰ মহন্তই পৰিচালনা কৰা কাৰ্যসূচীৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ১৩ পৃষ্ঠাত চাওক

# বনৌষধিৰ দ্বাৰা কেন্সাৰ ৰোগৰ চিকিৎসাত ব্ৰতী হেকিম ডাঃ অতুল মণ্ডল

■ অতুল পৌৰাণিক আয়ুৰ্বেদিক চিকিৎসা কেন্দ্ৰৰ সফলতা

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ৬ জুন ঃ** যি সময়ত ৰাজ্যত দুৰাৰোগ্য কেন্সাৰ ৰোগৰ চিকিৎসাৰ বাবে ৰাজ্য চৰকাৰে টাটা ন্যাসৰ যৌথ উদ্যোগত কেন্সাৰ হাস্পতাল মুকলি কৰি আধুনিক চিকিৎসা পদ্ধতিক সহজ -সুলভ কৰিব বিচাৰিছে, সেই সময়তে পৌৰাণিক আয়ুৰ্বেদিক চিকিৎসা পদ্ধতি অৱলম্বন কৰি বনৌষধিৰ পৰা নিজ হাতেৰে তৈয়াৰ কৰা 'অতুল শক্তি চূৰ্ণ', 'ৰসময়ী সালসা', 'অভিজিৎ বটিকা' আৰু 'পিংকি বটিকা' দৰবৰ দ্বাৰা কেন্সাৰ ৰোগৰ চিকিৎসা কৰি ৰোগীক সুস্থ কৰি



তোলাৰ দাবী কৰিছে হেকিম ডাঃ অতুল মণ্ডলে। বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবত কালি আয়োজিত এক সংবাদমেলত বঙাইগাঁও-চিৰাঙৰ সীমামূৰীয়া তথা বঙাইগাঁও শোধনাগাৰৰ পাঁচ নম্বৰ গেটৰ সমীপৰ কুকুৰমাৰীত থাকি ৰোগীক চিকিৎসা সেৱা আগবঢ়াই থকা মালদাৰ হেকিম ডাঃ মণ্ডলে দাবী কৰা মতে অস্ত্ৰোপচাৰ নকৰা কেমোথেৰাপি আৰু ৰেডিয়েচন নিদিয়া ৰোগীৰ ক্ষেত্ৰত তেওঁৰ এই ঔষধে সাত দিনতে আৰোগ্যৰ প্ৰমাণ পায় আৰু দুমাহতে সম্পূৰ্ণৰূপে আৰোগ্য লাভ কৰে। উল্লেখ্য যে ১২-১৩ বছৰৰ ১৩ পৃষ্ঠাত চাওক

## কাইলৈ শুক্ৰাচাৰ্য ৰাভাৰ মৃত্যুবাৰ্ষিকী

*১২ পৃষ্ঠাৰ পৰা* ফাৰকান্তি নৃত্য প্ৰদৰ্শন। পুৱা ১০ বজাৰ পৰা সংকীৰ্তন। বিয়লি বাদুংদুপ্পা পৰিয়ালৰ দ্বাৰা মঞ্চস্থ কৰা হ'ব 'বোদাৰাজা' নামৰ নাটখন। নাটৰ ৰচনা মদন ৰাভাৰ আৰু পৰিচালনা ধনঞ্জয় ৰাভা। নাটৰ মঞ্চ উদ্বোধন কৰিব অসমৰ বিশিষ্ট ভাস্কৰ্য শিল্পী বীৰেন সিংহই।

## শিলপোতাবৰী হাইস্কুলত প্ৰাচীৰ

*১২ পৃষ্ঠাৰ পৰা* বিদ্যালয় প্ৰধান শিক্ষক তাজেৰ আলী, পৰিচালনা সমিতিৰ সভাপতি কামাল উদ্দিন আহমেদ আৰু আন আন শিক্ষক-শিক্ষয়িত্ৰী তথা সমিতিৰ সদস্যসকলে প্ৰশংসা কৰে। ইপিনে, আদাম আলী প্ৰাথমিক বিদ্যালয়, গুৱাকুছি মোক্তাৰ প্ৰাথমিক বিদ্যালয়, গুৱাকুছি প্ৰাথমিক বিদ্যালয়, বালিকুছি মজলীয়া বিদ্যালয়, অসমী হাইস্কুল, কঠোৰা, বিষ্ণুৰাম মেধি উচ্চতৰ মাধ্যমিক বিদ্যালয়, পূব নলবাৰী হাইস্কুল, ননৈ প্ৰাথমিক বিদ্যালয়, কঠোৰা প্ৰাথমিক বিদ্যালয় আদিকে ধৰি অঞ্চলটোৰ আটাইবোৰ চৰকাৰী শিক্ষানুষ্ঠানতে গুণোৎসৱ সুকলমে সামৰণি পৰে। এই ক্ষেত্ৰত অভিভাৱক সমাজে বিদ্যালয়সমূহত স্বতস্ফূৰ্তভাৱে সঁহাৰি জনোৱা পৰিলক্ষিত হয়।

## বিশ্বনাথত তীৰ্থেশ্বৰ শৰ্মা সোঁৱৰণী ক্ষুদ্ৰ

*১২ পৃষ্ঠাৰ পৰা* ড° সঞ্জীৱ উপাধ্যায়ে। বিশ্বনাথ চাৰিআলিৰ পৌৰনিগমৰ পৌৰপতি অৱসৰপ্ৰাপ্ত অধ্যাপক অমৰজ্যোতি বৰঠাকুৰে তীৰ্থেশ্বৰ শৰ্মা সোঁৱৰণী ক্ষুদ্ৰ অৰণ্য উদ্বোধন কৰে। বিশ্বনাথ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মূৰব্বী অধ্যাপক অমৰজ্যোতি বৰঠাকুৰে ক্ষুদ্ৰ অৰণ্য এখনে নগৰ আৰু মহানগৰৰ বায়ুমণ্ডল প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ল'ব পৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত বক্তব্য দাঙি ধৰে। আকাশ বিজ্ঞান আৰু পৰিৱেশ শিক্ষাকেন্দ্ৰৰ উপ-সভাপতি ৰাণা প্ৰসাদ হাজৰিকাই বিশিষ্ট অতিথিৰূপে 'এখনেই পৃথিৱী আমাৰ' শীৰ্ষক বিষয়ৰ ওপৰত সুন্দৰ আৰু সাৱলীলভাৱে বিশ্বনাথ জিলাৰ পৰিৱেশপ্ৰেমী ব্যক্তিসকলৰ আগত মতামত দাঙি ধৰে। অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ যুটীয়া সম্পাদক ৰিপুঞ্জয় বৰদলৈয়ে আঁত ধৰা মূল সভাত বিশিষ্ট বিজ্ঞানকৰ্মী অৱসৰপ্ৰাপ্ত অধ্যাপক ধনেশ্বৰ বৰা, বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ অধ্যাপক ড° ভক্ত প্ৰসাদ গৌতম, ইলোৰা বিজ্ঞান মঞ্চ বিশ্বনাথ চাৰিআলি শাখাৰ সম্পাদক পৰশু ছেত্ৰীয়ে পৰিৱেশ দিৱসৰ ওপৰত বক্তব্য দাঙি ধৰে।

## লেখক-শিক্ষাবিদ মহেন শইকীয়ালৈ

*১২ পৃষ্ঠাৰ পৰা* অন্যতম। এনেদৰে বিদ্যালয়খনক প্ৰাকৃতিক সৌন্দৰ্যৰে আটক ধুনীয়াকৈ সজাই জ্ঞানৰ মন্দিৰলৈ ৰূপান্তৰ কৰি উচ্চ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ কাৰণে আজি বিশ্ব পৰিৱেশ দিৱসৰ দিনটোতে বিশিষ্ট লেখক-শিক্ষাবিদ তথা নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহেন শইকীয়াক 'শিক্ষাশ্ৰী' উপাধি প্ৰদান কৰে। উল্লেখ্য যে নিষ্ঠাৰে বিদ্যালয়খন আগবঢ়াই নিয়াৰ বাবে ইতিপূৰ্বে ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাও লাভ কৰাৰ লগতে বিদ্যালয়ৰ চৌহদ সেউজ কৰি ৰাখিবলৈ প্ৰচেষ্টা কৰাৰ কাৰণে গ্ৰাছ গ্ৰীণ এৱাৰ্ডও লাভ কৰিবলৈ সক্ষম হৈছে।

ইপিনে, কে'বাখনো তথ্য সম্বলিত গ্ৰন্থ প্ৰকাশ কৰি সাহিত্য জগতলৈ অনবদ্য বৰঙণি আগবঢ়াইছে শিক্ষাবিদ শইকীয়াই। লেখক-শিক্ষাবিদ তথা নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শইকীয়াই 'শিক্ষাশ্ৰী' উপাধি লাভ কৰাত গোলাঘাট জিলা সাংবাদিক সন্থা, কমাৰগাঁও আঞ্চলিক সাংবাদিক সংস্থা, মহুৰামুখ প্ৰেছ ক্লাব, নুমলীগড় আঞ্চলিক সাংবাদিক সংস্থাকে ধৰি অঞ্চলটোৰ বিভিন্ন দল-সংগঠনে আদৰণি জনাইছে।

## শংকৰদেৱ শিশু বিদ্যা নিকেতন, কৃষ্ণাইৰ

*১২ পৃষ্ঠাৰ পৰা* বন্তি প্ৰজ্বলন আৰু বন্দনা অনুষ্ঠানৰ আৰম্ভ কৰে শিক্ষানুষ্ঠানখনৰ প্ৰতিষ্ঠাপক যুটীয়া সম্পাদক গিৰিশ ভট্টাচাৰ্যই। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন পৰ্ব। পতাকা উত্তোলন কৰে নিকেতন পৰিচালনা সমিতিৰ সভাপতি স্বপন কুমাৰ বিশ্বাসে। অনুষ্ঠানত সৰ্বমুঠ ২৫খন পতাকা উত্তোলন কৰে সভাপতিসহ মুঠ ২৫শ জন বিশিষ্ট লোকে। স্মৃতি তৰ্পণ কৰে গোৱালপাৰা আইন মহাবিদ্যালয়ৰ ড° অনুপ ৰয়ে। পাছত অনুষ্ঠিত হয় বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা। শোভাযাত্ৰা উদ্বোধন কৰে কৃষ্ণাই আঞ্চলিক বন বিষয়া শিৱাণী দলে পেগুৱে। শোভাযাত্ৰাত কে'বা শতাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰতিকূল বতৰকো নেওচি অংশগ্ৰহণ কৰে আচাৰ্য-আচাৰ্যা, অভিভাৱক তথা কে'বাটাও আমন্ত্ৰিত শিল্পীৰ দলে। ইফালে, আবেলি বৃক্ষৰোপণ কৰে দুধনৈৰ সমাজসেৱিকা টিনামণি দৈমাৰীয়ে। অনুষ্ঠান সন্দৰ্ভত কৃষ্ণাই শংকৰদেৱ শিশু বিদ্যা নিকেতন ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি পৰিমল সাহাই জনোৱা অনুসৰি, আগন্তুক জানুৱাৰীত শিক্ষানুষ্ঠানখনে ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ আয়োজন কৰিব।

## নগাঁও জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক

*১২ পৃষ্ঠাৰ পৰা* অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক মৃণাল কুমাৰ হাজৰিকা আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱাই বিভিন্ন পৰামৰ্শ আগবঢ়ায়। জিলা সভাৰ উপ-সভাপতি থগিত মহন্তই সাংগঠনিক দিশৰ ওপৰত আলোকপাত কৰে। ১২ জুনত নগাঁও জিলা সাহিত্য সভাৰ মধ্যকালীন বিশেষ বাৰ্ষিক অধিৱেশন মধুপুৰ শাখা সাহিত্য সভা আৰু কাঁচিয়লি শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত আয়োজন কৰা হৈছে বুলি জানিব পৰা গৈছে। এই সভাতে শিংগিয়া পাঠৰী অঞ্চলৰ উন্নতিৰ হকে বিশেষ সেৱা আগবঢ়োৱা নজিফুৰ ৰহমান আৰু ৰত্নেশ্বৰ বৰাদেৰক সম্বৰ্ধনা জনোৱা হয়। সভাত নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰতিমোহন নাথ, নিত্যানন্দ বৰা, প্ৰাক্তন সম্পাদক উপেন চন্দ্ৰ বৰা, শৰৎ চন্দ্ৰ শইকীয়া, মাতৃভাষা প্ৰয়োগ উপ-সমিতিৰ আহ্বায়ক ভবেশ মেধি, জিলাৰ বিষয়ববীয়া ক্ৰমে অধৰ ঠাকুৰীয়া, বিনু লস্কৰ ঠাকুৰীয়া, তুলুপ্ৰভা শইকীয়া, দিপ্তী দেৱী শৰ্মা, চিনু কাকতি শইকীয়া, মজিবুৰ ৰহমান, জ্যোতিকামনি দাস, দীপিকা নাথ, ৰাজীৱ কুমাৰ হাজৰিকা, স্মৃতা কলিতা, ত্ৰিদীৱ লস্কৰ, বিচিত্ৰ নাৰায়ণ বৰা, দ্বীপ্তি বৰা, প্ৰদীপ শইকীয়া, মৃগাংক বৰা, মিণ্টু দাস, ময়ূৰ কুমাৰ বৰা, দিপাংকৰ শইকীয়া, ঋতুৰাজ বৰা, জিলা কাৰ্যনিৰ্বাহক সদস্য প্ৰান্তিক গোস্বামী আদি উপস্থিত থাকে।

## যোৰহাট জিলা ভিত্তিত পানীচকুৱাত

*১২ পৃষ্ঠাৰ পৰা* হৈছিল।' পুৱা আঠ বজাত প্ৰয়াত ঘনশ্যাম চেতিয়াৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে পত্নী কামদা চেতিয়াই। ৮-৩০বজাত গছপুলি ৰোপন কৰে মানস শৰ্মাই। পুৱা ন বজাত প্ৰয়াত ঘনশ্যাম চেতিয়াৰ সোঁৱৰণত তেখেতৰ পৰিয়ালবৰ্গই যোৰহাটৰ অগ্ৰণী প্ৰকাশন গোষ্ঠী দিগদৰ্শন প্ৰকাশনৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ মাজত যোৰহাট জিলাভিত্তিত তিনিটা শাখাত অনুষ্ঠিত হয় চিত্ৰাংকন প্ৰতিযোগিতা। দুপৰীয়া ১২ বজাত অনুষ্ঠিত মুকলি সভা স্থানীয় উদীয়মান শিল্পী প্ৰনামী দাসৰ সৃষ্টিশীল নৃত্য পৰিৱেশনেৰে শুভাৰম্ভ হয়। প্ৰয়াত ঘনশ্যাম চেতিয়াৰ গুণমুগ্ধ ভালেকেইজন ব্যক্তিয়ে বক্তব্য ৰখা সভাখনত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি বক্তব্য আগবঢ়ায় জোনাই থানাৰ আৰক্ষী দীপক বৰাই। শতাধিক ৰাইজৰ অংশগ্ৰহণেৰে কবিতা-নৃত্য-গীতেৰে জীপাল হৈ উঠা এই অনুষ্ঠানত চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ী ক্ৰমে ৰাজদ্বীপ দাস, অনুষ্কা দাস, কৃষ্ণমণি দাস, সুদেষ্ণা পাঠক, বৰ্ষা হাজৰিকা, ইন্দ্ৰানী হাজৰিকা, পোহৰ হাজৰিকা, আৰ্নি দাস, অনন্যা গগৈক বঁটা প্ৰদান কৰাৰ লগতে অংশগ্ৰহণকাৰী সকলো প্ৰতিযোগীকে একোখনকৈ মানপত্ৰ আৰু গ্ৰন্থ প্ৰদান কৰা হয়।

## হাতীৰ খাদ্যৰ বাবে দিহিং পাটকাইত

*১২ পৃষ্ঠাৰ পৰা* মানুহ। গতিকে হাতী বা অন্য বন্যপ্ৰাণীৰ আৰু মানুহৰ মাজত হোৱা সংঘাত নাইকীয়া কৰিবলৈ প্ৰথম কথা এই বনধ্বংস বন্ধ কৰিব লাগিব আৰু এই বনাঞ্চল সমূহত বন্যপ্ৰাণীৰ বাবে খাদ্যৰ উপযোগী গছসমূহ ৰোপণ কৰিব লাগিব। বনাঞ্চলৰ ভিতৰত যদি বন্যপ্ৰাণীয়ে পৰ্যাপ্ত খাদ্য পাবলৈ সক্ষম হয় তেনেহ'লে বন্যপ্ৰাণী কেতিয়াও জনাঞ্চললৈ ওলাই নাহে। গতিকে সকলোকে বনাঞ্চলখনক সুৰক্ষা প্ৰদান কৰিবলৈ আগবাঢ়ি আহিবলৈ আহ্বান জনাই গগৈয়ে। তদুপৰি প্ৰত্যেককে গছপুলি লাগিলে এটাই ৰোপণ কৰক কিন্তু তাক প্ৰতিপালনো কৰিবলৈ আসাম বাৰ্ড মনিটৰিঙৰ সমন্বয়ক জনে সমূহ ৰাইজক আহ্বান জনায়। আসাম বাৰ্ড মনিটৰিঙ আৰু নাহৰকটীয়া চাইকেলিং ক্লাবে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আয়োজন কৰা এই কাৰ্যসূচীত তেওঁলোকে নাহৰকটীয়াৰ পৰা জয়পুৰস্থিত দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ গাতে লাগি থকা ডাঙৰীয়া বাবা থানলৈকে চাইকেলেৰে যাত্ৰা কৰি ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰচৰাত গছপুলি ৰোপণ কৰে। ইয়াৰ উপৰিও চৰাই আৰু সাপে পৰিস্থিতি তন্ত্ৰত কি ভূমিকা গ্ৰহণ কৰে তাৰ ওপৰত এক আলোচনা চক্ৰ অনুষ্ঠিত কৰে। শেষত নাহৰকটীয়া চাইকেলিং ক্লাবৰ সম্পাদক প্ৰাশৰ্চৰ্য শইকীয়াৰ নেতৃত্বত যোৱা ক্লাবৰ সদস্যসকলে প্ৰকৃতি সুৰক্ষাৰ উদ্দেশ্যেৰে দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ পৰা চাইকেলেৰে যাত্ৰা আৰম্ভ কৰি প্ৰথমে নামৰূপত উপস্থিত হৈ নিগাম পথেৰে আহি পুনৰ নাহৰকটীয়াত এই যাত্ৰাৰ অন্ত পেলায়।

## বনৌষধিৰ দ্বাৰা কেন্সাৰ ৰোগৰ

*১২ পৃষ্ঠাৰ পৰা* আগতে আৰোগ্য হোৱা ৰোগী, সুস্থ, সবল হৈ এতিয়াও বাচি থকাৰ উদাহৰণ আছে বুলিও তেওঁ প্ৰকাশ কৰে। ইপিনে, কেমোথেৰাপি আৰু ৰেডিয়েচন লোৱা ৰোগীৰ ক্ষেত্ৰত সুস্থ হ'বলৈ কিছু দীঘলীয়া সময়ৰ প্ৰয়োজন হয় বুলি কয়। কেমোথেৰাপি আৰু ৰেডিয়েচন লোৱাৰ পাছতো সুস্থ নোহোৱা, খাদ্য খাব আৰু গিলিব নোৱাৰা, কথা ক'ব নোৱাৰা, নাকেৰে পাইপ সুমুৱাই চিকিৎসালয়ৰ পৰা মুকলি কৰি দিয়া মৃত্যুমুখী ৰোগীৰ ক্ষেত্ৰতো নাকৰ পাইপৰ দ্বাৰাই তেওঁৰ ঔষধ সেৱন কৰাই ৰোগী সুস্থ হোৱা তথা, খাদ্য খাব পৰা হৈ কথা ক'ব পৰা হোৱা ৰোগী এতিয়াও বাচি থকা উদাহৰণ আছে বুলিও প্ৰকাশ কৰে। তেওঁ লগতে কয় যে এই ঔষধে কেমোথেৰাপি আৰু ৰেডিয়েচনৰ পাৰ্শ্বক্ৰিয়া উপশম কৰি ৰোগীৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়াই তোলে। ইতিমধ্যে অসম, পশ্চিমবংগ, বিহাৰ, ঝাৰখণ্ড আদিৰ এশৰো অধিক কেন্সাৰ ৰোগীৰ চিকিৎসা কৰি সম্পূৰ্ণ আৰোগ্য কৰা হয় বুলি দাবী কৰি হেকিম ডাঃ মণ্ডলে আৰু কয় যে এই দৰৱ খোৱাৰ পাছত কেন্সাৰ আক্ৰান্ত কোষসমূহক ধ্বংস কৰি পেলোৱাৰ লগতে ইয়াৰ ওচৰৰ অনাক্ৰান্ত কোষসমূহক সুৰক্ষা প্ৰদান কৰি শৰীৰত ৰোগ প্ৰতিৰোধী ক্ষমতা বঢ়াই তোলে। লক্ষ্যণীয় যে এই ঔষধৰ কোনোধৰণৰ পাৰ্শ্বক্ৰিয়া নাই বুলি মতপোষণ কৰি ঔষধবিধে শৰীৰক সুস্থ আৰু সবল কৰাত সহায়হে কৰে। লগতে এই ঔষধ ব্যৱহাৰৰ পাছত কোনোবা কৃষকে সুস্থ হৈ পুনৰ পথাৰত কাম কৰিব পাৰিব, শ্ৰমিকে তেওঁলোকৰ পূৰ্বৰ কামত নিয়োজিত হ'ব পাৰিব আৰু চাকৰিয়ালে পুনৰ কাৰ্যালয়লৈ গৈ তেওঁৰ কাম চম্ভালিব পাৰিব বুলিও দাবী কৰে। বঙাইগাঁৱৰ কিষাণ বজাৰ খামাৰপাৰা, কাকৈজানা, চাপাৰাকাটা, ছয় নম্বৰ বাশবাৰী আদি অঞ্চলৰ ইতিমধ্যে তেওঁৰ দৰৱ খাই সুস্থ হোৱা কে'বাগৰাকীও ৰোগীৰ নাম উল্লেখ কৰে। ইণ্ডিয়ান কাউন্সিল অফ অল্টাৰনেটিভ মেডিচিনৰ পশ্চিমবংগৰ পঞ্জীয়নভুক্ত (৩৬২৫৮) হেকিম ডাঃ অতুল মণ্ডলে লগতে কয় যে যোৱা ৩৫ বছৰে কেন্সাৰৰ চিকিৎসা তথা ঔষধৰ সৃষ্টিৰ কামত ব্ৰতী থাকি তেওঁৰ যথেষ্ট ধন আৰু সময় খৰচ হৈছে। আজি তেওঁৰ ঔষধে কেন্সাৰ নিৰাময় কৰাত সফল হৈছে। হেকিম ডাঃ মণ্ডলৰ পুত্ৰ অভিজিৎ মণ্ডলো উপস্থিত থকা সংবাদমেলৰ জৰিয়তে ঔষধৰ দ্বাৰা কেন্সাৰৰ সফল চিকিৎসাৰ বিষয়ে ভাৰতৰ প্ৰধানমন্ত্ৰী তথা অসমৰ মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰাৰ প্ৰয়াস কৰে আৰু তেওঁলোকৰ সঁহাৰি পালে তেওঁৰ চিকিৎসা পদ্ধতি উপযুক্ত মঞ্চত প্ৰতিষ্ঠিত হ'ব বুলিও আশা ব্যক্ত কৰে।

## বৃহত্তৰ আঠখেলীয়া অঞ্চলত ৰোৱা ধানৰ কঠীয়া সিঁচিবলৈ পানীৰ বাবে হাহাকাৰ

**অগ্ৰদূত বাৰ্তা**

**আঠখেলীয়া, ৬ জুন ঃ** গোলাঘাট জিলাৰ দক্ষিণ-পূব আৰু যোৰহাট জিলাৰ দক্ষিণ-পশ্চিম অঞ্চলৰ সামৰি বৃহত্তৰ আঠখেলীয়া অঞ্চলত আগন্তুক জুলাই-আগষ্টত শালি জাতৰ ৰোৱা ধানৰ খেতি কৰিবৰ বাবে আগতীয়া কঠীয়া সিঁচিবলৈ প্ৰয়োজনীয় পানীৰ অভাৱত বৃক্ষৰোপণ হাহাকাৰ কৰিব লগা হোৱাৰ সমস্যাৰ উদ্ভৱ হোৱাত বিপদৰ সন্মুখীন হৈছে। তথ্য মতে, যোৰহাট জিলাৰ তিতাবৰ, বৰহোলা, নগাবাট আৰু গোলাঘাট জিলাৰ গমাৰিগুৰি, ফৰকাটিং, আঠগাঁও শালিকীহাট, কমাৰবন্ধা, বকলাই, চবিটিং ইত্যাদি বৃহৎ অঞ্চলসমূহত বিগত মাঘ, ফাগুন তথা ব'হাগ বিহুৰ আগে-পাছে দিনে-ৰাতিয়ে পৰ্যাপ্ত বৰষুণ হৈছিল যদিও ব'হাগৰ শেষৰ পৰা জেঠত অদ্যাপি পৰ্যাপ্ত বৰষুণ নোহোৱাৰ বাবে খেতিৰ পথাৰ আৰু পথাৰ বিলৰ দ'খাৰৈসমূহৰ পানী শুকাই ঠায়ে ঠায়ে চিৰাল ফাট মেলিছে। তদুপৰি একাংশ কৃষকে পথাৰত জমা হোৱা পানী সিঁচাত আৰু অন্য একাংশই ট্ৰেক্টৰেৰে অৱশিষ্ট পানীও বৰ্তমানৰ প্ৰখৰ ৰ'দত শুকাই যোৱাত অঞ্চলটোত খৰাং বতৰ সদৃশ পৰিস্থিতি হৈছে। অৱশ্যে এনে অৱস্থাৰ মাজেদিও চহকী কৃষক একাংশই অঞ্চলটোৰ মাজেদি বৈ যোৱা নদীৰ পৰা পানী সিঁচা যন্ত্ৰৰ ব্যৱহাৰ কৰি কঠীয়া সিঁচা কাম কৰিছে যদিও 'সিঁচা পানী মিছা কথাৰ সমান' হৈ পৰি কঠীয়াতলিসমূহতো চিৰাল ফাট দিছে বুলি প্ৰকাশ পাইছে। এই বৃহৎ অঞ্চলৰ লক্ষ লক্ষ জনতাই অনাগত সময়ত কৃষকসকলে সময় মতে উপযুক্ত কৃষি শস্য উৎপাদনৰ বাবে কৃষি পথাৰসমূহত নব্য প্ৰযুক্তিৰে জলসিঞ্চনৰ আঁচনি গ্ৰহণ কৰি সুস্থ কৃষি অৰ্থনীতি গঢ়ি তুলিবলৈ ৰাজ্যৰ শাসকীয় দলৰ জনপ্ৰতিনিধিসকলৰ লগতে মূলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত দাবী জনাইছে।

## যোৰহাটত জলসিঞ্চন বিভাগৰ সেউজীয়া প্ৰকল্প আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ৬ জুন ঃ** অসম চৰকাৰৰ জলসিঞ্চন বিভাগ যোৰহাট সংমণ্ডলৰ অন্তৰ্গত যোৰহাট, টীয়ক, দেৰগাঁও আদিত বিভিন্ন প্ৰজাতিৰ উদ্ভিদ ৰোপণ এক প্ৰকল্প কালি টীয়ক সমষ্টিত আৰম্ভ কৰে অধীক্ষক অভিযন্তা শৈলেন বৈশ্যই। গছপুলি ৰোপণ কাৰ্যসূচীত অভিযন্তা বিজিত বৰুৱা, সহকাৰী কাৰ্যবাহী অভিযন্তা ভৰত চন্দ্ৰ বৰদলৈ, তপন দাস উপস্থিত থাকে। অনুষ্ঠানত আঁত ধৰে সহকাৰী অভিযন্তা সৌৰভ হাজৰিকাই। বছৰ জোৰা এই কাৰ্যসূচীত ৰাইজৰ সহযোগিতা কামনা কৰিছে জলসিঞ্চন বিভাগ যোৰহাট সংমণ্ডলে।

## মৰাণত চাৰি মহিলাই দৃষ্টিহীন লোকৰ বাবে নিজৰ চকুযুৰি দান কৰিলে

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৬ জুন ঃ** অন্ধত্বৰ বাবে বহু লোকে আমাৰ বিনন্দীয়া পৃথিৱীখনৰ ৰং উপভোগ কৰাৰ পৰা বঞ্চিত হৈ আছে। কিন্তু এই অন্ধ লোকসকলক আমি নেত্ৰদানৰ যোগেদি তেওঁলোকৰ জীৱনলৈ পোহৰ কঢ়িয়াই নিব পাৰো। বহু হৃদয়বান লোকে চকু দান কৰি বহুতৰ জীৱন পোহৰাই তুলিছে। এনে এক মহান কাম কৰি পৰিচয় দিলে মৰাণৰ চাৰিগৰাকী হৃদয়বান মহিলাই। অখিল ভাৰতীয় মহিলা সন্মিলনৰ উদ্যোগত আজি ডিব্ৰুগড় জিলাৰ মৰাণৰ কুশল নগৰত অনুষ্ঠিত এক অনুষ্ঠানত কৰবী সোণোৱাল, কুসুম মিতাল, ৰেখা বেৰীয়া, নয়না পাচাৰি নামৰ মহিলাকেইগৰাকীয়ে চকু দান কৰা প্ৰমাণপত্ৰত চহী কৰি এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। নিজৰ চকু দান কৰি কৰবী সোণোৱালে কয় যে তেওঁ মৰাণত থকা অন্ধ বিদ্যালয়লৈ গৈ তাত থকা অন্ধ ছাত্ৰ-ছাত্ৰীসকলক দেখি এই সিদ্ধান্ত লয়। সোণোৱালে সকলো হৃদয়বান লোককে নিজৰ চকুহাল দান দি অন্ধসকলৰ জীৱন পোহৰাই তুলিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত অখিল ভাৰতীয় মহিলা সন্মিলনৰ জ্যেষ্ঠ নেত্ৰী লতা টোডী আগৰৱালা, সম্পাদিকা সীমা টোডী আগৰৱালাৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## দদৰাত যুৱ-ছাত্ৰ পৰিষদৰ গুৱাহাটী জিলা সমিতিৰ প্ৰতিনিধি সভা

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৬ জুন ঃ** সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ গুৱাহাটী জিলা সমিতিৰ এখন প্ৰতিনিধি সভা আজি কামৰূপৰ দদৰাৰ লখিমী হোটেলৰ সভাকক্ষত অনুষ্ঠিত হৈ যায়। যুৱ-ছাত্ৰ পৰিষদৰ নেতা হৰমোহন বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত কে'বাগৰাকী যুৱ-ছাত্ৰ পৰিষদৰ বিষয়ববীয়াই সংগঠনৰ বিভিন্ন কৰ্ম পন্থাৰ ওপৰত বক্তব্য দাঙি ধৰে। আনহাতে, কালিৰ প্ৰতিনিধি সভাত সৰ্বসন্মতিক্ৰমে কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। কালিৰ প্ৰতিনিধি সভাতেই আগন্তুক বৰ্ষৰ বাবে সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ গুৱাহাটী জিলা সমিতিখন নতুনকৈ গঠন কৰা হয়। সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাংগঠনিক সম্পাদক জ্যোতিপ্ৰসাদ কলিতা আৰু উপ-সভাপতি নৰেন্দ্ৰ কুমাৰ দাস পৰ্যবেক্ষকৰূপে উপস্থিত থকা সভাত সমিতিখন গঠন কৰা হয়। কালি গঠিত গুৱাহাটী জিলা সমিতিৰ সভাপতি হৰমোহন বৈশ্য আৰু সাধাৰণ সম্পাদক মঃ লুকমন হুছেইনক লৈ এখন শক্তিশালী নতুন সমিতি গঠন কৰা হয়।

## অৱসৰপ্ৰাপ্ত কাৰ্যবাহী অভিযন্তা আলহাজ আজগৰ আলীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**



**হাজো, ৬ জুন ঃ** তীৰ্থ নগৰী হাজোৰ শনিয়াদিৰ বিশিষ্ট সমাজকৰ্মী তথা গুৱাহাটী গান্ধীবস্তিৰ নিবাসী, অসম চৰকাৰৰ বিদ্যুৎ বিভাগৰ অৱসৰপ্ৰাপ্ত কাৰ্যবাহী অভিযন্তা আলহাজ আজগৰ আলী (৬৯)ৰ আজি পুৱতি নিশা মৃত্যু হয়। তেওঁৰ মৃত্যুৰ খবৰ সদৰী হোৱাৰ পাছতে বৃহত্তৰ হাজো অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। দীৰ্ঘদিনীয়া শাৰীৰিক অসুস্থতাৰ অন্তত আজি শেষ নিশ্বাস ত্যাগ কৰা আলীৰ মৃত্যুত শোকৰ ছাঁ পৰিছে। হাজোৰ শনিয়াদিত ১৯৫৩ত জন্মগ্ৰহণ কৰা আলীয়ে ১৯৬৯ত শনিয়াদি বিএএছ মাদ্ৰাছা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ইয়াৰ পাছত তেওঁ কটন কলেজৰ পৰা পিইউ আৰু চান্দমাৰি অভিযান্ত্ৰিক ইনষ্টিটিউটৰ পৰা চিভিল ডিপ্ল'মা লৈ অসম চৰকাৰৰ বিদ্যুৎ বিভাগত এজন কনিষ্ঠ অভিযন্তা হিচাপে চাকৰিত যোগদান কৰে। পৰৱৰ্তী সময়ত কাৰ্যবাহী অভিযন্তা হিচাপে পদোন্নতি লাভ কৰি বিগত ২০০৭ত চাকৰিৰ পৰা স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰে। মৃত্যুৰ সময়লৈকে তেওঁ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। আলী 'শনিয়াদি আঞ্চলিক উন্নয়ন পৰিষদ'ৰ প্ৰতিষ্ঠাপক সভাপতি, শনিয়াদি বিএএছ মাদ্ৰাছাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সমাৰোহ উদ্‌যাপন সমিতিৰ সভাপতি আৰু গুৱাহাটী গান্ধীবস্তি জামে মছজিদৰ প্ৰাক্তন সাধাৰণ সম্পাদক আৰু একেৰাহে ১০ বছৰ সভাপতি আছিল। হাজো অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আলীৰ মৃত্যুত প্ৰাক্তন সমবায় মন্ত্ৰী নুৰুল হুছেইন, অজাপ নেতা দুলু আহমেদ, প্ৰাক্তন বিধায়ক দ্বীপেন পাঠক, কংগ্ৰেছ নেতা দিলীপ শৰ্মা, হাজো সাংবাদিক সন্থা, আছুৰ কেন্দ্ৰীয় উপদেষ্টা প্ৰকাশ দাস, শনিয়াদি আঞ্চলিক উন্নয়ন পৰিষদৰ সম্পাদক আফটাবুদ্দিন আহমেদকে ধৰি হাজো অঞ্চলৰ বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুত সময়ত পত্নীসহ পুত্ৰ-কন্যা আৰু বহু গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

## খুমটাইৰ ধোদৰ আলিত পথ দুৰ্ঘটনা ঃ আহত ছয়

**খুমটাই, ৬ জুন ঃ** খুমটাই আৰক্ষী চকীৰ সমীপৰ খুমটাইৰ ন-গাঁৱত আজি পুৱাই এক পথ দুৰ্ঘটনা সংঘটিত হয়। পুৱা প্ৰায় পাঁচ বজাত এ এছ -০৫ জে ২১১৩ নম্বৰৰ এখন ছুইফট বাহনে নিয়ন্ত্ৰণ হেৰুৱাই এটা ট্ৰেন্সফৰ্মাৰত খুন্দিওৱাৰ ফলত বিলাসী বাহনখনৰ সন্মুখভাগ ভাঙি চূৰমাৰ হোৱাৰ লগতে ছুইফটখনৰ চালক ভগ্নেশ্বৰ কুৰ্মীসহ পাঁচগৰাকী মহিলা আৰোহীৰ কথমপি প্ৰাণ ৰক্ষা পৰে। উল্লেখ্য যে তিতাবৰত নাম-কীৰ্তন খাই খুমটাইৰ বৰুৱাগাঁৱৰ ঘৰলৈ ঘূৰি অহা অৱস্থাত হঠাৎ এই দুৰ্ঘটনাটো সংঘটিত হয়। ঘটনাস্থলীত খুমটাই আৰক্ষী উপস্থিত হৈ আহতসকলক গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## 'পৰিৱেশ সংৰক্ষণ' সজাগতাৰ বাবে সংবাদ মাধ্যমৰ ভূমিকা অপৰিসীম

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ৬ জুন ঃ** 'অধ্যয়ন চক্ৰ টীয়ক আৰু ইংলিছ ষ্টাডী এণ্ড লিটাৰেৰী ফৰাম কাকজান কলেজৰ যৌথ উদ্যোগত তথা কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিশ্ব পৰিৱেশ দিৱসৰ সপ্তাহজোৰা কাৰ্যসূচীৰ অন্তিমটো কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কাকজান মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ভৈৰবানন্দ বৰাই আঁত ধৰা তথা কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জিত দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত কাকজান মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° পংকজ গোস্বামী বিশেষ অতিথি হিচাপে উপস্থিত থাকে। সভাত মুখ্য অতিথি হিচাপে ভাৰতবৰ্ষৰ অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েঙে পৃথিৱীৰ সেউজীয়াকৰণৰ ওপৰত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। লগতে দুয়োটা শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকল তথা উপস্থিত ৰাইজৰ স'তে সেউজ পৰিৱেশ গঢ়ি তোলাৰ অৰ্থে

### ■ টীয়কৰ সভাত পদ্মশ্ৰী যাদৱ পায়েং

বাৰ্তালাপত মিলিত হয় আৰু আজি কিদৰে তেওঁ এই স্থানত উপনীত হৈছে তাৰ আভাস দিয়ে। লগতে বিশ্বৰ প্ৰতিগৰাকী মানুহকে বছৰি এটাকৈ পুলি ৰোপণ কৰি পৰিৱেশ সংৰক্ষণত অৰিহণা যোগাবলৈ আহ্বান জনায়। ইপিনে, পৰিৱেশ সজাগতা সৃষ্টিৰ ক্ষেত্ৰত বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে সংবাদ মাধ্যমৰ ভূমিকাও অধিক গুৰুত্বপূৰ্ণ বুলিও ভাষণ প্ৰসংগত অৰণ্য মানৱজনে সদৰী কৰি এইদৰে সজাগতা সৃষ্টি কৰিবলৈ আয়োজন কৰা সভাৰ উদ্যোক্তাসকলক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত কাকজান মহাবিদ্যালয়ৰ অধ্যাপক তুফেল জিলানী, শিক্ষক ৰমেন শৰ্মা, অধ্যয়ন চক্ৰ টীয়কৰ হৈ দ্বীপজ্যোতি শইকীয়া, চন্দন জ্যোতি ভূঞা, ৰেঙণিৰ সঞ্চালক বিজু কুমাৰ শৰ্মা, বিনীতা শইকীয়া, ছাত্ৰ নেতা ৰণ্টু ভূঞা, যদুমণি বৰুৱাকে প্ৰমুখ্য কৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে সভাৰ আৰম্ভণিৰ প্ৰাকক্ষণত বিদ্যালয়ৰ চৌহদত অৰণ্য মানৱ পায়েঙে এটি গছপুলি ৰোপণ কৰে। অনুষ্ঠানৰ শেষত কাকজান মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশ সংৰক্ষণৰ ওপৰত এখন নাটক প্ৰদৰ্শন কৰে।

## লক্ষীবাৰীৰ বৰজানত বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু তিথিৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ৬ জুন ঃ** গোলাঘাট জিলা সাহিত্য সভাৰ অন্তৰ্গত লক্ষীবাৰী শাখা সাহিত্য সভাৰ উদ্যোগত, বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ সংসদ আৰু ৰাইজৰ সহযোগত বিদ্যালয়ৰ সভাকক্ষত ২০ জুনত সৈনিক শিল্পী তথা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৩ সংখ্যক মৃত্যু তিথিৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন কাৰ্যসূচী ৰূপায়ণ কৰিব লক্ষীবাৰী শাখা সাহিত্য সভাৰ সভাপতি সুৰেন বৰাই। বিশ্ব বৰেণ্য শিল্পীজনৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী সবিতা গগৈয়ে। ছাত্ৰ-ছাত্ৰীৰ মাজত শিল্পীজনৰ কালজয়ী কবিতা-ৰচনা-গীত-মাত প্ৰতিযোগিতাসমূহ উদ্বোধন কৰিব গোলাঘাটৰ বিশিষ্ট কবি অংকুৰ দেৱ শইকীয়াই। উল্লেখ্য যে সুৰেন বৰাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব অৱসৰপ্ৰাপ্ত অধ্যক্ষ গুণেন বৰাই। সভাত মহাবিদ্যালয়ৰ প্ৰবক্তা তথা প্ৰগতিশীল কবি যুগলজ্যোতি বৰা গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদক বন্তি বৰা প্ৰমুখ্যে ভালেকেইগৰাকী বক্তা উপস্থিত থাকিব। উদ্‌যাপন সমিতিয়ে অনুষ্ঠান সাফল্যমণ্ডিত কৰিবলৈ ৰাইজৰ সহায়-সহযোগ আৰু উপস্থিত একান্তই কামনা কৰিছে।

## ৰংজুলি-ধনুভাঙাত ৰাভা হাছং পৰিষদৰ দ্বাৰা নিৰ্মিত পকী পথ-দলং উদ্বোধন

**অগ্ৰদূত বাৰ্তা**



**দুধনৈ, ৬ জুন ঃ** ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ ২০২০-২১ৰ বিত্তীয় পুঁজিৰ আবণ্টিত ধনেৰে ৰংজুলিৰ বেলপাৰা গাঁৱত নিৰ্মাণ কৰা এটা পকী পথৰ আজি উদ্বোধন কৰা হয়। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ ৰংজুলি সমষ্টিৰ সাধাৰণ পৰিষদ সহদেৱ ৰাভাই পকী পথটো উদ্বোধন কৰে। উদ্বোধনী ভাষণত তেওঁ কয় যে ৰাভা হাছং পৰিষদখনে গ্ৰামাঞ্চলৰ সকলো সৰু-বৰ সমস্যা বা অভাৱ-অভিযোগ পূৰণ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে যদিও সীমিত পুঁজিৰে সেয়া অধিক দ্ৰুতগামী কৰিব পৰা নাই। সেয়ে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদখন সংবিধানৰ ষষ্ঠ অনুসূচিত অন্তৰ্ভুক্ত হ'লে ৰাইজ অধিক উপকৃত হ'ব বুলি তেওঁ প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মনোনীত পাৰিষদ চন্দন সূত্ৰধৰ, ৰংজুলি গাঁও পঞ্চায়তৰ সভানেত্ৰী স্বপ্না ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ আলোচনী সম্পাদক অসীম কুমাৰ ৰাভা, ৰংজুলি আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি বিশ্বজিৎ ৰাভা, উপ-সভাপতি নবীন ৰাভা, সম্পাদক সঞ্জীৱ কুমাৰ ৰাভা, ৰংজুলি আঞ্চলিক ৰাভা মহিলা পৰিষদৰ সভানেত্ৰী ৰুমিতা ৰাভা, সম্পাদিকা সুনীতি ৰাভা, ৰংজুলি আঞ্চলিক ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি লোহিত ৰাভাকে ধৰি বহু বিশিষ্ট লোক উপস্থিত থাকে। ১০ লক্ষাধিক টকাৰে নিৰ্মিত পকী পথটো উদ্বোধন হোৱাৰ পাছত অঞ্চলটোৰ যাতায়াত ব্যৱস্থা অধিক সুচল হোৱা বুলি স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰিছে। ইপিনে, ধনুভাঙাৰ মাদাং গাঁৱত ৰাভা হাছং পৰিষদৰ ২০২০-২১ বিত্তীয় বৰ্ষৰ আবণ্টিত পুঁজিৰ ১১ লাখ ৮৮ হেজাৰ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এটি শ্লেৱ কালভাৰ্টৰ উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। অনুষ্ঠানত পৰিষদৰ কাৰ্যবাহী সদস্য ফনীন্দ্ৰ ৰাভা, সাধাৰণ সদস্য ধনজিৎ ওৱাং প্ৰমুখ্যে স্থানীয় ৰাইজ উপস্থিত থাকে।

## 'দি ছানছাইন' শিক্ষামূলক প্ৰতিষ্ঠানৰ উদ্বোধন

**বিশেষ সংবাদদাতা**



**বৰপেটা, ৬ জুন ঃ** প্ৰতিযোগিতামূলক শিক্ষা ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি কালি বৰপেটা সদৰৰ মেটুৱাকুছিস্থিত 'দি ছানছাইন' বৰপেটা নামৰ এটি ব্যক্তিগত খণ্ডৰ শিক্ষামূলক প্ৰতিষ্ঠানে আত্মপ্ৰকাশ কৰে। কাউনছিলিং, কলা, নৃত্য, কম্পিউটাৰ শিক্ষা, কেৰিয়াৰ কাউনছিলিং, টিউচনৰ ব্যৱস্থা, কেক বনোৱা আদি বিভিন্ন শিক্ষা প্ৰদানৰ প্ৰতিশ্ৰুতিত প্ৰতিষ্ঠা লাভ কৰা শিক্ষামূলক প্ৰতিষ্ঠানখনৰ মুখ্যদ্বাৰ উন্মোচন কৰে বৰপেটা জিলা অতিৰিক্ত উপায়ুক্ত লখিমী দত্তই। উদ্বোধনী ভাষণত দত্তই 'দি ছানছাইনে' যিখিনি পাঠ্যক্ৰম সন্নিৱিষ্ট কৰিছে গোটেইখিনি সময়োপযোগী বুলি কয়। লগতে যি ধৰণে প্ৰতিষ্ঠা লাভ কৰিলে তেনেদৰেই যাতে দীৰ্ঘম্যাদী হয় তাৰ শুভ কামনা কৰে। ভাষণ প্ৰসংগত তেওঁ বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্যৰ বিষয়ে কয়। কাৰ্যসূচী মতে, মঞ্চদাৰ উন্মোচন কৰে অসমীয়া বোলছবি আৰু অসমীয়া ধাৰাবাহিকৰ সঞ্চালক তথা প্ৰযোজক সমীৰজ্যোতিয়ে। 'দি ছানছাইন'ৰ স্বত্বাধিকাৰী উবাইদুল্লাহ হকে উদ্দেশ্য ব্যাখ্যাৰ লগতে আঁত ধৰা সভাত বিশিষ্ট লেখিকা-কবি তথা সমাজকৰ্মী নঞ্জু দত্ত, ইণ্টাৰনেচনেল ফিটনেচ ট্ৰেইনাৰ তথা গুৱাহাটী মেটৰিক্স জিমৰ স্বত্বধিকাৰী মিঃ আৰ কে, বৰপেটা প্ৰেছ ক্লাবৰ সম্পাদক অশোক কুমাৰ দাস, জনীয়া ফখৰুদ্দিন আলী আহমেদ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ ছানোৱাৰ ৰহমান, জনীয়া আঞ্চলিক গ্ৰামোন্নয়ন পৰিষদৰ সম্পাদক আব্দুল মালিক, সমাজকৰ্মী জাকিৰ খানে সম্প্ৰতিক সময়ত এনে ধৰণৰ শিক্ষামূলক প্ৰতিষ্ঠানখনৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ ওপৰত বক্তব্য আগবঢ়ায়। সভাত অৱসৰপ্ৰাপ্ত অধ্যক্ষ ইব্ৰাহিম আলী, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক নুৰুল হক, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হুমায়ুন কবিৰ ছিদ্দিকী, অৱসৰপ্ৰাপ্ত শিক্ষক ছাইদা বৰুৱা আহমেদে, নৱ প্ৰতিষ্ঠিত অনুষ্ঠানৰ মাটিৰ মালিক কমলেশ দাস, সত্ৰীয়া নৃত্যৰ শিক্ষয়িত্ৰী যুথিকা মেধি আৰু সংগীতা দাস উপস্থিত থাকে।

## জামুগুৰিহাটত হৰিণা উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ৬ জুন ঃ** নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত ওলাই আহি জনাঞ্চলত প্ৰৱেশ কৰা এটি হৰিণা আজি উত্তৰ জামুগুৰি অঞ্চলৰ মৰিসুঁতিত উদ্ধাৰ কৰা হয়। স্থানীয় ৰাইজে হৰিণাটো দেখা পাই অত্যন্ত কৌশলেৰে হৰিণাটো কৰায়ত্ত কৰি ইটাখোলাস্থিত ডিপলোঙা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ক অৱগত কৰে। পাছত বন বিভাগৰ লোক উপস্থিত হৈ হৰিণাটো লৈ অহাৰ লগতে পশু চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰায়। উদ্ধাৰ হোৱা হৰিণাটো বন বিভাগে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনত এৰি দিব বুলি জানিবলৈ দিছে।

## মালাৰা বুঢ়াগোহাঁই নামঘৰত ভাগৱত পাঠ সম্পন্ন

অগ্ৰদূত বাৰ্তা
**দুমুনিচকী, ৬ জুন ঃ** বিশ্বৰ বুকুত বিৰাজ কৰা অপায়-অমংগল, অসুয়া-অশান্তি দূৰ কৰি শান্তিৰ অমৃত ধাৰা বোৱাই অনা কামনাৰে আৰু ভগৱান শ্ৰীকৃষ্ণ মহিমা তথা গুণানুকীৰ্তন, শ্ৰৱণ কৰাৰ মানসেৰে কামৰূপ জিলাৰ মালাৰাত ভাগৱত পাঠ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মালাৰা বুঢ়াগোহাঁই নামঘৰ প্ৰাংগণত যোৱা শনিবাৰ আৰু দেওবাৰে অনুষ্ঠিত কৰা হয় ভাগৱত পাঠ অনুষ্ঠান। অনুষ্ঠান পৰিচালনা সমিতিৰ সম্পাদক প্ৰণৱ কুমাৰ নাথে জানিব দিয়া মতে, মালাৰা বুঢ়াগোহাঁই নামঘৰ পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজৰ উদ্যোগত অনুষ্ঠিত ৪৩ সংখ্যক ভাগৱত পাঠ অনুষ্ঠানৰ বিভিন্ন কাৰ্যসূচী অনুসৰি চাৰি জুনত ধৰ্মধ্বজা উত্তোলন, বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ আৰু ভাগৱত ভ্ৰমণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দুপৰীয়া ভাগৱত স্থাপনৰ পাছতে বিয়লি ভাগৱত পাঠৰ আৰম্ভ কৰে এক নম্বৰ খানাপাৰাৰ দেবেন দাসে। সন্ধিয়া বিশ্ব শান্তিৰ বাবে সহস্ৰ বন্তি প্ৰজ্বলন কৰা হয়। নিশা কীৰ্তন আৰু নাম-প্ৰসংগৰে প্ৰথম দিনৰ কাৰ্যসূচীৰ যৱনিকা পৰে। কালি দ্বিতীয় দিনৰ কাৰ্যসূচীত পুৱা উষা কীৰ্তন, আয়তীসকলৰ নাম প্ৰসংগ, বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পাছত শিশু পাঠক প্ৰিয়দৰ্শন ডেকা আৰু পাঠক মহেশ্বৰ নাথে ভাগৱত পাঠ কৰে। বিয়লি ভাগৱতৰ তাৎপৰ্য ব্যাখ্যা কৰে হলিৰাম দেৱনাথে। সম্বৰ্ধনা অনুষ্ঠানৰ পাছত ভৈৰৱ চৌধুৰীৰ সঞ্চালনাত অনুষ্ঠিত হয় ধৰ্মালোচনী সভা। সমূহীয়া নাম কীৰ্তন আৰু আসন বিসৰ্জনেৰে ভাগৱত পাঠ কাৰ্যসূচীৰ সামৰণি পৰে।

## মূল্যবৃদ্ধিৰ বিৰুদ্ধে গোৱালপাৰাত এআইইউডিএফৰ অৱস্থান ধৰ্মঘট



অগ্ৰদূত বাৰ্তা
**মাটিয়া, ৬ জুন ঃ** অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবীত আজি গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত এআইইউডিএফে দুঘণ্টীয়া অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰে। বেনাৰ আৰু প্লেকাৰ্ডেৰে সুসজ্জিত হৈ দলটোৰ প্ৰায় অৰ্ধশতাধিক নেতা-কৰ্মীয়ে 'মূল্যবৃদ্ধি ৰোধ কৰক', 'খাদ্য সামগ্ৰীৰ দাম বৃদ্ধি ৰোধ কৰক', 'যোগান মন্ত্ৰী হায় হায়', 'হিমন্ত বিশ্ব শৰ্মা গ' বেক', 'বিজেপি চৰকাৰ হায় হায়', 'যোগান মন্ত্ৰী মুৰ্দাবাদ', 'আমাৰ দাবী ন্যায্য দাবী', 'আমাৰ দাবী মানিবই লাগিব', 'মূল্যবৃদ্ধি ৰোধ কৰিব নোৱাৰা চৰকাৰ পদত্যাগ কৰক', 'যোগান মন্ত্ৰীৰ কাম নাই', 'পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধি হ্ৰাস কৰক', 'আলু-পিঁয়াজকে ধৰি অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ দাম হ্ৰাস কৰক' আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে এআইইউডিএফৰ কেন্দ্ৰীয় কমিটীৰ সাংগঠনিক সাধাৰণ সম্পাদক তথা মানকাচৰ সমষ্টিৰ বিধায়ক আমিনুল ইছলামে কয় যে বৰ্তমান চৰকাৰৰ সৰ্বক্ষেত্ৰতে ব্যৰ্থ হৈছে। এই চৰকাৰ দুখীয়া, শ্ৰমিক, কৃষক তথা সৰ্বসাধাৰণ ৰাইজৰ স্বাৰ্থৰ বিপৰীতে গৈ আদানী, আম্বানী তথা বণিক গোষ্ঠীৰ সপক্ষে কাম কৰি গৈছে। উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব দিয়াৰ পৰিৱৰ্তে চৰকাৰে জাতিৰ নামত, ভাষাৰ নামত তথা ধৰ্মৰ নামত ভাগ ভাগ কৰি ৰাজনীতি কৰিব বিচাৰিছে। মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ লগতে সৰ্বদিশতে ব্যৰ্থ হোৱা চৰকাৰে পদত্যাগ কৰক বুলি দাবী জনাইছে আমিনুল ইছলামে। ইপিনে, অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে ১০ দফীয়া দাবীৰে গোৱালপাৰা উপায়ুক্তৰ জৰিয়তে ৰাজ্যপাললৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে। লগতে স্মাৰকপত্ৰৰ প্ৰতিলিপি মুখ্যমন্ত্ৰী আৰু যোগানমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

**হাতীৰ এটা বৃহৎ জাকে তহিলং কৰিছে শ শ হেক্টৰ বড়ো ধানৰ খেতি**

## জাঁজীমুখত নিতৌ বন্যহস্তীয়ে চলাইছে তাণ্ডৱ



অগ্ৰদূত বাৰ্তা
**কাকজান/লাহদৈগড়/টীয়ক, ৬ জুন ঃ** টীয়কৰ নৈপৰীয়া জাঁজীমুখৰ ওপৰ শগুনপাৰা অঞ্চলত সন্ত্ৰাসৰ সৃষ্টি কৰিছে এটি বন্যহস্তীৰ জাকে। বৃহৎ হাতীৰ জাকটোৱে বিগত কিছুদিন ধৰি জাঁজীমুখৰ ওপৰ শগুনপাৰা অঞ্চলত সন্ধ্যা হোৱাৰ লগে লগেই জনাঞ্চ লৈ নামি আহি বড়ো ধানৰ শ শ হেক্টৰ খেতিৰ লগতে ৰবিশস্যৰ পথাৰ তহিলং কৰিছে। যাৰ ফলত পৈণত নোহোৱাকৈ ধান কাটি আনিবলৈ বাধ্য হৈছে কৃষকসকল। দৰিদ্ৰ কৃষকসকলে বাৰিষাৰ বানৰ পাছত বহু কষ্টৰে কৰা খেতিডৰা ধ্বংস কৰাত মানসিকভাৱে ভাগি পৰিছে। বিশেষকৈ বন্যহস্তীয়ে তাণ্ডৱ চলোৱা এই গাঁওসমূহত বনকৰ্মীৰ ভূমিকাক লৈ এতিয়া ক্ষুণ্ণ হৈছে গাঁওবাসী। কিয়নো হাতী-মানুহৰ সংঘাতৰ এই ভয়াৱহ সময়ত গাঁওবাসীৰ কাষত নাথাকে ৰাজ্যৰ বন বিভাগ। সেয়েহে গাঁওবাসীৰ অভিযোগ, 'ফোন কৰিলে কেতিয়াবা ফোন বন্ধ পোৱা যায় বনকৰ্মীৰ কেতিয়াবা আকৌ পলমকৈহে আহি গাঁওবাসীৰ হাতত দুটামান ব'ম ফটকা দি থৈ কৰ্তব্য সামৰে। সেয়ে এই ক্ষেত্ৰত চৰকাৰক এক উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে ভুক্তভোগী ৰাইজে।

## চতিয়া সমষ্টিৰ তেজালপট্টিত মুকলি ঝুমুইৰ প্ৰতিযোগিতা



অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ৬ জুন ঃ** চতিয়া সমষ্টিৰ অন্তৰ্গত তেজালপট্টি চাহ বাগিচাৰ উদ্যোগত দ্বিতীয় বাৰ্ষিক প্ৰয়াত ৰুমেনা ৰহমান সোঁৱৰণী মুকলি ঝুমুইৰ প্ৰতিযোগিতা সম্পন্ন হয়। প্ৰতিযোগিতা উদ্বোধন কৰে তেজালপট্টি চাহ বাগিচাৰ স্বত্বাধিকাৰী আতিকুৰ ৰহমানে। ২০টাৰো অধিক দলে অংশগ্ৰহণ কৰা ঝুমুইৰ প্ৰতিযোগিতাত মুখ্য অতিথিৰূপে উপস্থিত থাকে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা। বিধায়কজনে চতিয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি লক্ষীকান্ত বৰাৰ সহযোগত ঝুমুইৰ প্ৰতিযোগিতাৰ খেলপথাৰত এটি গছপুলিও ৰোপণ কৰে। অনুষ্ঠানত ইন্দিৰা গান্ধী আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক টংক কুৰ্মীক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে উদ্যাপন সমিতিয়ে।

## মৰাণত ৰাইজে বিহু মাৰি উঠা পইচাৰে জৰাজীৰ্ণ পথ মেৰামতি কৰিলে

অগ্ৰদূত বাৰ্তা
**মৰাণ, ৬ জুন ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ বিধানসভা সমষ্টিৰ অন্তৰ্গত তিলৈ ফটিকাছোৱা নেপালী গাঁৱত দীৰ্ঘদিন ধৰি এটা পথৰ অৱস্থা জৰাজীৰ্ণ হৈ আছে। পথছোৱা মেৰামতি কৰিবলৈ স্থানীয় বিধায়ক চক্ৰধৰ গগৈক আবেদন কৰাৰ পাছতো বিধায়কে পথটো মেৰামতি নকৰিলে বুলি ৰাইজে অভিযোগ কৰিছে। ফলত ৰাইজে এইবাৰ ব'হাগত বিহু গাই উঠা পইচাৰে পথটো মেৰামতি কৰিছে। মৰাণ সমষ্টিৰ বিধায়ক গগৈক এই পথটো মেৰামতিৰ সন্দৰ্ভত কে'বাবাৰো গাঁৱৰ ৰাইজে আবেদন জনাইছে যদিও কোনো সুফল লাভ নকৰিলে। বৰঞ্চ সংবাদ মাধ্যমৰ আগত বিধায়কৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈহে পৰামৰ্শ দিয়ে বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। যাৰ বাবে স্থানীয় ৰাইজ উপায়হীন হৈ বিহু গাই উঠা পইচাৰে শিল ক্ৰয় কৰি শ্ৰমদান কৰি নিজৰ সুবিধা কৰি লৈছে।

## জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সংমণ্ডল কাৰ্যালয় ঘেৰাও-প্ৰতিবাদ

**সৰৱ অবৈতনিক কৰ্মচাৰী মঞ্চ**



অগ্ৰদূত বাৰ্তা
**লখিমপুৰ, ৬ জুন ঃ** সদৌ অসম জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অবৈতনিক কৰ্মচাৰী মঞ্চ লখিমপুৰ জিলা সমিতিয়ে আজি বিভিন্ন দাবীৰ সমৰ্থনত জাপিসজীয়াস্থিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সংমণ্ডল কাৰ্যালয় ঘেৰাও তথা কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। স্থায়ী নিযুক্তি, নিজা একাউণ্টত দৰমহা আদায়, জে জে এম কামৰ তদন্ত, ২০১৫ৰ পৰা পৰিচালনা সমিতিৰ তৰফৰ পৰা আবণ্টিত ধন বৰ্তমানলৈকে দিয়াৰ ব্যৱস্থা, কাৰ্যবাহী অভিযন্তাৰ কোঠাত চি চি কেমেৰা স্থাপন আদি দাবী উত্থাপন কৰি সন্থাৰ সভাপতি নৱজ্যোতি দাসে কয় যে ২০১৫ৰ পৰা ২০২২ লৈকে বিনা বেতনেৰে অবৈতনিক কৰ্মচাৰী সন্থাই আজি ১২-১৩ বছৰে কাম কৰি আহিছে। সন্থাই এই সন্দৰ্ভত কাৰ্যবাহী অভিযন্তাক বহুবাৰ তেওঁলোকৰ দাবীসমূহ পূৰণৰ পদক্ষেপ ল'বলৈ অনুৰোধ জনাইছে যদিও এই ক্ষেত্ৰত কোনো ধৰণৰ সঁহাৰি লাভ কৰা নাই। সন্থাই এক বিজ্ঞপ্তিত উল্লেখ কৰা অনুসৰি যোৱা এক জুনত সন্থাৰ এজন প্ৰতিনিধিয়ে বিভাগৰ তৰফৰ পৰা অহা মাষ্টাৰৰোলৰ লোকসকলৰ নিয়মীয়া নিৰ্দেশ সন্দৰ্ভত অৱগত কৰিবলৈ যায় যদিও সন্থাৰ মনোনীত প্ৰতিনিধিজনক কাৰ্যবাহী অভিযন্তাই অপদস্থ কৰি পঠিওৱাৰ লগতে প্ৰতিনিধিজনে পেট্ৰ'ল ঢালি অফিচত আত্মজাহ দিব বিচাৰিছে বুলি জিলা আৰক্ষী অধীক্ষকৰ ওচৰত মিছা এজাহাৰ দাখিল কৰে।

**বিদ্যালয় একত্ৰীকৰণ সিদ্ধান্ত বাতিল নকৰিলে গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ ৰাইজৰ**

## খুমটাইত বিদ্যালয় একত্ৰীকৰণ কৰাত অভিভাৱক-ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ



**খুমটাই, ৬ জুন ঃ** গোলাঘাট জিলাৰ খুমটাই সমীপৰ গোলাঘাট কেন্দ্ৰীয় শিক্ষাখণ্ডৰ অধীনস্থ বাপুজী সেন্দুৰীটিং প্ৰাথমিক বিদ্যালয়খন কাষৰ ২.৫ কিলোমিটাৰ নিলগৰ সেন্দুৰীটিং বাগান প্ৰাথমিক বিদ্যালয়ৰ স'তে একত্ৰিকৰণ কৰিবলৈ লোৱা শিক্ষা বিভাগৰ হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে আজি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলৰ লগতে স্থানীয় ৰাইজো তীব্ৰ প্ৰতিবাদ কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে ৰাজ্যৰ শিক্ষা বিভাগে ন্যূনতম ৩০ জন ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়সমূহ বন্ধ কৰা আৰু এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰৰ বিদ্যালয়সমূহ একত্ৰিকৰণ কৰাৰ নিৰ্দেশনা দিয়াৰ পাছতেই ১৯৭৮ তে স্থাপিত বাপুজী সেন্দুৰীটিং প্ৰাথমিক বিদ্যালয়খন একত্ৰিকৰণ কৰিব বিচৰা কাৰ্যক সহজভাৱে ল'ব পৰা নাই অঞ্চলটোৰ ৰাইজে। ইফালে, বিদ্যালয়খনত ৫০ জনতকৈও অধিক ছাত্ৰ-ছাত্ৰী থকাৰ পাছতো বিদ্যালয়খনক প্ৰায় ২.৫ কিলোমিটাৰ নিলগত থকা সেন্দুৰীটিং বাগান প্ৰাথমিক বিদ্যালয়ৰ স'তে একত্ৰিকৰণৰ বাবে প্ৰেৰণ কৰা নিৰ্দেশনাৰ বিৰুদ্ধে স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰাৰ লগতে আজি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি শিক্ষা বিভাগলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। আনহাতে, নিজৰ আপোন বিদ্যালয়খন এৰি যাবলৈ অমান্তি ছাত্ৰ-ছাত্ৰীসকল। পুনৰ শিক্ষা বিভাগে বিবেচনাৰে জৰীপ কৰি বিদ্যালয়খনৰ একত্ৰিকৰণৰ সিদ্ধান্ত বাতিল নকৰিলে অনাগত দিনত তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ হুংকাৰ প্ৰদান ৰাইজৰ।

## তেজপুৰত কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা মৃত্যু শতবৰ্ষ সোঁৱৰণ অনুষ্ঠান

ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ৬ জুন ঃ** কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা মৃত্যু শতবৰ্ষ সোঁৱৰণ সমিতিৰ সাধাৰণ সভা কালি বিয়লি তেজপুৰৰ বিহগুৰিস্থিত কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা স্মৃতি ভৱনত অনুষ্ঠিত হয়। শতবৰ্ষ সোঁৱৰণ সমিতিৰ সভাপতি ড° জ্যোতিকমল হাজৰিকাই সভাপতিত্ব কৰা সভাত অহা ২০ জুলাইত অনুষ্ঠিত হ'ব লগা শতবৰ্ষ প্ৰাৰম্ভিক অনুষ্ঠানৰ এটা ৰূপৰেখা তৈয়াৰ কৰা হয়। প্ৰধান সম্পাদক ত্ৰৈলোক্য মোহন নাথে আঁত ধৰা সভাত উপ-সমিতিসমূহৰ কাম-কাজৰ অগ্ৰগতি সম্বন্ধে আলোচনা হয়। ২০ জুলাইত পুৱা বন্তি প্ৰজ্বলনেৰে আৰম্ভ হ'ব লগা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° ধ্ৰুৱজ্যোতি বৰা, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ শৰ্মা প্ৰমুখ্যে ৰাজ্যখনৰ সমাজ জীৱনৰ বহুকেইজন বিশিষ্ট ব্যক্তি। উক্ত অনুষ্ঠানত নন্দন কানন সংগীত বিদ্যালয়ে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাক প্ৰদান কৰিব কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা ২০২২ বঁটা।

**অশ্লীল গালি-গালাজৰ বাবে বৰদেউতাকক হত্যা কৰিলে ভতিজাকে**

## সেন্দুৰিটিঙত চাহ শ্ৰমিক বুবাই ভূঞাৰ হত্যাৰ অভিযুক্তক গ্ৰেপ্তাৰ কমাৰগাঁও আৰক্ষীৰ



**খুমটাই, ৬ জুন ঃ** গোলাঘাট জিলাৰ খুমটাইৰ সেন্দুৰীটিং চাহ বাগিচাত তিনি জুনত সংঘটিত লোমহৰ্ষক হত্যাকাণ্ডৰ হত্যাকাৰীক যোৱা নিশা গ্ৰেপ্তাৰ কৰে কমাৰগাঁও আৰক্ষীয়ে।

ঘটনাৰ বিৱৰণী অনুসৰি তিনি জুনৰ নিশা সেন্দুৰীটিং চাহ বাগিচাৰ অফিচ লাইনত বুবাই ভূঞা নামৰ লোকজনে মদ্যপান কৰি অশ্লীল গালি-গালাজ পাৰি থকাৰ অৱস্থাত ভতিজাক হৰেণ ভূঞাই আহি বৰদেউতাকক উপৰ্যুপৰি এডাল জেওঁৰা খুঁটাৰে উপৰ্যুপৰি মাৰধৰ কৰে। এই মাৰধৰৰ ফলতেই বৰদেউতাক বুবাই হঠাৎ ঢলি পৰে। পাছত বুবাই মৃত্যুক সাবটি লয়। ইফালে, বৰদেউতাকক হত্যাকাৰী হৰেণক গ্ৰেপ্তাৰ কৰিছে কমাৰগাঁও আৰক্ষীয়ে। তাৎপৰ্যপূৰ্ণ বিষয় যে নিজৰ জীয়েকৰ চকুৰ সন্মুখতে মৰিয়াই মৰিয়াই হত্যা কৰিছিল পিতৃক। আনহাতে, হত্যাকাৰী হৰেণে সংবাদ মাধ্যমৰ সন্মুখত স্বীকাৰ কৰিছে হত্যাকাণ্ডৰ কথা। গালি-গালাজ কৰি থকাৰ বাবে মৰিয়াই হত্যা কৰাৰ বৰ্ণনা কৰিছে। ইফালে, কমাৰগাঁও আৰক্ষীয়ে হত্যাকাৰী হৰেণক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছে।

**অচল চিএছপি কেন্দ্ৰ ঃ সঞ্চিত ধন উলিয়াবৰ বাবে বোন্দাপৰ দিবলগীয়া হৈছে গ্ৰাহকে**

## ধোঁৱাচাঙত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাৰতত ডিজিটেল ইণ্ডিয়াৰ সপোন

অগ্ৰদূত বাৰ্তা
**জাঁজী, ৬ জুন ঃ** যোৰহাট জিলাৰ অসম গ্ৰামীণ বিকাশ কেন্দ্ৰৰ অধীনত থকা চিএছপি কেন্দ্ৰসমূহ আজি দীৰ্ঘদিন ধৰি লিংক নথকাৰ বাবে অচল হৈ থকাত দুৰ্ভোগ ভুগিবলগীয়া হৈছে গ্ৰাহকে। যি সময়ত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল ইণ্ডিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভাৰতখন উন্নয়ন দেশ হিচাপে গঢ় দিয়াত দিন-ৰাতি একাকাৰ কৰিছে, সেই সময়ত একাংশ সুবিধাবাদী কোম্পানীৰ ব্যক্তিগত মুনাফাৰ লাভালাভত পূৰ্বৰ চিএছপি কেন্দ্ৰৰ কৰ্মচাৰীসকলক নাটকীয়ভাৱে সুবিধাৰ পৰা বিৰত ৰাখি বেংক কৰ্তৃপক্ষই একপ্ৰকাৰ ৰহস্যজনক ভূমিকা গ্ৰহণ কৰিছে বুলি অভিযোগ উত্থাপিত হৈছে। তাৎপৰ্যপূৰ্ণ বিষয় যে টীয়কৰ আঠটাকৈ চিএছপি কেন্দ্ৰত প্ৰায় ৪০ হেজাৰ গ্ৰাহকে নিজৰ সঞ্চিত ধনকেইটা উলিয়াবৰ বাবে পুৱাৰ পৰা নিশালৈকে বোন্দাপৰ দি নিৰাশ হৈ ঘৰলৈ ঘূৰি যাবলগীয়া হোৱাত চিএছপি কেন্দ্ৰৰ কৰ্মচাৰীৰ লগতে বাকবিতণ্ডাৰ সৃষ্টি হৈছে। ৰহস্যৰ বিষয় যে দিনটো লিংক পোৱাৰ আশাত থকা চিএছপি কৰ্মচাৰীসকলে সন্ধিয়া ছয় বজাৰ পৰা কিছু সময়ৰ বাবে লিংক পোৱা যায় যদিও সেয়া পৰ্যাপ্ত নহয় বুলি একাংশ চিএছপি কেন্দ্ৰৰ কৰ্মচাৰীয়ে অভিযোগ কৰিছে। জবকাৰ্ড, অৰুণোদয়, বৃদ্ধ পেঞ্চনকে ধৰি চৰকাৰী বিভিন্ন আঁচনিৰ ধনৰাশি এনে ধৰণৰ চিএছপি কেন্দ্ৰসমূহৰ পৰা উলিয়াব পৰা ব্যৱস্থাই দৰিদ্ৰ লোকক সকাহ দিছিল। তদুপৰি পাঁচ লাখ হিতাধিকাৰীয়ে লাভ কৰা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহসমূহ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত চিএছপি কৰ্মচাৰীসকল লিংকৰ অজুহাতত আঁতৰি থাকিলে হিতাধিকাৰীসকলৰ যে সময় আৰু পুঁজিৰো অপব্যয় হ'ব সেয়া প্ৰায় নিশ্চিত। অতি শীঘ্ৰে চিএছপি চেণ্টাৰসমূহ সক্ৰিয় কৰি গ্ৰামাঞ্চলৰ লোকসকলক সুবিধা প্ৰদান কৰিবলৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, টীয়ক শাখাৰ সভাপতি হিমাংশু বৰুৱা আৰু সম্পাদক প্ৰশান্ত বৰুৱাই দাবী জনাইছে।

## আক্ৰাছু'ৰ পৰিৱেশ দিৱস পালন

অগ্ৰদূত বাৰ্তা
**টংলা, ৬ জুন ঃ** ওদালগুৰি জিলা বিজেপিৰ কৃষক মৰ্চা আৰু খালিংদুৱাৰ মণ্ডল কৃষক মৰ্চাৰ যুটীয়া উদ্যোগত কালি হাবিগাঁৱত গছপুলি ৰোপণ আৰু সজাগতা সভা অনুষ্ঠিত কৰা হয়। গছপুলি ৰোপণৰ লগতে সজাগতা সভাত ভাষণ ৰাখে জিলা কৃষক মৰ্চাৰ প্ৰভাৰী বিকন চন্দ্ৰ ডেকা, সহ প্ৰভাৰী নিৰ্মল চৌধুৰী, জিলা মৰ্চাৰ সাধাৰণ সম্পাদক ভীম ছেত্ৰী, খালিংদুৱাৰ মণ্ডল কৃষক মৰ্চাৰ সভাপতি পীতাম্বৰ ডেকা, সম্পাদক সমৰেশ দাসে। ওদালগুৰি জিলা কৃষক মৰ্চাৰ উপ-সভানেত্ৰী ৰেখা বৰাই বিশেষভাৱে আগভাগ লোৱা জিলা, মণ্ডলৰ বিভিন্ন কাৰ্যকৰ্তাৰ লগতে স্থানীয় ৰাইজ উপস্থিত থকা গছপুলি ৰোপণ আৰু সজাগতা সভাখন ওদালগুৰি জিলা কৃষক মৰ্চাৰ সভাপতি প্ৰাচুৰ্য দাসে।

## নাওজান বেতনিত দুৰ্ঘটনাত থিতাতে নিহত এজন

**সৰুপথাৰ, ৬ জুন ঃ** ধনশিৰি মহকুমাৰ সৰুপথাৰ নাওজান পথত আজি পুৱা সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। পুৱা প্ৰায় ১০ বজাত নাওজানৰ পৰা সৰুপথাৰ অভিমুখে আহি থকা এখন স্কুটী আৰু সৰুপথাৰৰ পৰা নাওজানৰ দিশে গৈ থকা এখন শিল ভৰ্তি ডাম্পাৰৰ মুখামুখি সংঘৰ্ষৰ ফলত স্কুটীৰ চালকজনৰ থিতাতে মৃত্যু হয় আৰু স্কুটীত উঠি অহা আৰোহীজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ঘটনাস্থলীত ততাতৈয়াকৈ আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰে আৰু সংকটজনক অৱস্থাত থকা আঘাতপ্ৰাপ্ত লোকজনক সৰুপথাৰ সমূহীয়া চিকিৎসালয়লৈ প্ৰেৰণ কৰে। দুৰ্ঘটনাগ্ৰস্ত স্কুটীখনৰ নম্বৰ হৈছে এ এছ-০৯ ডি-৭৫০৮ আৰু ডাম্পাৰখনৰ নম্বৰ হৈছে এ এছ-০৫ চি-৯৩২৯। মৃত্যু হোৱা লোকজন আৰু আঘাতপ্ৰাপ্ত লোককেইজন চিনাক্ত হোৱা নাই। ঘটনা সংঘটিত কৰিয়ে ডাম্পাৰৰ চালকজনে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ইফালে, স্থানীয় লোকে স্কুটীত অহা চালক-আৰোহীজনে ৰেলৱে বিভাগৰ ঠিকা কাম কৰা লোক বুলি সন্দেহ প্ৰকাশ কৰিছে। তেওঁলোকে দুয়োজনৰে ঘৰ হাইলাকান্দিত। ৰাইজৰ মতে নাওজান পথটো অতিমাত্ৰ ঠেক হোৱা বাবেই পথটোত প্ৰায়েই দুৰ্ঘটনা হৈ আহিছে বুলি সদৰী কৰাৰ লগতে ডাম্পাৰ চালকসকলে তীব্ৰ বেগত গাড়ী চলাই আন যাত্ৰীক বিপদত পেলাই অহাৰ অভিযোগ উঠিছে।

## জনসংখ্যা সমাধান ফাউণ্ডেছনৰ বিশেষ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা
**বেবেজীয়া, ৬ জুন ঃ** নগাঁও জিলাৰ আমলখি গাঁও পঞ্চায়তৰ আমনিৰ সমূহীয়া ভৱনত জনসংখ্যা সমাধান ফাউণ্ডেছন (জে এছ এফ)ৰ নগাঁও জিলা সমিতিৰ এখন বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। জনসংখ্যা সমাধান ফাউণ্ডেছনৰ নগাঁও জিলা সমিতিৰ অধ্যক্ষ উজ্জ্বল বৰুৱাৰ সভাপতিত্বত কালি বিয়লি অনুষ্ঠিত সভাৰ আৰম্ভণিতে সাংগঠনিক সচিব কৌস্তভজ্যোতি মহন্তই উদ্দেশ্য ব্যাখ্যা কৰে। জে এছ এফ, অসমৰ ৰাজ্যিক সমিতিৰ অধ্যক্ষ হৰেণ বৰা, কাৰ্যকৰী সভাপতি পংকজ তালুকদাৰ, উপ-সভাপতি সুশীল তামুলী আৰু যুৱ শক্তিৰ অধ্যক্ষ নিপাঞ্জল শৰ্মা আদিয়ে জনসংখ্যা সমাধান ফাউণ্ডেছনে লোৱা বিভিন্ন পদক্ষেপৰ ওপৰত বিস্তাৰিত আলোকপাতৰে বক্তব্য ৰখা সভাখনত চাহ জনজাতি নেতা সীমাঞ্চল দীগাল, সংযোজক তথা বিশিষ্ট সংগঠক বিৰাজমণি বৰদলৈ, সমাজকৰ্মী মহেন্দ্ৰ কোঁৱৰ, কল্পনা দেৱী, আত্ৰেয়, সীমাৰেখা ভৰালী, প্ৰান্তৰ ভট্টাচাৰ্য আৰু সত্যজিৎ বৰা আদি উপস্থিত থাকি সহযোগিতা আগবঢ়ায়।







## দ্বিতীয় দিনা ১০ টা পদকৰে তালিকাৰ নৱম স্থানত অসম ঃ পৰম্পৰাগত ক্ৰীড়াত চমকপ্ৰদ প্ৰদৰ্শন

# খেলো ইণ্ডিয়াত অসমক প্ৰথমটো সোণ দিলে ৰাজাই

**গুৱাহাটী, ৬ জুন ঃ** হাৰিয়ানাত চলি থকা চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমৰ খেলুৱৈয়ে পদক জয়ৰ চমকপ্ৰদ যাত্ৰা অব্যাহত ৰাখি আজি দ্বিতীয় দিনা এটা সোণসহ মুঠ ১০ টা পদক লাভ কৰি তালিকাত নৱম স্থানত উপনিত হৈছে। উল্লেখ্য যে আজি অসমক প্ৰথমটো সোণ দিয়াৰ গৌৰৱময় সফলতা লাভ কৰে থাংটা খেলুৱৈ ৰাজা সিনহাই। ইফালে, থাংটাত আজি ৰূপৰ পদক লাভ কৰে উৰ্মিলা শৰ্মা আৰু ম'নালী গগৈয়ে। আনহাতে, থাংটাত দিনটোৰ তৃতীয়টো পদক অসমক দিয়ে সুৰজ সিঙে ব্ৰঞ্জ লাভ কৰি। ইফালে, আজি অসমৰ হৈ এটা ৰূপৰ পদক লাভ কৰে যোগাসনত সুমিত দে। ইয়াৰপূৰ্বে প্ৰথমদিনা অসমৰ থাংটাৰ তিনি খেলুৱৈ ৰাহুল চৌহান, য়াইখ'স্বা আৰু ইলিনাই ৰূপৰ পদক অৰ্জন কৰাৰ লগতে এম সান্তামনিয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে, প্ৰথম দিনা ভাৰোত্তোলনত ৰেখামণি গগৈয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। ছোৱালীৰ ৪০ কেলোগ্ৰাম শাখাত অসমৰ ৰেখামণিয়ে স্নেচত ৫২ আৰু ক্লিন এণ্ড জাৰ্কত ৫৭ মুঠ ১০৯ কেজি উত্তোলন কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখ্য যে ২০১৮ ৰ পৰা আৰম্ভ হোৱা খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ প্ৰথম সংস্কৰণত অসমে এটা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জ লাভ কৰি মুঠ চাৰিটা পদকৰে তালিকাৰ ২৩ নম্বৰ স্থানত আছিল। পৰবৰ্তী ২০১৯ ৰ দ্বিতীয় খেলো ইণ্ডিয়া যুৱ গেমছত অসমে তিনিটা সোণ, এটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জ লাভ কৰি মুঠ আঠটা পদকৰে তালিকাৰ ২০ নম্বৰ স্থানত থাকে। তৃতীয় খেলো ইণ্ডিয়া যুৱ গেমছ ২০২০ ত অনুষ্ঠিত হৈছিল গুৱাহাটীত। আয়োজক ৰাজ্য হিচাপে অসমে সকলো ইভেণ্টত খেলাৰ সুযোগ লাভ কৰি মুঠ ৭৬ টা পদক অৰ্জন কৰে আৰু তালিকাৰ সপ্তম স্থানত থাকিবলৈ সক্ষম হয়। উল্লেখ্য যে গৃহভূমিত হোৱা তৃতীয় খেলো ইণ্ডিয়া যুৱ গেমছ ২০২০ ত অসমে ২০ টা সোণ, ২২ টা ৰূপ আৰু ৩৪ টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল।









## খেলো ইণ্ডিয়াৰ পৰম্পৰাগত ক্ৰীড়া থাংটাত অসমৰ আঠটা পদক লাভ

**গুৱাহাটী, ৬ জুন ঃ** চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ পৰম্পৰাগত ক্ৰীড়া থাংটাত অসমৰ পদক জয়ৰ সাফল্যৰ ধাৰা অব্যাহত আছে। উল্লেখ্য যে আজি অসমক প্ৰথমটো সোণ দিয়াৰ গৌৰৱময় সফলতা লাভ কৰে থাংটা খেলুৱৈ ৰাজা সিনহাই। ইফালে, থাংটাত আজি ৰূপৰ পদক লাভ কৰে উৰ্মিলা শৰ্মা আৰু ম'নালী গগৈয়ে। আনহাতে, থাংটাত দিনটোৰ তৃতীয়টো পদক অসমক দিয়ে সুৰজ সিঙে ব্ৰঞ্জ লাভ কৰি। ইয়াৰপূৰ্বে প্ৰথমদিনা অসমৰ থাংটাৰ তিনি খেলুৱৈ ৰাহুল চৌহান, য়াইখ'স্বা আৰু ইলিনাই ৰূপৰ পদক অৰ্জন কৰাৰ লগতে এম সান্তামনিয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে খেলো ইণ্ডিয়াৰ আজি দ্বিতীয় দিনা অসমে এটা সোণসহ মুঠ ১০ টা পদক লাভ কৰি তালিকাত নৱম স্থানত উপনিত হৈছে। এই ১০ টা পদকৰ ভিতৰত অসমে থাংটাত লাভ কৰিছে আঠটা পদক। ইয়াৰে এটা সোণ, পাঁচটা ৰূপ আৰু দুটা ব্ৰঞ্জ। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া গেমছত পাঁচবিধ পৰম্পৰাগত খেল অন্তৰ্ভূক্ত কৰা হৈছে। ইয়াৰে এবিধ হ'ল মণিপুৰী মাৰ্চেল আৰ্ট থাং-টা। প্ৰথমবাৰৰ বাবে থাং-টা ক্ৰীড়া প্ৰদৰ্শিত হৈছে ৰাষ্ট্ৰীয় পৰ্যায়ৰ মেগা ক্ৰীড়া প্ৰতিযোগিতাত। অসমেও এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি পদক জয়ৰ সফলতা লাভ কৰিবলৈ সক্ষম হোৱাটো উল্লেখনীয় ঘটনা। উল্লেখ্য যে থাং-টা প্ৰতিযোগিতাত প্ৰায় ১৪০ জন ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰিছে। ইয়াৰে অধিকাংশ অসম, মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড, বংগ, বিহাৰ, দিল্লী, জম্মু-কাশ্মীৰ, গুজৰাট, ঝাৰখণ্ড, তামিলনাডু, মহাৰাষ্ট্ৰ, পঞ্জাৱ, হাৰিয়ানা আৰু চণ্ডীগড়ৰ। সাধাৰণতে থাংটা খেলত তৰোৱাল ব্যৱহাৰ হয় যদিও খেলো ইণ্ডিয়া ইভেণ্টত তৰোৱালৰ ব্যৱহাৰ হোৱা নাই। খেলুৱৈসকলে ফুনাচেইৰে প্ৰতিদ্বন্দ্বিতা কৰিছে। এয়া চামৰাৰে ঢাকি থোৱা বেত। প্ৰতিযোগিতাখন ৩০ ফুট ব্যাসৰ বৃত্তাকাৰ এৰিনাত অনুষ্ঠিত হৈছে। এখন মেচত ল'ৰা-ছোৱালীৰ বাবে দুইৰ পৰা তিনি মিনিটকৈ দুটা ৰাউণ্ড অনুষ্ঠিত হয় আৰু এক মিনিটৰ জিৰণি থাকে। প্ৰতিখন মেচৰ বাবে এজন কেন্দ্ৰীয় ৰেফাৰী, ছয়জন স্ক'ৰাৰ, এজন টাইমকিপাৰ আৰু দুজন মুখ্য জুৰীৰ সদস্য নিযুক্তি দিয়া হয়। ক্ৰীড়াপ্ৰেমীৰ মনজয় কৰিছে থাংটা খেলে।

## ৰাজ্যৰ একমাত্ৰ খেলুৱৈ হিচাপে অংশ লৈছিল খেলো ইণ্ডিয়াত

# যোগাসনত অসমৰ সুমিতৰ ৰূপৰ পদক



**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৬ জুন ঃ** হাৰিয়ানাত চলি থকা চতুৰ্থ খেলো ইণ্ডিয়া ইয়ুথ গেমছত পোনপ্ৰথমবাৰৰ বাবে অন্তৰ্ভুক্ত হোৱা যোগাসন ইভেণ্টত অসম যোগ সংস্থাৰ সম্পাদক তথা যোগগুৰু প্ৰভাত চন্দ্ৰ বৰাৰ প্ৰশিক্ষণৰে পুষ্ট অসমৰ সুমিত দে'য়ে আৰ্টিছটিকৰ ল'ৰাৰ একক শাখাত আজি চমকপ্ৰদ প্ৰদৰ্শনৰে দ্বিতীয়স্থান অধিকাৰ কৰি ৰূপৰ পদক অৰ্জনৰে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে অসমৰ পৰা যোগাসনৰ একমাত্ৰ খেলুৱৈৰূপে সুমিত দে'ই চতুৰ্থ খেলো ইণ্ডিয়া ইয়ুথ গেমছত অংশ লৈছিল। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া গেমছত পাঁচবিধ পৰম্পৰাগত খেল অন্তৰ্ভূক্ত কৰা হৈছে। ইয়াৰে এবিধ হ'ল যোগাসন ইভেণ্ট। প্ৰথমবাৰৰ বাবে যোগাসন ক্ৰীড়াশৈলী প্ৰদৰ্শিত হৈছে ৰাষ্ট্ৰীয় পৰ্যায়ৰ মেগা ক্ৰীড়া প্ৰতিযোগিতাত। অসমেও এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি পদক জয়ৰ সফলতা লাভ কৰিবলৈ সক্ষম হোৱাটো এক উল্লেখনীয় ঘটনা। উল্লেখ্য যে যোগ প্ৰশিক্ষকৰূপে প্ৰভাত চন্দ্ৰ বৰাই অসম দলটোৰ আন খেলুৱৈসকলৰ স'তে উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি এই সফলতা লাভ কৰাৰ বাবে অসম যোগ সংস্থাৰ অধ্যক্ষ ডাঃ কৃষ্ণ কুমাৰ বৰা,সভাপতি তপন কুমাৰ দাস,যুটীয়া সম্পাদক সমীৰ হাজৰিকা,কাৰিকৰী সঞ্চালক চিত্তৰঞ্জন বৰা আদিয়ে তেওঁলোকক অভিনন্দন জনাইছে।

## জিএছএৰ 'চি' ডিভিজন কোৱালিফাইং ৰাউণ্ড

### আছাম ৰাৰিয়ৰ্ছ হাৰ্ভেষ্টৰ জয়লাভ

**গুৱাহাটী, ৬ জুন ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত চি ডিভিজন কোৱালিফাইং ফুটবল প্ৰতিযোগিতাৰ আজি প্ৰথমদিনা আছাম ৰাৰিয়ৰ্ছ আৰু হাৰ্ভেষ্ট এফ চিয়ে জয়লাভ কৰি পৰৱৰ্তী ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰিছে । আজি নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত খেলত আছাম ৰাৰিয়ৰ্ছে আছাম ৰাইনোজক ২-১ আৰু হাৰ্ভেষ্ট এফচিয়ে ৰুৰেল ছকাৰ ক্লাবক ৯-০ গ'লত পৰাস্ত কৰে । কাইলৈ স্প'ৰ্টছক্ৰাফ্‌ট এফচিয়ে গুৱাহাটী মেভেৰিক্‌ছৰ বিৰুদ্ধে আৰু কে এম এফচিয়ে লায়নফ'ৰ্ড এফচিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব ।

## ডাইনামোৰ বাছনি শিবিৰ

**গুৱাহাটী, ৬ জুন ঃ** অনাগত ছিজনৰ বাবে ফুটবল দল গঠন কৰিবলৈ ডাইনামো ক্লাবে ১১ আৰু ১২ জুনত গুৱাহাটীৰ ছাই খেলপথাৰত এক বাছনি শিবিৰৰ আয়োজন কৰিছে । ১৯ বছৰৰ উৰ্দ্ধৰ ইচ্ছুক খেলুৱৈসকলে ইয়াৰ বাবে ৯ জুনত বা তাৰ পূৰ্বে ক্লাব কৰ্তৃপক্ষক ৯৪৩৫১০৬৭৪২ বা ৮৭৫৩৯২১৩৭০ নম্বৰত যোগাযোগ কৰিবলৈ সম্পাদকে অনুৰোধ জনাইছে ।



আইটা টেনিছত এগৰাকী খেলুৱৈ।



## এথলীট সাহিনা বেগমক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা, মাটিয়া, ৬ জুন ঃ** মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কেবাটাও পদক অৰ্জন কৰি গোৱালপাৰাৰ লগতে অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা সাহিনা বেগমক আজি গোৱালপাৰা চহৰৰ ছোলেছ নাৰ্ছিং হোমৰ কৰ্তৃপক্ষই সম্বৰ্ধনা জনায় । উল্লেখ্য যে গোৱালপাৰা চহৰৰ চনবাৰীৰ বাসিন্দা তথা স্থানীয় ছোলেছ নাৰ্ছিং হোমৰ ৱাৰ্ড গাৰ্ল সাহিনা বেগমে শেহতীয়াভাৱে গুৱাহাটীৰ সৰুসজাইত ক্ৰীড়া প্ৰকল্পত অসম এথলেটিকছ সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰথম বাৰ্ষিক ৰাজ্যিক মুকলি মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত ১০০ মিটাৰ দৌৰ আৰু লংজাম্পত সোনৰ পদক অৰ্জন কৰে । এই সফলতাৰে গুজৰাটত ভাৰতীয় এথলেটিকছ ফেডাৰেচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হবলগীয়া ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে বাছনি হৈছে। আজি গোৱালপাৰা চহৰৰ ছোলেছ নাৰ্ছিং হোমৰ কৰ্তৃপক্ষই সাহিনা বেগমক ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে । জেষ্ঠ চিকিৎসক ডাঃ নেকিবুল বৰভূঞাই আঁত ধৰা অনুষ্ঠানটোত উপস্থিত থাকি নাৰ্ছিং হোমটোৰ পৰিচালন সঞ্চালক নাবিন হক আৰু মেট্ৰন পদুমী দাসে কয় যে কৰ্ম ব্যস্ততাৰ মাজত থাকিও সাহিনাই অশেষ কষ্ট কৰি ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সোনসহ কেবাটাও পদক অৰ্জন কৰি গোৱালপাৰাবাসীৰ লগতে ছোলেছ নাৰ্ছিং হোমলৈও গৌৰৱ কঢ়িয়াই আনিছে। সাহিনাৰ এই সাফল্য হস্পিতালখনৰ আন আন কৰ্মচাৰীৰ বাবেও অনুপ্ৰেৰণা হওক বুলি দূয়োগৰাকী বক্তাই আশা প্ৰকাশ কৰে।

## জিয়াউৰ ৰহমান আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতা

# ৰাইদংগীয়া-ধমন উচ্চতৰ মাধ্যমিকৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৬ জুন ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেল পথাৰত চলি থকা জিয়াউৰ ৰহমান মৰাণ আন্ত:বিদ্যালয় ফুটবলত ৰাইদঙীয়া উচ্চ মাধ্যমিক বিদ্যালয় আৰু ধমন উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰৱৰ্তী ৰাউণ্ডলৈ উন্নীত হৈছে । আজি অনুষ্ঠিত প্ৰথম ৰাউণ্ডৰ শেষৰখন খেলত ৰাইদঙীয়া উচ্চ মাধ্যমিক বিদ্যালয়ে বৰপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ক সামগ্ৰীকভাৱে ৬-৫ গ'লৰ ব্যৱধানত পৰাজিত কৰে । নিৰ্ধাৰিত সময়ত ২-২ গ'লত খেলখন ড্ৰ হোৱাত টাইব্ৰেকাৰ পদ্ধতিৰে ফলাফল নিৰ্ণয় কৰা হয়। ইফালে, ধমন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু স্বামী বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয় মাজত অনুষ্ঠিত দ্বিতীয় ৰাউণ্ডৰ প্ৰথমখন খেলত ধমন উচ্চতৰ মাধ্যমিক বিদ্যালয়ে স্বামী বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়ক সামগ্ৰিকভাৱে ৩-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে । নিৰ্ধাৰিত সময়ত খেলখন ১-১ গ'লত অমিমাংসিত হোৱাত টাইব্ৰেকাৰত ধমনে তিনি গ'ল দিয়াৰ বিপৰীতে বিবেকানন্দই এটাও গ'ল দিব নোৱাৰিলে। উল্লেখ্য যে, শলগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ে প্ৰতিযোগিতাৰ উদ্বোধনী খেলত স্বামী বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়ক পৰাজিত কৰিছিল যদিও বিদ্যালয়ৰ বাহিৰৰ খেলুৱৈক দলত অন্তৰ্ভূক্ত কৰাত অনুশাসনমূলক ব্যৱস্থাৰে প্ৰতিযোগিতাৰ পৰা বাহিৰ কৰা হয়। ইফালে, চলিত মৰাণ আন্ত: বিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ পৰা পঁৰ আদৰ্শ চিনিয়ৰ চেকেণ্ডেৰী বিদ্যালয় দলটোৰ অনুশাসন ভংগৰ অপৰাধত নিলম্বন কৰা হৈছে । মৰাণ জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক সঞ্জীৱ বৰুৱাই জনোৱা মতে, বিদ্যালয়ৰ দলটোৱে যোৱা ৪ জুনত চেপন উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিৰুদ্ধে খেলা খেলখনত বিদ্যালয়ৰ বাহিৰৰ খেলুৱৈক দলত অন্তৰ্ভূক্ত কৰিছিল । ইফালে, এই মেচত পৰাস্ত হোৱা দল চেপন উচ্চ মাধ্যমিক বিদ্যালয়ক পৰৱৰ্তী খেলত খেলাৰ সুবিধা প্ৰদান কৰা হৈছে ।

# ডেন্সস্কেটৰ স্বৰ্ণজয়ী মেহলক সম্বৰ্ধনা



**গুৱাহাটী, ৬ জুন ঃ** আজি দিছপুৰ প্ৰেছ ক্লাবত সদ্যসমাপ্ত এছিয়ান ডেন্সস্কেট স্পৰ্টছ চেম্পিয়নশ্বিপত দুটাকৈ স্বৰ্ণ পদক অৰ্জন কৰা মেহল আগৰৱালাক সম্বৰ্ধনা জনোৱা হয় । উল্লেখ্য যে নেপালত অনুষ্ঠিত প্ৰতিযোগিতাত মেহলে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি ১২ আৰু ১৪ বছৰ অনূৰ্ধ্ব ফ্ৰীষ্টাইল শাখাত স্বৰ্ণ পদক দুটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনে । প্ৰথমবাৰৰ বাবে আয়োজিত এছিয়ান ডেন্সস্কেট চেম্পিয়নশ্বিপত ভাৰতৰ ২৩ জনীয়া দলে অংশগ্ৰহণ কৰে । স্মৰ্তব্য যে মাৰ্চত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ বাচনি যোগে ভাৰতীয় দলটো গঠন কৰা হৈছিল । এয়িয়ান চেম্পিয়নশ্বিপত স্বৰ্ণ জয় কৰাৰ সূত্ৰে মেহলে ইউৰোপত হ'ব লগা আন্তঃৰাষ্ট্ৰীয় ডেন্সস্কেট চেম্পিয়নশ্বিপলৈ যোগ্যতা অৰ্জন কৰিলে । এই উপলক্ষ্যে আয়োজিত সংবাদ মেলত উপস্থিত থাকে অসম ডেন্সস্কেট সন্থাৰ সভাপতি উদয় বৰগোঁহাই, কোষাধ্যক্ষ সৰিতা যাদৱ, অসম ৰোলাৰ স্কেটিং সন্থাৰ সম্পাদক অনুপম শৰ্মা, মেহলৰ পিতৃ বিকাশ আগৰৱালা, মাতৃ সন্তোষ আগৰৱালা। আজিৰ সংবাদ মেলত মেহল আগৰৱালাই ডেন্সস্কেট প্ৰদৰ্শন কৰে।

## নগাঁও ক্ৰীড়া সংস্থাৰ কৰ্মচাৰী প্ৰশান্ত ডেকাৰ পৰলোক

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৬ জুন ঃ** ৰাজ্যৰ অন্যতম অগ্ৰণী ক্ৰীড়া সংগঠন নগাঁও ক্ৰীড়া সংস্থাৰ সক্ৰীয় কৰ্মচাৰী প্ৰশান্ত ডেকাই কালি দুপৰীয়া অকাল মৃত্যুক সাবতি লয়। উল্লেখ্য যে নগাঁও জিলাৰ কাছমাৰী বৰাগাঁৱৰ নিবাসী ডেকা যোৱা কিছুদিনৰে পৰা দুৰাৰোগ্য ৰোগত আক্ৰান্তহৈ চিকিৎসাধীন হৈ আছিল। ভাইটি নামৰে জনপ্ৰিয় ৪৪ বছৰীয়া ডেকাৰ আকস্মিক বিয়োগত নগাঁও ক্ৰীড়া সংস্থাই গভীৰভাৱে শোকপ্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। উল্লেখ্য যে সুদীৰ্ঘ দিনৰে পৰা নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত কৰ্মৰত হৈ থকা সৰলমনৰ ডেকাই মৃত্যুৰ সময়ত মাতৃ,পত্নী আৰু তিনিজন পুত্ৰ তথা বহু আত্মীয়-কুটুম্বক ইহ-সংসাৰত এৰি থৈ যায়।



ছুইজাৰলেণ্ডৰ বিৰুদ্ধে খেলা মেচত পৰ্তুগালৰ ৰোনাল্ডো।

## ৰাষ্ট্ৰীয় কাৰাটেত গোৰেশ্বৰৰ খেলুৱৈৰ সাফল্য

**অগ্ৰদূত বাৰ্তা**

**গোৰেশ্বৰ, ৬ জুন ঃ** উৰিষ্যাত অনুষ্ঠিত হৈ যোৱা ইণ্ডিয়া ৱাডো কাই কাৰাটে প্ৰতিযোগিতাত অসমৰ হৈ গোৰেশ্বৰ কাৰাটে একাডেমিৰ প্ৰশিক্ষকসহ ১২ জনীয় দলে অংশগ্ৰহণ কৰে । উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সোন , ৰূপ আৰু ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয় দলটিয়ে। পদক লৈ গোৰেশ্বৰত উপস্থিত হোৱাৰ পিছত ১২ জনীয়া দলটোক উষ্ম আগৰণি জনোৱা হয়। গোৰেশ্বৰ কাৰাটে একাডেমিৰ দলটিৰ এনে সাফল্যত উৎফুল্লিত হৈছে গোৰেশ্বৰবাসী আৰু বিভিন্ন দল সংগঠনে দলটিক অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখ্য যে ঊষাৰাণী বসুমতাৰী আৰু উদীত্ত ডেকাই অসম দলৰ হৈ ভাগ লৈ সোণৰ পদক অৰ্জন কৰে।

## কুংফুত সোণ লাভ কৰা হৃত্বিকক যুৱ ছাত্ৰ পৰিষদৰ অভিনন্দন



**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ৬ জুন ঃ** গোলাঘাটত জিলাত অনুষ্ঠিত হোৱা দশম সদৌ অসম কংফু চেম্পিয়নশ্বিপত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বৰভাগ আঞ্চলিক সমিতিৰ অন্তৰ্গত বাহাৰঘাট শাখা সমিতিৰ উপ-সভাপতি সতীৰ্থ হৃত্বিক লহকৰে নলবাৰী জিলাক প্ৰতিনিধিত্ব কৰি সোণৰ পদক লাভ কৰিছে । সতীৰ্থ গৰাকীক আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বাহাৰ ঘাট শাখা সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বৰভাগ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ময়ুৰ ৰহমান , যুটীয়া সম্পাদক চাজিদ আহমেদ আঞ্চলিকৰ সাংগঠনিক সম্পাদক তথা বাহাৰ ঘাট শাখা সমিতিৰ উপদেষ্টা ইমৰান হুছেইন শাখা সমিতিৰ ভা:সভাপতি ধ্ৰুৱজ্যোতি কলিতা , উপ-সভাপতি ৰাজীৱ চৌধুৰী সাধাৰণ সম্পাদক বিবেক হাজৰিকা ৰ লগতে অন্যান্য কেইবাজনো বিষয়ববীয়াৰ লগতে সদস্য।



জাপান-ব্ৰাজিল মেচত নেইমাৰৰ পেনাল্টি শ্বট।

## দবাত ধান্যতা গোস্বামী-অথৰ্ব মহন্ত চেম্পিয়ন

**গুৱাহাটী, ৬ জুন ঃ** গুৱাহাটী দবা একাদেমীয়ে আয়োজন কৰা সাত আৰু ১১ বছৰ অনূৰ্ধ্ব দবা প্ৰতিযোগিতাৰ সাত বছৰ শাখাত ধান্যতা গোস্বামীয়ে ছয় ৰাউণ্ডৰ পৰা ছয় পইণ্ট সংগ্ৰহ কৰি খিতাপ অৰ্জন কৰে। পাৰ্থিৱ শংকৰ ছানাই ৪.৫ পইণ্ট সংগ্ৰহ কৰি দ্বিতীয় স্থান লাভ কৰে। আনহাতে, প্ৰহৰ্ষ চৌধুৰীয়ে ৩.৫ অৰ্জন কৰি তৃতীয় স্থান লাভ কৰে। শ্বানায়া ভৌমিক আৰু আৰাধ্যা বক্সীয়ে তিনি পইণ্টকৈ সংগ্ৰহ কৰে যদিও টাই-ব্ৰেক স্কৰৰ ভিত্তিত শ্বানায়াক চতুৰ্থ আৰু আৰধ্যাক পঞ্চম ঘোষণা কৰা হয়। ইফালে, ১১ বছৰ অনূৰ্ধ্ব শাখাত অথৰ্ব মহন্তই ছয় ৰাউণ্ডৰ পৰা ৫.৫ অৰ্জন কৰি প্ৰথম স্থান অধিকাৰ কৰে। নীহাৰ দাসে সম সংখ্যক ৰাউণ্ডৰ পৰা পাঁচ পইণ্ট সংগ্ৰহ কৰি দ্বিতীয় স্থান লাভ কৰে। স্বপ্নীল কৰে ৪.৫ অৰ্জন কৰি তৃতীয় স্থান লাভ কৰে। হৃয়ান কৌশিক ঠাকুৰীয়া আৰু ভিভান আৰিজ ঠাকুৰীয়াই চাৰি পইণ্টকৈ সংগ্ৰহ কৰে যদিও টাই-ব্ৰেক স্কৰৰ ভিত্তিত হৃয়ানক পঞ্চম আৰ ভিভানক ষষ্ঠ ঘোষণা কৰা হয়। প্ৰতিযোগিতা খন আৰ জি বৰুৱা পথত অৱস্থিত গুৱাহাটী দবা একাদেমীত অনুষ্ঠিত হৈছিল। সাত আৰু ১১ বছৰ অনূৰ্ধ্ব দুয়োটা শাখাত মুঠ ২২ জন খেলুৱৈয়ে অংশ গ্ৰহণ কৰিছিল। ৰাষ্ট্ৰীয় আৰ্বিটাৰ প্ৰণৱ কুমাৰ নাথে মুখ্য পৰিচালক হিচাপে প্ৰতিযোগিতাখন পৰিচালনা কৰিছিল।







# নতুন মিনিষ্টাৰ

**আজি**-কালি আমাৰ মিনিষ্টাৰবোৰৰ টেনছন বহুখিনি কমি গৈছে। আগতে কি আছিল—কোনোজনেই নিজৰ দপ্তৰক লৈ সন্তুষ্টিত ভোগা নাছিল। কথাটো সৰু সৰু ল'ৰা-ছোৱালীৰ মাজত চক'লেট বিলোৱাৰ দৰে আছিল। নিজৰ ভাগত পৰা চক'লেটটো সদায় সৰু আৰু বেলেগৰ ভাগত পৰাটো সদায় ডাঙৰ! ওচৰ জনে বেছি সময় চুহিব পাৰিছে, নিজৰ ভাগৰটো কিন্তু মুখত দিয়াৰ লগে লগে গলি নাইকিয়া হৈ গৈছে। সেই বাবে মিনিষ্টাৰবোৰৰ মাজত তামাম অসন্তুষ্টি আছিল। মাটি-বাৰী-গাড়ী হিচাপ নোহোৱাকৈ থাকিলেও প্ৰত্যেকৰে চকু আছিল বেলেগবোৰৰ ওপৰত। মনটোৱে অনবৰতে কুটকুটাই আছিল সি কিন্তু ঠিকছে লুটন দিলে! অমুকাই ভাল খিৰাইছে! কোনবাকৈ সি দিয়া খিৰনটো যদি দিব পৰা গ'লহেঁতেন! এনে অজস্ৰ আশা বুকুত বান্ধি মিনিষ্টাৰবোৰে আধা পকা আধা কেঁচা টোপনি দি থাকিব লগা হৈছিল। আজি-কালি মিনিষ্টাৰবোৰৰ কিন্তু সেইবোৰ টেনছন নাই। বেলেগলৈ চাই চাই হা-হুমুনিয়াহ কাঢ়ি থকাৰো দৰকাৰ নাই। কাৰণ বৰ্তমান আটাইবোৰ মিনিষ্টাৰৰ হাতত একেখিনি দপ্তৰেই আছে। মূলতঃ দুটা দপ্তৰ— সঁহাৰি দপ্তৰ আৰু কোম্পেনী দপ্তৰ। সঁহাৰি দপ্তৰৰ কে'বাটাও বিভাগ আছে— হাত চাপৰি বিভাগ, হাঁহি বিভাগ আদি। মহাৰাজে যিহকে নকওক, কেইজনমানে চাপৰি বজাব লাগিব, কেইজনমানে হাঁহিৰে ছাপ'ৰ্ট দিব লাগিব, দুজনমানে ৰাইজক ছাপ'ট দিবলৈ ক'ব লাগিব। এনেকৈ এটা দপ্তৰৰে বিভিন্ন বিভাগ বিভিন্নজনৰ হাতত চমজাই দিয়া হৈছে। অন্য এটা বিভাগ হ'ল কোম্পেনী বিভাগ। এই বিভাগৰ দায়িত্বত থকাসকলে অনবৰতে লগত যাব লাগে, কোম্পেনী দিব লাগে। ক'ৰবাত বহি থাকিলে কাষতে চকী পাৰি বহি থাকিব লাগে, নাইবা কাষতে থিয় হৈ থাকিব লাগে। যিহেতু আটাইৰে হাতত একেখিনি দপ্তৰ, কামো একেখিনিয়ে, গতিকে কাৰ ভাগত ডাঙৰ চক'লেট পৰিছে, কোনে বেছি সময় চুহিছে, তাকে লৈ মূৰ ঘমাবৰ দৰকাৰ নোহোৱা হৈছে। এজনে চুহিব আৰু বাকীবোৰে চাই থাকিব— এই নীতিত চলা কাৰণে কাৰোৰে অকণো মাথা ব্যাথা নাই।

এইবাৰ আকৌ চৰ্চা চলিছে— মিনিষ্টাৰ বাঢ়িব। আগেয়ে এনে এটা নিউজ মুখে মুখে বাগৰোতে একেবাৰে গৰম হৈ যায়। এইবাৰ পিছে কাৰো বৰ বিশেষ গুৰুত্ব নাই। আমাৰ এমেলেবোৰে এই নিউজটোক লৈ আলচ কৰিছে যদিও বৰ ঠাণ্ডা এই আলচ। ইজনে সিজনক কৈছে— 'হেৰা, কি হ'বহে?'



ঃ কি বা হয়?
ঃ কোন বা হ'ব?
ঃ একো গম নাপাওঁ।
ঃ তুমি হ'বা নেকি?
ঃ কি?
ঃ নতুন মিনিষ্টাৰ।
ঃ চান্স নাই।
ঃ কিয়?
ঃ আজিলৈকে এবাৰলৈও লগত যাব পৰা নাই।
ঃ মোৰ আকৌ কপালেই ফুটা বুজিছা।
ঃ কেনেকৈ ফুটিল?
ঃ নক'বা আৰু!
ঃ কোৱাচোন তথাপি!
ঃ এবাৰ মানে কি হ'ল জানা?
ঃ কি?
ঃ বেছি টেঙৰ হ'বলৈ গৈ ফঁচি গ'লো।
ঃ কেনেকৈ?
ঃ মহাৰাজ এবাৰ মোৰ জাগালৈ আহিছিল।
ঃ তাৰ পাছত?
ঃ মই ভাবিলো— অনবৰতে মই নমস্কাৰ দি থকাটো মহাৰাজে দেখিব লাগিব। তেতিয়া মোৰ ভক্তিৰ উমান পাব। সেই ভাবি ফেভিকল লগাই হাত দুখন আঠা লগাই ল'লো।
ঃ তাৰ পাছত?
ঃ মহাৰাজে দেখিলে। অনবৰতে নমস্কাৰ কৰি থকা দেখি ভালো পালে চাগে। কিন্তু....
ঃ কি কি?
ঃ মহাৰাজে ভাচন দিলে। আটায়ে হাত চাপৰি বজালে। মহাৰাজে কেৰাহিকৈ চালে— মই বজোৱা নাই।
ঃ হাঁহি দিব পাৰিলাহেঁতেন!
ঃ কেনেকৈ হাঁহিম?
ঃ কিয়?
ঃ আগদিনাখন আগৰ দাঁত সৰাই উঠিছো মাত্ৰ। মই নহঁহাটোও মহাৰাজে দেখিলে! তামাম বেয়া পালে চাগে!
ঃ দাঁত সৰিছে যেতিয়া তোমাৰ চিন্তা নাই। মন্ত্ৰীসভাত নোৱাৰিলেও মাৰ্গদৰ্শকত সোমাই যাবা।

# ডিব্ৰুগড়ত ভয়ংকৰ দুৰ্ঘটনাত কথমপি প্ৰাণৰক্ষা বিশ্ববিদ্যালয়ৰ সাত ছাত্ৰৰ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ৬ জুন ঃ** ডিব্ৰুগড়ত যোৱা নিশা সংঘটিত এক ভয়ংকৰ দুৰ্ঘটনাত সৌভাগ্যক্ৰমে প্ৰাণৰক্ষা পৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাতজনকৈ ছাত্ৰ। বিশ্ববিদ্যালয়ৰ সমীপত এখন তীব্ৰ বেগী গাড়ীয়ে পাঁচ খনকৈ দুচকীয়া বাহনক মহটিয়াই আৰোহীসহ পৰেগৈ পথৰ দাঁতিৰ এটা দ-খাৱৈত। গাড়ীখনে মহটিয়াই নিয়া এখন স্কুটী আৰু এখন মটৰ চাইকেলো দ-খাৱৈৰ পানীৰ মাজত সোমাইগৈ। এই দুৰ্ঘটনাত পাঁচজন যুৱক আহত হয়।

আৰক্ষীয়ে জনোৱা মতে, বিশ্ববিদ্যালয়ৰ সমীপৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৰাচুকত যোৱা নিশা প্ৰায় ১০-৪৫ বজাত সংঘটিত হয় এই ভয়াৱহ দুৰ্ঘটনাটো। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে গৈ থকা এছ-০১ বিই-১৯১৩ নম্বৰৰ এখন হোণ্ডা বাহনে পাঁচখনকৈ মটৰ চাইকেল আৰু স্কুটীক মহটিয়াই ঘাইপথৰ কাষৰ দ-খাৱৈত বাগৰি পৰেগৈ। লগতে এছ-০৪ এছ-১০৫৬ নম্বৰৰ এখন স্কুটী আৰু এছ-০৪ এক্স-৭০৭৭ নম্বৰৰ এখন কাৱাছাকি মটৰ চাইকেল আৰোহীসহ দ-খাৱৈত সোমাই পৰেগৈ। অৱশ্যে স্থানীয় লোকে তৎপৰতাৰে মটৰ চাইকেল, স্কুটী আৰু গাড়ীখনৰ যাত্ৰীসকলক উদ্ধাৰ কৰি ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। স্থানীয় লোকৰ সহযোগত আৰক্ষী, যানবাহন আৰক্ষী আৰু এছডিআৰএফ জোৱানে বহু প্ৰচেষ্টাৰ অন্তত মাজনিশা গাড়ীখনৰ লগতে দুচকীয়া বাহন দুখনো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ভয়ংকৰ দুৰ্ঘটনা টোত অৰুণাভ ফুকন, যুগান্ত দাস, প্ৰিয়ব্ৰত গগৈ, ৰূপজ্যোতি মহন্ত আৰু কৃষ্ণমণি গগৈ আহত হয়। স্থানীয় লোকে জনোৱা মতে, তীব্ৰ বেগেৰে অহা চাৰিচকীয়া বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই দুচকীয়া বাহন কেইখন মহটিয়াই নি খাৱৈত পৰেগৈ। মদ্যপান কৰি বাহন চলোৱাৰ বাবেই দুৰ্ঘটনাটো সংঘটিত হোৱা বুলিও অভিযোগ কৰিছে স্থানীয় লোকে।

প্ৰায় ৩,৪০০ বছৰ পুৰণি এখন আধুনিক চহৰ দীৰ্ঘদিন ধৰি নদীৰ তলত লুকাই থকাৰ পাছত সম্প্ৰতি ইয়াৰ সন্ধান পোৱা গৈছে। ইৰাকৰ কুৰ্দিস্তান অঞ্চলৰ কেমুনেৰ টাইগ্ৰিছ নদীৰ তলত এই প্ৰাচীন ব্ৰঞ্জ যুগৰ এই চহৰখনৰ সন্ধান পায় প্ৰত্নতাত্ত্বিকে। এদল জাৰ্মান আৰু কুৰ্দিছ প্ৰত্নতাত্ত্বিকে পোহৰলৈ অনা এই চহৰখন একালৰ মিট্টানি সাম্ৰাজ্যৰ গুৰুত্বপূৰ্ণ চহৰ জাখিখু বুলি ধাৰণা কৰা হৈছে।

# নদীৰ তলত আৱিষ্কাৰ হ'ল ৩৪শ পুৰণি আধুনিক চহৰ



**স্তম্ভ, বহুমহলীয়া ঘৰ, প্ৰাসাদ আদিৰ ধ্বংসাৱশেষ দেখি তবধ মানিছে প্ৰত্নতাত্ত্বিকে**

**নিউজ ব্যুৰ'**

**বাগদাদ, ৬ জুন ঃ** প্ৰায় ৩,৪০০ বছৰ পুৰণি এখন আধুনিক চহৰ দীৰ্ঘদিন ধৰি নদীৰ তলত লুকাই থকাৰ পাছত সম্প্ৰতি ইয়াৰ সন্ধান পোৱা গৈছে। ইৰাকৰ কুৰ্দিস্তান অঞ্চলৰ কেমুনেৰ টাইগ্ৰিছ নদীৰ তলত এই প্ৰাচীন ব্ৰঞ্জ যুগৰ এই চহৰখনৰ সন্ধান পায় প্ৰত্নতাত্ত্বিকে। এদল জাৰ্মান আৰু কুৰ্দিছ প্ৰত্নতাত্ত্বিকে পোহৰলৈ অনা এই চহৰখন একালৰ মিট্টানি সাম্ৰাজ্যৰ গুৰুত্বপূৰ্ণ চহৰ জাখিখু বুলি ধাৰণা কৰা হৈছে।

প্ৰায় চাৰে তিনি হেজাৰ বছৰৰ পুৰণি হ'লেও চহৰখনত আছিল সকলো ধৰণৰ আধুনিক ব্যৱস্থা। এই বিষয়টোৱেই প্ৰত্নতাত্ত্বিকসকলক অধিক আচৰিত কৰি তুলিছে। কাৰণ ইমান প্ৰাচীন যুগত এই ধৰণৰ স্থাপত্যৰ কথা কল্পনাই কৰিব নোৱাৰি বুলি গৱেষকৰ দলটোৱে মন্তব্য কৰিছে। গৱেষকৰ দলটোৱে জনাইছে যে ৪৭৫ খ্ৰীষ্টপূৰ্বৰ পৰা ১২৭৫ খ্ৰীষ্টপূৰ্বৰ ভিতৰত মিট্টানি সাম্ৰাজ্যৰ চহৰখন স্থাপন হৈছিল। ৰ'দত পোৱা মাটিৰ ইটাৰ দেৱালৰ পৰা আৰম্ভ কৰি প্ৰাসাদ, কে'বা মহলীয়া ঘৰ, বহুতো স্তম্ভ তথা অন্যান্য স্থাপত্যৰ নিদৰ্শন পোৱা গৈছে টাইগ্ৰিছ নদীৰ তলত।

প্ৰত্নতাত্ত্বিকৰ দলটোৱে জনাইছে যে প্ৰায় চাৰিটা দশকৰ আগলৈকে এই চহৰৰ ধ্বংসাৱশেষ নদীৰ তললৈ যোৱা নাছিল। যদিও তাৰ পূৰ্বে ইয়াত কোনো ধৰণৰ প্ৰত্নতাত্ত্বিক অনুসন্ধান হোৱা নাছিল বাবেই চহৰখনৰ বিষয়ে বহিঃবিশ্ব অৱগত নাছিল। চাৰি দশকৰ পূৰ্বে টাইগ্ৰিছ নদীত বান্ধ নিৰ্মাণ কৰাৰ ফলত চহৰখন থকা অঞ্চলটোত পানী ভৰ্তি হৈ পৰিছিল। মছুল ৰিজাৰ্ভইৰ নামৰ এই প্ৰকল্পটো হৈছে ইৰাকৰ সবাতোকৈ গুৰুত্বপূৰ্ণ পানী সংৰক্ষণ কৰা প্ৰকল্প। সেই প্ৰকল্পত বান্ধৰ বাবে পানী পৰিপূৰ্ণ হৈ পৰাত চহৰখন পানীত বুৰ গৈছিল।

উল্লেখ্য যে ইৰাকত কিছু বছৰৰ পৰা খৰাং আৰম্ভ হৈছে। ফলত খেতি ৰক্ষাৰ বাবে যোৱা ডিচেম্বৰৰ পৰা পৰ্যায়ক্ৰমে মছুল ৰিজাৰ্ভইৰৰ পানী এৰি দিয়া কাম অব্যাহত আছে। প্ৰকল্পটোৰ পানী কমি অহাৰ ফলতে শেহতীয়াকৈ নদীৰ তলৰ পৰা চহৰখনৰ অস্তিত্ব প্ৰকট হৈ পৰিছে। গৱেষকৰ দলটোৱে কয় যে প্ৰায় চাৰিটা দশক পানীৰ তলত থকা সত্ত্বেও ইটাৰ দেৱালখনত অকণো ক্ষতিসাধন হোৱা নাই। উল্লেখ্য যে এক ভয়াৱহ ভূমিকম্পতে চহৰখন ধ্বংস হোৱা বুলি গৱেষকে ধাৰণা কৰিছে।



বিশ্বৰ প্ৰবীণতম লোক হিচাপে অকলে প্ৰশান্ত মহাসাগৰ পাৰ হোৱাৰ নজিৰ স্থাপন কৰিলে জাপানৰ এজন ভ্ৰমণকাৰীয়ে। ৰোমাঞ্চকৰ ভ্ৰমণত ৰাপ থকা কেনিচি হোৰি নামৰ ৮৩ বছৰীয়া লোকজনে এখন সৰু য়ট বা দ্ৰুতগামী পালতৰা নাৱত উঠিয়ে এই অসাধ্য সাধন কৰিলে। অৱশ্যে অভিলেখ গঢ়িও তৃপ্ত হোৱা নাই কেনিচি। নিজৰ সফলতাত আনন্দিত হ'লেও এতিয়াই ক্ষান্ত হ'ব খোজা নাই তেওঁ।

# অকলে প্ৰশান্ত মহাসাগৰ পাৰ হ'ল ৮৩ বছৰৰ 'যুৱক'

**৬০ বছৰৰ ব্যৱধানত দুবাৰ যাত্ৰা কৰিও তৃপ্ত হোৱা নাই**

**নিউজ ব্যুৰ'**

**ছান ফ্ৰান্সিস্ক', ৬ জুন ঃ** বিশ্বৰ প্ৰবীণতম লোক হিচাপে অকলে প্ৰশান্ত মহাসাগৰ পাৰ হোৱাৰ নজিৰ স্থাপন কৰিলে জাপানৰ এজন ভ্ৰমণকাৰীয়ে। ৰোমাঞ্চকৰ ভ্ৰমণত ৰাপ থকা কেনিচি হোৰি নামৰ ৮৩ বছৰীয়া লোকজনে এখন সৰু য়ট বা দ্ৰুতগামী পালতৰা নাৱত উঠিয়ে এই অসাধ্য সাধন কৰিলে। অৱশ্যে অভিলেখ গঢ়িও তৃপ্ত হোৱা নাই কেনিচি। নিজৰ সফলতাত আনন্দিত হ'লেও এতিয়াই ক্ষান্ত হ'ব খোজা নাই তেওঁ। সংবাদ মাধ্যমক কেনিচিয়ে জনাইছে যে তেওঁ এতিয়াও মধ্যযৌৱনতে আছে, সেয়ে ভৱিষ্যতে তেওঁ আকৌ এনে শিহৰণকাৰী ভ্ৰমণত যাব বিচাৰে।

যোৱা মাৰ্চত কেনিচিয়ে আমেৰিকাৰ ছান ফ্ৰান্সিস্ক' চহৰৰ পৰা মাত্ৰ ১৯ ফুট দীঘল ছান্তৰি মাৰমেইড-৩ নামৰ এখন য়টত উঠি জাপান অভিমুখে যাত্ৰা আৰম্ভ কৰে। প্ৰশান্ত মহাসাগৰ অতিক্ৰম কৰি নিজ দেশত উপস্থিত হোৱাৰ বাবে ৮৩ বছৰীয়া 'যুৱক'জনক প্ৰয়োজন হয় ৬৯ দিন। অৱশ্যে এই যাত্ৰাপথ বৰ সুগম নাছিল। যাত্ৰাৰ আৰম্ভণিতে প্ৰৱল ধুমুহাৰ পৰা আৰম্ভ কৰি জাপানৰ উপকূলৰ সমীপত বিপৰীতমুখী সোঁত, সকলো প্ৰতিকুল পৰিস্থিতি দক্ষতাৰে চম্ভালিছিল এই প্ৰবীণ ভ্ৰমণকাৰীজনে। লগত ঔষধপাতি থাকিলেও সমগ্ৰ যাত্ৰাপথত কেৱল চকুৰ ড্ৰ'প আৰু বেণ্ডেইড অবিহনে আন একো ঔষধৰ প্ৰয়োজন নহ'ল বুলিয়ে কেনিচিয়ে জনাইছে। জাপানৰ শ্বিন নিশ্বিম'নিয়া বন্দৰত তেওঁক সম্ভাষণ জনাবলৈ অসংখ্য মানুহ উপস্থিত আছিল। কেনিচি বন্দৰত উপস্থিত হোৱাৰ লগে লগে তেওঁলোক উল্লাসত মতলীয়া হৈ পৰে।



উল্লেখ্য যে কেনিচিৰ এই ভ্ৰমণ এয়াই প্ৰথম নাছিল। ১৯৬২ত বিশ্বৰ প্ৰথম ভ্ৰমণকাৰীৰূপে তেওঁ অকলে প্ৰশান্ত মহাসাগৰ পাৰ হোৱাৰ বিশ্ব অভিলেখ গঢ়িছিল। ৬০ বছৰৰ পাছত বিশ্বৰ প্ৰবীণতম লোক হিচাপে একেটা কামকে সমাধা কৰি তেওঁ নতুন বিশ্ব অভিলেখ গঢ়ে। উল্লেখ্য যে ১৯৭৪ত কেনিচিয়ে য়টত উঠি বিশ্ব পৰিভ্ৰমণো কৰিছিল।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত প্ৰথমবাৰলৈ চাহৰ সোৱাদ পৰীক্ষা ঃ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ চাহ কোম্পানীৰ বাগিছাৰ অংশগ্ৰহণ

**আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ চাহৰ গুণগত মান ৰক্ষাৰ প্ৰচেষ্টা**

**ৰাতুল গোহাঁই**

**ডিব্ৰুগড়, ৬ জুন ঃ** চাহ একাপ খাই যাব। অসমীয়া সমাজত এইদৰে অতিথিক একাপ চাহৰে আপ্যায়ন কৰাটো এক পৰম্পৰা। চাহৰ স'তে আমাৰ সমাজৰ আছে এক আত্মীয়তা। অসমৰ চাহৰ সমগ্ৰ বিশ্বতেই আছে সমাদৰ। অৱশ্যে বৰ্তমান বৃহৎ চাহ বাগিচাবোৰত পুৰণি চাহগছৰ পৰা উৎপাদন কৰা চাহৰ গুণগত মান নিম্নগামী হোৱাৰ অভিযোগৰ লগতে ৰাসায়নিক সাৰ ব্যৱহাৰ, কীটনাশকৰ প্ৰয়োগ আদিৰ ফলতো ইয়াৰ গুণগত মানদণ্ড হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি প্ৰথমবাৰৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত চাহৰ সোৱাদ পৰীক্ষাৰ এক কাৰ্যসূচী সম্পন্ন হয়। আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ চাহৰ গুণগত মান যাতে হ্ৰাস নাপায়, তাৰ প্ৰতি লক্ষ্য ৰাখি চাহৰ মান নিৰূপণৰ বাবে অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চাহ, কৃষি অধ্যয়ন কেন্দ্ৰ আৰু পাৰ্কন ইন্দিয়া লিমিটেডৰ যুটীয়া প্ৰচেষ্টাত বিশ্ববিদ্যালয়ৰ ইন্দিৰা মিৰি পেক্ষাগৃহত এই কাৰ্যসূচীত ৰাজ্যৰ বিভিন্ন চাহ কোম্পানীয়ে অংশগ্ৰহণ কৰে। ৰাজ্যৰ বিভিন্ন চাহ কোম্পানীৰ এশৰো অধিক চাহ বাগিছাই অংশগ্ৰহণ কৰা কাৰ্যসূচীত চাহৰ মান নিৰূপণকাৰী সংস্থা পাৰ্কন ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ কলকাতাস্থ বিশিষ্ট পৰীক্ষক প্ৰসুন ৰায় চৌধুৰী, গুৱাহাটীৰ সুৰজিৎ ফুকন, কুনাল কেবিন, ডিব্ৰুগড়ৰ অমিতাভ ফুকন উপস্থিত থাকে। তেঁওলোকে অসমৰ বিভিন্ন প্ৰান্তৰ চাহ বাগিচাৰ পৰা অহা চাহৰ গুণগত মান পৰীক্ষা কৰে। লগতে বাগিচা কতৃপক্ষসমূহক চাহৰ মান ৰক্ষা সন্দৰ্ভতো পৰামৰ্শ আগবঢ়ায়।



এই কাৰ্যসূচীত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চাহ আৰু কৃষি অধ্যয়ন কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। বিশ্ববিদ্যালয়ত প্ৰথমবাৰৰ বাবে আৰম্ভ হোৱা এই গুৰুত্বপূৰ্ণ পদক্ষেপ আৰু প্ৰচেষ্টাই বহু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ কৰ্ম সংস্থাপনত সহায়ক হ'ব বুলি আশা প্ৰকাশিত হয়। লগতে চাহ বাগিচাসমূহেও প্ৰতিযোগিতামূলকভাৱে নিজ নিজ বাগিচাৰ চাহৰ মান ৰক্ষা কৰাৰ ক্ষেত্ৰত এই কাৰ্যসূচীয়ে প্ৰভাৱিত কৰিব বুলি আশা ব্যক্ত কৰে চাহ আৰু কৃষি অধ্যয়ন কেন্দ্ৰৰ সঞ্চালক পি কে বৰুৱাই।

# ৰহস্যজনকভাৱে টিংৰাই পালেহি বিহাৰৰ যুৱক

**খবৰ দিয়াৰ পাছতো চাবলৈকে নগ'ল ডিগবৈ আৰক্ষী**

**ডিগবৈ, ৬ জুন ঃ** এক ৰহস্যজনক পৰিস্থিতিত বিহাৰৰ এজন যুৱক আহি পালেহি ডিগবৈৰ টিংৰাইত। বিহাৰৰ মধুবনি জিলাৰ পৱন ৰাম নামৰ এই যুৱকজনে সম্প্ৰতি টিংৰাই-ডুমডুমা সংযোগী পথৰ কাষতে আশ্ৰয় লৈ আছে। এখন চালি সাজি দি স্থানীয় লোকে খাদ্য যোগান ধৰি আহিছে যুৱকজনক। ৰেলত কোনো দুৰ্বৃত্তই নিচাজাতীয় দ্ৰব্য খুৱাই যুৱকজনক ভুল পথেৰে ডিগবৈলৈ পঠিয়াই দিয়া বুলি স্থানীয় লোকে সন্দেহ কৰিছে। স্থানীয় লোকে জনোৱা মতে, বিগত তিনি দিনৰ পূৰ্বে অতি ৰহস্যজনক পৰিস্থিতিত যুৱকজন আহি টিংৰাইত উপস্থিত হয়। ৰেলত কি ঘটিছিল বা ইয়ালৈ কেনেকৈ আহিল সেই বিষয়তো বিহাৰৰ যুৱকজনে বিশেষ তথ্য সদৰী কৰিব পৰা নাই। স্থানীয় লোকে অভিযোগ কৰে যে যুৱকজনৰ সন্দৰ্ভত বিগত তিনিদিন ধৰি বাৰম্বাৰ আৰক্ষীক খবৰ দি আহিছে যদিও এই পৰ্যন্ত ডিগবৈ আৰক্ষীয়ে যুৱকজনৰ খবৰ এটাও লোৱা নাই। আৰক্ষীৰ এই কাৰ্যত স্থানীয় লোকে গৰিহণা দিছে।

# নগাঁৱৰ পুৰণিগুদামৰ কিশোৰী ছাত্ৰী প্ৰিয়া কুমাৰীৰ কৰুণ জীৱন গাথা

■ অন্ধ পিতৃ-মাতৃক লগত লৈ নগাঁও চহৰত দোকানে দোকানে ভিক্ষা ■ পিতৃ-মাতৃয়ে ক'লে, 'আমি অসহায়, সেয়েহে তাইক লগত লৈ ফুৰিছো'

**বিশেষ সংবাদদাতা**

**নগাঁও, ৬ জুন ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ গায়ন বৈৰাগী গাঁৱৰ এগৰাকী কিশোৰী ছাত্ৰীৰ এক কৰুণ কাহিনী। ১৫ বছৰীয়া কিশোৰীগৰাকীৰ নাম প্ৰিয়া কুমাৰী কলিতা। স্থানীয় বিদ্যালয়ত নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰীগৰাকীৰ পিতৃ-মাতৃ বিশেষভাৱে সক্ষম লোক। বিদ্যালয় বন্ধৰ দিনত প্ৰিয়াই অন্ধ পিতৃ-মাতৃক হাতত ধৰি আনে নগাঁৱৰ বিভিন্ন ঠাইলৈ। পিতৃ-মাতৃয়ে খুজি-মাগি পোৱা সামান্য ধনৰে তাইৰ পঢ়াৰ খৰচ যোগাৰ আৰু ঘৰখনৰ মৌলিক প্ৰয়োজন পূৰণৰ আপ্ৰাণ চেষ্টা চলে। খুজি-মাগি এসাঁজ খাই আন সাঁজ নাখাই হ'লেও প্ৰিয়াক ডাঙৰ মানুহ কৰাৰ সপোন দেখে অন্ধ পিতৃ-মাতৃয়ে। প্ৰিয়াৰ পিতৃ সুৰেশ চন্দ্ৰ চাহুয়ে আজি সাংবাদিকক কয়, 'মই আৰু মোৰ মানুহগৰাকী



দুয়ো নেদেখো। সেই কাৰণে আমি কাম-বন কৰিব নোৱাৰো। আমি নিচেই দুখীয়া মানুহ। ৰাইজৰ সহায়-সহযোগত কোনো মতে চলি আছো। পুৰণিগুদামৰ পৰা নগাঁৱলৈ টেম্পোত আহো। কেতিয়াবা কোনোবাই ভাড়া লয়, কোনোবাই নলয়।' তেওঁ আৰু কয়, 'আমাৰ ছোৱালীজনী নৱম শ্ৰেণীত পঢ়ি আছে। তাইক এনেকৈ আমি লগত লৈ ভিক্ষা কৰি ফুৰিবলৈ আমাৰো ভাল নালাগে। এনে লাগে, যেন আমি তাইৰ জীৱনটো ধ্বংস কৰিছো। এনেকৈ থাকিলে তাইৰ জীৱনটো ধ্বংস হ'ব। সেইটো মই জানো। তথাপিও আমি নিৰুপায়। ৰাইজক অনুৰোধ-অন্ধ মানুহৰ ছোৱালী বুলি যাতে তাইক সহায় কৰে। পঢ়ি-শুনি যাতে আগলৈ ভাল মানুহ হ'ব পাৰে।' তেওঁ কয়, '২০০৫তে চৰকাৰী চাকৰিৰ বাবে ইনটাৰভিউ দিছিলো। কিন্তু চাকৰি নাপালো। চৰকাৰী অনুদান হিচাপে চাউলকেইটা পাই আছো।' প্ৰিয়াই লগতে কয়, 'ৰাইজৰ সহায়তে আমি চলি আছো। মই নৱম শ্ৰেণীত পঢ়ি আছো। স্কুল থাকিলে স্কুললৈ যাওঁ আৰু কেতিয়াবা স্কুল বন্ধ থাকিলে এনেকৈ মা-দেউতাক হাতত ধৰি লৈ আহো। এইবোৰ কৰিবলৈ মোৰো ভাল নালাগে। কিন্তু উপায় যে নাই। সেয়েহে মই অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনাইছো যাতে তেওঁ মোৰ পঢ়াৰ দায়িত্ব লয়। মই পঢ়িব বিচাৰো।' কণমানি প্ৰিয়াৰ এই জীৱন সংগ্ৰামত কিঞ্চিত সহায়ৰ প্ৰয়োজন। তেওঁক সহায়ৰ বাবে আগবাঢ়ি আহিবনে কোনোবা হৃদয়বান?'



# ভূটানৰ পৰা নামি আহিছে প্ৰকাণ্ড প্ৰকাণ্ড মাছ

**সংকোষ নদীত মাছমৰীয়াৰ জালত ৮০ কিলো ওজনৰ গৰুৱা (আইৰ) মাছ**

**অগ্ৰদূত বাৰ্তা**

**তামাৰহাট, ৬ জুন ঃ** অসম-বংগ সীমান্তৰে বৈ যোৱা তীব্ৰবেগী সংকোষ নদীত এটাৰ পাছত আন এটা প্ৰকাণ্ড প্ৰকাণ্ড গৰুৱা (আইৰ) মাছ খৰা জালত পৰিছে। কে'বাদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ভূটানৰ পৰা নামি অহা ঘোলা পানীৰ ধলত নামি আহিছে ৭০-৮০ কিলো ওজনৰ প্ৰকাণ্ড প্ৰকাণ্ড আইৰ মাছ। কালি ৮৫ কিলোগ্ৰাম ওজনৰ এটা আইৰ মাছ জালত পৰাৰ পাছত আজি পুনৰ ৭০ কিলোগ্ৰাম ওজনৰ দুটা আইৰ মাছ মাছমৰীয়াৰ জালত পৰে। ইয়াৰে এটা সংকোষ নদীৰ বিষ্ণু নগৰত আৰু আনটো মাছ শিমুলটাপু গাঁৱৰ সংকোষ নদীত পাতি থোৱা খৰা জালত পৰে। উক্ত মাছসমূহ নদীৰ ঘাটত বিক্ৰী হোৱাৰ লগতে ধুবুৰীৰ মাছ বজাৰৰ উপৰি চুবুৰীয়া পশ্চিমবংগৰ মাছ বজাৰতো বিক্ৰী হৈছে। স্থানীয় নদীত উপলব্ধ মাছৰ চাহিদা যথেষ্ট। পাইকাৰী দৰত প্ৰতি কিলোগ্ৰাম মাছ পাঁচশৰ পৰা ৬৫০ টকা দৰত বিক্ৰী কৰি আহিছে। চিৰাজুল শ্বেখ, নুৰুদ্দিন শ্বেখ, ৰেজাউল শ্বেখ, চলেমান শ্বেখ নামৰ মাছমৰীয়াৰ জালত পৰে এই প্ৰকাণ্ড মাছ দুটা। ইয়াৰে এটা মাছ ৪২ হেজাৰ আৰু আন এটা ৩৩ হেজাৰ টকাত বিক্ৰী হয়। ইমানদিনে কেতিয়াও এনে প্ৰকাণ্ড আইৰ মাছ সংকোষ নদীত জালত পৰা নাছিল যদিও বৰষুণৰ ফলত ভূটানৰ পৰা পানী নামি অহাত এইবাৰ আগতীয়াকৈ মাছ জালত পৰিছে। সংকোষ নদীত প্ৰতিদিনেই মাছ জালত পৰাত মাছমৰীয়াৰ দলে নৈৰ পাৰত বাহৰ পাতিছে। ইয়াৰ পূৰ্বে সংকোষ নদীত মাছমৰীয়াই পাতি থোৱা খৰা জালত ১০-১৫ কিলোগ্ৰাম মাছ উঠিছিল। নৈখনৰ মাজেৰে যোৱা ৰেলৰ দলঙৰ দক্ষিণ পিনে শিমুলটাপুত এখন আৰু বংগৰ সীমান্তৱৰ্তী কৃষ্ণ নগৰত এখন খৰা জাল বহুৱাইছে মাছমৰীয়াই। কেইদিনমান ধৰি নদীৰ বিভিন্ন স্থানত আইৰ মাছৰ লগতে অন্যান্য মাছ জালত পৰাত বৰ্তমান নদীৰ পাৰত যথেষ্ট ভিৰ হোৱা দেখা গৈছে। মাছ চাবলৈ নদীৰ পাৰত ৰাইজে হেতা ওপৰা কৰিছে। উল্লেখ্য যে শিমুলটাপুত যোৱা কালি জালত পৰা ৮০ কিলোগ্ৰাম ওজনৰ মাছটো ৪৮ হেজাৰ টকাত বিক্ৰী হয়।



**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com